# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**


| | |
|---|---|
| Record No: 2006/109 | Language of work: Assamese |
| Author (s) / Editor (s): Jotin Goswami (1st issue) Abdus Sattar (2nd & 3rd issue) | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Sāhaitya Sabhā Patrika | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1971 C | Edition: |
| Size: 23½ cms - 3 issues 98+96+16+78+24 page | Genre: |
| Volumes: 28 - 3 issue | Condition of the original: good |
| Remarks: Illust. 1st vol. published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

# অসম সাহিত্য সভা পত্ৰিকা

সম্পাদকঃ আব্দুচ্ ছাত্তাৰ ।

৯৭১
ন
৮৯৩
ক
ম
বিংশ
য়
ংখ্যা



পদ্মধৰ চলিহা সোঁৱৰণী সংখ্যা

গোস্বামী ... নং ... তাং ... হিত্য সভা

# অসম সাহিত্য সভা পত্ৰিকা

নং ........
তাং ....
সাহিত্য সভা

অষ্টবিংশ বছৰ ॥ ১৮৯৩ শক ॥ ১৯৭১ চন ॥ দ্বিতীয় সংখ্যা

( পদ্মধৰ চলিহা সোঁৱৰণী সংখ্যা )

অসম সাহিত্য সভা

সম্পাদক : আব্দুছ ছাত্তাৰ

প্ৰকাশক : শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
যোৰহাট - অসম ।

বেটুপাতৰ শিল্পী — শ্ৰীসোণাৰাম চুটিয়া ( চন্দন )

মুদ্ৰক : গোহাঁই প্ৰেছ, ডিব্ৰুগড়

বেচ — ১'৫০ টকা

# ।। সূচী পত্ৰ ।।

## প্ৰথম ভাগ


১। পদ্মধৰ চলিহাৰ জীৱন-পৰিচয় — ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য .... ১
২। কৰ্ম্মযোগী ৺পদ্মধৰ চলিহা — শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা .... ৬
৩। পদ্মধৰ চলিহালৈ মনত পৰি — শ্ৰীবেণুধৰ শৰ্ম্মা .... ১৪
৪। পদ্মধৰ চলিহাৰ বৰগুণি — শ্ৰীযতীন্দ্ৰনাথ গোস্বামী .... ১৭
৫। পদ্মধৰ চলিহাৰ সোঁৱৰণত — শ্ৰীলীলা গগৈ .... ২৪
৬। গুৰুদেৱ পদ্মধৰ চলিহা — শ্ৰীপূৰ্ণানন্দ শইকীয়া .... ২৭
৭। অধ্যাপকৰূপে পদ্মধৰ চলিহা — শ্ৰীপ্ৰফুল্ল কুমাৰ বৰুৱা .... ৩৩
৮। পদ্মধৰৰ মানসপদ্ম : গুৱাহাটী সন্মিয়া সন্মিলনী — শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা .... ৩৭
৯। পদ্মধৰ চলিহাৰ 'অমৰ লীলা' — শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা .... ৪১
১০। সাংবাদিক পদ্মধৰ চলিহা — শ্ৰীনিত্যানন্দ বৰদলৈ .... ৪৪
১১। সঙ্গীত-জগতত পদ্মধৰ চলিহা — শ্ৰীসুন্দৰ বৰদলৈ .... ৪৬


## দ্বিতীয় ভাগ [ বিভিন্ন প্ৰবন্ধৰ শৰাই ]


১। ডাক চক্ৰৱৰ্ত্তীৰ ঘৰ — শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা .... ৫০
২। মধ্যযুগৰ শিক্ষা-ব্যৱস্থা (৩) — ডঃ সৰ্ব্বেশ্বৰ ৰাজগুৰু .... ৫৫
৩। অসম সাহিত্য সভাৰ কথা (ক) অসম সাহিত্য সভাৰ অষ্টাত্ৰিংশ মুকলি অধিবেশন .... ৬০
(খ) মাকুম অধিবেশনৰ গৃহীত প্ৰস্তাৱসমূহ .... ৬৫
(গ) অঃ সাঃ সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ প্ৰথম অধিবেশন .... ৬৮
৪। 'আসাম বান্ধৱ'ৰ সম্পাদক তাৰানাথ চক্ৰৱৰ্ত্তী কাব্যবিনোদ — শ্ৰীকামাখ্যাচৰণ ভাগৱতী .... ৭৭
৫। সচিত্ৰ অসমীয়া অধ্যাত্ম ৰামায়ণ — শ্ৰীমতী কেশদা মহন্ত .... ৮৫
৬। মুঠা শাস্ত্ৰৰ মুঠ কথা — শ্ৰীপ্ৰসন্নকুমাৰ ডেকা .... ৮৯
৭। অসমীয়া সাংস্কৃতিক জীৱনত প্ৰবাদ-প্ৰবচন আদি — আব্দুছ ছাত্তাৰ .... ৯১
৮। সম্পাদকীয় .... ৯৫
৯। অসমীয়া গ্ৰন্থপঞ্জী [ ১৯৬৯ আৰু ১৯৭০ ] — শ্ৰীভগবান মৰল —সংগ্ৰাহক ... ১—১৬

— 'পত্ৰিকা' সম্পাদনা সমিতি —

শ্ৰীতীৰ্থনাথ শৰ্মা — সভাপতি, অসম সাহিত্য সভা

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী — প্ৰধান সম্পাদক, অসম সাহিত্য সভা

ডঃ মহেশ্বৰ নেওগ

শ্ৰীলীলা গগৈ

শ্ৰীবীৰেণ বৰকটকী

শ্ৰীনন্দ তালুকদাৰ

ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য

আব্দুছ ছাত্তাৰ (পত্ৰিকা সম্পাদক - আহ্বায়ক)

# অসম সাহিত্য সভা পত্ৰিকা

| অষ্টবিংশ বছৰ | ১৮৯৩ শক ॥ ১৯৭১ চন<br>পদ্মধৰ চলিহা সোঁৱৰণী সংখ্যা | দ্বিতীয় সংখ্যা |
|---|---|---|

[ প্ৰথম ভাগ ]

## ॥ পদ্মধৰ চলিহাৰ জীৱন-পৰিচয় ॥

ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য।

**চলিহা - কাকতীৰ ইতিবৃত্ত :—** বুৰঞ্জীবিদ্ সুকবি হিতেশ্বৰ বৰবৰুৱাৰ মতে চলিহা কাকতীৰ আদি পুৰুষ ষোড়শ শতাব্দীৰ শেষ ভাগত দামোদৰদেৱৰ লগত কনৌজৰ পৰা কোচবিহাৰলৈ আহে। দামোদৰদেৱে কোচ-বিহাৰত সত্ৰ পাতি আছিল। তেওঁৰ পিছত ক্ৰমান্বয়ে বংশীদেৱ, পৰমানন্দদেৱ আৰু বনমালীদেৱে অধিকাৰ হয়। ইং ১৬৫৩ চনত জয়ধ্বজ সিংহ স্বৰ্গদেৱে ভটীয়াপাৰৰ পুখুৰী উছগিবলৈ যেতিয়া বনমালীদেৱক আনে, তেতিয়া চলিহাৰ শ্ৰীৰামৰায় বনমালীদেৱৰ পাৰিষদ-সেৱক লৈ অসমলৈ আহে। মাজুলীৰ শ্ৰীৰামচাপৰি বোলা ঠাইতে শ্ৰীৰামৰায়ৰ বসতি আছিল। কাকতীবিলাকৰ দহ ফৈদ। উজনিৰ ৰজাৰ লগত থাকে আঠ ফৈদ আৰু নামনিত বৰফুকনৰ লগত থাকে দুফৈদ।

চলিহা-কাকতীৰ অন্যান্য কাকতীসকলৰ লগত লিখা কামৰ উপৰিও তুলাপাত কৰি যোগান ধৰা শিল্পৰো তত্ত্বাৱধানৰ ভাৰ আছিল। তেওঁলোকৰ তলত এটা ডাঙৰ খেল থাকে, নাম চালিহাবিং। 'চালিহাবিং' মানে চাল কাটি কাকত কৰা শিল্প। এই চালিহাবিং খেলৰ বিষয়া হিচাবে এই কাকতীক চলিহা-কাকতী বুলিছিল। এই খেলৰ মানুহ চুটীয়া আৰু কাঁড়ী আহোম সম্প্ৰদায়ৰ মানুহ আছিল। ৰবৈয়া বাগিছাৰ ওচৰত এই খেলৰ মানুহ আছে আৰু ইয়াৰ ডাকঘৰটোৰ নাম চলিহা গাওঁ। যোৰহাটলৈ ৰাজধানী তুলি অনাত ইয়াত সাঁচি গছ পোৱা গৈছিল বাবে ইয়াতে চালিহাবিঙৰ এটা খেল বহুৱাই দিছিল। এই ঠাইৰ পকামুৰা অঞ্চলটোত এতিয়াও সাঁচি গছ বৰ বেছি আছে। *

* [ জীৱনবীণৰ সুৰত চলিহাই লিখি থৈ গৈছে৷ এই কথাখিনি শশীচন্দ্ৰ বৰবৰুৱাদেৱৰ জৰিয়তে প্ৰাপ্ত। ]

মাজুলীত শ্ৰীৰামৰায় থিতাপি হোৱা ঠাই ডোখৰ শ্ৰীৰামচাপৰি বুলি জনাজাত। পিছত চলিহা বংশৰ পৰিয়ালবোৰ চাৰিং, যোৰহাট, গোলাঘাট, শিৱসাগৰ, তেজপুৰ চতিয়া আদি ঠাইত থিতাপি লয়। চলিহা বংশ চলিহা-কাকতী বুলি আহোম ৰাজত্বত পৰিগণিত হয়। চলিহাবংশ কায়স্থ-কুলীয়া। কোনো কোনো পৰিয়ালে বৰুৱা, কাঠবৰুৱা, বৰকাকতী আদি উপাধিও পালে।

পদ্মধৰ চলিহাৰ ককাদেউতাকৰ নাম আছিল কেশীৰাম পুৰণিমেলীয়া বৰুৱা চিৰস্তাদাৰ। তেখেতৰ জ্যেষ্ঠপুত্ৰ ফনিধৰ চলিহা। তেওঁৰ দ্বিতীয় পত্নীৰ পুত্ৰ পদ্মধৰ চলিহা। জন্ম ১৮৯৫ চন, স্থান শিৱসাগৰ।

**কৃতী ছাত্ৰ :—** সৰুৰে পৰা চলিহাই সভা-সমিতি-অভিনয় আদিত যোগ দিয়ে, আবৃত্তি কৰে, বিবিধ ভাও লৈ দৰ্শকক মুগ্ধ কৰে। স্কুলীয়া জীৱনত বছেৰেকীয়া পৰীক্ষাবোৰত সদায় প্ৰথম স্থান লাভ কৰে। ১৯০৮ চনত তেৰ বছৰ বয়সত এনট্ৰেন্স পৰীক্ষাত ১ম বিভাগত উত্তীৰ্ণ হৈ গোটেই অসমত ইংৰাজীত প্ৰথম, সংস্কৃতত ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰথম, মুঠতে অসমৰ অসমীয়া ল'ৰাৰ মাজত প্ৰথম হয় (তেতিয়া ব্ৰহ্মপুত্ৰ উপত্যকা আৰু সুৰমা উপত্যকা মিলিহে অসম)। তদুপৰি 'আউনি-আটী কমলদেৱ অসমীয়া ৰচনা-প্ৰতিযোগিতাত গোটেই অসমত প্ৰথম হৈ পদকপুৰস্কাৰ আদি লাভ কৰে। এণ্ট্ৰেন্স পৰীক্ষাত অসম চৰ্কাৰৰ কুৰি-টকীয়া বৃত্তি লাভ কৰি গুৱাহাটী কটন কলেজত আই-এ পঢ়ে। ১৯১০ চনত কলিকতা বিশ্ববিদ্যালয়ত ত্ৰয়োদশ আৰু অসমত প্ৰথম স্থান লাভ কৰি আই-এ পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ইংৰাজীত সৰ্ব্বোচ্চ নম্বৰ পায়। ১৯১২ চনত কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা ইংৰাজীত অনাৰ্ছ লৈ বি-এ পাছ কৰে। ইয়াতো তেওঁ অসম চৰকাৰৰ পৰা বৃত্তি লাভ কৰিছিল। ইয়াৰ পিছত গুৱহুৰমান ফুকনৰ ইনষ্টিটিউশ্যনত প্ৰধান শিক্ষকৰূপে কাম কৰি উঠি কলিকতালৈ গৈ এম-এ আৰু ল পঢ়ে আৰু ১৯১৬ চনত ইংৰাজীত এম-এ আৰু ১৯২০ চনত বি, এল ডিগ্ৰি লাভ কৰে।

সৰুৰে পৰা চলিহাৰ আকাঙ্ক্ষা আছিল বেৰিষ্টাৰ হোৱা, আই-ছি এছ্ হোৱা। কিন্তু প্ৰথম মহাযুদ্ধ চলি থকা হেতুকে সেই সময়ত তেওঁ বিলাতলৈ যাব নোৱাৰি শিৱসাগৰত ওকালতি আৰম্ভ কৰি থাকিল। মহাত্মাৰ নিৰ্দেশ অনুসৰি কিছুদিন কংগ্ৰেছ আন্দোলনতো যোগ দিয়ে। তেওঁৰ 'স্বৰাজ সঙ্গীত' এই সময়ৰে ৰচনা। কিছুদিন ডিব্ৰুগড়তো ওকালতি কৰে। 'অমৰ-লীলা', 'কেনে মজা', 'ফুলনি' এই সময়ৰে ৰচনা। 'অৰ্ঘ্য' নামৰ পযেকীয়া কাকতৰ সৈতে ঘনিষ্ঠ সম্পৰ্কও এই সময়ৰে। ১৯৩০ চনত আইন অমান্য আন্দোলন কালত গুৱাহাটীত সাদিনীয়া আৰু তিনিদিনীয়া 'অসমীয়া' কাকতৰ সম্পাদক নিযুক্ত হয়; 'বাঁহী'ৰো সহকাৰী সম্পাদক হয়। পুলিচৰ পৰা কিবা বেয়া বিবৃতি পাই এদিন কামৰূপৰ জিলাধিপতি প্ৰিচাৰ্ড চাহাবে তেওঁক হেনো মাতি নি কৈছিল "The attitude



of your paper is definitely hostile to Government, according to Police report". চৰ্কাৰবিৰোধী কৰ্ম্মী স্বৰূপে ১৯৪০ চনত তেওঁ কিছুদিন কাৰাগাৰবাসীৰ অভিজ্ঞতাও লাভ কৰিব লগীয়া হৈছিল। '৪৪ চনত তেওঁৰ ভাগ্য-চকৰি ঘূৰিল। চৰ্কাৰৰ ঘৰৰ পৰা তেওঁক অস্থায়ী ই-এ-চি পদত অধিষ্ঠিত কৰা হ'ল। ইয়াৰ কেইবছৰ মানৰ পাছত শিৱসাগৰ কলেজৰ অধ্যক্ষ হৈ ৰাইজৰ সেৱা কৰে আৰু জীৱনৰ শেষ দিন পৰ্য্যন্ত 'অসম জ্যোতি'ৰ সম্পাদকৰূপে খ্যাতি লাভ কৰে।

## 'অসম ছাত্ৰ সন্মিলন' সন্দৰ্ভত চলিহা

১৯১৭ চনত গুৱাহাটীত পতা 'অসম ছাত্ৰ সন্মিলন'ৰ আহ্বায়ক আৰু গুৰি ধৰোতা আছিল চলিহা।

## চুটি গল্প-লিখক চলিহা

জীৱনত তেওঁ একেটি মাথোন বাস্তৱবাদী চুটি গল্প লিখিছিল — 'বলিয়া'। এই গল্প বেজবৰুৱাৰ 'বাঁহী'ত প্ৰকাশিত হয়। গল্পটোৰ ওপৰত বেজবৰুৱাৰ মন্তব্য: "It is well written".

## চলিহা 'অৰ্ঘ্য'ৰ যুটীয়া সম্পাদক; সম্পাদকীয় লিখে, প্ৰবন্ধ-পাতি চাই শুধৰাই দিয়ে। এয়া চাওক :—

"সিংহদত্ত দেৱ অধিকাৰীৰ সতীৰ্থ সুসাহিত্যিক পদ্মধৰ চলিহাদেউ 'অৰ্ঘ্য'ৰ যুটীয়া সম্পাদক আছিল। 'অৰ্ঘ্য'ৰ প্ৰতিষ্ঠা সম্পৰ্কত চলিহাদেৱে শ্ৰীপ্ৰফুল্লদত্ত দেৱক এবাৰ জনাইছিল "মই ১৯২৩ চনত ডিব্ৰুগড়ত ওকালতি কৰিবলৈ যাওঁ। তেখেতে মোক জনালে যে তেখেতে 'অৰ্ঘ্য' নামেৰে পষেকীয়া আলোচনী কাকত উলিয়াবলৈ যো-জা কৰিছে আৰু মোৰ সহযোগিতা বিচাৰি মোৰ নামটো যুটীয়া সম্পাদক স্বৰূপে দিবলৈ মোৰ সন্মতি খুজি পঠাইছে। তেখেতে মোক আৰু জনালে যে গুৱাহাটীৰ পৰাই কাকতখন প্ৰকাশ কৰা হব আৰু কলিকতাত ধুনীয়াকৈ ছপোৱাৰ দিহা কৰা হব। মই মাতৃভাষাৰ সেৱা কৰাৰ এনে এটি সুযোগ পাই উলাহেৰে সন্মতি দিলো। তেখেতে নিজৰ আৰু আনৰ প্ৰবন্ধবোৰ গোটাই চাই-চিতি বাছি দিবলৈ মোলৈকে সদায় পঠাই দিছিল। সম্পাদকীয় খিনিও মোকে লিখিবলৈ দিছিল। কাকতখন সোনকালে বৰ জনপ্ৰিয় হৈ উঠিছিল। গ্ৰাহকৰ সংখ্যাও ক্ৰমে বাঢ়ি আহিছিল। ময়ো কাকতখনৰ লগত সংশ্লিষ্ট থাকি কাম কৰি নথৈ আনন্দ পাইছিলো। বিশেষকৈ 'অৰ্ঘ্য'ৰ বিহু সংখ্যাই এটি যুগান্তৰ উপস্থিত কৰিছিল বুলিলে বোধ হয় বঢ়াই কোৱা নহব।............ [ 'সিংহদত্ত দেৱ অধিকাৰী' লিখক — ডঃ প্ৰফুল্লদত্ত গোস্বামী; 'দখিন কোল'ত প্ৰকাশিত ]

## অসম সাহিত্য সভাৰ সঙ্গীত শাখাৰ সভাপতি চলিহা — মঙ্গলদৈ, ১৯৩৪ চন। তেওঁৰ মতে গীত কবিতা বা কাব্যৰ পৰা বেলেগ নহয়; তাৰে অঙ্গ মাথোন।

কবিত্ব-বিহীন গীতৰ সাৰ্থকতা ক'ত? ভাব, ভাষা আৰু সুৰৰ সামঞ্জস্য ঘটিলেহে সুন্দৰ গীত হয়। গায়ক-গায়িকাসকল দৰাচলতে সঙ্গীতৰ সমালোচক সমালোচিকা।"

**অসম সাহিত্য সভাৰ সভাপতিৰ আসনত অধিষ্ঠিত চলিহা, তিনিচুকীয়া অধিবেশন ১৯৫৮ চন ঃ সাহিত্যৰ 'যুগমীয়া সম্পদ'ৰ সম্বন্ধে তেওঁৰ মন্তব্য ঃ**

"কল্পনাকো বাস্তৱৰ দৰে ৰূপায়িত কৰিব পৰাটো শিল্পীৰ কৃতিত্ব। আদি কবি বাল্মীকিৰ মানস-প্ৰসূতি ৰামায়ণ মহাকাব্যৰ ৰাম-সীতাৰ চৰিত্ৰ, ৰামৰাজ্যৰ চিত্ৰ, পৌৰাণিক বা কাল্পনিক যেন অনুমান নহয়, জীৱন্ত জ্বলন্ত, বাস্তৱ যেনহে লাগে আৰু সেইহে সি যুগমীয়া আদৰ্শ ৰূপে প্ৰতিষ্ঠা লাভ কৰিছে। ৰামায়ণৰ কল্পিত অযোধ্যা আজিৰ বাস্তৱ অযোধ্যাতকৈ অধিক মনোমোহা আৰু হৃদয়গ্ৰাহী নহয় জানো? গতিকে মোৰ বিবেচনাৰে আধুনিক আৰু পুৰণি প্ৰতীকধৰ্ম্মী আৰু কল্পনাধৰ্ম্মী সকলো ধৰণৰে অৱদান ওলাই অসমীয়া সাহিত্য হৃষ্টপুষ্ট আৰু সমৃদ্ধিশালী কৰক। তাৰ ভিতৰৰ যিবোৰত প্ৰকৃত সাহিত্যিক বা সাংস্কৃতিক মূল্য আছে, সেইবোৰ সাহিত্যৰ যুগমীয়া সম্পদ হ'ব আৰু যিবোৰত ক্ষণভঙ্গুৰতা বা কদৰ্য্যতা আছে সেইবোৰ কালৰ সোঁতত আপোনা আপুনি বিলীন হবগৈ।"

[অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণৰ অংশবিশেষ- ষড়্‌বিংশ অধিবেশন ১৯৫৮ চন]

**অসম সাহিত্য সভাৰ কাৰ্য্যাৱলী সম্পৰ্কে প্ৰাক্তন সভাপতি চলিহাৰ বিবৃতি — ***

"........আমাৰ কাৰ্য্যকালৰ ভিতৰত দহ-এঘাৰ খন নতুনকৈ শাখা আৰু স্বীকৃত সভা মূল সভাৰ অন্তৰ্ভুক্ত হৈছে। সাধাৰণ সভ্যৰ সংখ্যা বহুগুণে বাঢ়িছে, আজীৱন সভ্য অশেষ যত্ন কৰি প্ৰায় ৩৫ জন ভৰ্ত্তি কৰা হৈছে। অসমৰ ভিন ভিন ঠাইত আলোচনা চক্ৰ গঠিত হৈ অসমীয়া সাহিত্যৰ ভিন ভিন বিভাগ আৰু ধাৰাৰ বিষয়ে গৱেষণা আৰু আলোচনা হোৱাৰ পৰা দেশত এটা নৱ জাগৰণৰ স্পষ্ট নিদৰ্শন জিলিকি উঠিছে। ৯ চেপ্তেম্বৰৰ দিনা সদৌ অসম জুৰি 'অসম সাহিত্য সভা দিবস' পালন কৰাটো সভাৰ বুৰঞ্জীত এটি অভিনৱ ঘটনা। নেফাত অসমীয়া ভাষা দিৱস সুচাৰুৰূপে পালন কৰা হ'ল। অসম প্ৰদেশ কংগ্ৰেছৰ নিচিনা এটি শক্তিশালী ৰাজনৈতিক জাতীয় অনুষ্ঠানে প্ৰবীন অসমীয়া সাহিত্যিক জনদিয়েকক বিপুল সম্বৰ্দ্ধনা জনোৱা, অসম চৰকাৰে 'পাব্লিকেচন বৰ্ড' প্ৰতিষ্ঠা কৰা, 'অল ইণ্ডিয়া ৰেডিঅ'ৰ গুৱাহাটী কেন্দ্ৰই সাহিত্য সভাৰ দাবী মানি ভাষা-নীতি পৰিৱৰ্ত্তন কৰি চাহ বাগিচা আৰু মিকিৰ পাহাৰ আৰু ডিমাচা অঞ্চলত অসমীয়া ভাষাৰে ব্ৰডকাষ্ট কৰিবলৈ স্থিৰ কৰা — এই বিলাক বিশেষ উল্লেখযোগ্য।

বৰ্ত্তমান কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ সিদ্ধান্ত অনুযায়ী কলিকতাত প্ৰেছ আৰু অন্যান্য ঠাইত সভাই দিবলগীয়া কেইবাহেজাৰ টকা আদায় কৰি এই জাতীয় অনুষ্ঠানটিক ঋণমুক্ত আৰু সুখ্যাতিসম্পন্ন কৰা হৈছে। শ্বিলং, ডিব্ৰুগড় আদি ভিন ভিন ঠাইৰ বেঙ্কবোৰত সিচঁৰতি হৈ থকা সভাৰ ধনখিনি উঠাই আনি থূপ খুৱাই ষ্টেট্ বেঙ্ক অব ইণ্ডিয়াত জমা দিয়াৰ ব্যৱস্থা কৰা হৈছে।........কাচাৰ জিলাৰ শিলচৰ, কৰিমগঞ্জ, হাইলাকান্দি, তাৰাপুৰ, জাপিৰবন্ধ আদি ঠাইত পৰিভ্ৰমণ কৰি আগৰ পৰা থকা শাখা সাহিত্য সভাবোৰ ভালকৈ সংগঠন কৰি আৰু নোহোৱা ঠাইত নতুন শাখা সভা প্ৰতিষ্ঠা কৰি কাচাৰ বাসী ৰাইজৰ মাজত অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি আদৰ আৰু অনুৰাগ বঢ়াবলৈ যথেষ্ট প্ৰচাৰ কাৰ্য্য চলাই অহা হৈছে।....

'অসমীয়া বিশ্বকোষ' অসম সাহিত্য সভাৰ পৰা সঙ্কলন আৰু প্ৰকাশ কৰিবৰ কাৰণে এটি আঁচনি যুগুত কৰা হৈ গল আৰু পুৰণি মঠ, মন্দিৰ, দৰ্গাহ আদিৰ বিৱৰণ সম্বলিত এখনি গ্ৰন্থ সঙ্কলনৰ কামত কিছুদূৰ আগ বাঢ়িছে। 'কমলা দেৱী ট্ৰাষ্ট ফাণ্ড'ৰ পৰা বিজ্ঞান বিষয়ক এখন উপাদেয় পুথি প্ৰকাশ কৰিবলৈকো যো-জা কৰা হৈছে।

অসম সাহিত্য সভালৈ অসম চৰকাৰৰ বছেৰেকীয়া অনুদান যথেষ্টৰূপে বৃদ্ধি কৰিবৰ কাৰণে বৰ্ত্তমান মুখ্য মন্ত্ৰী, শিক্ষা মন্ত্ৰী আদি গুৰিয়াল সকলক বহুবাৰ সনিৰ্বন্ধ অনুৰোধ কৰি তেখেতসকলৰ পৰা আশাপ্ৰদ সমিধান পোৱা হৈছে। এই অনুদান বৰ্ত্তমান ছহেজাৰৰ ঠাইত অন্ততঃ যোলহেজাৰ কৰিলে অসম সাহিত্য সভাৰ ওপৰুক্ত পৰিকল্পনা আৰু আঁচনিবিলাক কাৰ্য্যত পৰিণত আৰু অন্যান্য ভালেমান লাগতিয়াল কাৰ্য্য সমাধান কৰিব পৰা হব। অসমীয়া ৰাজ্যিক ভাষা ঘোষিত হোৱাৰ বিষয়ে প্ৰবল জনমত গঠিত হোৱা সত্বেও বৰ্ত্তমান মন্ত্ৰীমণ্ডলী আৰু বিধান সভাৰ সদস্য সকলে এই বিষয়ত গুৰুত্ব আৰোপ কৰাৰ কোনো চিন দেখা নাই, নেফাৰ শিক্ষানুষ্ঠানবিলাকত হিন্দীৰ ঠাইত পুনৰ অসমীয়া ভাষা শিক্ষাৰ মাধ্যমৰূপে গ্ৰহণ কৰা সম্পৰ্কেও যথেষ্ট প্ৰচাৰ কাৰ্য্য চলোৱা হৈছে। অসমীয়া ৰাজ্যিক ভাষা বুলি ঘোষিত হলেহে অসমীয়া সাহিত্যৰ পুথি, আলোচনী, বাতৰি কাকত, আদিৰ বহুল প্ৰচাৰ আৰু বিপুল আদৰৰ অৰ্থে অনুকূল পৰিবেশৰ সৃষ্টি হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা ....।"

[সন্তোষৰ কথা, চলিহাদেৱে তেখেতৰ কল্পিত আশা আৰু আকাঙ্ক্ষাৰ কেবাটাও বিষয় ইতিমধ্যে কাৰ্য্যত পৰিণত হোৱা দেখা পাই গৈছে ; বাকী কেইটাও হোৱাৰ আগন্তুক হৈছে — পঃ সম্পাদক ]

*(অঃ সাঃ সঃ পত্ৰিকাৰ ১৭শ বছৰ ৪ সংখ্যাৰ পৰা উদ্ধৃত)



"দেৱৰ দুৰ্লভ মানৱী জনম — বহু জনমৰ তপস্যা ফল,
সেই গৰবত উজ্বলে জীৱন — যোগায় প্ৰেৰণা হিয়াত বল।
পৰম আত্মাৰ অংশ আত্মা, জীৱৰ শ্ৰেষ্ঠ মানৱ হৈ;
চৰাব লাগিব জীৱন-জেউতি, পৰম জ্যোতিৰ পোহৰ লৈ।
প্ৰাণ ধৰি যদি দিব পাৰোঁ নিতে শতেক প্ৰাণত চেতনা দান,
তেতিয়াহে হ'ব ধন্য জীৱন, তেতিয়াহে ৰ'ব গৌৰৱ মান।
দয়া-ক্ষমা-প্ৰেম সমাজ-সেৱাৰে মৰততে নৰ দেৱতা হয়,
ত্যাগৰ কিৰিটী পিন্ধি জগতত অমৰ কীৰিতি সুনাম থয়।
ধৰমত মতি, কৰমত মতি জ্ঞানত অসীম ধাউতি যাৰ
কৰিছে সিজনে জীৱন সফল অস্তিত্ব ধাৰণ নকৰি সাৰ।"

[ কবি পদ্মধৰ চলিহাৰ "জীৱন-দৰ্শন"ৰ পৰা।]

# কৰ্ম্মযোগী ৺পদ্মধৰ চলিহা

শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি

আধুনিক অসমীয়া সাহিত্য-ক্ষেত্ৰৰ এজন বিশিষ্ট আৰু অক্লান্ত কৰ্ম্মী আজীৱন অনেক সজ কামত ব্যস্ত থকা কৰ্ম্মযোগী পদ্মধৰ চলিহা আৰু নাই। ১৯৬৯ চনৰ জুন মাহৰ ১২ তাৰিখে আগৰাতি তেখেতৰ গুণমুগ্ধ বহুতে নজনাকৈয়ে পৃথিৱীৰ পৰা চিৰবিদায় ললে। সাধাৰণতে মানুহে নিজৰ খোৱা-পিন্ধা, পৰিয়ালক পোহ-পাল দিয়া আদি কামত ব্যস্ত থাকে, বৃদ্ধ কালত তাৰ পৰাও অৱসৰেই লয়, পোহ-পাগৰ ভাৰটো আনে ল'বলগীয়া হয়। পদ্মধৰ চলিহাই সেইবিলাক স্বাৰ্থৰ কাৰণে অলপমাত্ৰ সময় দৈ ছাত্ৰ অৱস্থাৰ পৰা পয়সত্তৰ বছৰ বয়সলৈকে দেশৰ আৰু জাতিৰ কামকে কৰিলে। লোকে বুঢ়া দেখিলেও তেখেত নিজে বুঢ়া নহল। মানুহে যেতিয়া ডেকা লৰাৰ দৰে সকলো কাম কৰিয়েই থাকিব পাৰে, তেন্তে বুঢ়া কেনেকৈ হয়? তেখেতৰ মতে বয়সতকৈ মনেহে মানুহক বুঢ়া কৰে: সক্ৰিয় লোকক বুঢ়া বুলিবই নাপায়। গাৱঁৰ সাধাৰণ লৰাই একেবাৰে চকল ডেকা বাপেককো বুঢ়া বুলি লোকৰ আগত কয়, আমাৰ অসমীয়া মানুহৰ ই এটা বৰ বেয়া দস্তুৰ। তিনি কুৰি পাঁচ বছৰতো চলিহা ডাঙৰীয়াৰ যেনে উৎসাহ, উদ্যোগ, সাধাৰণ সুন্দৰ স্বাস্থ্য, কাৰ্য্যকৰী শাৰীৰিক আৰু মানসিক শক্তি, লোহোৰা লোহোৰ হাত ভৰি, পকা থেকেৰা যেন মুখ আৰু একেবাৰে পৰিশ্ৰম কৰিব পৰা শক্তি আছিল, তাতৈ চাই তেখেতক ইমান সোনকালে হেৰুৱাব লাগিব বুলি কোনেও নাভাবিছিল। আগতে, অলপ দিনৰ ভিতৰতে দুবাৰ টান নৰিয়া পৰিও পুনৰ স্বাস্থ্য উদ্ধাৰ কৰি লোৱা চলিহাদেৱ, বিশেষকৈ, সকলোৰে জানিবলৈ নোপোৱাকৈ নৰিয়াত পৰি পৰলোক হ'ব, তাক কোনেও বুজিব নোৱাৰিছিল।

য জন মানুহক আ'মি অকল সাহিত্যৰ চাকনি থনেৰেই চাকি লৈ সাধাৰণতে চাওঁ, সেই জন মানুহ যে কিমান গুণী, আমি তাক ভাবিলেই আচৰিত হওঁ। তেখেতৰ সেই বহুমুখী প্ৰতিভা কেনেকৈ কাৰ্য্যত প্ৰকাশ কৰিছিল, সিও এক ভাবিব লগীয়া কথা। আমি পঢ়াশালিত পঢ়ি থকা অৱস্থাত তেখেত চকল ডেকা আৰু চালে চাই থাকিবৰ মন যোৱা চেহেৰাৰ লোক। ঠাপুৰা, জলী, শৰীৰৰ ক'তো খুঁত নথকাকৈ তেখেতক বিধাতাই গঢ়িছিল। সেই চেহেৰাৰ মানুহজন তিনিকুৰি পোন্ধৰ বছৰলৈকে পকা থেকেৰা যেন ৰঙা সদানন্দময় মুখত বিৰিঙি থকা হাঁহিৰে সৈতে শিশুৰ সৰলতা, ডেকাৰ কৰ্ম্মশক্তি, বয়সীয়াৰ গাম্ভীৰ্য্য সকলো আছিল। সকলোৰে



ওপৰত তেওঁ যে আশাবাদী, এই কথা ফুটি ওলাই-ছিল। সাধাৰণতে কোনো কামকেই তেখেতে অসাধ্য বুলি নকৈছিল। এই বয়সতো তেখেতক কোনো ডেকায়ো কামে কাজে চেৰ পেলাব নোৱাৰিছিল। সঁচা কথা কবলৈ গলে, তেখেতৰ লগত ফুৰি, কাম কৰি আৰু আলোচনা আদি কৰি আমি কেতিয়াবা আমনিও পাইছিলো। আমি কোনো কাম যেনে তেনে সামৰি থ'ব খুজিলে, তেখেতে ভাল নাপাইছিল।

অনেক চিন্তা কৰি অশেষ যত্নেৰে, অন্যান্য উদ্যোগী সকলৰ সৈতে লগ হৈ প্ৰতিষ্ঠা কৰা শিৱসাগৰ কলেজৰ অধ্যক্ষৰ পদৰ পৰা অৱসৰ লৈ ঘৰত অকণো এনেয়ে বহি নাথাকি, যিজন লোকে এটা নহয় এটা ৰাজহুৱা কামৰ নিমিত্তে, হাতত কাকত, কলম, কিতাপ আদি লৈ, খোৰ মৰা খাদৰ চুৰিয়া, গাত সাধাৰণ কাপোৰৰ কামিজ আৰু তাৰ ওপৰত এখন চেলেং বা এড়ি কাপোৰ মেৰিয়াই হাঁহি মুখেৰে, ডেকা লৰাক চেৰ পেলাই যোৱা বেগী খোজেৰে, ৰ'দ বতাহ ৰাতি দিন নগনি, শিৱসাগৰ নগৰৰ আলিবাটত প্ৰায়েই অহা যোৱা কৰা, সেই ভাগৰ-জুগৰ নলগা মানুহ জনেই যে অনেক অনুষ্ঠানৰ প্ৰতিষ্ঠাতা অক্লান্ত কৰ্ম্মী, সজ নাগৰিক, সৰৱৰগী সাহিত্যিক, গীতি-কবি, সাংবাদিক, শিক্ষাবিদ, ৰাজনৈতিক কৰ্ম্মী, সঙ্গীতজ্ঞ, আইনজ্ঞ, বাগ্মী আৰু বিশিষ্ট অভিনেতা আদি স্বনামধন্য পদ্মধৰ চলিহাই, তাক আগেয়ে তেখেতক নেদেখা মানুহক দেখুৱাই দিলে সহজে বিশ্বাস কৰিব নোৱাৰে। তেখেতৰ নামটোৰ তুলনাত চলন-ফুৰণ ব্যৱহাৰ আদি সাধাৰণ আৰু অমায়িক। ভেম বোলা বস্তুটো তেখেতে চিনি নাপাইছিল। তেখেতে অবাস্তৱ বুলি ভবা কথা আন কোনোৱে ক'লে খং কৰে, কিন্তু সেই খং ক্ষণস্থায়ী। শিৱসাগৰৰ শিক্ষা, সাহিত্য-সংস্কৃতি আদি যি কোনো বিষয়ৰ অনুষ্ঠানতেই চলিহা ডাঙৰীয়া থাকিবই আৰু তেখেত থকাটো সকলোৱে আশা কৰে আৰু জানে। শিৱসাগৰৰ এনে ধৰণৰ সভা সমিতিবোৰ তেখেতৰ অবিহনে উকঙা উকঙা আৰু পাতল যেন লাগে। ৰাজ্যিক পৰ্য্যায়ৰো এনে ধৰণৰ ভালেমান অনুষ্ঠানত তেখেতৰ সহযোগ অপৰিহাৰ্য্য। সভা সমিতিৰ নিমন্ত্ৰণ তেখেতে পৰাপক্ষত প্ৰত্যাখ্যান নকৰে। বেছি দূৰ নহলে, পিছৰ অৱস্থাতো তেখেত চাইকেলেৰে বা খোজ কাঢ়িয়েই যায়, তথাপি নিমন্ত্ৰণ ৰক্ষা কৰে। গড়গাৱঁত পতা বেজবৰুৱা শতবাৰ্ষিকী উৎসৱ উদ্বোধন কৰিবলৈ শিৱসাগৰৰ পৰা 'বাছ'ৰে যাওঁতে কেৰা মাইলৰ আগতে 'বাছ'ৰ বিজুতি ঘটাত তেখেত খোজ কাঢ়িয়েই সভাত সময় মতে উপস্থিত হলগৈ। এইটো তেখেত পৰলোক হোৱাৰ মাত্ৰ মাহচেৰেকৰ আগৰ কথা।

তেখেতৰ সামাজিক সৌজন্যও মন কৰিব লগীয়া। কাৰোবাৰ অসুখ-বিসুখ বা অন্য বিপদ আপদৰ বাতৰি পালে, যতদূৰ সম্ভৱ নিজে গৈ খবৰ-খাবাৰ কৰে, আৰু আঁতৰত হলে চিঠি পত্ৰ দিয়ে। সাহিত্যিক মহলত আৰু শিক্ষক ছাত্ৰ সকলৰ ভিতৰত এই সম্বন্ধ

আৰু বিশেষ ভাবে ৰক্ষা কৰে। বিয়া, সবাহ আৰু আন ধৰণৰ সামাজিক নিমন্ত্ৰণ ৰক্ষা কৰা সৌজন্যও তেখেতৰ অতুলনীয়। এই বিলাকত তেখেতৰ এলাহ নাই। মনৰ বল সদায় অটুট দুখীয়া চহকী, ডাঙৰ সৰু ভাবো তেখেতৰ নাই। স্কুল-কলেজ সংক্ৰান্ত খেল ধেমালি বিলাকত, কাৰ্য্যকৰী ভাবে যোগ দিব নোৱাৰিলেও যথেষ্ট উৎসাহ দিয়ে। নিজেও প্ৰায় বহুত ৰাতিলৈকে ভিতৰুৱা খেল খেলি একেবাৰে মন গা ঢালি দিয়ে। অতবিলাক কামৰ ভিতৰতো তেখেতে ছেগ বুজি খোৱা লোৱাটো নিয়মিত ভাবে ৰাখে, সেই কাৰণেও তেখেতৰ শক্তি শেষলৈকে যথেষ্ট আছিল। ভাওনা, যাত্ৰা, অন্যান্য সাংস্কৃতিক অনুষ্ঠান আদিত যোগ দি তেখেতে বৰ ভাল পাইছিল। ডাঙৰ ডাঙৰ সভা-সমিতি বিলাকলৈ গৈ দিনটো ব্যস্ত থাকিব লগীয়া হলেও ৰাতি, আন নগ'লেও চলিহা ডাঙৰীয়া সাংস্কৃতিক অনুষ্ঠান, অভিনয় আদিলৈ যাবই। বিবিধ কামৰ মাজত আজৰি উলিয়াই পাঠাগাৰতো আৱশ্যক মতে কিতাপ পঢ়ে। অন্যান্য আৱশ্যকীয় কিতাপ পত্ৰৰ উপৰিও তেখেতলৈ পঠোৱা আলোচনী বাতৰি কাকত আদি ভালকৈ পঢ়ে। কোনে কি প্ৰবন্ধ লিখিছে, সেই প্ৰবন্ধ কেনে হৈছে, তাকো ক'ব পাৰে, তেখেতে ভাল পোৱা কবিসকলৰ কবিতা প্ৰকাশ হলে ভালপোৱা চাই দুই চাৰি ষাৰ মুখস্থও ৰাখে।

চলিহা ডাঙৰীয়াৰ সময়নিষ্ঠাগুণ আদৰ্শনীয়, কোনো সভা সমিতিলৈ তেখেত পলমকৈ যোৱাৰ অভ্যাস নাই। আনকো তেনেকৈ যোৱা দেখিলে ভাল নাপায়। শিৱসাগৰৰ সভা সমিতি আদিলৈ যেয়ে যায় তেওঁ পোনেই সভাত চলিহা ডাঙৰীয়াক বহি থকা বা উদ্যোক্তা সকলক ঘূৰিপকি দেখুৱাই শুনাই দি থকা দেখিবলৈ পায়। আঁতৰলৈ সভাপতি আদি হৈ গ'লেও কোনো সভা সমিতি তেখেতৰ কাৰণে পলমকৈ আৰম্ভ হব নালাগে, আমাৰ অসমীয়া মানুহৰ তথাকথিত জাতীয় সময়নিষ্ঠা দোষটো একৰাৰৰ কাৰণে তেখেতে সভা সমিতিবিলাকত একোযাৰ নোকোৱাকৈ নাথাকে। মাজতে সময় ৰাখিব নোৱাৰা খনচেৰেক সভাৰ পৰা তেখেত গুচি অহাৰ কথাও শুনিবলৈ পোৱা যায়। তেখেতৰ মতে মানুহ গোট থকেই বা নথকেই সভা আৰম্ভ কৰি দিয়া নিয়মটো সকলোৱে ললে, মানুহো সময়মতে আহিবলৈ ধৰিব। পূৰ হব লগীয়া সভাত পূৰ হোৱা মাত্ৰকে সময় হলে সভা আৰম্ভ কৰি কাম কৰাটো তেখেতৰ নীতি। সময়মতে পূৰ নহলে সভা স্থগিত ৰাখি পূৰ নহলেও পাতিব পৰা কৰি থৈ দিয়ে। তেখেতে সময়ৰ কথাটোত এইদৰে ধৰাত বহুতে তেখেতক সভা সমিতিলৈ নিমন্ত্ৰণ কৰিবলৈ ভয় কৰা হৈছিল।

১৯৫৮ চনত তিনিচুকীয়াত বহা অসম সাহিত্য সভাৰ ষড়বিংশ অধিবেশনত চলিহাদেৱ সভাপতি নিৰ্ব্বাচিত হয়। ১৯৫৮ চনৰ পৰা ১৯৫৯ চনৰ নগাওঁ অধিবেশনলৈকে তেখেতে এবছৰ কাল অসম সাহিত্য সভাৰ গুৰি ধৰে।



সেই বছৰ এই প্ৰবন্ধ লিখকৰ ওপৰতে প্ৰধান সম্পাদকৰ ভাৰটো দিয়া হয়। সেই বছৰতে চলিহা ডাঙৰীয়াৰ লগত আমাৰ ঘনিষ্ঠতা বিশেষকৈ বাঢ়িল। কলিকতাত তেখেত কলেজত নাম লগাবলৈ যাওঁতে আমাৰ পূজনীয় দদাইদেউ, বৰদৈচিলাৰ সম্পাদক ৺বিষ্ণু চন্দ্ৰ বৰুৱা এম, এ, বি, এল দেৱে বোলে কলি-কতাত তেখেতক বৰ সহায় কৰিলে। তেখেতে আমাৰ দদাইদেউ এজন সাধু, উদাৰ আৰু নিৰহঙ্কাৰী মানুহ বুলি শ্ৰদ্ধা কৰে। আমাকো এই গুৰুভাৰটো বহন কৰোতে দদাইদেৱৰ নিচিনা হৈ কাম কৰিবলৈ সদায় কৈ থাকে। তেখেতৰ ভতিজাক হৈ অসাৱধান হলে আৰু বেয়া নাম কৰিলে বেয়া হব বুলি সাৱধান কৰি থাকে। তেখেতে নিজেও সাৱধানে সকলো কাম সমাধা কৰিছিল। সেই সময়ত তেখেতৰ অসুখ হৈ, অলপ দিন ডিব্ৰুগড়ত থাকিব লগীয়া হৈছিল, তাতো তেখেতে অসুখ বুলি বহি নাথাকি সাহিত্য সভাৰ আজীৱন সভ্য ভৰ্ত্তি কৰাত ব্যস্ত আছিল। আমি নিজে সততে বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ ভাৰ এৰি যাব নোৱাৰাত, সভাপতি স্বৰূপে চলিহাদেৱে আৰু সহকাৰী সম্পাদক স্বৰূপে, সদায় যোৰহাটৰ কেন্দ্ৰত থাকি কাম চলোৱা শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে সভাৰ কাৰ্য্য সুচাৰুৰূপে চলাত সহায় কৰিছিল। তেখেতে সুবিধৰা, ৰাজহুৱা অনুষ্ঠান, নিজৰ ঘৰ বাৰী, বংশ পৰিয়াল আৰু একেবাৰে নিজৰো বহুত ওপৰত বুলি ভাবি লৈছিল। ছাত্ৰ জীৱনৰ পৰাই বোলে তেখেতে ৰাজহুৱা অনুষ্ঠান বিলাকক নিজৰ বহুত ওপৰত ঠাই দিছিল। তেখেতে কোৱাৰ দৰে নিজৰ হানি হলে এজনৰ হয়, কিন্তু অনুষ্ঠানৰ হানি হলে অনেকৰ হানি হয়। বেজবৰুৱা জন্ম শত বাৰ্ষিকী উৎসৱত আমি দুয়ো বেলেগ বেলেগ বাবলৈ একাদিক্ৰমে এঘাৰখন সভালৈ গৈছিলো, এইবিলাকত ক'তো তেখেতক পাছ পৰি যোৱা নেদেখিলো, আৰু সভা উৎসৱ আদি একেবাৰে শেষ নকৰাকৈ গুচি অহাও নেদেখিলো। ৰাতিৰ সাংস্কৃতিক অনুষ্ঠান বিলাকতো শেহ ৰাতিলৈকে ধৈৰ্য্য ধৰি বহিয়েই থাকে।

চলিহাদেৱ কলেজৰ অধ্যক্ষ হৈ থকা কালত আৰু পাচতো ছাত্ৰ সকলৰ ব্যক্তিগত জীৱনৰ বিষয়ো জানিবলৈ চেষ্টা কৰে আৰু ছাত্ৰসকলৰ পৰিয়ালৰ লগত সম্বন্ধ ৰাখি প্ৰাচীন ভাৰতৰ গুৰু শিষ্যৰ সম্বন্ধটো জীৱিত ৰখা উচিত বুলি ভাবে। অৱস্থাহীন ভাল ছাত্ৰৰ পঢ়াত ব্যাঘাত নোহোৱাকৈ কেনেকৈ সহায় কৰিব পাৰে তাৰ যত্ন, ছাত্ৰৰ নিজৰ অভিভাৱকে কৰাদিয়েই কৰে। কোনো ছাত্ৰৰ আত্মীয় স্বজন হানি হলে বা অসুখ অশান্তি হলে, চলিহাদেৱে তাৰো খবৰ ৰাখে। আন কি, পৰাপক্ষত নিজেও কেতিয়াবা গৈ বুদ্ধি-ভাৰসা দিয়ে।

ছাত্ৰ সকলে পৰীক্ষা আদিত ভাল ফল দেখুৱালে চলিহাদেৱৰ আনন্দত ঠাই নোহোৱা হয় আৰু সেই ছাত্ৰ সকলক আদৰ অভ্যৰ্থনা কৰি উৎসাহ দিয়ে। এই বিলাক কাৰণতে শিৱসাগৰ কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে চলিহা দেৱক পিতৃৰ দৰে ভয় আৰু ভক্তি কৰে। শিৱসাগৰ কলেজৰ ছাত্ৰৰ উশৃঙ্খলতাৰ বাতৰি

চলিহাদেৱৰ নিচিনা ছাত্ৰক নিজৰ ল'ৰা ছোৱালীৰ দৰে ভাবিব পৰা লোক থকা কাৰণেই, আমি বৰকৈ শুনিবলৈ নাপাওঁ।

বেজবৰুৱা আৰু গোহাঞি বৰুৱা আদি পুৰণি সাহিত্যিক সকলৰ দৰেই পদ্মধৰ চলিহা ডাঙৰীয়াই ন-লিখাৰু সকলক প্ৰবন্ধাদি লিখাত প্ৰেৰণা যোগাইছিল। তেখেতক চাবলৈ দিয়া বা তেখেতৰ সম্পাদিত কাকতলৈ দিয়া ন-লিখাৰু সকলৰ প্ৰবন্ধাদি উলাই কৰি হতাশ নকৰিছিল। অপ্ৰিয় হলেও সত্য কথা ক'ব লাগিব, এনে বহুতে কৰে। যেনে ধৰণৰেই হওক, সাহিত্য সংস্কৃতি আদিৰ চৰ্চ্চা কৰা লোক সকলক তেখেতে যথেষ্ট আদৰ কৰে আৰু উৎসাহ দিয়ে আৰু আনকো তেনে কৰিবলৈ কয়। সকলোৱেই সাহিত্য-সংস্কৃতিৰ চৰ্চ্চা কৰিব নোৱাৰে, সেইটো তেখেতে বুজে, কিন্তু সকলোৱেই চৰ্চ্চা কৰা সকলক যেনে তেনে উৎসাহ দিব পাৰে, এইটোও এটা দেশ-সেৱাৰ পথ। বাটে পথে চিনাকি সাহিত্য সেৱকক দেখিলে বা তেনে লোকক কোনোবাই চিনাই দিলে, তেখেতে গৰামাৰি ধৰি আদৰ কৰে। এনে লোক লগ পালে, চলিহাদেৱে গাত ধৰি আলিৰ দাঁতিয়ে দাঁতিয়ে বিশেষকৈ সাহিত্য সংক্ৰান্তৰ কথা পাতি গৈ থাকে। তেখেতৰ কথা সহজে শেষ নহয় আৰু তেখেতৰ হাতৰ পৰা সহজে সাৰি যোৱাও টান। দুৰ্ভাগ্য বশতঃ বছৰ চেৰেকৰ পৰা কাণেৰে নুশুনা হোৱা কাৰণে তেখেতৰ কথাৰ উত্তৰ দিয়া টান হৈছিল, অৱশ্যে তেখেতে অলপ আকাৰ-ইঙ্গিতেৰে দেখুৱালেই বুজে, তথাপিও নুবুজিলে নিজেই কলম কাকত উলিয়াই লিখি দিবলৈ কয়। তেখেতে নিজে অনৰ্গল কথা কৈ যোৱাত আমনি নাপায়। তেখেতৰ তত্বাৱধানত চলা অনুষ্ঠান বিলাকৰ কাৰণে নিমন্ত্ৰণ কৰি অনা লোক সকলৰ সকলো ৰকম সা-সুবিধালৈ নিজে চকু দিছিল। এই অনুষ্ঠান বিলাকৰ লোকক দেখুৱা দায়িত্ব নাইকিয়া উদ্যোক্তা সকলক তেখেতে কোনো সময়ত অপ্ৰিয় কথা কবলৈও বেয়া নাপাইছিল ; কোনো অনুষ্ঠানৰ গুৰিয়াল সকলে নিজে মাতি অনা সভাপতি জন, কেনেকৈ আহিছে কেনেকৈ আছে, ইত্যাদি কথাৰো খবৰ নলয়, আনহাতে তেওঁ বিলাকে যথেষ্ট ধন ৰাইজৰ পৰা গোটাই নি যেনে তেনে খৰচো কৰে। তেখেতৰ মতে এইবিলাক কথা দেখাত সৰু হলেও, সমাজৰ অনিষ্ট কৰা বিষয়। চলিহাই যি বিষয়তেই আগ ভাগ লব লগীয়া হয়, তাতে আশা-শুধীয়াকৈ লাগে। কলেজৰ উৎসৱ আদিতো তেখেত অধ্যক্ষ হিচাপে দায়িত্ব বুজি সকলো বিষয়তে বিশেষ ভাবে চকু দিয়া দেখিবলৈ পোৱা যায়। এবাৰ কলেজৰ সৰস্বতী পূজাতো তেখেতক দেখিছিলো। তেখেতে ৰতিয়াকৈ সাত্বিক ভাবে পোছাক পিন্ধি, কাণত পূজাৰ নিৰ্ম্মালি খুচি লৈ নিমন্ত্ৰিত সকলক আদৰ অভ্যৰ্থনা জনোৱাত ব্যস্ত আছিল।

চলিহা পৰিয়ালৰ লগত আমাৰ ঘনিষ্ঠতা বহুত দিনৰ, একেবাৰে পুৰণি সম্বন্ধ এৰি দিওঁ, পদ্মধৰ চলিহাদেৱৰ ককাইদেৱেক উজনি



অসমৰ অবিসম্বাদী নেতা ৺কুলধৰ চলিহা ডাঙৰীয়া আমাৰ দদাইদেউ ৺বিষ্ণু চন্দ্ৰ বৰুৱাৰ সহপাঠী আৰু সহকৰ্ম্মী। অসহযোগ আন্দোলনৰ সময়ত ৺কুলধৰ চলিহা ডাঙৰীয়া অন্যান্য কৰ্ম্মীসকলৰ সৈতে আহি আমাৰ টীয়কৰ ঘৰত থাকি অসহযোগ আন্দোলনৰ কাম কৰে। 'ৰৰদৈচিলা'ৰ প্ৰতিষ্ঠাপক আৰু সম্পাদক ৺কমল চন্দ্ৰ বৰুৱা মৰিয়নীত থাকোতে সেই বাগিছাৰে ডাক্তৰ আছিল শিৱসাগৰৰ ৺শশী বৰুৱা। ৺পদ্মধৰ চলিহা অলপ দিনলৈ ডাক্তৰৰ ঘৰতে আছিলহি। তাৰ পৰা প্ৰতিদিন গধূলি ডাক্তৰৰ সৈতে আমাৰ দদাইদেৱ ৺কমলচন্দ্ৰ বৰুৱাৰ ঘৰলৈ আহি অনেক বিষয়ৰ অনেক কথা পাতি বহে। আমি তেতিয়া মৰিয়নীতে থাকি পঢ়িছিলো। আমাৰ খুৰীদেৱ শ্ৰীধনদা দেৱী বৰুৱানীও শিৱসাগৰ নগৰৰে জীয়াৰী বুৰঞ্জী লিখক ৺কাশীনাথ তামুলী ফুকনৰ আজু নাতি। যেনে তেনে চলিহাদেৱৰ লগত আমাৰ ঘনিষ্ঠতা আৰু আত্মীয়তা বাঢ়ি গৈছিল। তেখেতৰ বিষয় আমি সকলো কথা জনা হৈছিলো। আমি তেতিয়াই আমাৰ ঘৰত হোৱা সাহিত্য সঙ্গীত আদিৰ আলোচনা চলিহাদেৱৰ মুখে শুনিছিলো। দদাইদেৱ ৺কমলচন্দ্ৰ বৰুৱায়ো এনে লোকৰ সঙ্গ বিচাৰি ফুৰে। ৺পদ্মধৰ চলিহাৰ চাল-চলন, ৰীতি-নীতি, খোৱা-বোৱা সকলো নিভাঁজ অসমীয়া ধৰণৰ। আমি জনাত তেখেতসকলৰ পৰিয়াল-টোৱেই তেনেকুৱা। তেখেতসকলে কালৰ লগত মিলাকৈ স্বধৰ্ম্মপৰায়ণ আৰু পূৰ্ব্বপুৰুষৰ ৰীতি নীতিত চলা, আদৰ্শ অভিজাত অসমীয়া পৰিয়াল। তেখেত সকলৰ বংশত 'চাহাব' নাই। চলিহাদেৱ শিৱসাগৰলৈ অহাৰ পৰা আমি তেখেতক সঘনে লগ পাওঁ। দুয়ো সাহিত্য সভাৰ বিষয়ববীয়া হোৱাত আমাৰ আত্মীয়তা আৰু বাঢ়ে। তেখেত ককাই ভাইৰ দৰে আমাৰ একেবাৰে শুভাকাঙ্ক্ষী হৈ পৰে। আমিও সাহিত্য ক্ষেত্ৰত আগ-ভাগ লোৱাটো তেখেতৰ একান্ত ইচ্ছা, সেয়েহে তেখেতে আমাক টানি আজুৰি সভাই সমিতিয়ে উলিয়াবলৈ চেষ্টা কৰে। তেখেতৰ উৎসাহতে 'অসম জ্যোতি'ৰ নিমিত্তে আৰু অন্য কাৰণেও প্ৰবন্ধ লিখিবলগীয়া হয়। কলেজৰ অধ্যক্ষ পদৰ পৰা অব্যাহতি পাই তেখেত 'অসম জ্যোতি'ত একেবাৰে লাগি গ'ল। আৱশ্যক অনুসৰি সম্পাদকৰ পৰা পিয়নৰ কামলৈকে সকলো কাম নিজেই কৰে। এইদৰে লাহে লাহে তেখেতে এই কাকতখন অসমৰ এখন চকুত লগা আদৰ্শ কাকত কৰাৰ চেষ্টাত আছিল। কিন্তু বিধাতাৰ ইচ্ছা অন্য ধৰণৰ। তেখেতে সহজে পাব লগা আৰু ৫/১০ বছৰো নাপালে। এই বহুগুণ বিশিষ্ট অক্লান্ত কৰ্ম্মীজনে সময় পোৱা হলে শিৱসাগৰৰ পৰা মনেৰে ভাবি থোৱা কাকতখন উলিয়াব পাৰিলেহেঁতেন।

চলিহাদেৱৰ সাহিত্য সেৱা, দেশ সেৱা আৰু পাণ্ডিত্যত মুগ্ধ হৈ অসমৰ প্ৰায় সকলো ঠাইতে তেখেতক সম্বৰ্দ্ধনা জনাই অভিনন্দন পত্ৰ দিছিল। ৰাইজৰ শ্ৰদ্ধাৰ নিদৰ্শন স্বৰূপে তেখেতক অলেখ সভা-সমিতিলৈ সভাপতি ৰূপে নিমন্ত্ৰণ কৰি নি তেখেতৰ অন্তৰৰ কথাবিলাক শুৱলা বক্তৃতাৰ

যোগে শুনিছিল। তেখেতে কলেজৰ পৰা আৰম্ভ কৰি অনেক সজ অনুষ্ঠান গঢ়িলে আৰু গঢ়াত সহায় কৰিলে। তেখেতে বাতৰি কাকত আৰু আলোচনী সম্পাদনা কৰিলে, অনেক প্ৰবন্ধ লিখিলে, গীতি-কবি হিচাবে সৰ্ব্বজনপ্ৰিয় গীতি কবিতাৰ 'ফুলনি' ৰচনা কৰিলে, আৰু অন্যান্য পুথি লিখি মাতৃ-ভাষাৰ ভড়াঁল চহকী কৰিলে। তেখেতেই ইংৰাজী ভাষাত মহাপুৰুষ শঙ্কৰদেৱৰ বিষয়ে পুস্তিকা লিখি অসমৰ বাহিৰত মহাপুৰুষৰ গুণ-গৰিমা প্ৰচাৰ কৰাত সহায় কৰিলে, আৰু সঙ্গীতাচাৰ্য্য ৺লক্ষীৰাম বৰুৱা আৰু ৺কীৰ্ত্তিনাথ বৰদলৈ দেৱৰ পিছতে অসমীয়া সঙ্গীত চৰ্চ্চাত মন দি বিবিধ সঙ্গীত ৰচনা কৰিলে আৰু সঙ্গীত চৰ্চ্চাৰ নিমিত্তে অনুষ্ঠান গঢ়াৰ চেষ্টা কৰিলে। ইয়াৰ উপৰিও বিদেশীৰ আক্ৰমণত দেশ বিপন্ন হোৱা সময়তো তেখেতে স্বদেশ-প্ৰেমৰ উত্তেজনাপূৰ্ণ কবিতা লিখি ৰাইজক উৎসাহ দিলে। এই প্ৰবীণ কবি জনে যুৱক-শক্তিক জাগ্ৰত কৰিবলৈ লোৱা চেষ্টা, সকলোৱেই প্ৰশংসা কৰিলে। এই 'নোহোৱা নোপজা' পুৰুষ জনৰ গুণৰ বিভিন্ন দিশবিলাকৰ বিষয় ৰহলাই বহুতে লিখিব। তেখেতে নিজে লিখা 'জীৱন সোঁৱৰণি', 'জীৱন বীণাৰ সুৰ' লিখাৰ বাহিৰেও আন লিখকে তেখেতৰ বৃহৎ জীৱনী গ্ৰন্থ নিশ্চয় লিখিব। নিজে লিখা পুথিত নিজৰ কথা বহলাই লিখা সম্ভৱ নহয়। এনেকুৱা আদৰ্শ জীৱনৰ সূক্ষ্ম বিচাৰে জাতিক আগ বঢ়াই নিয়াত সহায় কৰিব।

চলিহা ডাঙৰীয়া পৰলোক হোৱা দুমাহ মানৰ আগৰে পৰা তেখেতক ঘনাই লগ পাই-ছিলো। তেখেত সকলেই প্ৰতিষ্ঠা কৰা অসমৰ অন্যতম বৃহৎ জাতীয় উৎসৱ, জয়সাগৰৰ পাৰৰ জয়মতী উৎসৱত আগতে দুবাৰ সভাপতিৰ বাব লোৱাৰ পাছতো যোৱাবাৰ (১) এই উৎসৱৰ সভাপতি হৈ মুখ্য অতিথি চলিহা ডাঙৰীয়াৰ সৈতে সভালৈ যাওঁ। আমি যোৱা গাড়ী খনতে তেখেতো যোৱা কথা আছিলে, কিন্তু আমাৰ পলম হোৱা দেখি তেখেত ঘৰৰ পৰা আন এটা সুবিধা লৈ নিৰ্দ্দিষ্ট সময়ৰ আগতে গৈ ঠিক সময়ত পালেগৈ। সেই দিনাৰ উৎসৱত তেখেতে দিয়া জ্ঞান-গৰ্ভ বক্তৃতাটোৰ কথা আজিও বহুতে কৈ থাকে। তেখেতে নিৰ্ভীক ভাবে 'জয়মতী কুঁৱৰী' নাটক কিখন আৰু 'মিৰি জীয়াৰী'ৰ যি আলো-চনা কৰিলে, সি অভিনৱ। ইয়াৰ পাছত শিৱসাগৰৰ সাংস্কৃতিক সভা দুখনতো তেখেতক লগ পাওঁ। ইয়াৰ পাছত শিৱসাগৰৰ বিহু সন্মি-লনতে তেখেতক ভালকৈ লগ পাওঁ। এই সন্মিলনৰ আগৰ পৰা শুৰিলৈকে চলিহা ডাঙৰীয়াই সকলো পৰিচালনা কৰিছিল। আমি সভা ভগাৰ পিছতো বহুত ৰাতিলৈকে সাংস্কৃতিক অনুষ্ঠান চাবলৈ ৰ'ব লগা হ'ল। সাংস্কৃতিক অনুষ্ঠানৰ শেষৰ বিষয়টো আছিল চলিহা ডাঙৰীয়াৰ পৰিচালিত হুচৰিৰ দল। ৰাতি এঘাৰ মান বজাত সকলোৱে চাবলৈ আশা কৰি থকা চলিহাৰ হুচৰিৰ দল ওলাল। দিনটো কঁকালত গামোচা বান্ধি, ডেকা মানুহৰ দৰে ঘূৰি ফুৰা চলিহা ডাঙৰীয়াই মূৰতো গামো-চাৰ পাগুৰি এটা মাৰি নগৰৰ দহ বাৰজন নেতৃস্থানীয় লোকেৰে সৈতে ৰঙ্গমঞ্চত ওলাল। চলিহা ডাঙৰীয়াই ডেকা বিহুৱাৰ দৰে দলৰ লগত



ঘূৰি ঘূৰি হাত ভৰিৰ ঠেওথমকেৰে চাপৰি বজাই নাম গোৱা আজিও আমাৰ চকুৰ আগত আছে। সাংস্কৃতিক অনুষ্ঠানৰ শেষলৈকে আমাক থাকিবলৈ চলিহা ডাঙৰীয়াই কোৱাত আমিও শেষলৈকে আছিলো। অৱশ্যে চলিহা দেৱৰ হুচৰিৰ দলটো চাবলৈ এনেয়েও থাকিলোহেঁতেন। অনুষ্ঠান শেষ হোৱাৰ লগে লগে চলিহাদেৱ মঞ্চৰ পৰা ঘামি-জামি নামি আহি, আমাক বহি থকা দেখি ভাল পাই, বৰ আগ্ৰহেৰে কলে, "এইবাৰ বৰ খৰ খৰ হ'ল, ভাল কৰিব পৰা নহ'ল, আৰু-বেলিকৈ বহুত দিনৰ আগৰ পৰা লাগি খুব ভাল কৰিবলৈ চেষ্টা কৰিম," তোমালোক তেতিয়া আহিব লাগিব, আন ঠাইলৈ নাযাবা।"— সেই দিন আৰু কেনেকৈ আহিব!

ইয়াৰ পিছত, তেখেতৰ মাৰাত্মক নৰিয়া আৰম্ভ হোৱাৰ দিনচেৰেকৰ আগতে, গধূলি শিৱসাগৰৰ কালীপ্ৰসাদ ভৱনৰ আগৰ চাৰি আলিত তেখেতক লগ পাওঁ, সেইদিনা সেই ঠিনিতে, মোৰ গাত ধৰি লৈ প্ৰায় এঘণ্টামান কথা পাতিলে, কথাৰ ভিতৰত অসমীয়া সাহিত্যৰ অতীত, বৰ্ত্তমান আৰু ভবিষ্যতৰ কথাই বেছি। মাজতে তামোল খোৱাৰ কথা ওলাল, আৰু ল'ৰাবিলাকে কি কাৰণে চুৰত খাই অবাবত ধন খৰচ কৰে আৰু শাৰীৰিক সৌন্দৰ্য্য নষ্ট কৰে, তাৰ আলোচনা কৰিলে। এই অনাৱশ্যকীয়, এনেয়ে দেখাক দেখি কৰা অভ্যাসটো এৰিলে বৰ ভাল কথা হয় বুলি কৈ, আকৌ সাহিত্যৰ সমালোচনাৰ বিষয় কবলৈ ধৰিলে। তেখেতে কলে, বৰ্ত্তমান আমাৰ গঠনমূলক সমালোচনাৰ আৱশ্যকহে বেছি হৈছে। আজিকালি সাহিত্যিকৰ একোটা বেলেগ বেলেগ দল ওলাই তেওঁবিলাকৰ ভিতৰতে, ইজনে সিজনক শলাগি কৰা সমা-লোচনাই সাহিত্য চহকী নকৰে। সেইদিনা তেখেতক ধাইআলিৰ ছাত্ৰ সন্থই সম্বৰ্দ্ধনা জনাইছিল। সম্বৰ্দ্ধনাত তেখেতে সন্তোষ পাই অহাৰ কথা কলে, আৰু লগতে বেজবৰুৱাৰ জন্ম-শত-বাৰ্ষিকীৰ সামৰণী উৎসৱত তেখেতক জনোৱা সম্বৰ্দ্ধনা আৰু কোনো বিষয় বাদ নিদিয়াকৈ লিখা অভিনন্দন পত্ৰখনৰ কথা কৈ যোৰহাট সাহিত্য সভাৰ উদ্যোক্তা সকলক প্ৰশংসা কৰিলে। তেখেতে ক'লে ধন সম্পত্তিয়ে মানুহক যিমান সন্তোষ দিয়ে, ৰাইজৰ এনে আশীৰ্ব্বাদে মানুহক তাতকৈ বেছি সন্তোষ দিয়ে, কৰ্ম্মী সকলক বিশেষ উৎসাহ দিয়ে আৰু কাম কৰিবলৈ মানুহৰ জীৱনী শক্তি বঢ়ায়। আনৰ দৰেই তেখেতেও মানুহৰ পৰা আদৰ-সাদৰ পাবলৈ আশা কৰে, কিন্তু অলপতে সন্তুষ্টও হয়, তেখেতৰ এই 'আশুতোষ' গুণটো শিশুসুলভ আৰু পৱিত্ৰ। বৰষুণৰ আগন্তুক দেখি আমি সিমানতে ঘৰাঘৰি যাবলগীয়া হল। তেখেতে সদায় কৰাৰ দৰে গাত চপৰিয়াই, হাতখন ধৰি জোকাৰি হাঁহি মুখেৰে গুচি গ'ল। যাওঁতে আকৌ উলটি 'অসম জ্যোতিলৈ' প্ৰবন্ধ দিবলৈ আৰু এজেণ্ট বন্দৱস্ত কৰি দিবলৈ সোঁৱৰাই দিলে। পিছৰ বাৰ শিৱসাগৰলৈ যাওঁতে প্ৰবন্ধ লৈ যাবলৈ কলে। বিধাতাৰ বিধান, তেখেতৰ লগত আৰু দেখা দেখিও নহল, প্ৰবন্ধ দিয়াও নহল। হঠাতে

এই আদৰ্শ সৰ্ব্বগুণী পুৰুষ জনৰ কৰ্ম্মময় জীৱনৰ অৱসান ঘটিল।

যিবিলাক মায়াৰ এনাজৰীয়ে আমাৰ জীৱনটো পৃথিবীৰ লগত সাঙুৰি থৈছে, তেনে এডাল শকত এনাজৰী যেন ছিগি গ'ল।

"লাচিতৰ তেজ, মূলাৰ শকতি,
বীৰ-শ্বহীদৰ স্মৃতিক সাৰটি,
যাম আগুৱাই নেচাওঁ উলটি;
কৰিম লক্ষ্য অধিকাৰ —
ভাৰত-সন্তান হুছিয়াৰ!"

৺পদ্মধৰ চলিহা

# পদ্মধৰ চলিহালৈ মনত পৰি

শ্ৰীবেণুধৰ শৰ্ম্মা

যোৱা মে' মাহৰ মাজ ভাগতে সুহৃদ বন্ধু শ্ৰীইন্দ্ৰনাথ কাকতী বি-এলৰ মুখে শুনিলো — এইবাৰ বোলে চলিহাৰ টান, কি হয় ঠিক নাই। শুনি মনটো কেনেবা কেনেবা লাগিল। কেতিয়া চাওঁগৈ কেতিয়া চাওঁগৈ বুলি মনত উগুল-থুগুল লাগিবলৈ ধৰিলে। এনেতে ২৬ মে'ত চলিহাৰ এটি ডাক পখিলী পালো; ডাক পখিলী যদিও এখন ডাঙৰ চিঠিয়েই; কিবাকিবি বহুত কথাৰ মাজতে তেওঁ লিখিছিল মোৰ "ফুল-চন্দন" কিতাপটিৰে তেওঁৰ মেজ হেনো মলমলাই আছে,- 'ফুলনী'ৰ গান এটিৰ কলি তাত তুলি দিয়াত তেওঁৰ অশেষ আনন্দ, অহা সংখ্যা "অসম জ্যোতিত" কিতাপটিৰ সমালোচনা ওলাব। থু-তুৰনিয়ে অলপ শাম কাটিলে। ২৬ গ'ল, ২৭ গ'ল, ২৮ মে' পালেহি — কৰ্ম্মৰত জীৱনধাৰী চিৰ উদ্যোগী পুৰুষজনক নিয়তিয়ে জঠৰকৈ শয্যাত পেলাই থলেগৈ। অঙ্গ বিকল হ'ল। মনৰ বলো টুটি আহিল।

মোৰ কিবা এটা ভাগ্য ভাল আছিল হব পায়, পিচ দিনা তেওঁক চাবলৈ গলো। দেখিলো— সংজ্ঞাই ঢিমিক-ঢামাক কৰিছে — যি কণ আছে সিও নথকাৰ নিচিনাই। মই "অমুক" "অমুক" বুলি তেওঁৰ হাতখনত ধৰি



তিনিবাৰ কাণৰ ওচৰতে মাত দিলো— কিন্তু একো উমঘামেই নাই— তেনেই নিসাৰসাৰ। মাতটো অলপ বুজিলে হব পায়, ক্ষন্তেক মানতে মোৰ হাতখন অলপ জোকাৰি দিয়া যেন লাগিল আৰু দেখিলো, জোকাৰৰ লগে লগেই বাওঁ চকু এটাৰ কোণৰ পৰা চকুলো এধাৰে সৰা বান্ধি ওলাই আহিছে। কোনোবা এজনে আউলি-জাউলি হৈ থকা চুৰিয়াখন ভালকৈ পোনাই দিব খোজোতে যি এষাৰ মাত ঠেহেৰাই মাতিলে সেই ষাৰেই শেষ মাত। একো মাত-কথা নেপালো যদিও, সেই ষাৰ শেষ মাতকে শুনিলো। সেয়ে আজিও মোৰ কাণত গুৰগুৰাই আছে।

দহ তাৰিখে যি আশঙ্কা কৰিছিলো 'সেয়ে ঘটিল। ১২ তাৰিখে গধুলি, সেই ৰোগ-শয্যাই কাল-শয্যা হ'ল। পদ্মধৰ চলিহা আৰু জীয়াই থাকিবলৈ নেপালে, তেওঁৰ অবিনশ্বৰ আত্মা উৰি গুচি গ'ল সেই কোনেও নেদেখা সুখৰ ঠাই নিজান পুৰীলৈ।

চলিহা গ'লগৈ। ভাবিলে ভাল লগা, ভাল লাগিলেও বেয়া-লগা আৰু বেয়া লাগিলেও আকৌ ভাল পোৱা পদ্মধৰ চলিহাই আমাক এৰি গ'লগৈ। সকতে "সোণটি" বুলি মতা, চেমনীয়াত "হেৰ শুনাচোঁন" বুলি কোৱা, বহুদিন আঁতৰত থাকি জ্ঞানে-বিদ্যাই ওপৰ খাপলৈ উঠাত "আপুনি" বুলি মান ধৰা, দাঁতত ভাত এটা লাগিলেও হিয়া উদিয়াই কোৱা-কুই কৰা বৰলোকৰ লৰা হলেও বৰলোকালি নথকা সৰবৰহী লৰা যেন সাদৰি সুহৃদৰ বন্ধু পদ্মধৰ চলিহাক যে আৰু দেখিবলৈ নেপাওঁ।

সকতে ৰসন্তই জাৰে-জহে কত ঠাইত দুয়ো একেলগে হাঁহিলো-মাতিলো, কত বোলা বুলি কৰিলো, কত কথা পাতিলো—ভাঙিলো সেই আটাইবোৰ আজি চকুৰ আগৰ পৰা চাত কৰে আঁতৰি গৈ সুৰদি স্মৃতিৰ চকুত সোমালগৈ।

একাল আছিল যেতিয়া পদ্ম চলিহাক নোচোৱাইও চাইছিল, একাল আছিল 'সোণটি' পদ্মধৰ যেতিয়া বুদ্ধিয়ে-প্ৰতিভায়,- দেখনে, শোভনে, ঐতিহ্য সম্ভ্ৰ'ম 'চাইন'চুৰ অব দি ফ্ৰেগুছআইজ' লগৰীয়াৰ সোণতৰা আছিল।

যি সময়ত হাইস্কুলীয়া ছাত্ৰই 'থিয়েটাৰ' (অভিনয়) পতা নিষিদ্ধ আছিল সেই সময়ত গোহালি ঘৰত আৰ-কাপোৰ তৰি থিয়েটাৰ কৰিছিল পদ্মধৰে; 'বাল্যাশ্ৰম'ৰ জ্ঞানেৰে উদ্দীপ্ত হৈ হাতেৰে লিখি 'পুৱা' কাকত সম্পাদনা কৰিছিল পদ্মধৰে, 'চন্দ্ৰহংস' অভিনয়ত প্ৰকৃত অভিনেতাৰ সম্মান দিছিল পদ্মধৰক ছাৰ আৰ্চেডেল আৰ্ল চীফ কমিছনাৰ চাহাবে; অনুন্নত কৈৱৰ্ত্তকুলক উন্নীত কৰাত স্বদেশ বৎসল গণেশ চন্দ্ৰ হাজৰিকাৰে দেহামূৰ উবুৰিয়াই দিছিল পদ্মধৰে, 'বিমলালয় সভা' স্থাপন কৰি 'ভকতি আঞ্জলি যাচিছো প্ৰভু, বন্দনা গানে' এচাম গায়ক আৰু সাহিত্যিক সৃষ্টি কৰিছিল পদ্মধৰে, 'ফুলনি' সৌৰভৰ মাদকতা বিলাই দেশসেৱকৰ মনপ্ৰাণ মতলীয়া কৰিছিল পদ্মধৰে। পোন প্ৰথম অসম ছাত্ৰ সন্মিলনীত পদ্মধৰৰ উৎসাহৰ সৈতে কোৰ মাৰে কোনে? গাৱেঁ-ভূঞে ছাত্ৰ সমাজ, গাৱঁ-

লীয়া সমাজক বক্তৃতাৰে অনুপ্ৰাণিত কৰি দেশসেৱালৈ আহ্বান কৰাত ক্ষতিকুণ নাছিল পদ্মধৰৰ। 'শঙ্কৰ-শিলিখা'ৰে সঙ্কল্প লৈ টঙ্কেশ্বৰ ওজা আৰু ভোলানাথ কাকতীৰে লগ লাগি শিৱসাগৰত শঙ্কৰ-সমাজ পাতিলে পদ্মধৰে। কালত মৃত্যু বৰণ কৰোঁতা, ভৱিষ্যত আশা-ভৰষাক জলাঞ্জলি দিওঁতা সোণাৰাম দত্তেৰে লগ লাগি 'বিদ্যাপীঠ' পতাত পদ্মধৰে কি অদ্ভুত হেঁচাকেই নিদিলে। 'অসমীয়া' আৰু 'বাঁহী' কাকতৰ সম্পাদক হৈও কামৰূপৰ গাওঁ-ভূঁইত সাহিত্য-সঙ্গীত আৰু দেশপ্ৰেমৰ সঁচাৰ পদ্মধৰে কেনেকৈ ফুৰিছিল ভাবি অবাক। 'অসম সাহিত্য সভা'ৰ সভাপতিৰ কথা নকৰেঁই।

গোৱালপাৰা বঙ্গদেশলৈ যায়-যায়। 'আসাম এছচিয়েশনৰ' সভা বহিছে, সকলোৰে মন ন-যযৌ-ন তস্থৌ, ভাটিয়লীৰে লগ লবনে অসমৰে লগ লব একো স্থিৰতা নাই, এনে সময়ত পদ্মধৰৰ উতলা বক্তৃতাই গিৰীন্দ্ৰনাথ, যোগীন্দ্ৰ নাথ, বিপিন ঘোষৰ নিচিনা বঙ্গমুৱা ডেকা-বুঢ়া সকলোকে অসমমুৱা কৰিলে আৰু গোৱালপৰীয়াই কেনেকৈ চলিহালৈ কৃতজ্ঞতা জনালে, সেই কথা ১৯১৮ চনৰ "অসমীয়া" পাতত জিলিকি আছে। পদ্মধৰ চলিহাৰ সৰবৰহিতাৰ গুণ আৰু কত মনত পৰিছে, লেখি বা কৈ অন্ত কৰিব নোৱাৰো।

আদহীয়া বয়সত পদ্মধৰে ৰ'দে বৰষুণে টলৌ টলৌকৈ খোজ কাঢ়িয়েই বা মটৰত উঠিয়েই ঘূৰি ফুৰি আৰু চিঠি-পত্ৰেৰে লেখালেখি কৰি সংগ্ৰহ কৰা ধনেৰে জয়সাগৰৰ পাৰত শিৱসাগৰ কলেজ হেন যি জোপা বটবৃক্ষ ৰুলে সেয়ে তেওঁৰ যাউতীযুগীয়া স্মৃতিস্তম্ভ। (কলেজ স্থাপনত উমৈহতীয়া চেষ্টাৰো অন্ত নাই, তথাপি পদ্মধৰে প্ৰায় মৰণ-কাললৈকে গুৰি ধৰি আছিল।)

"অসম জ্যোতিৰ" কথা বহুত। তাহানি-খনেই সিংহদত্ত অধিকাৰীৰ সৈতে সম্পাদনা কৰা "অৰ্ঘ্য" কাকতৰে এইখনি পুনৰ জন্ম। মুঠ কথা শিৱসাগৰীয়া উৎসাহ-উদ্যম আৰু শিৱসাগৰীয়া গৌৰৱত গৌৰৱান্বিত হোৱা পুৰণি চামৰ শিৱসাগৰীয়া আত্মাৰ প্ৰতীক পদ্মধৰ চলিহাতে চলি গ'ল বুলি ক'লেও বঢ়াই কোৱা নহয়। 'ৰেডিঅ'ত চলিহাৰ মৃত্যু বাতৰি ঘোষিত হোৱাৰ পিচতে গুৱাহাটীৰ ধনাঢ্য ব্যক্তি এজনে মোক সুধিছিল, "চলিহাৰ বেঙ্ক বেলেঙ্ক কি থাকিল।" উত্তৰিলো— বেঙ্কত কিবা আছেনে নাই ক'ব নোৱাৰো। কিন্তু জয়সাগৰৰ পাৰত ৰিজাৰ্ভ বেঙ্ক এটা পাতি থৈ গৈছে। সেই-টোৱেই হৈছে শিৱসাগৰ কলেজ।

# পদ্মধৰ চলিহাৰ বৰঙণি

অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী

প্ৰবীণ সাহিত্যিক আৰু সঙ্গীত সুকুমাৰ কলাসেৱী পদ্মধৰ চলিহাৰ বিয়োগত অসম-আকাশৰ এটি উজ্জ্বল নক্ষত্ৰ খহি পৰিল। চলিহাৰ গান, তথা কবিতা আৰু নাটকে এসময়ত অপূৰ্ব্ব সমাদৰ লাভ কৰিছিল। স্বাধীনচিতীয়া আৰু দেশহিতব্ৰতত ব্ৰতী চলিহাই সাহিত্য ৰচনাৰ উপৰিও সাংবাদিক, শিক্ষাবিদ আৰু সংগঠকৰূপে দেশৰ উন্নতিত বিশেষ বৰঙণি দিছিল।

গীতিকাৰ ৰূপে পদ্মধৰ চলিহাৰ বিশেষ খ্যাতি আছে। বৰ্ত্তমান শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকত তেওঁৰ গীতসমূহ সৰবৰহী হৈছিল। ১৮৮৪ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ স্থাপনৰ লগে লগে দেশত ৰাজনৈতিক চেতনাৰ এক পৰিবেশ সৃষ্টি হয়। ভাৰতেন্দু হৰিশ্চন্দ্ৰ, দ্বিজেন্দ্ৰলাল ৰায়ৰ নাটকৰ গীতসমূহ জাতীয় চৈতন্য জাগ্ৰত কৰে। মৈথিলীশৰণ গুপ্তৰ ভাৰত-ভাৰতী (১৯১৩), স্বদেশ সঙ্গীত (১৯২৫) আদি কবিতা পুথিয়েও ৰাজনৈতিক চেতনাৰ উন্মেষ পৰ্ব্বত বিশেষ ইন্ধন যোগায়। ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত দেশবাসী সঙ্ঘবদ্ধ হোৱাৰ কথা জৱহৰলাল নেহৰুৱে তেওঁৰ আত্মজীৱনীত গৌৰৱেৰে উল্লেখ কৰিছে (Nineteen-twenty one and round about it was an extraordinary period for the country. There was a strange mixture of nationalism and religion and mysticism. Mahatma Gandhi seemed to cast a spell on all classes and groups of people and drew them into one motley crowd struggling into one direction)। এই যুগৰ সাহিত্যত জাতীয় আশা-আকাঙ্ক্ষা প্ৰতিবিম্বিত হোৱা দেখা যায়। চলিহাই 'জীৱন-দৰ্শন' শীৰ্ষক কবিতাটোত কৈছে।

প্ৰাণ ধৰি যদি দিব পাৰোঁ। নিতে শতেক প্ৰাণত চেতনা দান,
তেতিয়াহে হব ধন্য জীৱন, তেতিয়াহে ৰব গৌৰৱ মান।"

(জীৱন বীণৰ সুৰ)

'শতেক প্ৰাণত চেতনা দান'ৰ উদ্দেশ্যে তেওঁ কিছুমান গান আৰু কবিতা ৰচনা কৰে। তেওঁ বিশ্বাস কৰিছিল যে 'জাতীয় জাগৰণ আৰু জাতীয় ভাবৰ বিকাশত সঙ্গীতৰ ঠাই অতি ওখ' (গীতি-লহৰী : পাতনি)।

তেওঁৰ গীত আৰু কবিতাৰ পুথি হৈছে ফুলনি (১৯১৫), স্বৰাজ সঙ্গীত (১৯২১), গীতি-লহৰী

(১৯২৩), শৰাই (১৯২৮) আৰু ৰংপুৰে কথা কয় (১৯৫৬)।

স্বৰাজ-সঙ্গীতৰ গীতসমূহ এসময়ত মানুহৰ মুখে মুখে আছিল। এই পুথি ৰচনা-প্ৰসঙ্গত তেওঁ কৈছে, "তেতিয়া মই ৰচা উদ্দীপনামূলক জাতীয় সঙ্গীতবোৰ অসমৰ সকলো ঠাইতে শোভাযাত্ৰা, সভা-সমিতি, ভাওনা, সমদল আদিত প্ৰচলিত হৈ বিৰাট জাগৰণৰ সৃষ্টি কৰিলে। সেইবোৰ মই স্বৰাজ-সঙ্গীত নাম দি পুথিৰ আকাৰে ছপাই উলিয়ালোঁ।" (জীৱন-বীণৰ সুৰ)। স্বৰাজ-সঙ্গীত পুথিৰ গীতৰ সন্দৰ্ভত প্ৰবীণ সাহিত্যিক শ্ৰীবেণুধৰ শৰ্ম্মাই 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত' শীৰ্ষক পুথিত মন্তব্য কৰিছে, শ্ৰীযুত পদ্মধৰ চলিহাই স্বৰাজৰ গীত ৰচনা কৰিলে। সেই গীতবিলাক ইমান সৰবৰহী হৈছিল যে ডিব্ৰুগড়ৰ পৰা গুৱালপৰালৈকে পৰ্ব্বতে-পাহৰে, পথাৰে-সমাৰে, সভাই-সমিতিয়ে, ভাওনা-সমদলে, হুচৰি-মেজিয়ে তাৰ ধ্বনিৰে মুখৰিত হৈছিল। চলিহাদেৱৰ সঙ্গীতে স্বৰাজৰ প্ৰতি বিমনাজনৰ মনো গলাই পেলাইছিল।" মুঠৰ ওপৰত স্বৰাজ-সঙ্গীতৰ গীতসমূহত যি উদ্দীপনাময়ী সুৰৰ মূৰ্চ্ছনা উঠিল সি হেজাৰ প্ৰাণত বিদ্ৰোহৰ বহ্নি জলালে।

ফুলনীৰ (ওম তাণ্ডৱ) পাতনিত লেখকে কৈছে, "এটি মুমূৰ্ষু জাতিৰ প্ৰাণত সঞ্জীৱনী শক্তি চলাৰ থাই উপায় — সঙ্গীত আৰু নাট্য কলাৰ অনুশীলন।" এই পুথিৰ গীতসমূহ বিষয় অনুসৰি পাঁচোটা ভাগত (ভক্তি-ফুল, জাতি ফুল, শোক-ফুল, প্ৰণয়-ফুল আৰু ৰগৰ-ফুল) ভগোৱা হৈছে। চেনেহী জননী বন্দে, অসম কাম্যভূমি, চেনেহী জন্মভূমি আদি গীতবোৰ দেশপ্ৰেমমূলক

"ভাৰতবৰ্ষ আমাৰ হৰ্ষ আমাৰ গৰ্ব্ব আমাৰ মান।
শক্তিদায়িনী মাতৃ আমাৰ, আমাৰ স্বৰ্গ তীৰ্থস্থান।"

এই গীতটো এসময়ত অনেক সভা-সমিতিত গোৱা হৈছিল। "হাঁহে ফুলনী, হাঁহে ধৰণী, চেনেহী সখি হে!" আৰু "(মই) নাপিত নামধাৰী; টলো টলো ঘূৰি ফুৰো জোলোঙাটি আৰি" এই দুটা গীতো সমানে সৰবৰহী হৈছিল।

গীতি-লহৰীৰ গীত-সমূহো বিষয় অনুসৰি ভক্তি-লহৰী, জাতীয়-লহৰী, শোক-লহৰী, প্ৰীতি-লহৰী আৰু ৰহস্য-লহৰী এই পাঁচোটা ভাগত শ্ৰেণীবদ্ধ কৰা হৈছে। মাতৃ-বন্দনা গীতটো শ্ৰুতিমধুৰ — "অতীত কীৰ্ত্তি মণ্ডিতং
মহৰ্ষি আৰ্য্য বন্দিতং
কৰ্পূৰৰাগ ৰঞ্জিতং
নমামি মাতৃ চৰণম্"

দেশহিতব্ৰতত ব্ৰতী গীতিকাৰে কৈছে,

হিয়াৰ ৰক্তে তোমাৰ ভক্তে
পূজিব তোমাক চেনেহী আই।
চোৱাচোঁ এবাৰ চেনেহ চকুৰে,
দিয়া চৰণত এবাৰ ঠাই।" (মাতৃ-ভাষা)

'শৰাই' কবিতা পুথিৰ একুৰি ছটা কবিতাৰ ভিতৰত 'তুমিহে করুণাময়', 'স্বদেশ প্ৰেম', 'কাপুৰুষ', 'বাডছিয়া' আৰু 'প্ৰেম-তত্ত্ব' অনুবাদমূলক। তেওঁ অনুবাদত কৃতকাৰ্য্য হৈছে। তলত 'স্বদেশ প্ৰেম' আৰু 'প্ৰেম-তত্ত্ব' কবিতাৰ উদ্ধৃতিয়ে এই কথা প্ৰমাণ দিয়ে।

(১) ধৰেনে জনম কেৱে এই নৰতত
শিলাময় কৰি তাৰ হিয়া,
'এয়ে মোৰ জন্মভূমি বুলি মনে মনে
এবাৰো যি কোৱা নাইকিয়া ?"
(চাৰ ৱাল্টাৰ স্কট)



(২) জুৰিবোৰ মিলেগৈ নইৰ লগত,
নইবোৰ মিলেগৈ মহাসাগৰত
শূইনৰ বায়ুবোৰ ইটিয়ে সিটিয়ে
মিলি আছে কিবা এটি মধুৰ গতিৰে।"
(শেলী)

বুদ্ধদেৱ, আনন্দৰাম বৰুৱা, কালিদাস আৰু স্বৰ্গীয় গোপালকৃষ্ণ গোখলে কবিতাকেইটা চতুৰ্দ্দশপদী কবিতাৰ আৰ্হিত লিখা হৈছে। "ৰৰদোৱা" এটা সৰবৰহী কবিতা আৰু এই কবিতাত কবিৰ ভক্তকাতৰ অন্তৰ প্ৰকাশ পাইছে।

"এয়ে সেই তৰু শঙ্কৰ শিলিখা,
শ্ৰীশঙ্কৰৰ কীৰিতি স্তম্ভ,
আজিও ৰাজিছে কাম্য ভূমিত,
চূৰ্ণ কৰিছে কালৰ দম্ভ।
ইয়াতে আঁউজি কৰিলে শঙ্কৰে
অমিয়া প্ৰসূতা লিখনী বৃষ্টি,
ৰচিলে তুলড়ী ভটিমা লেচাৰি
কাৰলে সাহিত্য জগত সৃষ্টি।
দোওৱা পথিক দোওৱা হে শিৰ,
প্ৰণিপাতে পাবা প্ৰাণত শান্তি,
এয়ে ভকতৰ কল্পতৰু যে
এয়ে পাৰিজাত স্বৰগ কান্তি।"

সপোন, আশা, সুখ আৰু দুখ, জোন-বেলি, জোনাকী পৰুৱা, মিলন আদি কবিতা কেইটা ভাব সমৃদ্ধ। তেওঁ জীৱনৰ মূল তত্ত্ব প্ৰসঙ্গত কৈছে,

"দিঠক-সপোন আৰু জীৱন-মৰণ
সুখ-দুখ বিচ্ছেদ-মিলন
উঠন-পতন আৰু জয়-পৰাজয়
তাকে লই এই বিশ্বখন"(সপোন)

সংসাৰ যাত্ৰাত আশাই মানুহক জীয়াই ৰাখে।

"তই ডাৱৰৰে ছটা ক'লা আকাশত
বেলিৰ বেণুটি ;
তই নিৰাশা জঞ্জালপূৰ্ণ নিবাসত
মোহন বেণুটি।"(আশা)

কবিয়ে জোনাকী পৰুৱাৰ পৰা গভীৰ শিক্ষা লাভ কৰিব পাৰে —

"নিমাত-নিতাল ভাৱে মনৰ শান্তিৰে
নিবিচাৰি সহায় সাৰথি
জিলিকনি কেৰি লৈ কৰিছো নীৰৱে
স্ৰষ্টোঁতাৰ মঙ্গল আৰতি"(জোনাকীপৰুৱা)

"সত্যাগ্ৰহ মহাপন্থা"ৰ আঁচনিৰে "দীন নৰ-নাৰায়ণক আঁকুৱাই নিয়া অৱতাৰী পুৰুষ মহাত্মা গান্ধীৰ তেওঁ গুণ-কীৰ্ত্তন কৰিছে।

"এহাতে শক্তিৰ গদা হিমালয় ভেদী
ইহাতে ধৰিছা শান্তি-শুকুলা-নিচান।
এহাতে থাপিছা পুণ্য ধৰমৰ বেদী
ইহাতে কৰিছা সত্য সাম্যৰ বিধান।

* * * *

মোহিনী শক্তিত মুগ্ধ 'মোহন দাসৰ'
সাতশত্ৰু পৰাজিত প্ৰেম প্ৰভাৱত
জ্বলে ধৰা পোহৰেৰে 'কৰম চাঁদৰ'
'গান্ধীৰ' সুগন্ধ যশো প্লাবিত জগত

'ৰংপুৰে কথা কয়' নামৰ কবিতা পুথিখন লেখকৰ মতে স্বগতোক্তি (dramatic monologue)। ইয়াত তেওঁৰ অতীত ৰংপুৰ তথা অসমৰ প্ৰাচীন ভাস্কৰ্য্য আৰু স্থাপত্য বিদ্যাৰ প্ৰতি মোহ প্ৰতিফলিত হৈছে।

মুঠৰ ওপৰত গীত আৰু কবিতাৰ পুথিয়ে তেওঁৰ কবিত্ব শক্তিৰ পৰিচয় দিয়ে, কিন্তু কৰ্ম্মক্ষেত্ৰ বহুমুখী হোৱাৰ কাৰণে সম্ভৱ তেওঁ একাণপতীয়াকৈ সাহিত্য চৰ্চ্চা কৰিব নোৱাৰিলে। সেয়েহে তেওঁৰ ডেকা কালতে কাব্য জীৱনৰ সামৰণি পৰে। তেওঁৰ কবিতাৰ ভাৱ, ভাষা আৰু ছন্দৰ সাৱলীল গতি পোৱা যায়।

চলিহাই অসমীয়াত সৰহকৈ নাটক ৰচনা কৰা নাই, কিন্তু যি তিনিখন নাটক ৰচনা কৰিছে সেয়ে আধুনিক নাট্য-সাহিত্যৰ বুৰঞ্জীত তেওঁৰ নাম যাউতিযুগীয়া কৰিব। আধুনিক অসমীয়া নাটকৰ চালুকীয়া অৱস্থাত তেওঁ দুখন ধেমেলীয়া আৰু এখন গহীন নাটকেৰে মাতৃভাষালৈ অৰ্ঘ্য নিবেদন কৰে। তেওঁ এজন কৃতী অভিনেতা। ইয়াৰ উপৰি প্ৰভূত অধ্যয়ন আৰু সহজ সৰল ভাষাই নাটকেইখন আকৰ্ষণীয় কৰি তুলিছে।

'নিমন্ত্ৰণ' বা ইতো নষ্টঃ ততো ভ্ৰষ্টঃ (১৯১৭ চন) নামৰ তিনি অঙ্কীয়া ধেমেলীয়া নাটকখনি চলিহাৰ প্ৰথম বৰঙণি। ধেমেলীয়া ৰচনাত লেখকে হাত দিয়া এয়ে প্ৰথম —এই বুলি তেওঁ স্বীকাৰ কৰিছে। পুৰণি গল্প এটা অৱলম্বন কৰি নাটকখন ৰচনা কৰা হৈছে। ভাটীৰপৰা ৰজাৰ মহোৎসৱলৈ অহা চাৰিজন পণ্ডিতৰ— ১। ৰাঘৱেন্দ্ৰজিৎ বেদান্তবাচস্পতি দৰ্শনালঙ্কাৰ কবিকণ্ঠা ভৰণম (দাৰ্শনিক), ২। নক্ষত্ৰচন্দ্ৰ জ্যোতিষী জ্যোতিৰ্ধানৱ-মণ্ডল-মহিমা-ৰত্নাকৰ (জ্যোতিষী), ৩। নৱজলধৰা-ভিৰাম শৰ্ম্মা কবিকঙ্কণ- আয়ুৰ্ব্বেদ চূড়ামণি সমগ্ৰ শৰীৰ-ব্যাধি—বিকাৰ-নিস্তাৰক (বৈদ্য) আৰু (৪) অনাদি অনন্ত শৰ্ম্মণ-সিদ্ধান্তকৌমুদী তৰ্কালঙ্কাৰ ব্যাকৰণ-জলৌধি-কৰ্ণধাৰ (বৈয়াকৰণিক)—পাণ্ডিত্যৰ ওপৰতে ভিত্তি কৰি হাস্যৰসৰ নিজৰা বোৱাইছে। দাৰ্শনিকে তেল কিনি দাৰ্শনিক চিন্তাত মগ্ন হোৱা, জ্যোতিষীয়ে খৰি আনিবলৈ গৈ শুভ ক্ষণৰ কাৰণে গছৰ ডালত বহি থকা, বৈদ্যই বজাৰলৈ গৈ কেৱল এক অনাৰ ছাল কোমোৰা কিনা আৰু বৈয়াকৰণিকে উতলা ভাত পেলোৱা—আধা কেঁচা পণ্ডিতসকলৰ এনেবোৰ কাৰ্য্যত যি বিসঙ্গতিয়ে দেখা দিছে তাৰ দ্বাৰা হাস্যৰসৰ সৃষ্টি হৈছে। দাৰ্শনিকৰ উপলব্ধিতো হাস্যৰস সমল আছে—" অহো। সেই দেখিছে মই এই সিদ্ধান্তত উপস্থিত হৈছো যে বিপদ-সেনানীদলে দলে দলে আগমন কৰে। মই এটা দাৰ্শনিক তথ্য আলোচনা কৰোতে তৈল ভূমণ্ডলত পতিত হল। বৈয়াকৰণিক মহাশয় অন্নপাক কৰোঁতে অন্নবোৰে অপৱিত্ৰ শব্দ উচ্চাৰণ কৰা শুনি যষ্টিৰে প্ৰহাৰ কৰি নষ্ট কৰিলে। অহো! বিড়ম্বনা! বিড়ম্বনা! গতস্য শোচনা নাস্তি। সম্প্ৰতি আমাৰ জ্যোতিষী মহাশয়ক অন্বেষণ কৰি আবিষ্কাৰ কৰা যাওক।' 'বৃক্ষশাখোপৰি দোদুল্যমান হৈ' থকা জ্যোতিষীক গছৰ পৰা 'অৱতৰণ কৰাই' অনাৰ পিচত 'আমাৰ পঞ্চভূত লৈ স্বদেশলৈ প্ৰত্যাগমন কৰিব পাৰিলেই নিজকেই ধন্য মানিম' বোলা বৈদ্যৰ উক্তিত হাস্যৰসৰ উপাদান আছে। সংস্কৃতৰ নাটকৰ বিদূষকৰ আৰ্হিত এই নাটকৰ বিদূষকৰ চৰিত্ৰটি অঙ্কণ কৰা হৈছে। 'মানুহে কয় বোলে



অল্পবিদ্যা ভয়ঙ্কৰী। এতিয়া দেখিলে নহয় স্বৰ্গদেৱ, কেতিয়াবা কেতিয়াবা মহাবিদ্যাও ভয়ঙ্কৰী।" বিদূষকৰ এই উক্তিৰ পৰা নাটকৰ সাৰমৰ্ম্ম উপলব্ধি কৰিব পাৰি। বিষয়-জঞ্জালত অনভিজ্ঞ পণ্ডিত সকলৰ গতি-গোত্ৰত ৰজাই বিচূৰ্ত্তি খালেও আলহী বুলি তেওঁলোকক একো ক'ব নোৱাৰে। পণ্ডিতসকলৰ নাম আৰু উপাধিতো হাস্য-ৰসৰ ব্যঞ্জনা আছে।

তেওঁৰ দ্বিতীয় ধেমেলীয়া নাটকখন হৈছে 'কেনেমজা' (১৯২৩)। লেখকে ইয়াক 'ধেমেলীয়া গীতি-নাট্য' বুলিছে। এইখন এক অঙ্কীয়া নাটকত সাতোটা দৃশ্য আছে। অঙ্কীয়া নাটৰ দৰে এই নাটকৰ গীতসমূহৰ পৰা নাটকৰ বিষয়-বস্তুৰ আভাস পাব পাৰি। কাছিমে তাৰ ঘৈণীয়েক জুলেখাৰ সহায়ত ধন ঘটাৰ এটা অভিনৱ 'ফিকিৰ' উলিয়ালে। সন্ধিয়া লক্ষ্ণৌৰ বাইজীৰ নাচ-গানৰ মজলিচ হব আৰু যাৰে ইচ্ছা টিকট কিনি সিহঁতৰ ঘৰলৈ গলেই চাবগৈ পাৰিব'— এই বুলি কৈ জুলেখাই ধনী মানুহৰ ঘৰত টিকট বেচে। তাই নৃত্য-গীতৰ দ্বাৰা তেওঁলোকক ভুলায়। এইদৰে সিহঁত চহকী হয়। একেদিনাই ৭৪৫ টকা পায় আৰু শেহত দুয়ো আনন্দত গায় —

"বাঃ বাঃ বাঃ বাঃ কাছিম জুলেখা
গৰীব গুচি হলো আমি কিমান ধনী চা।"
(৭ম দৃশ্য)

জুলেখাৰ চৰিত্ৰত বেশ্যাৰ লক্ষণ আছে। তাইৰ নৃত্য-গীত আৰু বচন ভঙ্গীত শৃঙ্গাৰ ৰসৰ এটা প্ৰবাহ আছে। তাইৰ নৃত্য-গীতত ভোল গৈ মিঃ কেৰগেৰীয়া কিদৰে মতলীয়া হৈছে তাক "চালাম হজুৰ কৰিয়ে মেহেৰবাণী" শীৰ্ষক দ্বৈত সঙ্গীতৰ পৰাই বুজিব পাৰি! উজীৰ, নবাব, ভোগেশ্বৰ, সুৰেশ বাবু, শগুণ কেঞা আদিক জুলেখাই লুকুৱাই ৰখা দৃশ্যবোৰ অবাস্তৱ হলেও সেইবোৰে দৰ্শকক আনন্দ দিয়ে। এই নাটকত অলৌকিক অবাস্তৱ কথাৰ সংমিশ্ৰণ কম আৰু ই নিমন্ত্ৰণতকৈ অধিক উন্নত।

শ্যেক্সপীয়েৰৰ 'ৰোমিও জুলিয়েট' নাটকৰ ছাঁ লৈ ভাৰতীয় পটভূমিত অমৰ-লীলা (১৯২০ চন) নামৰ পাঁচ অঙ্কীয়া নাটকখন ৰচনা কৰা হৈছে। এই নাটকখন ৰচনা সন্দৰ্ভত নাট্যকাৰে পাতনিত কৈছে, "শ্যেক্সপীয়েৰৰ নাটকাৱলীৰ ভিতৰত 'ৰোমিও জুলিয়েট' এখন সুপ্ৰসিদ্ধ নাটক। .... এই সুপ্ৰসিদ্ধ নাটকখনিৰ গভীৰ আৰু মৰ্ম্মস্পৰ্শী ভাববিলাক আমাৰ সাহিত্যৰ অন্তৰ্ভুক্ত হোৱা বাঞ্ছনীয় বুলি ভাবি তাৰে ছাঁ লৈ ক্ষুদ্ৰ শক্তি অনুসৰি এই নাটকখনি লিখিলোঁ। ঘটনাৰ স্থল আৰু চৰিত্ৰবিলাক ৰাজপুত দেশীয় কৰাই সুবিধাজনক দেখা হ'ল। ভাৰতীয় সমাজৰ উপযোগী কৰি 'প্লটৰ' ঠায়ে ঠায়ে পৰিবৰ্ত্তন কৰা হৈছে।"

ৰাজপুত সেনাপতি গোবিন্দ সিংহই (মূল নাটকৰ কেপুলেট্) বসন্তোৎসৱলৈ বিভিন্নলোকক নিমন্ত্ৰণ কৰে। অতিথি সকলৰ লগত ভীমসিংহৰ (মূলত মণ্টেগু) পুতেক অমৰসিংহও (মূলত ৰমিও) গোবিন্দসিংহৰ ঘৰলৈ যায়। অমৰসিংহই দুৰৈৰ পৰা লীলাৰ (জুলিয়েট) সৌন্দৰ্য্য-মাধুৰী পান কৰে। অমৰে গোবিন্দসিংহৰ জীয়েক

লীলাৰ প্ৰতি অনুৰাগৰ কথা তেওঁৰ বন্ধু ভৈৰৱসিংহৰ আগত ব্যক্ত কৰে। গোবিন্দসিংহই বিজয়ৰ সৈতে লীলাৰ বিবাহ স্থিৰ কৰে। লীলাৰ ধাই তিলকাই অমৰ আৰু লীলাৰ গুপ্ত প্ৰণয়ৰ কথা জানে। অমৰ ৰঘুনন্দন স্বামীৰ (মূলত ফ্ৰায়াৰ লৰেন্স) ওচৰলৈ যায় আৰু লীলাৰ সৈতে তেওঁৰ গন্ধৰ্ব্ব বিবাহ সম্পাদন কৰিবৰ কাৰণে অনুৰোধ কৰে। বাবাজী সন্মত হয়। তেওঁ আশ্ৰমত উভয়কে 'শাস্ত্ৰৰ বিধান-মতে' মিলন ঘটায়। পিচত কল্যাণ আৰু অনন্তৰ ভিতৰত হোৱা যুদ্ধত কল্যাণৰ মৃত্যু হয়। অমৰ আৰু কল্যাণৰ ভিতৰত হোৱা যুদ্ধত অনন্তৰ মৃত্যু হয়। সেই আপাহতে উদয়পুৰৰ ৰজা যশোৱন্ত সিংহই (মূলতে ভেৰোণাৰ কোঁৱৰ এস্কেলাচ্) অমৰক 'নিৰ্ব্বাসন আজ্ঞা' দিলে। ইফালে বিজয় আৰু লীলাৰ বিবাহৰ দিন ধাৰ্য্য হয়। লীলাই পূৰ্ব্বৰ পৰিকল্পনা অনুযায়ী নিৰ্দ্দিষ্ট দিনত বাবাজীৰ ঔষধ সেৱন কৰি 'বিয়াল্লিশ দণ্ড ধৰি' (মূল নাটকত ৪২ ঘণ্টা) অচেতন হয়। বাবাজীয়ে অমৰৰ ওচৰলৈ দয়ানন্দক প্ৰেৰণ কৰে কিন্তু মিবাৰলৈ যাওঁতে বাটতে বন্দী হ'বলগীয়া হয়। গতিকে অমৰে বাবাজীৰ পৰা কোনো বাৰ্ত্তা নেপালে। তেওঁ অভিৰামৰ মুখে লীলাৰ মৃত্যুৰ বাতৰি পাই উদয়পুৰলৈ ঘূৰি আহে। অমৰ মৰিশালিত উপস্থিত হৈ বিহ খাই আত্মহত্যা কৰে আৰু পিচত লীলা সেই ঠাইলৈ আহি অমৰৰ হাতৰ তৰোৱালখন লৈ ডিঙিত ৰেপ দি মৰে। এয়ে নাটকীয় কাহিনী।

শেক্সপীয়েৰৰ 'ৰোমিও জুলিয়েট'ত"আদিৰ পৰা অন্তলৈকে গীতি-কবিতাৰ সৌন্দৰ্য্য (lyrical beauty) বিয়পি পৰিছে।" এই নাটকখনিয়ে অসমীয়া ৰূপ পাওঁতেও কৰিলেও মাজে মাজে 'গীতি-কবিতাৰ সৌন্দৰ্য্য' উপভোগ কৰিব পাৰি। মূলৰ ভাব অক্ষত ৰাখি নাটকখনিক ন সাজপাৰ পিন্ধোৱা হৈছে। ভাষা সহজ-সৰল আৰু অমিত্ৰাক্ষৰ চন্দও মনোৰম। উদাহৰণ স্বৰূপে তলত দুটামান উদ্ধৃতি দিয়া হ'ল। যেনে:—

১। "তোমাৰ কুলেই হল পৰম শত্ৰুক।
তোমাৰ নামেই হায়!
পিতাৰ কান্ধত বিন্ধে শেলৰ নিচিনা।
তুমিতো তুমিয়ে আছা;
হক নাম অমৰ তোমাৰ,
ক্ষতি কিনো তাত বাৰু ?
নাম নো কি ?
হাত ভৰি মুখ বাহু
শৰীৰৰ অবয়ৰ একোৱে নহয়
কিনো কথা আছেনো নামত;
গোলাপক গোলাপ বুলি
আন নামে মাতিলেও
মধুৰ গোন্ধটি তাৰ থাকিব একেই।"
(২য় অঙ্ক, ৫ম দৃশ্য)

'Tis but thy name that is my enemy;
Thou art thyself though not a Montague,
What's Montague ? it is nor hand, nor foot,
Nor arm, nor face, nor any other part
Belonging to a man. O, be some other name !—



What's in a name ? that which we call a rose
By any other would smell as sweet ;
(Act II, Scene II)

২। "যোৱা শীঘ্ৰে অস্তাচললৈ
সূৰ্য্যৰথবাহী হেৰা বেগাল তুৰঙ্গ।
আনাগৈ নিশা দেৱী তমসাবসনা।
আহাঁ আহাঁ সুন্দৰ যামিনী!
* * * *
আহাঁ সখী! লৈ আহাঁ প্ৰাণেশ্বৰ মোৰ।
গত প্ৰাণ হয় যদি প্ৰাণৰ অমৰ,
স্বৰ্গলৈ লৈ গৈ
খণ্ড খণ্ড কৰাঁ যেন তৰাৰ ৰূপেৰে।
তেতিয়াৰ পৰা আৰু
কোনেও নকৰে চাৰ্বা সূৰ্য্যৰ অৰ্চ্চনা!"
(৩য় অঙ্ক, ৫ম দৃশ্য)।

Gallop apace, you fiery-footed steeds
Towards Phoebus' lodging : such a waggoner
As Phaethon would whip you to the west,
And bring in cloudy night immediately.
* * * *
Come, gentle night, come, loving, black-brow'd night,
Give me my Romeo ; and, whenhe shall die,
Take him and cut him out in little stars,
And he will make the face of heaven so fine
That all the world will be in love with night,
And pay no worship to the garish sun.
(Act III, Scene II)

৩। "বাহিৰত ধুনীয়া কুসুম,
ভিতৰত বিশাল ভুজঙ্গ!
কোনে জনিছিলে বাৰু
সুন্দৰ বয়ানে সেই
লুকুৱাব এনে হেন ভীষণ সংকল্প!
মনোহৰ নৰবধী!
দেৱৰূপী দুৰ্ঘোৰ পিশাচ!
দেখাত হৰিণ কিন্তু স্বভাৱ বাঘৰ!
ঘৃণিত পদাৰ্থ কিন্তু সৰগীয় শোভা!"
(৩য় অঙ্ক, ৫ম দৃশ্য)

O serpent heart, hid with a flowering face !
Did ever dragon keep so fair a cave ?
Beautiful tyrant ! fiend angelical !
Dove-feather'd raven ! wolvish-revening lamb !
Despised substance of divinest show !
(Act III, Scene II)

৪। "প্ৰাণেশ্বৰ!
এতিয়াই নেযাবাঁ আঁতৰি।
কুকুৰাৰ ডাক সিটো নহয় নিশ্চয়;
নিয়তি পখীৰ মাত
পৰিছেহি ভয়াতুৰ কাণত তোমাৰ;
ওৰে ৰাতি গায় তাই ডালিম জোপাত।"
(৪ৰ্থ অঙ্ক, ১ম দৃশ্য)

Wilt thou be gone ? it is not near day :
It was the nightingale, and not the lark,

That pierc'd the fearful hollow of thine ear ;
Nightly she sings on you pomegranate tree :
Believe me, love, it was the nightingale, (Act III, Scene V)

এনে ধৰণৰ ভাবানুবাদৰ অলেখ উদাহৰণ দাঙি ধৰিব পাৰি ।

ইংৰাজী নাটকৰ প্ৰস্তাৱনাৰ 'কৰাছ'ৰ পৰিবৰ্ত্তে 'অমৰ-লীলা'ৰ প্ৰস্তাৱনাত সখী সকলৰ গীত দিয়া হৈছে । ইংৰাজী নাটকৰ অসমীয়া ৰূপান্তৰত অঙ্ক আৰু দৃশ্য বিভাজনৰো অনেক সাল সলনি ঘটিছে । যেনে—ৰোমিও জুলিয়েটৰ ১ম অঙ্কত পাঁচোটা দৃশ্য আছে । আৰু 'অমৰ-লীলা'ৰ ১ম অঙ্কত ৪টা দৃশ্য আছে । ইংৰাজী নাটকৰ পঞ্চম দৃশ্যটো অমৰ-লীলাৰ দ্বিতীয় অঙ্কৰ প্ৰথম দৃশ্যত আছে । অমৰ-লীলাৰ ৫ম অঙ্ক ৫ম দৃশ্যৰ সামৰণিত পট-পৰিবৰ্ত্তন নন্দন কাননৰ দেবাঙ্গনা-সকলৰ গীত সংযোজনা কৰা হৈছে । মুঠতে নিপুণ নাট্যকাৰে মুকলিভাবে নাটকৰ অঙ্ক আৰু দৃশ্যৰ সালসলনি কৰি নাটকখনি মৌলিক নাটকৰ দৰে ৰচনা কৰিছে ।

প্ৰবীণ সাহিত্যিক পদ্মধৰ চলিহাই নাটক আৰু কবিতাৰে মাতৃ ভাষালৈ অৰ্ঘ্য নিবেদন কৰে । বৰ্ত্তমান শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকত তেওঁ যি বৰঙণি দি গ'ল তাৰ কাৰণে অসমীয়া সাহিত্যৰ বুৰঞ্জীত তেওঁ স্মৰণীয় ব্যক্তি হৈ থাকিব ।

---

# পদ্মধৰ চলিহাৰ সোঁৱৰণত

॥ অধ্যাপক - লীলা গগৈ ॥

জীৱনক দেশ আৰু জাতিৰ লগত একাকাৰ কৰি বুকুত এখনি নাম-ঘোষা, এটা কলম আৰু এখিলা কাগজ লৈ শেষ নিশ্বাস পেলোৱা এই মানুহজনে ছাত্ৰ জীৱনৰে পৰা কেৱল ভাষা, সাহিত্য আৰু জাতিৰ কথাই ভাবিলে । শিৱসাগৰৰ ল'ৰা, বুঢ়া ডেকা সকলোৱেই চিনি পোৱা প্ৰকৃত অৰ্থত পকা থেকেৰা যেন মুখৰ, বয়সে বুঢ়া কৰিব নোৱাৰা সেই মানুহ জনে শেষ নিশ্বাস পেলোৱাৰ লগে লগে যি ডোখৰ ঠাই শূন্য হল, সেইডোখৰ ঠাই পূৰণ কৰিবলৈ এই যুগত দ্বিতীয় এজন ব্যক্তি কেতিয়াও নোলায়, নোলাব । নগৰত কাৰো-বাৰ অসুখ-বিসুখ হলে সঘনাই খা-খবৰ কৰি আপদৰ মাত এষাৰ দিয়া, উৎসৱ-পাৰ্ব্বণত সামাজিক সৌজন্যৰে দেখা এটা দিয়া, শিশু-সুলভ সৰলতাৰ প্ৰতীক সেইজন পুৰুষৰ সমকক্ষ দ্বিতীয় এজন ব্যক্তি আৰু পাবলৈ টান হ'ব । মানুহ জন্মে, মানুহ মৰে—এয়া সৃষ্টিৰ নিয়ম । সেই নিয়মকে মানি এইজন পুৰুষেও এই পৃথিবীৰ পৰা মেলানি মাগিলেও শিৱসাগৰীয়া জীৱনত এইজন পুৰুষৰ অনুপস্থিতি সকলোৱেই অনুভৱ কৰিব ।



কলিকতাত শিক্ষা লবলৈ গৈ অসমীয়া ডেকাসকলে পিচপৰা অসমক উন্নত কৰাৰ সপোন দেখাৰ দৰেই এইজন ডেকায়ো কলি-কতাতে দেশ আৰু জাতিৰ অৰ্থে জীৱন পাত কৰাৰ সঙ্কল্প গ্ৰহণ কৰিছিল । এইজন ডেকাৰ প্ৰতিভা আছিল চকুত লগা ; কলেজীয়া জীৱনত ইংৰাজী ৰচনা প্ৰতিযোগিতাত সোণৰ পদক পোৱা এই ডেকাজনে বিলাতত আই-চি-এছ বা বাৰ-এট-ল পঢ়িবলৈ যাবলৈ দিহা কৰিছিল কিন্তু কিবা বিপাকত সেয়ে হৈ নুঠিল । ইংৰাজী বিষয়ত এম-এ আৰু বি-এল উপাধি লৈ ঘৰৰ লৰা ঘৰলৈ উলটি আহিল । দেশ আৰু জাতি গঠনৰ প্ৰতি এইজন পুৰুষৰ আগ্ৰহ বা ৰাগী ইমানেই বেছি আছিল যে নিজৰ ব্যক্তিগত জীৱনৰ লগত সেই বাবেই অনেকখিনি তাল কাটি গৈছিল । এবাৰ দিখৌৰ বানপানী হৈ চলিহা টুপৰ ঘৰ পানীত বুৰিবলৈ আৰম্ভ কৰিছে কিন্তু এইজন পুৰুষৰ শিৱসাগৰত বহিবলগীয়া অসম সাহিত্য সভাৰ অভাৰ্থনা সমিতিৰ সম্পাদকৰ যাৱতীয় ফাইল কেইটা পানীত নিতিতাকৈ কেনেকৈ ৰক্ষা পৰে তাৰেহে চিন্তা । ঘৰৰ সম্পত্তিতকৈ সাহিত্য সভাকহে অধিক মূল্যবান বুলি তেওঁ গণ্য কৰিছিল । এইবোৰ দেখি শুনি ক'বৰ মন যায়—"অনেন সদৃশ্যো লোকে ন ভূতো ন ভবিষ্যতি ।"

সাংবাদিকতাৰ প্ৰতি এইজন ক্ষণজন্মা পুৰুষৰ আগ্ৰহ আছিল অপৰিসীম । বোধকৰো, অসম ছাত্ৰ সন্মিলনৰ একালৰ অক্লান্ত কৰ্ম্মী আৰু নেতা চলিহাই ছাত্ৰ জীৱনতে সাংবাদিকতাৰে ভাষা-সাহিত্যক সেৱা কৰাৰ সঙ্কল্প গ্ৰহণ কৰিছিল । বেজবৰুৱাৰ অনুপ্ৰেৰণা আৰু সান্নিধ্য, চন্দ্ৰকুমাৰ আগৰৱালাৰ সাহাচৰ্য্য আৰু পোনপটীয়া সম্পৰ্কই সাংবাদিকতাৰ প্ৰতি তেওঁৰ অৱচেতন মনত ৰাগী বহুৱাইছিল । কলেজৰ অধ্যক্ষ পদৰপৰা অব্যাহতি লোৱাৰ পিছত শিৱসাগৰৰ পৰা পূৰ্ণ-পৰ্য্যায়ত সাপ্তাহিক কাকত এখন উলিয়াবলৈ মূৰপুতি লাগিছিল । কিছুমান কাৰিকৰী অসুবিধাত কাকতখন উলিয়াব নোৱাৰিলেও সীমাবদ্ধতাৰ মাজতে পথেকীয়াকৈ 'অসমজ্যোতি' নামৰ সংবাদ আলোচনী এখন উলিয়ায় । বাতৰি লিখা, প্ৰুফ চোৱা, বিতৰণ কৰা, দান-বৰঙণি আদি সংগ্ৰহ কৰা সকলো কামকেই নিজে কৰিছিল— ভাগৰ, অৱসাদৰ কথা মনলৈ নানিছিল । 'সাহিত্য-সঙ্গীতকলা-বিহীনঃ সাক্ষাৎ পশু পুচ্ছবিষাণহীনঃ' এই কথাষাৰ তেওঁ হাড়ে হাড়ে অনুভৱ কৰিছিল । সাংস্কৃতিক অনুষ্ঠানবিলাকত নিজে উপস্থিত থাকি অনু-প্ৰেৰণা দি নতুন সৃষ্টিৰে মানসিক উৎকৰ্ষ সাধন কৰিবলৈ সততে সহায় কৰিছিল । এবাৰৰ কথা — ১৯৫৪ চন, যোৰহাটত বহা অসম সাহিত্য সভাৰ অধিবেশনৰ সাংস্কৃতিক অনুষ্ঠানত ৰাতি দুই বজালৈকে ভাওনা চাই বহি আছে । গাত তমোময় জ্বৰ । যিটো জ্বৰত অনেকেই কেকাই থাকিলেহেঁতেন, সেইটো জ্বৰত গাত মাত্ৰ এখন এড়ীচেলেং লৈ পুহমহীয়া জাৰত

ভাওনা চাই থকাটো এলাপেচা দুৰ্ব্বল মনৰ মানুহৰ বাবে সম্ভৱ নহয়।

ভাৰতীয় আয়ুসৰ হিচাপত তিনি কুৰি চৈধ্য বছৰ চুটি আয়ুস নহয়; কিন্তু মৃত্যুৰ এসপ্তাহৰ আগলৈকে আজিকালিৰ একোজন ডেকাতকৈয়ো অধিক সক্ৰিয়তাৰে জীৱনটো চলাই নিবলৈ প্ৰয়াস কৰিছিল। এইজন পুৰুষৰ অসমীয়া সাহিত্যলৈ বৰঙণি বহুমূলীয়া। কিন্তু নিজৰ প্ৰতিভা আৰু জ্ঞানৰ বিস্তৃতিৰ জোখাৰে আৰু অনেকখিনি বৰঙণি দি যাব পাৰিলেহেঁতেন বুলি আক্ষেপ কৰিবৈল থল থাকি গ'ল। এসময়ত ভাৰতীয় স্বাধীনতা আন্দোলনৰ উদ্দীপনা জগোৱা ভালেমান দেশ প্ৰেমমূলক গীতে গাওঁ-ভূঁই ৰজনজনাই গৈছিল। "অমৰ লীলা" ৰোমিও জুলিয়েটৰ সাৰ্থক ভাওনি। 'শৰাই', 'ফুলনি', 'প্ৰীতি-উপহাৰ' পুথিৰ ভালেমান গীতি আৰু কবিতাৰ কাব্যিক সৌন্দৰ্য্য অতি উচ্চ পৰ্য্যায়ৰ। 'নিমন্ত্ৰণ', 'কেনে মজা' দুখনি জনপ্ৰিয় প্ৰহসন, 'জীৱন বীণৰ সুৰ'ত তেখেতৰ জীৱনৰ উঠা-নমা খলা-বমাৰ বা-বাতৰি থাকিলেও উক্ত পুথিত অসমৰ সামাজিক, ৰাজনৈতিক জীৱনৰ বুৰঞ্জীৰো আভাস পাব পাৰি। ইংৰাজীত লিখা Sahityarathi Bezbaruah বেজবৰুৱাৰ বিষয়ে লিখা সৰ্ব্ব প্ৰথম পুথি। তেখেতৰ আন এখন গ্ৰন্থ হ'ল "ৰংপুৰে কথা কয়"। এইজন প্ৰবীণ সাহিত্যিকৰ সাহিত্য সাধনাৰ বৈশিষ্ট্য হ'ল—তেখেতে ইংৰাজীৰেই লিখক বা অসমীয়াৰেই লিখক সদায় ব্যাকৰণ-অভিধান মানি শুদ্ধ ঠাচত লিখিছিল। আজিকালি ব্যাকৰণ-অভিধানৰ নঙলা-ভঙা বহুতো লিখক আৰু ঘাইকৈ তথাকথিত ডাঙৰ সাহিত্যিকৰ ৰচনাত দুঃ দেখা পালে কটু সমালোচনাও কৰিছিল। তেখেতৰ সাহিত্যিক জীৱনৰ আন এটা বৈশিষ্ট্য হল—সাহিত্য সৃষ্টিৰ প্ৰেৰণা। শিৱসাগৰৰ কেইবাজনো ডেকা উঠি অহা লিখকৰ সাহিত্যিক জীৱনৰ গুৰিতে তেখেতৰেই আন্তৰিক অনুপ্ৰেৰণাৰ সাৰ-পানী আছে।

আইন বিদ্যাৰে জীৱিকা নিৰ্ব্বাহৰ পাতনি তৰিছিল যদিও তেখেত প্ৰকৃততে আছিল শিক্ষক। বাল্যভৱন, ফুলেশ্বৰী স্কুল আদিত শিক্ষকতা কৰাৰ উপৰিও অসমৰ এখন প্ৰথম শ্ৰেণীৰ কলেজ শিৱসাগৰ কলেজৰ তেখেতেই আছিল প্ৰতিষ্ঠাতা অধ্যক্ষ। নিজকে সদায়েই কলেজখনৰ পৰা অভিন্ন বুলি ভাবিছিল। যদিও কলেজৰ সৰহ ভাগ প্ৰশাসনীয় আৰু সাংগঠনিক কাম তেখেতৰেই সুযোগ্য পুত্ৰ শ্ৰীপৰাগ চলিহাই উপাধ্যক্ষ হিচাপে পৰিচালনা কৰিছিল। এইজন শিক্ষাব্ৰতী পুৰুষ আছিল কলেজৰ সকলো অনুষ্ঠানৰে অনুপ্ৰেৰণাস্বৰূপ। যি সময়ত কটন কলেজৰ বাহিৰে অসমত এখনো বেচৰকাৰী কলেজ নাছিল, সেই সময়তেই শিৱসাগৰত এখন কলেজ পাতিবলৈ চেষ্টা চলোৱাসকলৰ ভিতৰত তেখেত অন্যতম। হয়তো দ্বিতীয় মহাসমৰে ওলট-পালট নকৰা হলে সেইখন কলেজ হৈ উঠিলেহেঁতেন।

ভাৰতীয় স্বাধীনতা আন্দোলনত ঘনিষ্ঠভাৱে জড়িত হৈ কাৰাবাস খটাৰে পৰা শিৱসাগৰৰ



প্ৰায় সকলো সামাজিক অনুষ্ঠানৰে লগত তেওঁ অতি ঘনিষ্ঠতাৰে জড়িত আছিল। যুদ্ধৰ সময়ত নিষ্ক্ৰিয় হৈ পৰা অসম সাহিত্য সভাখন শিৱসাগৰলৈ মাতি পুনৰ সঞ্জীৱিত কৰাত সহায়তা কৰিলে এইজন ব্যক্তিয়েই। সৰু-বৰ, জাত-পাত, উচ্চ-নীচৰ বিচাৰ নকৰা, জীৱনক জাতিৰ বুকুত বিলীন কৰি দিয়ালৈ প্ৰয়াস কৰা পদ্মধৰ চলিহা আছিল অসমৰ প্ৰথম শ্ৰেণীৰ এজন নেতা, দেশ-প্ৰেমিক, সাহিত্যিক আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু বহুতো সামাজিক অনুষ্ঠানৰ বিষয়ববীয়া।

তেওঁৰ ক্লান্তিহীন কৰ্ম্মপ্ৰেৰণাই উঠি অহা চাম ডেকাক অনুপ্ৰেৰণা দিয়ক।

---

# গুৰুদেৱ পদ্মধৰ চলিহা

( ছাত্ৰৰ দৃষ্টিৰে )

॥ অধ্যাপক পূৰ্ণানন্দ শইকীয়া ॥

"দেৱ মন্দিৰৰ স্বৰ্ণ চূড়াই  
তিমিৰ বিনাশি বিতৰে কান্তি;  
ক্লান্ত পথিকে ভাৰত ওপঙি  
সাগৰ পাৰত বিচাৰে শান্তি।"-(১)

আজীৱন "ভাৰত ওপঙি" ক্লান্ত পথিক অদৃশ্যমান জগতৰ "সাগৰ পাৰত" শান্তি বিচাৰি গুচি গ'ল!

গুৰুদেৱ পদ্মধৰ চলিহা আমাৰ মানস-চকুৰ আঁতৰ হ'ল। গুৰুদেৱৰ সান্নিধ্যলৈ যি সকল ছাত্ৰ আহিছিল তাৰ ভিতৰৰে এজন হিচাবে তেখেতৰ গুণানুকীৰ্ত্তন কৰা আমাৰ এটি পবিত্ৰ কৰ্ত্তব্য। সৌ সিদিনা গুৱাহাটীৰ সবিতা সভাই আয়োজন কৰা শোক-সভাত কবি পদ্মশ্ৰী নলিনীবালা দেবীয়ে নীৰৱে সুঁৱৰিছিল চলিহা দেৱৰ লগত হোৱা তেখেতৰ গভীৰ সান্নিধ্যৰ কথা আৰু চলিহাদেৱৰ বিশাল ব্যক্তিত্বৰ কথা। কৰ্ম্মময় জীৱনৰ বিভিন্ন ক্ষেত্ৰত যি সকলে গুৰুদেৱক লগ পাইছিল, সেইসকলে বিভিন্ন দিশৰ পৰা তেখেতৰ জীৱনী আলোচনা কৰিব। আমি মাথোন ১৯৫২ চনৰ পৰাহে ছাত্ৰ হিচাবে গুৰুদেৱৰ কাষ চাপিছিলো; আৰু এই সময় ছোৱাৰ ভিতৰতে তেখেতৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ কিছুমান ছবি আমাৰ চকুৰ পৰ্দাত কেনেদৰে ধৰা দিছিল তাকে দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী সাহিত্যত অনাৰ্ছ লৈ বি,এ আৰু তাৰ পাছত

(১) প্ৰস্তাৱনা : "অসমীয়া সাহিত্য আৰু ৰংপুৰৰ বৰঙণি"— পদ্মধৰ চলিহা

ইংৰাজীতে এম,এ পাছ কৰি পদ্মধৰ চলিহাই জীৱনৰ অতি সাৰুৱা কাল ছোৱা অতিবাহিত কৰিলে সাংবাদিকতা, ওকালতি আৰু ভাষা-জননীৰ সেৱাৰ মাজেদি। কৰ্ম্মময় জীৱনৰ শেষৰ ফালে জয়সাগৰৰ জয়া-তীৰ্থক উদ্ভাসিত কৰি জ্ঞান-মন্দিৰ শিৱসাগৰ কলেজ প্ৰতিষ্ঠা কৰিলে আৰু গুৰুদেৱ হ'ল এই মন্দিৰৰ প্ৰধান পুৰোহিত। অজ্ঞান আন্ধাৰত খেপিয়াই-জেপিয়াই ফুৰাসকলে উচ্চস্বৰে গালে :—

"পোহৰ বিচাৰি যাওঁ
আন্ধাৰৰ কাল যৱনিকা ভেদি
সিপাৰে কি আছে চাওঁ ....।"

ইংৰাজ কবি শ্যেক্সপীয়েৰৰ নাটক আৰু বিশ্বকবি ৰবীন্দ্ৰনাথৰ কবিতাৰ প্ৰভাৱ পদ্মধৰ চলিহাদেৱৰ জীৱনত বাৰুকৈয়ে পৰিছিল। তেখেতৰ লিখনিত এই প্ৰভাৱ বিচাৰ্য্য বিষয় হলেও তেখেতৰ কথা আৰু কামত ই পৰিলক্ষিত হয়। কলেজৰ শ্ৰেণীৰ বাহিৰে-ভিতৰে এই দুজনা বিশ্বকবিৰ কবিতা চলিহাদেৱে আবৃত্তি কৰিছিল। 'হেমলেট্' নাটকৰ দুটিবাক্য তেখেতৰ মুখত অনবৰত শুনিছিলোঁ :

"There are more things in heaven
and earth, Horatio,
Than are dreamt of in your
philosophy."

বাক্যটি আবৃত্তি কৰি আমাৰ গুৰুদেৱে এটি উপলব্ধিৰ হাঁহি মাৰিছিল আৰু কিছু সময় তন্ময় হৈ আছিল। জাগতিক দৰ্শনে সৃষ্টিৰ ৰহস্যৰ প্ৰকৃত সন্ধান দিব নোৱাৰাত হেমলেটে এদিন এনেদৰে চিঞৰি উঠিছিল। ইয়াৰ যোগেদি শ্যেক্সপীয়েৰৰ 'ৰেণাচাঁ' দৃষ্টিভঙ্গী আমাৰ আগত সদৰীকৈ দাঙি ধৰিবলৈ গুৰুদেৱে চেষ্টা কৰিছিল। কবিগুৰু ৰবীন্দ্ৰনাথৰ 'গীতাঞ্জলি' তেখেতৰ প্ৰায় কণ্ঠস্থ আছিল। শ্ৰেণীত বা সভা-সমিতিত 'গীতাঞ্জলি'ৰ এফাকি উদ্ধৃতি দিবলৈ নাপালে তেখেতে বক্তৃতা অসম্পূৰ্ণ হৈ থকা যেন অনুভৱ কৰিছিল। অম্বিকাগিৰি ৰায়চৌধুৰীৰ 'তুমি' কাব্য আৰু নলিনীবালা দেৱীৰ 'সপোনৰ সুৰ'ৰ আধ্যাত্মিকতাবাদ আমাক বুজাওঁতে তেখেতে 'গীতাঞ্জলি' চকুৰ আগত ৰাখিছিল আৰু তেখেতে দিয়া দুই এটি উদ্ধৃতি আমাৰ কাণত আজিও বাজি আছে :

'আমাৰে না যেন কৰি প্ৰচাৰ
আমাৰ আপন কাজে ;
তোমাৰি ইচ্ছা কৰোহে পূৰ্ণ
আমাৰ জীৱন মাঝে।'

বয়স ভাটী দিয়া অৱস্থাত উচ্চাৰণ অস্পষ্ট হোৱা অৱস্থাত, শ্ৰৱণেন্দ্ৰিয় অকৰ্ম্মণ্য হোৱা অৱস্থাত পদ্মধৰ চলিহাদেৱ আহিল আমাক শিক্ষা দান দিবলৈ। বয়স অনুপাতে অধ্যক্ষ হিচাবে কলেজ-অফিচৰ গধুৰ দায়িত্ব বহন কৰাৰ উপৰিও শিক্ষা-দান কাৰ্য্যত ব্ৰতী হোৱাটো ভাবিব নোৱাৰা কথা। আমাৰ লগৰ দুই-চাৰি ছাত্ৰই তেখেতৰ অস্পষ্ট উচ্চাৰণ আদিক লৈ কেতিয়াবা ব্যঙ্গও কৰিছিল। কিন্তু গুৰুদেৱে তেখেতৰ শাৰীৰিক অক্ষমতাক কোনো দিনেই শিক্ষাদানত হেঙাৰ হিচাবে মানি লব নুখুজিছিল। কলেজৰ ডেকা অধ্যাপক সকলৰ লগত এক প্ৰতিযোগিতামূলক মনোভাৱ



লৈ অধ্যক্ষ চলিহাদেৱে আমাক শ্ৰেণীত পাঠদান কৰিছিল। ঘণ্টা পৰাৰ লগে লগেই ছাত্ৰ-ছাত্ৰী থাকক নাথাকক তেখেতে শ্ৰেণীত প্ৰৱেশ কৰিছিল। তেখেতে সাধাৰণতে নাটক আৰু চুটি গল্প পঢ়াই বৰ সোৱাদ পাইছিল। পাঠদান কৰোতে তেখেতে মাজে মাজে অন্তৰ খুলি হাঁহিছিল আৰু ই আছিল উপলব্ধিৰ হাঁহি। তেখেতৰ লগত আমি পাঠৰ অৰ্থ উপলব্ধি কৰিব নোৱাৰিলেও হাঁহিত যোগ দিবলৈ বাধ্য হৈছিলো; কাৰণ কোনোবাই নহঁহাকৈ থাকিলে তেখেতে খুব বেয়া পাইছিল। এনেদৰে হাঁহি-ইহুৱাই তেখেতে আমাক বি-এ মহলাত গেলছ্ৱৰ্দীৰ 'লয়েলটীজ্' আৰু মহাপুৰুষ শঙ্কৰদেৱৰ 'ৰাম-বিজয়' নাট পঢ়াইছিল।

এই নাটকবোৰ তেখেতে পঢ়াওঁতে আমি পাহৰি গৈছিলো তেখেতে নাটক পঢ়াইছে নে নিজে নাটক কৰিছে। নাটকীয় অঙ্গি-ভঙ্গীৰে বিভিন্ন চৰিত্ৰৰ ভাৱাবেগ পৰিস্ফুট কৰি নাটক পঢ়ুৱাৰ দৃশ্য আমি পাহৰিব নোৱাৰিম। 'লয়েলটীজ'ৰ এটা বাক্য—('Pistol keeps faith') পঢ়াওঁতে তেখেতে সোঁহাতখন পিষ্টল এটাৰ নিচিনা কৰি হাতৰ মুঠি জোৰেৰে নিজৰ বুকুৰ ফালে নিয়া ভঙ্গী সঁচাই আমোদজনক আছিল। 'ৰাম-বিজয়' নাট পঢ়াওঁতে চৰিত্ৰৰ বচনবোৰ অঙ্গি-ভঙ্গী কৰি আমাক বুজাই গৈছিল। ৰস-বিনোদনৰ বাবে মাজে মাজে হাঁহিছিল আৰু ইহুৱাইছিল, আৰু হাঁহিৰ মাত্ৰা কেতিয়াবা এনেকৈ চৰি গৈছিল যে কেইমিনিটমান সময় পঢ়া বন্ধ হৈ গৈছিল। এনে মুহূৰ্ত্তত গুৰুদেৱৰ চকুৰ পৰা আনন্দৰ চকুলো বাগৰি অহা দেখিছিলো, আৰু ইয়াকে বোলে ৰস-আস্বাদন। কেতিয়াবা বিষয়-বস্তুৰ লগত সামঞ্জস্য ৰাখি অন্যান্য ধেমেলীয়া কথাৰ অৱতাৰণা কৰি তেখেতে আমাক বুজাবলৈ চেষ্টা কৰিছিল। তেখেতে কোৱা এটি গল্প মনত আছে। এবাৰ হেনো কোনোবা এখন বাগিছাত 'সীতা-হৰণ'ৰ ভাওনা হৈছিল। বাগিচাৰ মেনেজাৰ ইংৰাজ চাহাব জনো পত্নীসহ ভাওনাত উপস্থিত আছিল। নাটকীয় ঘটনা আগ বাঢ়িছে—সীতাক ৰাৱণে হৰণ কৰি নিছে, আৰু ৰামচন্দ্ৰই পত্নীৰ অপ-হৰণত মৰ্ম্মান্তিক বেজাৰ পাই হিয়া ধাকুৰিয়াই বিলাপ কৰিছে। এনেতে হঠাতে চাহাবজনে চিঞৰি চিঞৰি ৰামক উদ্দেশ্য কৰি কবলৈ ধৰিলে : 'অই ৰাম, কিউ ৰো ৰহে হো, তুম্হাৰী সীতা সজ্জা কৰুমে হাঁয়।' কথাষাৰ যে গুৰুদেৱে আমাক এনেকুৱা ভঙ্গীত কৈছিল আমাৰ হাঁহিত পেটু-নাড়ী ছিগিবলৈ ধৰিলে। কিন্তু কেৱল হাঁহিৰ কাৰণেই এই গল্পৰ অৱ-তাৰণা কৰা হোৱা নাছিল। ইয়াৰ যোগেদি গুৰুদেৱে আমাক বুজাইছিল যে সৰ্ব্বাঙ্গসুন্দৰ এখন নাটকৰ সফল অভিনয় কেৱল ভাৱৰীয়াৰ ওপৰতে নিৰ্ভৰ নকৰে, ইয়াৰ বহুখিনি নিৰ্ভৰ কৰে দৰ্শক মণ্ডলীৰ ঐকান্তিক সহযোগিতাৰ ওপৰত। উল্লিখিত অসহযোগী চাহাবজনৰ নিচিনা দৰ্শক থাকিলে 'ৰাম-বিজয়' নাটৰ মনোগ্ৰাহী অভিনয় অসম্ভৱ। নাটকৰ গধুৰ তত্ত্ব এটি গুৰুদেৱে আমাক এনেকৈয়ে হাঁহি-ধেমালিৰ মাজেদি বুজাবলৈ চেষ্টা কৰিছিল।

কেতিয়াবা অৱশ্যে কেৱল ধেমালিৰ কাৰণেই দুই এটি খুহুটীয়া বাক্য সৃষ্টি কৰি তেখেতে আমাক ইঁহুৱাইছিল। মনত আছে, আই-এ শ্ৰেণীত তেখেতে আমাক 'Modern short stories' পঢ়াইছিল। তাৰে 'The wayside Shrine নামৰ গল্পটিৰ Ciancarella নামৰ চৰিত্ৰৰ ব্যাখ্যা দিবলৈ গৈ গুৰুদেৱে হঠাতে কৈ পেলাইছিল—'Ciancarella is just like our তিতাকেৰেলা'; আৰু এনেদৰে ইংৰাজী আৰু অসমীয়া শব্দৰ উচ্চাৰণৰ সামঞ্জস্য দেখুৱাই তেখেতে আৰু বহুত ৰস সৃষ্টি কৰাৰ কথা আমাৰ মনত আছে।

চলিহাদেৱে ভাষা শুদ্ধকৈ কোৱা আৰু লিখাৰ ওপৰত বৰ গুৰুত্ব দিছিল। ইংৰাজী সাহিত্যৰ 'preposition' আৰু 'idioms' ৰ ওপৰত তেখেতৰ অগাধ দখল আছিল। এই বিলাকৰ ব্যৱহাৰ আৰু বানান আদিৰ ভুল পালে তেখেতে আনকি অধ্যাপকসকলকো ক্ষমা নকৰিছিল। এটা ভাল দৃষ্টান্ত আমাৰ মনত আছে। এবাৰ এজন ইংৰাজী অধ্যাপকে এখন প্ৰশ্ন-কাকতত এটা ভুল কৰিছিল। অধ্যাপক জনে 'Variety is the cream of life' বুলি ব্যৱহাৰ কৰিছিল। হ'ব লাগিছিল 'Spice of life'। অধ্যাপকজনক এই ভুল ব্যৱহাৰৰ বাবে চলিহাদেৱে বহুত কিবাকিবি কৈছিল। তেখেতৰ মতে কোনো ভাষাৰে জতুৱা ঠাচৰ ওপৰত হাত দিয়াৰ অধিকাৰ কাৰো নাই। অধ্যাপকজনৰ যুক্তি আছিল ভাষা ৰক্ষণশীল হব নালাগে আৰু যুগৰ সোৱাদ অনুযায়ী জতুৱা ঠাচবো স্বৰূপ সলনি কৰা দোষণীয় হব নোৱাৰে। এইলৈ চলিহাদেৱ আৰু অধ্যাপকজনৰ যুক্তিতৰ্ক আমাৰ আজিও মনত আছে। ইংৰাজীৰ বাহিৰে অন্য বিষয়ৰ প্ৰশ্ন-কাকতত দুই এটা ভুল পালেও বিভাগীয় অধ্যাপকৰ লগত আলোচনা কৰা দেখা গৈছিল। বানানৰ ক্ষেত্ৰতো তেখেত অতি সাৱধান আছিল। এই বিষয়েও এটি দৃষ্টান্ত দাঙি ধৰিলো। আমাক বি-এ—৪ৰ্থ বাৰ্ষিকত তেখেতে ইংৰাজী টিউটৰীয়েল ক্লাছ লৈছিল। তাত তেখেতে আমাক প্ৰায়ে ইংৰাজী আৰু অসমীয়াৰ জটিল শব্দবোৰৰ শ্ৰুতলিপি দিছিল। আমাৰ ছাত্ৰ-বন্ধুসকলে শ্ৰুতলিপি লবলৈ টান পালেও উপায় নাছিল। এনে কৰাৰ ফলত আমাৰ বানান সম্পৰ্কীয় কিছুমান ডাঙৰ ভুল আঁতৰিল। এই টিউটৰীয়েল ক্লাছতে হওক বা পৰীক্ষাতে হওক তেখেতে ছাত্ৰ ছাত্ৰীৰ মাজত প্ৰতিযোগিতাৰ বীজ সিচি দিছিল।

অধ্যক্ষ চলিহাদেৱ আছিল ছাত্ৰ-ছাত্ৰীৰ অনুপ্ৰেৰণাৰ থল। শিৱসাগৰৰ কালিপ্ৰসাদ হলৰ ওচৰৰ চাৰি-আলিত আমি তেখেতৰ লগত প্ৰায়ে ভেঁটা-ভেঁটি হৈছিলোঁ। তেখেতৰ তীক্ষ্ণ দৃষ্টিৰ পৰা পলাই সৰা বৰ টান আছিল। বজাৰে-সমাৰে, বাটে-ঘাটে গুৰুদেৱে আমাৰ লগত পঢ়াৰ কথা আলোচনা কৰিছিল। 'ফাইনেল' পৰীক্ষাৰ আগ মুহূৰ্ত্তত তেখেতৰ তৎপৰতাৰ সীমা নাছিল। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে এবাৰ দেখা এটা দি উৎসাহ দিবলৈ এনেদৰে কৈ ফুৰিছিল — "আজি বজাই দিয়া।" আন কি পৰীক্ষা গৃহত কোনো ছাত্ৰই প্ৰশ্ন-কাকতখন লুটিয়াই ৰগৰাই সময় খৰচ কৰা দেখা পালে চলিহাদেৱে তৎক্ষণাৎ তেওঁৰ ওচৰলৈ গৈ ঠেলা এটা মাৰি থংমুৱাকৈ চাই আঁতৰি গৈছিল। পৰীক্ষাৰ অন্ততো কোনে কি কৰিলে জানিবৰ কাৰণে পৰীক্ষা গৃহৰ সন্মুখত থিয় দি থকা দেখা গৈছিল। প্ৰতিটো বাছনি পৰীক্ষাৰ আগে আগে প্ৰতিযোগী সকলক অনুপ্ৰাণিত কৰিবৰ কাৰণে তেখেতে প্ৰথম হোৱা ছাত্ৰ-ছাত্ৰীলৈ নিজৰ ৰবীয়াকৈ পুৰস্কাৰ ঘোষণা কৰিছিল। এনেদৰে শ্ৰেণীৰ ভিতৰে-বাহিৰে, সভাই-সমিতিয়ে, বাটে-ঘাটে অশেষ প্ৰেৰণা যোগাই ছাত্ৰ-ছাত্ৰীৰ আগত এজন আদৰ্শ শিক্ষাবিদ্ হিচাবে পৰিচয় দিবলৈ সক্ষম হৈছিল। তাৰ ফল স্বৰূপে প্ৰতিষ্ঠা হোৱাৰ দুই চাৰি বছৰৰ ভিতৰতে সুখ্যাতি অৰ্জ্জন কৰি শিৱসাগৰ কলেজ অসমৰ ভিতৰতে এখন প্ৰথম শ্ৰেণীৰ কলেজ হৈ পৰিল। জীৱনৰ আগ-ছোৱাত শিক্ষাৰ ক্ষেত্ৰত অৱতীৰ্ণ হোৱা হলে তেখেতে অসমৰ এজন অতি আদৰ্শস্থানীয় শিক্ষাবিদ্ বুলি পৰিগণিত হ'লহেঁতেন।

কলেজ এৰি আহিলেও তেখেতৰ লগত ছাত্ৰ-ছাত্ৰীৰ সম্বন্ধ ছিগা নাছিল। আমাৰ ব্যক্তিগত জীৱনতো তেখেত আছিল পথ প্ৰদৰ্শক। শিৱসাগৰ কলেজলৈ গলে তেখেতৰ অফিচত নবহাকৈ বা শিৱসাগৰলৈ গলে তেখেতক মেলাচকৰৰ ঘৰত লগ নকৰাকৈ অহাটো আমাৰ কাৰণে অপৰাধৰ কথা যেন হৈ পৰিছিল। পুৰণি ছাত্ৰ এজন যোৱাৰ লগে লগেই গৰা মাৰি ধৰি মৰম কৰিছিল আৰু চাহ-মিঠাই খুৱাইহে পঠাইছিল। নানান প্ৰশ্ন কৰি কৰি তেখেতে ছাত্ৰজনৰ ব্যক্তিগত জীৱনৰ সকলো খা-খবৰ লবলৈ চেষ্টা কৰিছিল। কোনো মেধাবী ছাত্ৰই এম-এ নপঢ়াকৈ থাকিলে তেখেতে বৰ বেয়া পাইছিল। তেনে ছাত্ৰক ক'ৰবাত লগ পালে বা চিঠি-পত্ৰৰ যোগেদি সোঁৱৰাই দি এম-এ পঢ়িবলৈ উৎসাহ দিছিল। বহুত ছাত্ৰ-ছাত্ৰীক তেখেতে ইংৰাজী সাহিত্যত এম-এ পঢ়িবলৈ অনুপ্ৰাণিত কৰিছিল। তেনে কৰোতে ব্যক্তিগত জীৱনৰ দুই এটি উদাহৰণ দি আমাক কৈছিল যে তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ আই-এ পৰীক্ষাত ইংৰাজীত সৰ্ব্বোচ্চ নম্বৰ পাই সেই বছৰ বিশ্ববিদ্যালয়ত প্ৰথম হোৱা ছাত্ৰজনক পৰাস্ত কৰিছিল। তেখেতে আৰু কৈছিল যে ইংৰাজীৰ এম-এ পৰীক্ষাৰ বাবে তেখেতৰ পঢ়া-শুনা মুঠেই ভাল হোৱা নাছিল যদিও পৰীক্ষা দি একেবাৰতে পাছ কৰি দেখুৱাই দিলে যে ইংৰাজী একো টান নহয়। তেখেতে আমাক দঢ়াই দঢ়াই কৈছিল যে বিষয়টোৰ ওপৰত দখল লবলৈ হলে মূল গ্ৰন্থবোৰ খুব ভালকৈ পঢ়িব লাগে।

ব্যক্তিগত জীৱনতে হওক বা ৰাজহুৱা জীৱনতে হওক আমাৰ গুৰুদেৱ আছিল স্পষ্টবাদী। কোনোবাই বেয়া পাব বুলি কোনো কথা নোকোৱাকৈ নাথাকিছিল। তাৰ কাৰণে তেখেত কেতিয়াবা কাৰোবাৰ অপ্ৰিয়ও হৈছিল। এবাৰ এটা হাঁহি উঠা ঘটনা হৈছিল। আমাক (বি-এ ফাইনেল পৰীক্ষাৰ্থীবোৰক) বিদায় দিবৰ কাৰণে কলেজে নিমন্ত্ৰণ কৰি মাতি আনিছিল। আমি অধ্যক্ষক এটা ডাঙৰ জগৰ লগাইছিলো—আমাৰ বাছনি পৰীক্ষাৰ পাছত কলেজে আমাৰ কাৰণে কিছুমান 'Special Class' ৰ ব্যৱস্থা কৰিছিল, আমি কিন্তু এই ক্লাছবোৰ সম্পূৰ্ণকৈ কৰা নাছিলো। গতিকে

সেইদিনা বিদায় সভাত আমি অপৰাধীও আৰু বিদায়-প্ৰাৰ্থীও। অধ্যক্ষৰ ভাষণ দিবলৈ উঠি তেখেতে আমাক ৰং-খং দুয়োটাকে কৰিবলৈ গৈ যিটি ইংৰাজী বাক্য কৈছিল কোনো দিন পাহৰিব নোৱাৰোঁ : "Before I give you my parting kiss, let me give you my parting kick." কোৱাৰ লগে লগেই সভাত হাঁহিৰ খলকনি উঠিল, আৰু আমাক যে খং কৰিছিল সেই কথা আমাৰ মূঠেই মনলৈ নাহিল। এয়ে আছিল আমাৰ গুৰুদেৱৰ অন্তৰ!

চলিহাদেৱৰ আন এটি উল্লেখযোগ্য গুণ হ'ল — আধ্যাত্মিক সাহস। তাৰো এটি উদাহৰণ দিব খুজিছোঁ। আজি কিছু বছৰৰ আগতে মহাপ্ৰলয় হব বুলি পৃথিৱীজুৰি হুলস্থুল লাগিছিল। সেই সময়তে তেখেতক খোৱাঙৰ ওচৰৰ তিলৈনগৰ নামে ঠাইত এখন বিৰাট ৰাজহুৱা সভাত লগ পালোঁ। ৰাইজে তাত এটা মহা-যজ্ঞ পাতি মহা প্ৰলয়ৰ পৰা ৰক্ষা পাবৰ কাৰণে দেৱ-দেৱতাক পূজা কৰিছিল। এই উপলক্ষে আয়োজিত ৰাজহুৱা সভাত গুৰুদেৱে যি ভাষণ দিলে — সি তেখেতৰ চমৎকাৰ আধ্যাত্মিক সাহসৰ উজ্জ্বল দৃষ্টান্ত। যজ্ঞ কৰোঁতাসকলক এক প্ৰকাৰ হতাশ কৰি তেখেতে কবলৈ ধৰিলে যে কলিকালত যাগ-যজ্ঞৰ কোনো সাৰ্থকতা নাই; ৰাম নামেই সাৰ।

সত্য যুগে ধ্যান ত্ৰেতা যুগে যজ্ঞ
দ্বাপৰ যুগত পূজা।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
আৰৰ নাহিকে দুজা ॥ (নাম-ঘোষা)

'নাম-ঘোষা'ৰ দৃষ্টান্ত দিয়াৰ পাছত তেখেতে ৰবীন্দ্ৰনাথৰ উদ্ধৃতি দি সকলোকে অবাক কৰি পেলালে :

"বিপদে মোৰে ৰক্ষা কৰো
এ নহে মোৰ প্ৰাৰ্থনা,
বিপদে আমি না যেন কৰি ভয়।"
(গীতাঞ্জলি)

গতিকে মহাপ্ৰলয়ৰ পৰা ৰক্ষা কৰা বুলি ভগৱানক প্ৰাৰ্থনা জনোৱাতো কাপুৰুষৰ চিন। প্ৰলয় আহিলে আহক; তাৰ সন্মুখীন হবলৈ আৱশ্যকীয় সাহস প্ৰদান কৰিবৰ কাৰণেহে ভগৱানক প্ৰাৰ্থনা জনোৱা উচিত। এয়ে আছিল চলিহাদেৱৰ সাহস।

গুৰুদেৱৰ জীৱনৰ অন্তিম প্ৰয়াস আছিল ইতিহাস-প্ৰসিদ্ধ শিৱসাগৰৰ পৰা এখনি বাতৰি কাকত প্ৰকাশ কৰা। 'অসম-জ্যোতি' নামৰ এখনি পত্ৰেকীয়া বাৰ্ত্তালোচনী প্ৰকাশ কৰিবলৈ গৈ তেখেতে যি অক্লান্ত পৰিশ্ৰম কৰিলে— তাৰ তুলনা নাই। এই কাকতখনিৰ সম্পাদনা কৰোঁতে তেখেতৰ স্বাস্থ্যৰ যে দ্ৰুত অৱনতি ঘটিল সেই কথা তেখেতে আমালৈ লিখা চিঠিৰ তলৰ উদ্ধৃতিয়ে প্ৰমাণ কৰিব :

"I have been working almost single handed for the Asom Jyoti. The doctors here opine that physical and mental strain has been telling upon my health."

(28.10.67)

ইয়াৰ যোগেদি তেখেতে যে কৰ্ম্মপ্ৰেৰণা এৰি থৈ গৈছে সিয়ে আমাৰ দৰে কৰ্ম্মবিমুখ



সকলক চিৰদিন প্ৰেৰণা যোগাই থাকিব বুলি আমাৰ আশা।

গুৰুদেৱ গুচি গল 'হেমলেটৰ' সেই অনাবিষ্কৃত দেশলৈ য'ৰ পৰা কোনো বাটৰুৱা ঘূৰি নাহে (That undiscovered country from whose bourn no traveller returns") সেই দেশত জাগতিক 'জীৱন বীণৰ সুৰ' সামৰি অনন্ত-বাদকৰ নীৰৱ-অক্ষয় বীণৰ সুৰৰ লগত 'সুৰ-সমন্বয়' পাতিছেগৈ আমাৰ গুৰুদেৱে।

---

# অধ্যক্ষ ৰূপে পদ্মধৰ চলিহা

॥ অধ্যাপক প্ৰফুল্ল কুমাৰ বৰুৱা ॥

শিৱসাগৰত সকলোৱে এটা শূন্যতা অনুভৱ কৰিলে। সকলোৱে বুজি পালে পদ্মধৰ চলিহা আছিল কিমান মহৎ, কিমান উদাৰ। মৃত্যুৱে তেওঁক আৰু মহান কৰিলে। নকৰিবই বা কিয়! এই এজন মানুহ যি লোকৰ দুখক নিজৰ দুখ বুলি বুজিছিল; এই এজন মানুহ যি চহৰৰ আৰু আশে-পাশে থকা গাঁৱৰ সকলোৰে সুখ দুখ সম্পদক নিজৰ বুলি ভাবিব পাৰিছিল। কোনোবাই সভালৈ মাতিলে গৈছিল, কোনোবাই বিয়া-বাৰুলৈ মাতিছিল, গৈছিল; কাৰোবাৰ বিপদ-আপদ হৈছিল, মাত এষাৰ লগাইছিল। সেই কাৰণে বোধকৰো তেওঁৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগেই দূৰ-দূৰণিৰ পৰাও মানুহ আহি তেওঁৰ ঘৰ পাইছিলাহি, সেই কাৰণেই বোধকৰো মৃতদেহ লৈ কৰা শোভাযাত্ৰাত মানুহেৰে চহৰ নধৰা হৈছিল।

এইজন পদ্মধৰ চলিহাক শিৱসাগৰ কলেজৰ অধ্যক্ষ হিচাবে পাইছিলো ১৯৫৩ চনৰ পৰা। অসংযত সাজ-পোছাক, নিজৰ প্ৰতিবিম্ব দেখা পোৱা গাল মুখৰ চিক্‌চিকীয়া ৰং আৰু মুখত এমোকোৰা চকলিয়াই লোৱা তামোলৰ সৈতে প্ৰথম যেতিয়া তেখেতক অধ্যক্ষৰ কোঠাত দেখিছিলো তেতিয়াই উপলব্ধি কৰিব পাৰিছিলো যে এইজন ব্যক্তিক অধ্যক্ষ ৰূপে পাই কলেজে সঁচাই গৌৰৱ কৰিব পাৰে। অৱশ্যে সাহিত্যিক হিচাবে, শিল্পী হিচাবে তেখেতৰ গুণ-গৰিমাৰ কথা আগৰ পৰাই জানিছিলো। কলেজৰ অধ্যক্ষসকল সমাজত খ্যাতি থকা ব্যক্তি হলে ভাল লাগে। সেই পিনৰ পৰা পদ্মধৰ চলিহাদেৱ আছিল কৈ শেষ কৰিব নোৱাৰা খ্যাতিৰ অধিকাৰী।

অধ্যক্ষ হিচাবে চলিহাৰ এটা ডাঙৰ গুণ আছিল। সেইটো হৈছে শিক্ষক আৰু ছাত্ৰক তেখেতে অনুপ্ৰেৰণা দিব জানিছিল আৰু পঢ়া-শুনা কৰিবৰ কাৰণে এটা পৰিৱেশ সৃষ্টি কৰিব জানিছিল। কলেজ একোখন হৈছে উচ্চশিক্ষাৰ

উচ্চ অনুষ্ঠান। তাতেই যদি পঢ়া-শুনাৰ পৰিবেশ নাথাকে থাকিব ক'ত ? অধ্যক্ষ এজনে কিমান দূৰ এটা একাডেমীক পৰিবেশ সৃষ্টি কৰিব পাৰিছে সেইটো মন কৰিব লগীয়া কথা। সেইপিনৰ পৰা চলিহাদেৱ আছিল আগ শাৰীৰ অধ্যক্ষ। তেখেতে অধ্যাপকসকলক লগ পালেই সুধিছিল কিবা কিবি লিখিছেনে নাই, অমুক কিতাপখন পঢ়িছেনে নাই ? তেখেতে সদায় উপলব্ধি কৰিছিল পঢ়াশুনা কৰিলে মনৰ দিগন্ত মুকলি হয়। অধ্যাপকসকলে কিতাপ লিখিলে বা প্ৰবন্ধ-পাতি লিখিলে তেখেতে অতিশয় আনন্দ পাইছিল আৰু নিজেই কমনৰুমলৈ আহি অধ্যাপকসকলক অভিনন্দন জনাইছিল। অকল সেয়াই জানো ? তেখেতৰ কলেজৰ অধ্যাপক-সকলে কিবা ভাল কাম কৰিলে তেখেতে তাৰ শলাগ লৈছিল আৰু সকলো ঠাইতে সেই কথা কৈ ফুৰিছিল। ছাত্ৰসকলকো তেখেতে সদায় কৈছিল— "Read as much as you can" যিমান পাৰা সিমান পঢ়া। ছাত্ৰ-ছাত্ৰীসকল যাতে লাইব্ৰেৰীলৈ যায়, লাইব্ৰেৰীত গৈ যাতে তেওঁলোকে ৰিডিং ৰুমৰ সদ্ব্যৱহাৰ কৰে সেই-কথালৈ তেখেতে বিশেষভাৱে লক্ষ্য ৰাখিছিল। অৱশ্যে লগতে তেখেতে আৰু এটা কথা হৃদয়ঙ্গম কৰিছিল। সেইটো হৈছে, যে কেৱল পঢ়াশুনা লৈয়েই এটা মানুহ স্বয়ংসম্পূৰ্ণ হ'ব নোৱাৰে। সেই কাৰণে তেখেতে ছাত্ৰছাত্ৰীসকলৰ 'একষ্ট্ৰা কেৰীকুলাৰ এক্‌টিভিটি'ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল বেছি। কলেজ-সপ্তাহ হৈছিল, অইন নহলেও কুঁৱলীৰ আঁৰে আঁৰে 'বুঢ়া প্ৰিন্সিপেল' আহি পাই গৈছিল। সেই যে আহিছিল গোটেই দিনটো ল'ৰাৰ লগতে আছিল; লৰাক তেখেতে কথাৰে-কামেৰে অনুপ্ৰেৰণা যোগাইছিল। ল'ৰাৰ লগত তেখেতে দৌৰও মাৰিছিল; অভিনয় কৰিবলৈকো উদ্যত হৈছিল। আমি ডুকুৰি বছৰতে যিসকলে স্বাস্থ্যৰ দোহাই দি, চিনিয়ৰিটিৰ দোহাই দি কলেজৰ আনুষ্ঠানিক জীৱনৰ পৰা আঁতৰি আহি এঘৰীয়া হৈ পৰিছিলো তেখেতসকলক তিনিকুৰিৰো ডেউনা পাৰ হোৱা পদ্মধৰ চলিহাই লাজত পেলাইছিল। তেখেতৰ কৰ্ম্মজীৱনে, তেখেতৰ জীৱন আদৰ্শই দেখুৱাইছিল শিক্ষক আৰু ছাত্ৰৰ মাজৰ সম্বন্ধ কেনে হোৱা উচিত, শিক্ষানুষ্ঠান এখনৰ মুৰব্বী-জনৰ "দৃষ্টিভঙ্গী" কেনে হোৱা উচিত। আজি ছাত্ৰৰ অনুশাসনহীনতা যেতিয়া এটা জাতীয় সমস্যা হৈ পৰিছে তেতিয়া পদ্মধৰ চলিহা দেৱৰ নিচিনা এজন অধ্যক্ষৰ অতিশয় দৰকাৰ হৈ পৰিছে। শিক্ষাৰ ক্ষেত্ৰত তেখেতে আদৰ্শবাদী দৃষ্টিভঙ্গী গ্ৰহণ কৰিছিল যদিও অফিচিয়েল কথালৈকো মন নিদিয়াকৈ থকা নাছিল। আমি যি সকলে শ্ৰেণীটো সোনকালে এৰি দি বা শ্ৰেণীলৈ দেৰিকৈ গৈ বা কেতিয়াবা নগৈ অধ্যাপনাৰ ৰোমাঞ্চ লব খুজিছিলো সেই-সকলক তেখেতে "নটিচ" যোগে কৰ্ত্তব্যৰ প্ৰতি অৱহেলাৰ কথা সোঁৱৰাই দিছিল। তেখেতৰ মূল কথা আছিল যে আমাৰ এইবোৰ লৰা-ছোৱালী দুখীয়া মানুহৰ ঘৰৰ। বহুত দূৰৰ পৰা তেওঁলোক অশেষ কষ্ট কৰি পঢ়িবলৈ আহে। তেনেস্থলত কলেজলৈ আহি যদি তেওঁলোকে দেখে অধ্যাপক নাই তেতিয়া তেওঁলোকৰ কেনে লাগিব। তেখেতৰ কথা আছিল "They should



not suffer for no fault of their own".

সক্ৰিয় জীৱন যাপন কৰাৰ কথা তেখেতে সদায় কৈছিল। সক্ৰিয় জীৱন যাপনে অহিত কথা চিন্তা কৰাৰ পৰা মনটো আঁতৰাই ৰাখে, লগতে ই স্বাস্থ্য ভাল হৈ থকাত সহায় কৰে। অধ্যক্ষ হৈ থাকোতে পদ্মধৰ চলিহাদেৱৰ কৰ্ম্ম-তৎপৰতা আৰু কৰ্ত্তব্যৰত মনৰ পৰিচয় পাই-ছিলো। টাউনৰ পৰা কলেজৰ ছাত্ৰ-ছাত্ৰী সকলক আনিবলৈ তেতিয়া পাব্লিক বাচ আছিল। বাচৰ ফ্ৰন্ট চিটত সদায় পদ্মধৰ চলিহা বহি আহিছিল। জয়সাগৰলৈ কলেজ আহিছিল ১৯৫২ চনতহে যদিও কলেজৰ প্ৰাণ প্ৰতিষ্ঠা হৈছিল ১৯৪৭ চনত। আমি ক্লাচ লবলৈ গৈ দেখিছিলো তেখেত সদায় তেনেকৈ আহিয়েই আছিল। তেতিয়াৰ পৰা কামৰ পৰা অৱসৰ নোলোৱালৈকে তেখেত নিয়মিয়াকৈ আহিয়েই আছিল। কলেজ সোমাই কমলৈ গৈ কাৰ্য্যালয়ৰ কামখিনি কৰাৰ উপৰিও তেখেতে বি-এ শ্ৰেণীতো পঢ়াইছিল। তেখেতৰ প্ৰিয় বিষয় আছিল কবিতা আৰু নাটক। ক্লাচ লৈ আহি তেখেত আকৌ কাগজত চহী কৰা, চিঠিৰ উত্তৰ ড্ৰেফ্‌ট কৰা আদি কামত ব্যস্ত হৈ পৰিছিল। তেখেতৰ ভাগৰ জানো লাগিছিল!—জিৰনি লবৰ কাৰণে তেখেতৰ কোঠাতে কেৱল মাথোন আছিল এখন আৰামী চকী। কেতিয়াবাহে তেখেতক তাত বহা দেখিছিলো। কেতিয়াবা অকণমান বহিলেও তেখেতৰ হাতত আছিল হয় এখন কিতাপ নহয় কোনোবা সভাত দিবলগীয়া অভিভাষণৰ এটা কপি। দিনৰ কলেজৰ কামখিনি কৰি তেখেতে আকৌ গৈছিলগৈ নৈশ শাখালৈ। তাতো যাবতীয় কামখিনি কৰি বন্ধু-বান্ধৱক মাতবোল লগাই বহুত পলমকৈহে ঘৰলৈ উলটিছিল। ঘৰত থকা সময়খিনিও তেখেতে অবাবত নষ্ট নকৰিছিল। হয় পঢ়িছিল, নহয় লিখিছিল। বেছি অধ্যয়ন কৰিছিল কাৰণেই অসমৰ আঙুলিৰ মূৰত লিখিব পৰা কেইজন মানৰ ভিতৰত তেৱোঁ এজন আছিল যি শিক্ষা, সংস্কৃতি, ৰাজনীতি, ধৰ্ম্ম— সকলো বিষয়ৰ ওপৰত বৈজ্ঞানিক দৃষ্টি-ভঙ্গীৰে প্ৰাঞ্জল ভাষাৰে বক্তৃতা দিব পাৰিছিল, প্ৰবন্ধ লিখিব পাৰিছিল।

যিখন কলেজৰ তেওঁ আছিল অধ্যক্ষ সেইখন কলেজৰ তেওঁ আছিল এজন প্ৰতিষ্ঠা-পক। সেই সময়ত কলেজ প্ৰতিষ্ঠা কৰিবলৈ ওলাই অহা সকলৰ মাজত কোনো ধৰণৰ, ৰাজনৈতিক স্বাৰ্থই হওক বা অন্য স্বাৰ্থই হওক, মুঠতে নাছিল। শিৱসাগৰৰ বিৰাট অঞ্চলটোৰ বাহিৰলৈ যাব নোৱাৰা ছাত্ৰ-ছাত্ৰী সকলে যাতে উচ্চ শিক্ষা লাভ কৰিবলৈ সুবিধা পায়—এইটোৱেই আছিল তেওঁলোকৰ উদ্দেশ্য। পদ্মধৰ চলিহাদেৱে কলেজ স্থাপন কৰাত কষ্ট কৰিছিল বহুত। তেখেতে 'জীৱন বীণৰ সুৰত' লিখিছে—'মই শিৱসাগৰ জিলাৰ প্ৰায় বোৰ বাগিছা আৰু গাৱঁলীয়া অঞ্চলত কেইবা মাহো ভাৰা মটৰেৰে পুৱাৰ পৰা নিশালৈকে ঘুৰি কেইবা হেজাৰো টকা সংগ্ৰহ কৰিলো'— আৰু এই টকা সংগ্ৰহ কৰিবলৈ যাওঁতে বয়োবৃদ্ধ চলিহাদেৱে নিজৰ জীৱন বিপদাপন্ন কৰি হলেও কিমান কষ্ট কৰিবলগীয়া হৈছিল সেই কথা তেখেতে নম্ৰতাৰে বাদ দি গৈছে।

কিন্তু সেই সময়ত তেখেতৰ লগত প্ৰকাসকলে সেই কথা আজিও কয়। কলেজীয়া শিক্ষাৰ সম্পূৰ্ণতা লাভ কৰিবলৈ হলে বিজ্ঞান শিক্ষাৰ কিমান আৱশ্যক সেই কথা তেখেতে মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিছিল। "তাতে (কলিকতাত) শ্ৰীৰামেশ্বৰ নাথ তান্তিয়াক এক্ষালে মাতি আনি শিৱসাগৰ কলেজৰ বিজ্ঞান মন্দিৰ এটা দান দিবলৈ সবিনয় অনুৰোধ জনালো।.... তান্তিয়া ত্ৰাদা ছে 'তান্তিয়া বিজ্ঞান মন্দিৰ' নামৰ ঘৰ এটি আৰু তাৰ গেলেৰী, লেবৰেটৰীৰ সৰঞ্জাম দিবলৈ গাত লৈ শিৱসাগৰবাসীক কৃতজ্ঞতা পাশত আবদ্ধ কৰিলে।"—তান্তিয়া বিজ্ঞান মন্দিৰেই শিৱসাগৰ কলেজৰ বিজ্ঞান-শাখাৰ আৰম্ভণি। তাৰ পিচত আৰু বহুত ঘৰ হৈছে, বহুত বিভাগ হৈছে। শিৱসাগৰ কলেজৰ বিজ্ঞান শাখাত ভৰ্ত্তি হবলৈ ছাত্ৰ-ছাত্ৰীৰ ভিৰ দিনক দিনে বাঢ়ি গৈছে।

পদ্মধৰ চলিহাদেৱ কলেজৰ অধ্যক্ষ আছিল যদিও তলতীয়া কৰ্ম্মচাৰী সকলৰ লগত তেখেতৰ সম্বন্ধ চৰকাৰী সম্বন্ধ নাছিল। শিক্ষানুষ্ঠান এখনত 'বচ' আৰু 'চাবৰডিনেট' এইটো মনোবৃত্তি থকা নিতান্তই অনুচিত। সেইকাৰণেই সম্ভৱ চলিহাদেৱে সদায় কৈছিল—"আমি এটা পৰিয়ালৰ দৰে আছো। বয়োবৃদ্ধ হিচাবে মই যেনিবা পৰিয়ালটোৰ মুৰব্বী।"—এনে ধৰণৰ উদাৰ দৃষ্টিভঙ্গীৰ অধ্যক্ষ আজিকালি পাবলৈ টান। তেখেতে সদায় অফিচৰ কৰ্ম্মচাৰী সকলৰ লগত সহৃদয়তাৰে কথা পাতিছিল প্ৰফেচাৰ কমনৰুমলৈ প্ৰায়ে গৈ অন্তৰ খুলি কথা পাতিছিল, আনন্দ কৰিছিল। সেই কাৰণে কলেজৰ পৰা চাকৰি এৰি যোৱা অধ্যাপক, প্ৰাক্তন ছাত্ৰই, প্ৰাক্তন কৰ্ম্মচাৰীয়ে অফিচৰ 'বচ' এজনক পাহৰি যোৱাৰ দৰে তেখেতক পাহৰি নগৈ তেখেতৰ লগত চিঠি পত্ৰৰ সংযোগ ৰাখিছিল; তেখেতৰ মৃত্যুত পৰিয়ালৰে এজনৰ মৃত্যু হোৱাৰ দৰে বহুতে শোকত অভিভূত হৈ পৰিছিল, শ্মশানত, শ্ৰাদ্ধত প্ৰাণপণে খাটিছিল। তেখেতৰ মৃত্যুৰ পিচত তেখেতৰ স্মৃতি ৰক্ষা কৰিবৰ কাৰণে সাহিত্যৰ প্ৰতিযোগিতা পতাৰ কথা হয়তো চিন্তা কৰা হৈছে, এটা স্মৃতি সৌধৰ কথা হয়তো চিন্তা কৰা হৈছে, এখন তৈল-চিত্ৰৰ কথাও হয়তো চিন্তা কৰা হৈছে। অতীত স্মৃতিক ধৰি ৰাখিবৰ কাৰণে সেইবোৰও আৱশ্যকীয় আছিল। কিন্তু সেইবোৰ নহলেও কোনো খেদ কৰিব লগীয়া নাই। কাৰণ পদ্মধৰ চলিহা আৰু শিৱসাগৰ কলেজ ইমান ওতঃপ্ৰোতভাৱে জড়িত যে কলেজৰ প্ৰত্যেকটো কোঠাই, প্ৰত্যেক ছটা ইটাই, প্ৰত্যেকজোপা ফুল গছে তেখেতৰ মধুৰ স্মৃতিক সাৰটি লৈ চিৰকাল জীয়াই থাকিব।

# পদ্মধৰৰ মানসপদ্ম ঃ

# গুৱাহাটী সন্ধিয়া সন্মিলনী

॥ অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা ॥

জয়জয়তে এটি সঁচা আমোদী সাধু কৈ লৈছো, সাধুৰ নাম "দুজন কবিৰ প্ৰথম টকী-দৰ্শন।" এজন 'ফুলনি'ৰ কবি পদ্মধৰ চলিহা আৰু আনজন 'শেৱালি'ৰ কবি ৰত্নকান্ত বৰকাকতী। গুৱাহাটীলৈ তেতিয়া টকী বা কথাকোৱা ছবি অহাৰ বেছি দিন হোৱা নাছিল। চলিহা আছিল চেনিকুঠিৰ পশুচিকিৎসালয়ৰ বিপৰীত ফালে থকা এটি কেৰেয়া ঘৰত। কিবা কামত বৰকাকতীও সেইদিনা গুৱাহাটীলৈ আহিছিল। ৰাতি চলিহাৰ ঘৰত নিমন্ত্ৰণ খাই দুয়োজনে টকী চোৱাটো স্থিৰ কৰি ললে। ৰাতি আঠমান বজাত দুয়ো ভাত-পানী খাই নিৰ্দ্দিষ্ট পথেদি নিৰ্দ্দিষ্ট লক্ষ্যলৈ টকী অভিযান আৰম্ভ কৰিলে। এজন কবি দাৰ্শনিক, এজন সাংস্কৃতিক। দুয়ো নানা তৰহৰ কথা চোবাই যাবলৈ ধৰিলে। টকী হৈছিল টকৌবাৰীৰ কেলভিন চিনেমাত। কবি দুজনে কথাৰ লাচত টকৌবাৰীৰ বাট এৰি খিলং আলিত উঠিলগৈ। তেওঁলোকে কথা পাতি পাতি যিমানেই আগুৱাই গৈছে, সিমানেই কেলভিন চিনেমা আঁতৰি গৈছে আৰু খানাপাৰা ওচৰ চাপি আহিছে। ইয়াকেই পকৰাই পোৱা বুলি কয় হবলা। মাজৰাতি বেলতলাৰ ওচৰ পোৱাতহে চলিহাই বাটৰ ভুলটো বুজিব পাৰিলে। কল্পনাবিলাসী বৰকাকতীৰ হলে তেতিয়াও ভ্ৰূভঙ্গই হোৱা নাছিল। দুয়ো পুনৰ কেলভিন চিনেমাৰ ফালে ওলোটা যাত্ৰা আৰম্ভ কৰি দিলে। আহি আহি তেওঁলোক চিনেমা ঘৰত উপস্থিত হ'ল। টকী শেষ হবলৈ আৰু বেছি সময় নাই। নেপালী দুৱৰীয়ে তেওঁলোকক ভিতৰ সোমাবলৈ নিদিয়ে। কবি দুজন কিন্তু নেৰেঁাপানি, তেওঁলোকে চিনেমা নোচোৱাকৈ ঘৰলৈ উলটি নাযায়। দুৱৰীক গাই প্ৰতি দুঅনাকৈ ভেঁটী দি বিনা আসনে টকী চাবলৈ তেওঁলোক ভিতৰ সোমাই ললে। টকীখনৰ নাম আছিল "আলিবাবা"। মৰ্জ্জিয়ানা আৰু আবদাল্লাৰ ভাওত উলাইছিল সাধনা বসু আৰু মধু বসু। দুই কবিয়ে প্ৰথম টকী দেখাৰ সময়ত অভিনয়ৰ শেষ দৃশ্য চলি আছিল। তেওঁলোক সোমোৱাৰ লগে লগে মৰ্জ্জিয়ানাই নাচি নাচি দস্যু চৰ্দ্দাৰৰ বুকুত অস্ত্ৰ বহুৱাই দিছিল, আৰু খন্তেক পিছতেই টকীৰ যবনিকাপতনো হৈছিল। সেয়ে হলেও কবি দুজনে সেইদিনা টকী চাওঁ বুলি ওলাই গৈছিল আৰু অলপ সময়ৰ বাবে হলেও তেওঁলোকে চাইহে এৰিলে। এইজন কবি পদ্মধৰ চলিহাই আছিল গুৱাহাটীৰ সন্ধিয়া সন্মিলনৰ কৰ্ণধাৰ।

১৯৩১ চনৰ কথা। যি সময়ত দেশত আজিৰ নিচিনা অলেখ সাংস্কৃতিক অনুষ্ঠান নাছিল, চৰকাৰী সংস্কৃতি বিভাগ নাছিল, অ'ত ত'ত সঙ্গীত বিদ্যালয় নাছিল, অনাতাঁৰ কেন্দ্ৰ নাছিল। তেনে এটা সময়তে মাহেকীয়াকৈ পতা সন্ধিয়া সম্মিলনীৰ আকৰ্ষণীয় অধিবেশন বোৰে গুৱাহাটী নগৰ গুলজাৰ কৰিছিল। ১৯৩১ চনত কলাপ্ৰেমী পদ্মধৰ চলিহা ডাঙৰীয়া 'অসমীয়া' কাকতৰ সম্পাদক হৈ গুৱাহাটীলৈ আহিছিল। তেওঁ গুৱাহাটীত বাতৰিকাকতৰ সম্পাদনা কৰিয়েই ক্ষান্ত থকা নাছিল; এটা সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰি চহৰখন আনন্দ মুখৰ কৰি তুলিবলৈকো যত্ন কৰিছিল। মোৰ উপৰিও শ্ৰীনাৰায়ণ চন্দ্ৰ বৰুৱা, শ্ৰীশশীচন্দ্ৰ গোস্বামী, শ্ৰীযোগেন্দ্ৰনাথ বৰকাকতী প্ৰভৃতি উদ্যোগী কলানুৰাগী ডেকাসকলৰ সহযোগত তেওঁ সন্ধিয়া সম্মিলনীৰ মাহেকীয়া অধিবেশন পাতি কলাজগতত তেতিয়াৰ সুপ্ত গুৱাহাটীক জাগ্ৰত কৰি তুলিবলৈ সমৰ্থ হৈছিল।

মোৰ তেতিয়া কাম-কাজ নাই। স্কুলীয়া চাকৰিৰ বাবে অ'ত ত'ত ৰৰণী পেলাই আছিলো যদিও টোপবোৰ অপলে গৈছিল। এই অভাজনৰ জীৱনত 'শৰতৰ' জোনাক এচেৰেঙা কোনো দিনেই নপৰিল। পিচে কোনো দিনেই মই সময় অনাহকত কটোৱা নাছিলো কিবা নহয় কিবা এটা কৰি অন্ততঃ কলা-সংস্কৃতিৰ মেল মাৰিয়েই নাইবা সেই কামত আত্মনিয়োগ কৰি সময় অতিবাহিত কৰিছিলো। উজানবজাৰৰ ৰাজহুৱা পূজাঘৰৰ পশ্চিমে থকা বৰ্ত্তমান শ্ৰীউপ চক্ৰৱৰ্ত্তীৰ দালান-ঘৰ থকা ঠাইত তেতিয়া শ্ৰীশশীকান্ত গোস্বামীয়ে এটি খেৰী বঙলা সজাই লৈ ওকালতি কৰিছিল। সেই ঘৰতে পুৱা গধূলি আমাৰ গান-বাজনাৰ আৰু বাৰভচহু মেলৰ 'আড্ডা' নিয়মিতভাবে বহিছিল। কেতিয়াবা হেপীভিলাত শ্ৰীনাৰায়ণ চন্দ্ৰ বৰুৱাৰ ঘৰতো গোট খাইছিলো। কুমাৰ ভাস্কৰ নাট্যমন্দিৰ তেতিয়াও আমাৰ দখললৈ অহা নাছিল। কলা-সংস্কৃতিৰ যাদুকৰ পদ্মধৰ চলিহাই আমাৰ গাত সন্ধিয়া সম্মিলনীৰ ৰাগী লগাই দি মতলীয়া কৰি তুলিছিল। পুৱা বা গধূলি আমি য'তে থাকো ত'তে তেওঁ চোকা টেকেলাৰ দৰে হাজিৰ হয়হি আৰু কোনোবা একোণে শিল্পীৰ সন্ধানত উলিয়াই নিয়ে—তেতিয়া অৱশ্যে শিল্পী শব্দটোৰ আজিৰ দৰে বহুল প্ৰচলন হোৱা নাছিল। বাটত চলিহাৰ লগত আমি জনচেৰেকক একেলগে দেখা পালে ৰক্ষণশীল বয়োবৃদ্ধসকলে আমালৈ চাই ছোৱালী (শিল্পী ?) বিচাৰি গুলোৱা বুলি ফিচিঙা-ফিচিং কৰিছিল। নকলেও হব তেতিয়াৰ দিনৰ বহুতো অভিভাৱকে মঞ্চত ছোৱালী উঠাটো মহাপাপ বুলি ভাবিছিল। ইন্দিৰা-যুগৰ নৰ-নাৰীয়ে আজি ডেৰকুৰি দুকুৰি বছৰ আগৰ আমাৰ ৰক্ষণশীল সমাজখনৰ তেনে বহুকথা সাধুকথা বুলিহে ভাবিব।

সন্ধিয়া সম্মিলনীৰ অধিবেশনবোৰ প্ৰথমতে অলপদিন ঘৰে ঘৰে বহিছিল আৰু ঘৰুৱা বৈঠকৰ নিচিনা আছিল যদিও অলপদিনৰ পিছতে কুমাৰ ভাস্কৰ নাট্যমন্দিৰ কেনেবাকৈ



লৈ আমি অধিবেশন বহুৱাইছিলো। নাট্য-মন্দিৰ পুৰুষ-মহিলা দৰ্শকেৰে ঠাহ খাই পৰিছিল আৰু ৰক্ষণশীলতাৰ ভেটাবোৰ আপোনা আপুনি উভাল খাই পৰিছিল। থলুৱা গীত-মাত, যন্ত্ৰ সঙ্গীত, ঐকতান আৰু বিশেষকৈ একোখনি খুহুটীয়া বা চমু নাট (আজিকালিৰ একাঙ্কিকা) এই অধিবেশনবোৰৰ বিশেষত্ব আছিল। সন্ধিয়া সন্মিলনীৰ নাট্যকাৰৰ ভূমিকাত আছিল শ্ৰীপ্ৰবীণ ফুকন, শ্ৰীনাৰায়ণ চন্দ্ৰ বৰুৱা, শ্ৰীলক্ষ্যধৰ চৌধুৰী, আৰুময়ো আছিলো। বিশেষভাবে প্ৰসিদ্ধি লাভ কৰা সেই নাটবিলাকৰ বেছি ভাগেই আজি হাত বাগৰি নাইকিয়া হোৱাটো দুখৰ কথা। মোৰ 'ৰাম-বনবাস' আৰু 'ৰাজ চ'ৰাত শকুন্তলা' (শ্ৰীৰামচন্দ্ৰ আৰু শকুন্তলাৰ অংশবিশেষ) নাটিকা দুখনি কৃতকাৰ্য্যতাৰে মঞ্চত ৰূপায়িত কৰা হৈছিল, দশৰথ, কৈকেয়ী আৰু লক্ষ্মণৰ ভাওত যথাক্ৰমে ডাঃ সুৰেণ দাস, শ্ৰীশুভ বৰুৱা আৰু শ্ৰীনীৰদাকান্ত ভূঞাই বৰ সুখ্যাতি লভিছিল। শকুন্তলাৰ ভূমিকাত শ্ৰীসুৰেন্দ্ৰ নাথ দাস আৰু দুষ্যন্তৰ ভূমিকাত ৺বদনচন্দ্ৰ শৰ্ম্মায়ো নাম কৰিছিল।

খুহুটীয়া অভিনয়বোৰত কেইবাজনেও হাঁহিৰ খোৰাক যোগাইছিল। সেইসকলৰ ভিতৰত দুই যোগেনৰ ভাও অপৰিহাৰ্য্য আছিল। এজন শ্ৰীযোগেন্দ্ৰনাথ বৰকাকতী আৰু আনজন ৺যোগেন্দ্ৰ নাথ বৰদলৈ। যোগেন বৰকাকতীৰ গাজত লগা অসমীয়া মাত কথাবোৰ আৰু কটাৰীনলীয়া যোগেন বৰদলৈৰ অননুকৰণীয় খোজকাটল, কথাৰ ছেও আৰু বিচিত্ৰ সাজ পাৰে হাঁহিত দৰ্শকৰ পেটৰ নাড়ী ডাল ডাল কৰিছিল। তেওঁলোকৰ লগতে আছিল ৺ফটিক বৰদলৈ। কঙ্কালসাৰ ফটিক মাষ্টৰক যেয়ে যি ফালে টানিছিল আৰু যি বেশত সজাই তাতে তেওঁ ৰাজী—হাঁহেৰেও চলে, মাহেৰেও চলে। দুই যোগেন অভিনয়ত জগাই-মধাই বা পাভযোৰ, চহৰৰ কোনো এজন বিশিষ্ট বা অশিষ্ট নাগৰিকক অনুকৰণ কৰি তেওঁলোকে মঞ্চত ছালি ধৰি ওলাইছিল। অলপতে স্বৰ্গী হোৱা হেমন্ত কাকতীয়ে ধাদহী হৈ আৰু যোগেন বৰদলৈ ছিৰাছটা যেন লাহতী তিৰোতা হৈ কেতিয়াবা চমক লগাইছিল। বিসঙ্গতিতেই হাঁহিৰ জন্ম। স্ত্ৰী-চৰিত্ৰ বিশেষকৈ আইতা, গাঁৱলীয়া তিৰোতা আদিৰ ভাৱত শ্ৰীনিত্যানন্দ বৰদলৈ আছিল অদ্বিতীয়। এইসকল অভিনেতাই ক'ত কেনেকৈ বিসঙ্গতিৰ-সৃষ্টি কৰিব পাৰি তাকে চান্দি ফুৰিছিল আৰু ৰঙ্গমঞ্চত বিসঙ্গতিপূৰ্ণ সাজপাৰ আৰু কাৰ্য্য-কলাপেৰে অভিনয়ত হাস্যৰসৰ সৃষ্টি কৰিছিল।

সঙ্গীত বিভাগৰ নেতৃত্ব কৰিছিল শ্ৰীশশীকান্ত গোস্বামী আৰু শ্ৰীনাৰায়ণ চন্দ্ৰ বৰুৱাই। গোসাঁইৰ উকীল খানাত হাইদৰ আলি ওস্তাদ, ৺প্ৰমোদ বৰুৱা আদি গায়ন-বায়নসকলক সঙ্গীতৰ মোকোল আছিল বুলিব পাৰি। ৺ৰজনী বৰদলৈৰ পুত্ৰ শ্ৰীসূৰ্য্যকান্ত বৰদলৈ আৰু তেওঁৰ পত্নীয়ে জল-তৰঙ্গৰ ধ্বনিৰে সঙ্গীত সন্ধিয়াত অৰিহণা যোগাইছিল। আজিৰ প্ৰখ্যাত শিল্পী ড° ভূপেনহাজৰিকা আৰু শ্ৰীপৰাগ চলিহাই সেই সন্ধিয়া সন্মিলনীত শিশুশিল্পীৰূপে দৰ্শকৰ চেনেহ-নিৰ্ম্মালি লাভ কৰিবলৈ সমৰ্থ হৈছিল। কৃতী পিতৃদ্বয় নীলকান্ত

হাজৰিকা আৰু পদ্মধৰ চলিহাই এই দুজন শিল্পীক লগে লগে থাকি সন্ধিয়া সন্মিলনীৰ জুইশালতে গঢ়ি তুলিছিল। শ্ৰীনাৰায়ণ বৰুৱাকো অসমীয়া সঙ্গীতৰ এজন অস্বীকৃত ওস্তাদ আখ্যা দিব পাৰি। তেওঁ নিজে জনাৰ উপৰিও সৰু লৰা-ছোৱালীক শিকাই বুজাই নিপুণ কৰি তোলাত পাকৈত। সন্ধিয়া সন্মিলনীৰ কাৰণে তেওঁ লাগি ভাগি জতুৱা অসমীয়া গীত-মাতৰ লহৰ তুলিছিল। মোৰ হতুৱাই "আজি শৰতৰ গুৱনী সন্ধিয়া" নামৰ আইনাম সুৰীয়া গীত এটা ৰচনা কৰাই দুকুৰীমান ছোৱালীৰ দ্বাৰা গোৱাইছিল, শুনি সভাঘৰ জঁয় পৰিছিল। বৰুৱাই কীৰ্ত্তি বৰদলৈৰ গীত-নাট কেইখনিও গুৱাহাটীৰ ৰঙ্গমঞ্চত তুলি এসময়ত সুদক্ষ পৰিচালকৰো চিনাকি দিছিল। সন্ধিয়া সন্মিলনী উপলক্ষে তেওঁ ৰচনা কৰা 'মায়াৰ মন্ত্ৰ', 'ৰয়েল এছাম টাইগাৰ', 'ভেম্-কিলাৰ কোম্পানী' আৰু শ্ৰীপ্ৰবীণ ফুকনে ৰচনা কৰা 'বংশধ্বজৰ কীৰ্ত্তি', 'বহ্বাৰম্ভে লঘু ক্ৰিয়া', 'কমাৰ্চিয়েল মেৰেজ' আদি নাটিকাবোৰ হেৰোৱাৰ মূলত এই দুজন লিখকৰ সোপাটিলা স্বভাৱো কিছুদূৰ দায়ী। শ্ৰীবৰুৱা কলাজগতত একাণ-পতীয়া হৈ লাগি থকা হলে তেওঁক আমি জ্যোতিপ্ৰসাদ, পাৰ্ব্বতীপ্ৰসাদ প্ৰভৃতিৰ কাষতে পালোহেঁতেন।

অসমত বাতৰি-কাকতৰ জীৱন কচুপাতৰ পানীৰ দৰে বুলি চন্দ্ৰকুমাৰে কৈছিল। কেৱল বাতৰি-কাকতৰে নহয়, সাংস্কৃতিক অনুষ্ঠানৰ জীৱনো তদ্ৰুপ। কেৱল গুৱাহাটী সন্ধিয়া সন্মি-লনীয়েই নহয়, ইয়াৰ অগাপিছাকৈ জন্ম লোৱা যোৰহাটৰ 'বাণী সন্মিলনী', নগাঁৱৰ 'পূৰ্ণিমা সন্মিলন', সোণাৰিৰ 'জোনাকী মেল' আদি আটাইবোৰ অনুষ্ঠানে কেইবছৰমান ভালদৰে চলি পিছত টুপাই বুৰ মাৰিলে।

ইতিপূৰ্ব্বে প্ৰকাশিত আমাৰ 'মঞ্চলেখা'ত সন্ধিয়া সন্মিলনীৰ কথা বিবৰি কোৱা হৈছে। হাতেলিখা 'স্মৃতিলেখা'তো সেইবিষয়ে দুই এটা কথা সন্নিবিষ্ট কৰি ৰখা হৈছে। 'স্মৃতিলেখা'ৰ চমুটোকাটোকে অসমীয়া সংস্কৃতিৰ অন্যতম একনিষ্ঠ সেৱক পদ্মধৰ চলিহাদেৱৰ স্মৃতিসংখ্যা পত্ৰিকালৈ আমাৰ শ্ৰদ্ধা-তৰ্পণ হিচাপে আগ-বঢ়োৱা হ'ল। আজি পদ্মধৰ চলিহা নাই, গুৱাহাটী সন্ধিয়া-সন্মিলনো নাই। তথাপি—

"ভাগি গ'ল বীণাখনি ছিগি গ'ল তাঁৰ
বৈ গ'ল অৱশেষ অমিয়া জোঁকাৰ।"

---

☞ পৰৱৰ্ত্তী সংখ্যা অসম সাহিত্য সভা পত্ৰিকা লব্ধপ্ৰতিষ্ঠ সাহিত্যিক পদ্মনাথ গোহাঞি বৰুৱা আৰু পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ জন্ম-শতবাৰ্ষিকী সোঁৱৰণী সংখ্যাৰূপে প্ৰকাশ পাব। দুয়ো গৰাকী প্ৰবীণ সাহিত্যিকৰ বিভিন্ন দিশত চিন্তাশীল আৰু গৱেষণামূলক প্ৰবন্ধ আহ্বান কৰা হ'ল। চেপ্তেম্বৰ মাহৰ ভিতৰত পোৱাকৈ তলৰ ঠিকনাত প্ৰবন্ধাদি পঠাব পাৰে।

আব্দুছ ছাত্তাৰ
সম্পাদক—অসম সাহিত্য সভা পত্ৰিকা,
শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ,
পোঃ খোৱাং, ডিব্ৰুগড়, অসম।

# পদ্মধৰ চলিহাৰ—'অমৰ লীলা'

॥ অধ্যাপক ডিম্বেশ্বৰ শৰ্ম্মা ॥

পদ্মধৰ চলিহা আছিল একেধাৰে এজন নাট্যকাৰ; কবি, সঙ্গীতজ্ঞ, সু-অভিনেতা, সংগঠক, শিক্ষাবিদ আৰু সাংবাদিক। বিদেশী লিখকৰ মূলভাব অটুট ৰাখি অসমৰ বায়ু পানীৰ লগত মিলাই ঘৰুৱা হৃদয়গ্ৰাহী অসমীয়া ভাষালৈ অন্য ভাষাৰ পৰা অনুবাদ কৰাত তেখেত আছিল সিদ্ধহস্ত। অনুবাদক হিচাপেও অসমীয়া ভাষাত 'ভাওনি কোঁৱৰ' বুলি জনাজাত অসম সাহিত্য সভাৰ আন এগৰাকী প্ৰাক্তন সভাপতি আনন্দচন্দ্ৰ আগৰৱালাৰ পাচতেই চলিহাই স্থান লাভ কৰিছিল। বিদেশী সাহিত্যৰ পৰা সাৰ্থক আৰু সৰস অনুবাদ কৰি নিজৰ ভাষা সাহিত্যক সমৃদ্ধিশালী কৰিব পৰাটো সাহিত্যিক সকলৰ এটা ডাঙৰ গুণ। যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰতীৰ্থ' আৰু আনন্দচন্দ্ৰ বৰুৱাৰ 'হাফিজৰ সুৰ' অসমীয়া অনুবাদ কবিতাৰ আন দুটি সোণালী স্তম্ভ।

পদ্মধৰ চলিহা যে এজন কৃতী অনুবাদক তেখেতে কৰা চাৰ ৱালটাৰ স্কটৰ বিখ্যাত কবিতাৰ অনুবাদ 'স্বদেশপ্ৰেম' কবিতাটিয়েই তাৰ উজ্জ্বল প্ৰমাণ।

ধৰেনে জনম কেৱে
এই মৰতত
শিলাময় কৰি তাৰ হিয়া।
এয়ে মোৰ জন্মভূমি
বুলি মনে মনে
এবাৰো যি কোৱা নাইকিয়া ?
আনৰ দেশৰ পৰা
উভতি আহোতে
ফুৰি চাকি ঘৰমুৱা হৈ
জ্বলা নাই হিয়া যাৰ
স্বদেশ প্ৰেমেৰে
আছেনে কোনোবা এনে ঐ।

চলিহাৰ এনে হৃদয়গ্ৰাহী অনুবাদ কবিতাৰ দুই একাকি মুখস্থ গাব নোৱাৰা অসমীয়া পঢ়ুৱৈ বৰ বিৰল।

চলিহাৰ অনুবাদ সাহিত্যৰ সৰ্ব্বশ্ৰেষ্ঠ কীৰ্ত্তি হৈছে শেক্সপীয়েৰৰ বিশ্ববিখ্যাত ট্ৰেজেডী 'ৰোমিও জুলিয়েট'ৰ অনুদিত অসমীয়া ৰূপ 'অমৰ লীলা'। চলিহাই প্ৰথম কৃতিত্ব দেখু-ৱাইছে নাটকখনিৰ নামকৰণত। 'ৰোমিও' আৰু জুলিয়েট শব্দ দুটিৰ ভিতৰতে যেনেকৈ এটি কোমলতা আৰু মোহনীয়তা আছে, অসমীয়া 'অমৰ' আৰু 'লীলা' নাম দুটিৰো তদ্ৰূপ প্ৰাঞ্জলতা আৰু মোহনীয়তা আছে। তদুপৰি 'অমৰ লীলা' শব্দ দুটিয়ে এক চিৰন্তন কাহিনীৰ অৰ্থত প্ৰকাশ কৰে। আৰু সঁচা-কৈয়ে শেক্সপীয়েৰৰ ৰোমিও জুলিয়েটৰ হৃদয় বিদাৰক শোকৰ কাহিনীয়ে ৰসগ্ৰাহী মানৱ প্ৰাণত চিৰন্তন সাঁচ বহুৱাবলৈ সক্ষম হৈছে নাটকখনিৰ ভূমিকাত চলিহাদেৱে লিখিছে।

ইংলণ্ডৰ পটেশ্বৰী কুইন এলিজাবেথৰ ৰাজত্বকালত এজন অলৌকিক প্ৰতিভাশালী ইংৰাজ কবি আবিৰ্ভাৱ হৈ মানৱ সমাজত নতুন প্ৰাণৰ সঞ্চাৰ কৰি আৰু মধুৰ আৰু গভীৰ ভাৱৰ সোঁত বোৱাই সাহিত্য জগতত যুগান্তৰ আনিছিল। তেৱেঁই ভুৱন বিখ্যাত মহাকবি উইলিয়ম শ্বেক্সপীয়েৰ। সুক্ষ্মভাৱে মানৱ চৰিত্ৰ অধ্যয়ন কৰিব পৰা গুণত শ্বেক্সপীয়েৰ বিশ্বসাহিত্যত অতুলনীয় আৰু অদ্বিতীয় বুলি সমালোচকসকলে একবাক্যে স্বীকাৰ কৰিছে। উদাৰতা আৰু সহানুভূতি তেওঁৰ প্ৰধান লক্ষণ। দহজনে যি মানুহক ঘৃণা আৰু অৱজ্ঞাৰ চকুৰে চায় তেওঁ সেই মানুহৰ চৰিত্ৰ বিশ্লেষণ কৰি সদগুণ বিলাক উদঘাটন কৰি ৰাইজৰ আগত দাঙি ধৰে। মানৱাত্মা যে চিৰ পৱিত্ৰ আৰু অন্তদৃষ্টিৰে সকলোতে সৌন্দৰ্য্য দেখিব পাৰি এইটোৱেই তেওঁৰ নাটকৰ প্ৰধান তাৎপৰ্য্য যেন লাগে।

ৰোমিও জুলিয়েট নাটখনি 'অমৰ লীলা' ৰূপত চলিহাই ভাঙনি কৰে সম্ভৱতঃ ১৯১৮ চন মানতে। ১৯১৯ চনৰ এপ্ৰিল মাহত শিৱসাগৰ ৰঙ্গমঞ্চত নাটকখনি দুবাৰকৈ অভিনীত হয়। দ্বিতীয়বাৰ অভিনয়ত স্বয়ং গ্ৰন্থকাৰে নাটকৰ নায়ক অমৰ সিংহৰ (ৰোমিও) ভূমিকাত অৱতীৰ্ণ হয়। নাটকৰ কাহিনী, চৰিত্ৰ আৰু স্থান নিৰ্ণয় কৰোতে চলিহাই ভাৰতীয় পৃষ্ঠভূমি গ্ৰহণ কৰি ৰাজপুতনাৰ এখন সৰু ৰাজ্য আৰু ৰাজপুত চৰিত্ৰ বাছি লৈছে। কাৰণ সাধাৰণতে মুক্তিপ্ৰিয় ৰাজপুত সকলৰ চৰিত্ৰতহে এই নাটকৰ বিষয় বস্তুৰ লগত খাপ খায়।

অনুবাদৰ বিশেষত্ব সম্পৰ্কে চলিহাই নিজেই লিখিছে।

"মূল নাটকৰ সৌন্দৰ্য্য অটুট ৰাখি অনুবাদ কৰা দুৰূহ কাৰ্য্য তত্ৰাচ এই সুপ্ৰসিদ্ধ নাটকখনিৰ গভীৰ আৰু মৰ্ম্মস্পৰ্শী ভাববিলাক আমাৰ সাহিত্যৰ অন্তৰ্ভুক্ত হোৱা বাঞ্ছনীয় বুলি ভাবি তাৰে ছাঁ লৈ ক্ষুদ্ৰ শক্তি অনুসৰি এই নাটকখনি লিখিলো। ঘটনাৰ স্থল আৰু চৰিত্ৰবিলাক ৰাজপুত দেশীয় কৰাই সুবিধাজনক দেখা গ'ল। ভাৰতীয় সমাজৰ উপযোগী কৰি 'প্লট'ৰ ঠায়ে ঠায়ে পৰিবৰ্ত্তন কৰা হৈছে। নাটকখনি অসমীয়া ষ্টেজৰ উপযোগী কৰিবলৈকো যত্নৰ অলপো ত্ৰুটী কৰা নাই।"

মহাকবি শ্বেক্সপীয়েৰৰ বহু যুগময়ী নাটক এতিয়াও অসমীয়ালৈ অনুবাদ হোৱা নাই। ১৯২০ চনতে এই নাটক ছপা কৰি চলিহাই অসমীয়া নাট্য-সাহিত্যৰ এটি ডাঙৰ অভাৱ পূৰ কৰিলে। ইয়াৰ বাহিৰে দুখনি নিজা নাটক 'নিমন্ত্ৰণ' আৰু কেনে মজা'ৰেও তেখেতে অসমীয়া নাট্য সাহিত্যৰ শ্ৰীবৃদ্ধি সাধন কৰিলে। ৰঙ্গমঞ্চৰ লগত গীতৰ নিবিড় সম্বন্ধ। চলিহাদেৱৰ 'গীত লহৰি' আদি গীত পুথিৰ গীতসমূহেও অসমীয়া সংস্কৃতি জগতৰ শ্ৰীবৃদ্ধি সাধন কৰে। শ্বেক্সপীয়েৰৰ আৰ্হিতে চলিহাই 'অমৰ লীলা'ৰ কথোপকথনত, গদ্য আৰু 'অমিত্ৰাক্ষৰ' দুটা ৰীতি ব্যৱহাৰ কৰিছে। সাধাৰণ পাত্ৰ-পাত্ৰীৰ মুখত গদ্য বচন আৰু বিশিষ্টসকলৰ মুখত কাব্যিক বচন দিয়াটো ই সংস্কৃত নাট্যকাৰসকল আৰু শ্বেক্সপীয়েৰ আদি ইউৰোপীয় নাট্যকাৰসকলৰো ৰীতি। চলিহাদেৱেও এই ৰীতিকে



অনুসৰণ কৰিছে। ভয়ানক শোকৰ কাহিনীৰ মাজতো হাস্যোদ্দীপক চিত্ৰ দি দৰ্শকৰ মনোৰঞ্জন কৰাত শ্বেক্সপীয়েৰৰ বিশেষ সাফল্য। শ্বেক্সপীয়েৰৰ এই ৰীতি আৰু সাফল্যই আধুনিক যুগৰ বহুতো অসমীয়া নাট্যকাৰক প্ৰভাৱান্বিত কৰিছে। বেজবৰুৱাৰ চক্ৰধ্বজ সিংহ নাটকৰ গজপুৰীয়াৰ খুহুটীয়া চৰিত্ৰটি শ্বেক্সপীয়েৰৰ '৪ৰ্থ হেনৰী' নাটকৰ ফলষ্টাফৰ চৰিত্ৰৰ অনুকৰণ বুলি অসমীয়া পঢ়ুৱৈ মাত্ৰেই জানে। 'অমৰ লীলা' নাটকৰ প্ৰথম দৃশ্যতে নন্দৰামৰ চৰিত্ৰৰ কাপুৰুষ স্বভাৱৰ মাজেদি সুন্দৰ হাস্যৰসৰ সৃষ্টি কৰা হৈছে। নন্দৰামৰ তুলনাত মনোহৰৰ চৰিত্ৰৰ গাম্ভীৰ্য্য আৰু বীৰত্বৰ সমান্তৰাল চিত্ৰই দৰ্শকৰ মনোৰঞ্জন কৰিব পাৰে। গভীৰ নাটকীয় সংঘাতৰ মাজেদিও এনে হাস্যোদ্দীপক চিত্ৰ শ্বেক্সপীয়েৰৰ অন্যান্য সাধাৰণ লিখনিতহে সম্ভৱ আৰু তাকে সাৰ্থকভাৱে অসমীয়াত দাঙি ধৰিব পাৰিছে পদ্মধৰ চলিহাদেৱে।

নাটখনিৰ এটি আকৰ্ষণীয় চৰিত্ৰ হ'ল 'লীলা' (জুলিয়েট)ৰ লিগিৰী তিলকাৰ চৰিত্ৰটি। শিশুসুলভ আৰু মাতৃসুলভ মৰম চেনেহেৰে ভৰা এই চৰিত্ৰটিৰ মুখত শ্বেক্সপীয়েৰে যে জতুৱা গ্ৰাম্য ভাষা দি আকৰ্ষণীয় কৰিব পাৰিছিল- চলিহাই তেনে জতুৱা ঠাচৰ গ্ৰাম্য ভাষা দি চৰিত্ৰটি আকৰ্ষণীয় কৰি তুলিছিল। অসমীয়া শাও-শপনিৰ ভাষাতহে আচল অসমীয়া ভাষাৰ ৰাজহাড়ডাল লুকাই আছে। বিদেশীয়ে সহজে অনুকৰণ কৰিব নোৱাৰা এই গালিশপনিৰ ভাষাবোৰে এটা ভাষাক নিজৰ মহিমা দান কৰে। শুনিবলৈ কটুৰা হলেও বিশেষ পৰিবেশত এইবোৰেও উপভোগ্য ৰূপ গ্ৰহণ কৰে। মহাপুৰুষ মাধৱদেৱেও তেখেতৰ 'অৰ্জ্জুন ভঞ্জন' নাটকত আৰু শ্ৰীশঙ্কৰদেৱে তেখেতৰ 'পাৰিজাত হৰণ' নাটকত অসমীয়া গালি-শপনিৰ ভাষা উপভোগ্য ভাৱে ব্যৱহাৰ কৰিছে। চলিহাৰ 'অমৰ লীলা' নাটকৰ সৰলচিতীয়া লিগিৰী 'তিলকা'ক গ্ৰাম্য ডেকা দুজনমানে অনৰ্থক জোকাই লোৱাত তাইৰ গালি শপনি শুনক -

তিলকা :- 'খেকাৰখোৱাই আৰু এবাৰ মোক জোকোৱাহেঁতেন মই তাক ৰাঢ়নীৰে খুচিলোহেঁতেন। বুঢ়ীমাকক সি চিনি পোৱা নাই? বৰ সাহ হতচিৰী যোৱাৰ। মই কাৰ ঘৰত থাকো সি কটা চুৱাপাত্ত চেলেকাই চিনি পোৱা নাই। আৰু এবাৰমান অৱাইচ মাত মতা হ'লে তাক নাকত লৈ চাকত ঘূৰালোহেঁতেন। হেৰৌ বন্দী আহচোন আহ। এতিয়া নাহচোন এক? তোৰ সাত পুৰুষ ৰৌ ৰৌ নৰকত পৰক; তোৰ খাব-জীৱলৈ নাইকীয়া হক। তোৰ ঘৰৰ-ঘৰোৱাহেই মৰজহনিত মৰক। হেৰ নন্দী তোৰ আগতে সি মোক ইমান লঘুলাঞ্ছনা কৰি গ'ল, তইনো এষাৰ মাত মাতিব নাপাৰনে? ইয়ালৈকে আকৌ মুনিহৰ জনম ধৰিছ? থুই কটা।'

এনেধৰণৰ কটুৰা বচন মতা তিলকাৰ চৰিত্ৰৰ শিশুসুলভ সৰলতাই কিন্তু শেষলৈকে দৰ্শকসকলক মুগ্ধ নকৰাকৈ নাথাকে। দুটা পৰিয়ালৰ দ্বন্দ্ব খৰিয়াল আৰু জেদাজেদিৰ ফলত কেনেকৈ আদৰ্শ প্ৰেমিক-প্ৰেমিকা অমৰ আৰু লীলাৰ আদৰ্শ প্ৰেমৰ কাহিনী হৃদয় বিদাৰক কৰুণ চিত্ৰত সামৰণি পৰিল তাকে এই নাটকত সাৰ্থকভাৱে দেখুৱা হৈছে। এই কৰুণ পৰিণতিৰ পাছতহে বিবদমান দল দুটিৰ মিলন ঘটি জগতক এনে বিবাদৰ বিপক্ষে সতৰ্ক কৰি দিলে।

# সাংবাদিক পদ্মধৰ চলিহা

॥ শ্ৰীনিত্যানন্দ বৰদলৈ ॥

'ফুলনিৰ' মালী, 'কেনেমজা' 'নিমন্ত্ৰণ'ৰ গ্ৰন্থকাৰ ৺পদ্মধৰ চলিহাদেৱৰ নাম আমি স্কুলত পঢ়া অৱস্থাৰে পৰা শুনিছিলো আৰু তেখেতক চাবৰ হেঁপাহো আমাৰ মনত উপজিছিল। তেখেতৰ 'কেনেমজা' আৰু 'নিমন্ত্ৰণ' নাট আমি গাঁৱলীয়া ষ্টেজত কৰিছিলো আৰু ফুলনিৰ গান 'হাঁহে ফুলনি, হাঁহে ধৰণী' এইবোৰ গীত গাইছিলো, নাচিছিলো।

সৌভাগ্যৰ কথা, নিউ প্ৰেছত চাকৰি কৰি থকা অৱস্থাতে তেখেতৰ লগত একেৰাহে তিনি বছৰ কাম কৰিবলৈ সুবিধা পাইছিলো। তেখেত এজন ধীৰ স্থিৰ, গহীন-গম্ভীৰ, সৰল, নিৰহঙ্কাৰী লোক আছিল। সোনকালেই সকলো তৰপৰ মানুহক আপোন কৰি লব পৰা গুণ আছিল তেখেতৰ গাত। সেলেঙি লগোৱা তামোলৰ মুখেৰে মিচিক্ কৰে হাঁহিটি মাৰি কথাটি সুধিছিল বা উত্তৰটি দিছিল। মানুহজন দেখিলেই ভাল লাগে। তেখেতৰ এটা বিশেষ ডাঙৰ গুণ আছিল যে লগৰীয়া কোনো বন্ধুৰ লগত কথা-বতৰা পাতি থাকিলেও চিনি পোৱা মানুহক তেনে অৱস্থাত দেখা পালেও মিচিক্ কৰে হাঁহিটি মাৰি সুধিছিল, কি খবৰ, কেনে আছে ইত্যাদি। যিসকল লোক এবাৰ তেখেতৰ সান্নিধ্যলৈ আহিছে সেইসকলে কেতিয়াও তেখেতক পাহৰিব নোৱাৰে।

আমি তলতীয়া কৰ্ম্মচাৰী বুলিও তেখেতে আমাক হেয় জ্ঞান নকৰিছিল। বৰং মৰমৰ চকুৰে নিজৰ ভায়েকৰ দৰে মৰম-স্নেহ কৰিছিল। তেখেতৰ ঘৰলৈ গলেও আদৰ-সাদৰ কৰিছিল। চাহপানীটোপা নুখুৱাকৈ নপঠিয়াইছিল।

১৯৩১-৩২ চনত তেখেত 'অসমীয়াৰ' সম্পাদক থকাৰ সময়ত আমাৰ দেশৰ ৰাজনৈতিক অৱস্থা, আৰু অৰ্থনৈতিক সমস্যা বৰ জটিল আছিল। ৰাজনৈতিক নেতাসকলৰ ধৰপাকৰ চলি আছিল। কংগ্ৰেছ - কমিটীবোৰ বে-আইনী ঘোষণা কৰিছিল। ভাৰতৰ নানা ঠাইত গ্ৰেপ্তাৰ, কাৰাদণ্ড আৰু খানাতালাছ চলি আছিল। অৰ্থনৈতিক অৱস্থাত বিপৰ্য্যয়, অসহযোগ আন্দোলনৰ ভৰপক, এনে অৱস্থাত তেখেতে দুয়োখন কাকতৰে সাদিনীয়া আৰু তিনদিনীয়াৰ সম্পাদনাৰ কাম নিয়াৰিকৈ চলাই আছিল। তেখেতৰ সময়তে সভা-সমিতিৰ খবৰ, থিয়েটাৰ-ভাওনাৰ খবৰ, ৰাজহুৱা অনুষ্ঠান আদিৰ খবৰ, মহিলাসকলৰ অভাৱ-অভিযোগ অনুষ্ঠান আদিৰ খবৰ, আলি-পদূলিৰ কথা, আইন-আদালতৰ কথা, খেল-ধেমালিৰ কথা, নামঘৰৰ কথা বেছিকৈ প্ৰকাশ পাইছিল। সভা-সমিতিবোৰলৈ তেখেতক নিমন্ত্ৰণ কৰিলে নোযোৱাকৈ নাছিল। তাত উপস্থিত থাকি ৰাইজক উৎসাহ উদগণি দি সেইবোৰ কথা আকৌ সুন্দৰভাৱে লিখি কাকতত প্ৰকাশ কৰিছিল। কাকতখন কেনেকৈ মনোগ্ৰাহী কৰিব পাৰি, গ্ৰাহকৰ সংখ্যা বঢ়াব পাৰি সদায় তাৰ চেষ্টাত আছিল।



স্থানীয় সাহিত্যিক আৰু শিল্পীসকলৰ লগত তেখেতে নিবিড় সম্পৰ্ক স্থাপন কৰিছিল আৰু সেইসকলৰ জনদিয়েকৰ লগত কাকতখনৰ উন্নতিৰ অৰ্থে আলোচনা কৰি সক্ৰিয় সহযোগ লাভ কৰিছিল। সেই সকলৰ ভিতৰত আছিল ৺উমেশ চন্দ্ৰ চৌধাৰী, বিহগী কবি ৺ৰঘুনাথ চৌধাৰী, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীজগদীশচন্দ্ৰ মেধি, ৺অম্বিকগিৰি ৰায়চৌধুৰী, ৺মহম্মদ তৈয়বুল্লা প্ৰভৃতি। এইসকল তেখেতৰ অন্তৰঙ্গ বন্ধুও আছিল। এই সকলৰ উপৰিও চলিহাদেৱৰ অনেক অন্তৰঙ্গ বন্ধু আছিল।

তেখেতৰ সময়ৰ পৰাই কাকতত মেমেৰা মেধিৰ চিঠি প্ৰকাশ পাইছিল। এই চিঠি পঢ়িবলৈ গ্ৰাহকে বৰ হেঁপাহ কৰিছিল। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে মেমেৰা মেধি আচল মানুহজন হৈছে শ্ৰীযোগেন্দ্ৰনাথ বৰকাকতী। বৰ্ত্তমানে মেমেৰা মেধিয়ে আন এটা ছদ্মনাম লৈ আন এখন কাকতত নৱ-জন্ম লৈছে।

শ্ৰদ্ধেয় ৺চন্দ্ৰকুমাৰ আগৰৱালাদেৱৰ লগত কাকতখনৰ বিষয়ে প্ৰায়ে আলোচনা কৰিছিল। আখৰ জোঁটনিৰ বিষয়ে, সহজ সৰল নিখুঁত অসমীয়া ভাষা লিখাৰ বিষয়ে আগৰৱালাদেৱে তেখেতক দিহা-পৰামৰ্শ দিছিল। তেখেতেও সেই মতে চলিবলৈ পাৰ্য্যমানে চেষ্টা কৰিছিল। ইয়াৰ উপৰিও তেখেতে ৰসৰাজ বেজবৰুৱাদেৱৰ 'বাঁহী'ৰ সহকাৰী সম্পাদক হিচাপে কাম কাৰ খ্যাতি আৰ্জ্জিছিল। সভা-সমিতি, যাত্ৰা-থিয়েটাৰৰ নাম শুনিলেই তেখেত উত্ৰাৱল হৈছিল। ডাক্তৰে মানা কৰিলেও অসুখীয়া গাৰে হলেও সভাত দু-আষাৰ কবলৈ পালে আনন্দ পাইছিল।

বহুত দিনৰ মূৰত এবাৰ তেখেতক লগ পাইছিলো। মোক এখন 'অসম জ্যোতি' পত্ৰিকা দি কৈছিল—এইখন আপোনাক দিলো। বৰ কষ্ট কৰি মই এই কাকতখন উলিয়াইছো। ময়েই সম্পাদনা কৰো, প্ৰবন্ধ লিখো, প্ৰুফ চাওঁ, কাকত বিলি কৰো—ইয়াৰ বাবে সকলো কাম কৰো। পঢ়ি চাব—ইয়ালৈ প্ৰবন্ধ লিখিব মই আপোনাৰ প্ৰবন্ধ উলিয়াম। মোৰ নিচিনা নিঃকিন নগণ্য বন্ধু এজনৰ প্ৰবন্ধ প্ৰকাশ কৰিবলৈ যিজন লোকে এনে আগ্ৰহ প্ৰকাশ কৰিব পাৰে তেওঁ কিমান মহান আৰু ওখ মনৰ সেই কথা সহজেই বুজিব পাৰি। সকৰে পৰাই জননী জনম-ভূমিৰ সেৱাতে কাম কৰিলে আৰু মৃত্যুৰ আগ মুহূৰ্ত্তলৈকে আজীৱন জননীৰ সেৱাতে ব্ৰতী আছিল।

স্বৰ্গগত চলিহাদেৱৰ নানা বিষয়ে মই জনা আৰু বহু কথা আছে; কিন্তু পত্ৰিকাৰ সম্পাদক ডাঙৰীয়াই সাংবাদিক চলিহাৰ বিষয়ে মই যেনে ভাবে জানো চমুকৈ লিখিবলৈ মোক সুবিধা দিয়াত, ইমান খিনিকে কৈ চলিহাদেৱৰ পুণ্য স্মৃতিত শ্ৰদ্ধা তৰ্পণ আগ বঢ়ালো।

# সঙ্গীত-জগতত পদ্মধৰ চলিহা

॥ শ্ৰীসুন্দৰ বৰদলৈ ॥

বিভিন্ন-মুখী-ভাব-সংস্কৃতিৰ কথাই পুনৰ ৰূপ লবলৈ ধৰিলে উনবিংশ শতিকাৰ জন-জাগৰণৰ বুকুত। ভাৰতীয় জীৱন চৰিত্ৰৰ ঐতিহ্যৰ কথাৰে দিগন্ত নিনাদিত হ'ল— ম্লান হৈ পৰা ঐতিহ্যৰ জয়-ধ্বজাই পুনৰ মূৰ দাঙি উঠিল। ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ তাৰেই প্ৰতিধ্বনি হ'ল— অতীত গৌৰৱময় ইতিহাসৰ চ'ৰাত। কত সহস্ৰ যুগৰ কোলাত মহিমা মণ্ডিত হৈ থকা 'জীৱন বীণৰ সুৰ' পুনৰ বাজি উঠিল— কত সহস্ৰ জনৰ হৃদয়ে হৃদয়ে একোটি সুৰৰ সপোন ৰচি। তাৰে ৰা-বতাহৰ প্ৰভাৱ পূব-প্ৰান্তত থকা অসমী আইৰ হৃদয়-বীণাত ঝঙ্কাৰ উঠিল— সেই বীণাৰ তাঁৰত।

স্বাধীন ভাৱ-মনৰ সুৱদি সুৰৰ কথাৰে মানুহৰ মনক তেতিয়া উদ্দীপ্ত কৰি তুলিলে, জীৱন চৰিত্ৰক এটি উন্মুক্ত ভাব চিন্তাৰে গঢ় লোৱাব পাৰিলে— সেই সময়ৰ প্ৰাণ-পৰশা মধুৰ গীতি কবিতা ছন্দেৰে ···· । এনে সুৰক বিবিধ ছন্দৰ লগত গা উটুৱাই দিয়াৰ ভিতৰত পদ্মধৰ চলিহাও এগৰাকী— সেই সময়ৰ এনে বিষয়ত বিশেষ ৰূপে চলিহাদেৱেই অগ্ৰগণ্য বুলিলেও নুই কৰা নহয়— এইদৰে অন্তৰাত্মাত সুপ্ত হৈ থকা ভাব-চিন্তা পদুমৰ পাহিৰ দৰে বিকশিত হোৱাৰ থল ওলাল—। ভাব-সৰোবৰত সুৰৰ মৌচাক সৃষ্টি হ'ল— ভাব-সুৰ-ছন্দই জীৱন চৰিত্ৰক নতুনত্বৰ পিনে আগুৱাই নিয়াৰ সমল গোটালে— উদ্ভাসিত হ'ল মানুহৰ মন নতুনৰ পাতনিৰে—।

সেই সময়ৰ ৰংপুৰীয়া বাইজ, তথা ডেকা গাভৰুৱে- সেই গীত মাতৰ জোৱাৰ তুলিছিল— পবিত্ৰ মনৰ আবেগ সানি— জাতীয় জীৱন গঢ়াত ক্ৰমাৎ অগ্ৰসৰ হ'ল— একেটি তানতে বাজি উঠিল —হিংসা-দ্বেষ হওক বিলীন সূত্ৰৰ আঁত বিচাৰি।

অমিয়া মাধুৰী মৌ বৰষা মাত কথাৰে সুৰৰ চেকুৰা বান্ধিলে—ফুলনিৰ গীতি কাব্যত— সেই দৰে গীতি লহৰী, আৰু স্বৰাজ সঙ্গীতত। তাৰ উপৰিও নাট্য সাহিত্যও বিভিন্ন ভাৱ-কথাৰে ৰচনা হ'ল— ধেমেলীয়া ভাব ৰহস্যাবৃত্ত কথাৰে মানুহৰ মনত আনন্দৰ লহৰ তুলিলে— 'নিমন্ত্ৰণ','কেনে মজা' আদি নাটে, ৰচনাৰ লগতে ৰংপুৰীয়া ৰাইজৰ জীৱন দৰ্শনৰ ইতিহাস ৰচনা হ'ল— তাৰ প্ৰকৃত ৰূপান্তৰ ঘটিল। কঠাল এঠাৰ দৰে লাগি থকা স্মৃতিৰ তুৱাৰত খলকনি লগোৱাৰ কথা খিনি লিপিবদ্ধ হৈ ওলাল— "ৰংপুৰে কথা কয়"— স্বগতোক্তিত।

যি মুগা বাঢ়িব—চুপাততে চিন। সৰুৰে পৰা সঙ্গীত-সাহিত্য নাট্য-সাহিত্যৰ চৰ্চাৰে এটি আবেগময় জীৱন গঢ়াত সৌভাগ্য ঘটিছিল চলিহাদেৱৰ—বুদ্ধি বৃত্তিও তীক্ষ্ণ আছিল।



পঢ়া শুনাত জাকত জিলিকা আছিল। আভিজাত্যৰ পৰশত—এটি মনোৰম পৰিবেশত ডাঙৰ দীঘল হবলৈ ধৰিলে—এটি মহান আত্মাৰ গতি ধাৱাই পৱিত্ৰ জ্ঞান মাৰ্গত ক্ৰমাৎ অগ্ৰগতি লাভ কৰিবলৈ ধৰিলে। নানা বাধা বিঘিনিকো মূৰ পাতি লৈ ৰাজনীতি, সমাজনীতি সকলো কথাতে আগ ভাগ লৈ আজীৱন কি দৰে এখনি বিভিন্ন মুখী ভাব ৰাজ্যত একেটি ভাব সমন্বয়ৰ কোলাত মধুৰ পৰিবেশ সৃষ্টি কৰি সৌ সিদিনালৈকে সকলো কথাতে গুৰি ধৰি আছিল, সকলোৱে জানে।

শৈশৱ কালৰ পৰা সঙ্গীত-জ্ঞান চৰ্চাৰ প্ৰতি অনুৰাগ সৃষ্টি হৈছিল—মোমাইদেৱকসকলৰ সান্নিধ্যত থাকি। সঁচাকৈয়ে মন কৰিবলগীয়া সেই কালত ৺নৰকুমাৰ বৰুৱা, ৺কৃষ্ণকুমাৰ বৰুৱা ৺ৰামকুমাৰ বৰুৱা আৰু ৺প্ৰসন্ন কুমাৰ বৰুৱা আটাইকেইজন মোমাইদেৱেক কণ্ঠসঙ্গীত, বাঁহী, বেহেলা-তবলা আদি সকলোতে সিদ্ধহস্ত আছিল। এনে এটি ছন্দোময় পৰিবেশত পৰি সৰুৰে পৰা গীত-সুৰ-কাব্য অনুশীলন কৰাৰ উপৰিও মৰমী ভাব প্ৰীতিৰে সৰগ ৰচি গ'ল।

কলিকতাত এম-এ, ল, পঢ়ি থাকোতেই ৺লোহিত চন্দ্ৰ ভূঞাই চলিহাদেৱৰ কিছুমান ৰচিত গীত ফুলনিত (১৯১৫ চনত) থুপাকাৰে প্ৰকাশ কৰে—গোটেই অসম জুৰি তাৰ সমাদৰ বাঢ়ে। প্ৰতি পাহ ফুলৰ ছন্দই উজ্জ্বল ভৱিষ্যতৰ সপোন ৰচি অসমৰ ডেকা গাভৰুৰ মাজত এটি নৱ যুগৰ সূচনাৰে বলীয়ান কৰি তুলিছিল।

সেই সময়ৰ সঙ্গীত-ওজা লক্ষ্মীৰাম বৰুৱা, সুৰশিল্পী কীৰ্ত্তিনাথ বৰদলৈ, কোচবিহাৰৰ সতীশ চন্দ্ৰ মুস্তাৱীৰ পৰা এনে বিষয়ত বিশেষৰূপে তেওঁ প্ৰেৰণা পাইছিল। কলিকতাত থকা কালত দ্বিজেন্দ্ৰলাল ৰায়, বিশ্বকবি ৰবিন্দ্ৰনাথ ঠাকুৰ, অতুলপ্ৰসাদ সেন প্ৰভৃতি গীতিকাৰসকলৰ প্ৰভাৱে মনত বিশেষৰূপে গভীৰ সাঁচ বহুৱাইছিল। তাৰেই প্ৰভাৱত গীতি-কাব্যই মোহনীয় ৰূপত সোণত সুৱগা হৈ পৰে— যেনে,

"লোৱা বীৰ বিজয় মালা নয়ন-নীৰে,<br>
জননীৰ ৰত্ন তুমি<br>
জননীৰ ৰত্ন তুমি<br>
জননীৰ ৰত্ন তুমি<br>
জননীৰ ৰত্ন তুমি, নতশিৰে········।

শিৱসাগৰ আমোলাপটিত চলিহাদেৱৰ ঘৰ দিখৌৰ মধাউৰিৰ নিচেই কাষত। মনত পৰে— ১৯৩০ চনৰ কথা—চলিহাদেৱৰ সৰু ভায়েক ৰিদ্যা চলিহাই (লাহৰি) মোক কেতিয়াবা স্কুলৰ পৰা ঘৰলৈ লৈ যায়—সেই অহা-যোৱাত ঘৰখনৰ লগত এটি মধুৰ পৰিবেশৰ মাজেদি মোৰ ঘনিষ্ঠ সম্বন্ধ ঘটাৰ সৌভাগ্য হয়। তেতিয়া পৰাগ এটি নিচেই সৰু লৰা। সুৱদি গীত কবিতা ৰচনা কৰা, বিভিন্ন উপলক্ষে নগৰৰ লৰা-ছোৱালীক লৈ সুৰ ৰচনাৰে মূৰ্ত্তিমান কৰি তোলা বাহিৰ চ'ৰাৰ চালিৰ আখৰা মোৰ মনত এতিয়াও সজীৱ হৈ আছে।

১৯৩০ চনৰ কথা— কাণিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে স্কুল বৰ্জ্জন ইত্যাদিত ৰংপুৰীয়া ৰাইজেও

আগভাগ লয়। স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰী সকলোৱে এই আন্দোলনত জপিয়াই পৰে অতি উত্তেজিত পৰিবেশত। এই আন্দোলন গাঁৱে-ভূঞে বিয়পি পৰে। বিভিন্ন সমদলে হাতত নিচান লৈ — "সৌ-যে উৰিছে স্বৰাজ নিচান

উন্নত শিৰে হোৱা আগুৱান"

এনে উদ্দীপনা গীতৰ জোৱাৰেৰে ৰংপুৰ নগৰখনিক এটি নতুন দিশৰ পিনে কঢ়িয়াই লৈ গৈছিল। নিজেও স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি তাক আৰু জীৱন্ত কৰি তুলিছিল।

এইদৰে প্ৰায় সাংস্কৃতিক অনুষ্ঠান সমূহৰ গুৰি ধৰি প্ৰতিষ্ঠা কৰিছিল— ৺জয়মতী উৎসৱ, শঙ্কৰ মন্দিৰ, ছাত্ৰ-সন্মিলন ইত্যাদি।

মই লক্ষ্নৌত সঙ্গীত শিক্ষা লাভ কৰি থকা কালত চলিহাদেৱৰ আন্তৰিক শুভেচ্ছাৰ উপৰিও শিৱসাগৰৰ শঙ্কৰৰ মন্দিৰত চেতাৰ বজাবলৈ মোক বাধ্য কৰি কৈছিল, 'সুন্দৰ, তুমিনো কি শিকিছা, আমাক শুনাব লাগিব— শঙ্কৰদেৱৰ জন্ম তিথিত।' এইদৰে কালিপ্ৰসাদ মেমোৰিয়েল হলতো মোৰ দ্বাৰা চেতাৰ বজোৱাই মোক উৎসাহিত কৰিছিল।

১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহৰ কথা— গুৱাহাটী সঙ্গীত কলেজৰ—প্ৰথম সভা উমেশ চন্দ্ৰ চৌধুৰীদেৱৰ সভাপতিত্বত হয়। সেই সভাত নীলকান্ত হাজৰিকা আৰু চলিহাদেৱ উপস্থিত থাকি অসমত এনে অনুষ্ঠানৰ প্ৰয়োজনীয়তাৰ বিষয়ে কৈ প্ৰস্তাৱ দাঙি ধৰে। কলেজখন প্ৰতিষ্ঠাৰ দিন ধৰি তেখেতে সকলো বিষয়তে দিহা পৰামৰ্শ আগবঢ়াই আছিল আৰু উন্নতি কামনা কৰিছিল।

চলিহাদেৱৰ দেশৰ প্ৰতি অসীম শ্ৰদ্ধা থকাত নিজৰ লগতে আনকো এই বিষয়ত উদগনি দিছিল। সেই সময়ত সাংস্কৃতিক ভাৱ সমন্বয় আৰু সঙ্গীত শিক্ষাৰ প্ৰতি ডেকা সকলৰ বাঢ়ি অহা স্পৃহা চলিহাদেৱৰে অৱদান।

গুৱাহাটীত সাংবাদিকৰূপে থকা কালত কুমাৰ ভাস্কৰ মন্দিৰত পতা সন্ধিয়া সন্মিলনত গধূলি পতা সঙ্গীতৰ আখৰাত সঙ্গীত-শিক্ষাৰ প্ৰতি গুৱাহাটী ৰাইজৰ মাজত চলিহাদেৱেই আলোড়নৰ সৃষ্টি কৰিছিল। ১৯৪৫ চনত যেতিয়া গুৱাহাটীলৈ আহো, এই সন্মিলনখনলৈ কলামোদী তিলক দাস, উমেশ চৌধুৰী, আনন্দৰাম বৰদলৈ শ্ৰীশশীকান্ত গোস্বামী শ্ৰীনাৰায়ণ বৰুৱা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীভুবনেশ্বৰ বুজৰবৰুৱা প্ৰভৃতিও প্ৰায়ে গৈছিল। এনে এখন অনুষ্ঠানে গুৱাহাটীৰ কলামোদী সকলৰ মনত কি দৰে প্ৰভাৱ বিস্তাৰ কৰিছিল ইয়াৰ পৰা সহজে বুজিব পাৰি।

সঙ্গীত-চৰ্চ্চাৰ প্ৰতি অনুৰাগ সৃষ্টি আৰু শ্ৰদ্ধাই উজান বজাৰৰ কুমাৰ ভাস্কৰ মন্দিৰত প্ৰতিষ্ঠা লাভ কৰা গুৱাহাটী সঙ্গীত কলেজখনিয়ে ৰাইজৰ আন্তৰিক মৰম আশীৰ্ব্বাদ লৈ এতিয়াও জাকত জিলিকা হৈ আছে।

য'তে চলিহাদেৱৰ সাক্ষাৎ হয় তেওঁ প্ৰথমতে সোধে, অনুষ্ঠান কেনে চলিছে? তাৰ পাচতহে অন্য ঘৰোৱাহী কথা। যোৱা মাঘ মাহত গুৱাহাটীৰ পঞ্চৱটীৰ 'ফুটপাথ'ত 'কৰাই-দেউ' চলিহাদেৱক এদিন ৰাতিপুৱা হঠাতে লগ পাওঁ। 'সুন্দৰ' বুলি মাতটি ধৰিলে; এনে মৰম ভৰা স্নেহাশীষ বাণীৰ উম মই আৰু ক'ত পাম? তেতিয়াও অনুষ্ঠানৰ কথা—"ধৈৰ্য্য ধৰা, ভগৱানে সহায় কৰিব। মোৰ 'অসম জ্যোতি'লৈ তুমি প্ৰবন্ধ দিব লাগিব— ১৫/২০ দিনৰ ভিতৰত'— মই সেইমতে এমাহমানৰ পাচত প্ৰবন্ধ এটি পঠিয়ালো; প্ৰাপ্তি স্বীকাৰ কৰি 'অসম জ্যোতি' এখনি মোলৈ পঠিয়াই দিয়ে। এনে বয়সত কৰ্ম্ম আৰু কৰ্ত্তব্য-তৎপৰতা দেখি আচৰিত হব লাগে।

আকৌ চিঠি লিখিলে— "ইয়াৰ পাচত মোক লাগিব আন এটি প্ৰবন্ধ, "আধুনিক সঙ্গীত আৰু অসম" তাৰে অপেক্ষাত থাকিলো" ইত্যাদি।

চলিহাদেৱৰ প্ৰতিভা, জীৱন-ইতিহাসৰ কথা এইদৰে কৈ বা লিখি অন্ত কৰিব নোৱাৰি। দিন বাগৰি যোৱাৰ লগে লগে তেখেতৰ কৰ্ম্মময় জীৱনৰ কথা, কবিতা-সঙ্গীত ৰচনাই অসমৰ বুকুত সদায় আলোড়ন সৃষ্টি কৰি থাকিব আৰু অসমীয়াক অগ্ৰগতিৰ পথত আগুৱাই নিয়াত ইন্ধন যোগাব।

"যুদ্ধ-বিৰতি চীনৰ ভাবুকি
দেখি আমি আজি নৰওঁ থমকি;
কোনে জানে পুনু ভৰিৰে গচকি
তুলি দিব চীনে হাহাকাৰ;
ভাৰত-সন্তান হুছিয়াৰ!

অহিংসা আমাৰ যদিও মন্ত্ৰ
ভীৰুতাৰ আমি নামানো তন্ত্ৰ;
ধ্বংস কৰিম পাপৰ যন্ত্ৰ,
ভাঙিম শৃঙ্খল-কাৰাগাৰ;—
ভাৰত-সন্তান হুছিয়াৰ!" *

"The Chinese cease-fire, a mere pretence,
On them we can never, never depend;
They may tread us on, make a trespass,
Causing disasters to our hearths and homes
Sons and daughters of Ind alert!

Though non-violence is our motto,
Obey we not the coward's law;
Smashing sins with thundering blow
We will break through dungeons dark,
Sons and daughters of Ind alert!

* ৺পদ্মধৰ চলিহাদেৱৰ "ভাৰত-সন্তান হুছিয়াৰ!" নামৰ কবিতাটোৰ দুটা চৰণ তুলি দি অধ্যাপক পূৰ্ণানন্দ শইকীয়াই কৰা ইংৰাজী অনুবাদৰ চৰণ দুটাও লগতে দিয়া হ'ল। পত্ৰিকা সম্পাদক।

## দ্বিতীয় ভাগ

# বিভিন্ন প্ৰবন্ধৰ শৰাই

## ॥ ডাক চক্ৰৱৰ্ত্তীৰ ঘৰ ॥

॥ শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা ॥

আহোম ৰাজত্বৰ শেষৰ ফালে ৰাজধানী ৰংপুৰৰ পৰা যোৰহাটলৈ তুলি আনিবলগীয়া হোৱাত ৰাজসভাৰ পণ্ডিত কেইঘৰমানো তাৰ-পৰা ৰজাই তুলি আনিলে। এনেকৈ উঠি অহা কেইবাটাও পৰিয়ালক যোৰহাট নগৰৰ উত্তৰে আঠ মাইলমান দূৰৰ ৰংদৈ নামে ঠাইত মাটি-বাৰী খাত-পাম দি বহুৱালে। সেই পৰিয়ালবোৰৰ নাতি-পুতিসকলৰ ভিতৰত ৺গঙ্গাগোবিন্দ ফুকন, ৰায়বাহাদুৰ ৺পৰশুৰাম খাওন্দ, স্কুল পৰিদৰ্শক ৺যজ্ঞেশ্বৰ বৰুৱা, ৺গোলোক চন্দ্ৰ বৰুৱা কাব্য-বিনোদ, শ্ৰীযুত ৰবীন্দ্ৰৰাম খাওন্দ (অৱসৰ প্ৰাপ্ত উপায়ুক্ত) এইসকল অসমীয়া সমাজত সুপৰিচিত। এইদৰে ৰংদৈত থিতাপি লোৱাসকলৰ ভিতৰত আন এঘৰ হ'ল ডাক চক্ৰৱৰ্ত্তীৰ ঘৰ। আৰু এই ডাক চক্ৰৱৰ্ত্তীৰ ঘৰেই আছিল ৰজা শিৱসিংহ আৰু বৰৰজা ফুলেশ্বৰীৰ (প্ৰমথেশ্বৰী, বৰ্ত্তকান্তি) সভাৰ পণ্ডিত কবি ৰামনাৰায়ণ বা কবিৰাজ চক্ৰৱৰ্ত্তী। জাতুকৰ্ণ গোত্ৰৰ এই ব্ৰাহ্মণ পৰিয়ালৰ বংশধৰসকলৰ দুঘৰমান বৰ্ত্তমান যোৰহাট নগৰত, এঘৰ গোলাঘাটত আৰু দুঘৰ নে এঘৰ ডিব্ৰুগড় মহকুমাৰ কোনো ঠাইৰ বাসিন্দা হৈ আছে।

জয়ধ্বজসিংহ ৰজাৰ দিনত ৰামানন্দ নামে এগৰাকী গুণৱন্ত আৰু সদাচাৰী ব্ৰাহ্মণ আছিল। এই ৰামানন্দই মহামোহকাব্যৰ ৰচয়িতা বুলি ভাবিবৰো কাৰণ আছে। এওঁৰ পাণ্ডিত্য আৰু কবিত্ব গুণত তুষ্ট হৈ জয়ধ্বজসিংহ ৰজাই তেওঁক ডাক চক্ৰৱৰ্ত্তী উপাধি দিয়ে। ৰজাই গোবিন্দ-প্ৰিয়া নামে ব্ৰাহ্মণ কন্যাৰ লগত তেওঁৰ বিয়া পাতি দি শাস্ত্ৰ চৰ্চ্চা আৰু কাব্য ৰচনাৰ কাৰণে সা-সুবিধাৰ যোগান ধৰে। তেওঁৰে পুত্ৰ হ'ল ৰামনাৰায়ণ, আৰু এওঁ কবিত্ব-গুণৰ কাৰণে কবিৰাজচক্ৰৱৰ্ত্তী আখ্যা লাভ কৰে। সাহিত্যৰ বুৰঞ্জীত কবিৰাজ চক্ৰৱৰ্ত্তী নামেৰেই এওঁ জনাজাত; কিন্তু ঠায়ে ঠায়ে নিজকে দ্বিজবৰ কবিৰাজ বিপ্ৰ আৰু কবিৰাজ দ্বিজবৰ বুলিও পৰিচয় দিছে। এওঁ ভাস্বতী নামে সংস্কৃতত লিখা জ্যোতিষৰ পুথিও অসমীয়া গদ্যলৈ অনুবাদ কৰে।* এই পুথিৰ শেষত কবিৰাজচক্ৰৱৰ্ত্তীয়ে

* কবিৰাজচক্ৰৱৰ্ত্তীয়ে সংস্কৃতত লিখা এখন জ্যোতিষৰ পুথিৰ কথাও ইতিমধ্যে আমি জানিবলৈ পাইছোঁ।



নিজকে শ্ৰীমন্ত ডাকসৰস্বতীৰ আত্মজ শ্ৰীকবি-ৰাজচক্ৰৱৰ্ত্তী বুলি বৰ্ণনা কৰিছে।

দুষ্মন্ত চৰিত্ৰ বা শকুন্তলা কাব্যত কবিৰাজ চক্ৰৱৰ্ত্তীয়ে তেওঁৰ বংশৰ উপৰিপুৰুষৰ কথা এনেকৈ বৰ্ণাইছে—

জাতুকৰ্ণ মুনিৰ বংশত বিপ্ৰবৰ।
সদাবৰ নামে ভৈলা বিষ্ণুৰ কিঙ্কৰ॥
তাহান বংশত ভৈল চতুৰ্ভুজ নাম।
শাস্ত্ৰত পণ্ডিত বিপ্ৰ গুণে অভিৰাম॥
তাহান তনয় ভৈলা বিপ্ৰ বাসুদেৱ।
গুণৱন্ত যাৰ হৰিবিনে নাহি কেৱ॥
নামত পৰমানন্দ তাহান তনয়।
বিষ্ণুৰ ভকত সদাচাৰী মহাশয়॥
উদয় আদিত্যসিংহ সৌমাৰ পীঠত।
পৰম প্ৰচণ্ডৰাজা আছিল পূৰ্ব্বত॥
যিটো বিপ্ৰে সেহি নৃপতিক উপাসিয়া।
ভুঞ্জিলা বিবিধ সুখ ধন উপাৰ্জ্জিয়া॥
ৰামানন্দ নামে ভৈল তাহান সন্ততি।
যিটো গুণৱন্ত সদাচাৰী মহামতি॥
যাহাৰ গুণত জয়ধ্বজ নৰপতি।
তুষ্ট হৈয়া দিলা নাম ডাক সৰস্বতী॥

সদাবৰ
|
চতুৰ্ভুজ
|
বাসুদেৱ
|
পৰমানন্দ — (উদয়াদিত্য সিংহৰ দিনত)
|
ৰামানন্দ (ডাক চক্ৰৱৰ্ত্তী) (জয়ধ্বজ সিংহৰ „ )
|
ৰামনাৰায়ণ (কবিৰাজ চক্ৰৱৰ্ত্তী) (ৰুদ্ৰসিংহ আৰু শিৱসিংহৰ দিনত)

শাস্ত্ৰত নিপুণ আৰু কবিকৰ্ম্মত কুশল কবিৰাজচক্ৰৱৰ্ত্তীৰ পৰা ৰুদ্ৰসিংহ ৰজায়ো শাস্ত্ৰ-জ্ঞান লাভ কৰিছিল। ১৬৩৬ শকত ৰুদ্ৰসিংহ ৰজা স্বৰ্গী হোৱাত তেওঁৰ প্ৰথম পুত্ৰ শিৱসিংহ ৰজা হৈ কবিৰাজচক্ৰৱৰ্ত্তীক তেওঁৰ ৰাজসভাত ৰাখি শাস্ত্ৰ-চৰ্চ্চা আৰু কাব্য ৰচনাত সৰ্ব্বপ্ৰকাৰে উদগনি দিয়ে। পাণ্ডিত্য আৰু কবিত্বৰ পৃষ্ঠ-পোষকতাত শিৱসিংহৰ প্ৰধান মহিষীৰ উৎসাহ-উদগণিও ৰজাতকৈ কম নাছিল। শাক্তলোকৰ প্ৰতি বিশেষ পক্ষপাতিত্ব থকা বুলি অনেকে অভিযোগ কৰা ফুলেশ্বৰী কুঁৱৰীয়ে বৈষ্ণৱ-বংশ জাত দক্ষিণপাট সত্ৰৰ শিষ্য-সেৱকীয়া বিষ্ণুৰ কিঙ্কৰ এই কবিজনাৰ হতুৱাই কেইবাখনো কাব্য ৰচনা কৰাইছিল।

কবিৰাজচক্ৰৱৰ্ত্তীৰ ৰচনাসমূহৰ ভিতৰত শকুন্তলা কাব্য বিশেষ উল্লেখযোগ্য। আজি প্ৰায় আঠৈকুৰি বছৰৰ আগতে ৺দুৰ্গাধৰ বৰকটকীদেৱে যোৰহাট অঞ্চলত পোৱা কোনো এখন পুৰণি সাঁচিপতীয়া পুথিৰ পৰা নকল কৰাই শকুন্তলা-কাব্য ছপা কৰি প্ৰকাশ কৰে। ইতিমধ্যে আৰু দুই এখন সাঁচিপতীয়া পুৰণি পুথি পোৱা গৈছে আৰু এতিয়াহে ছপা পুথিত থকা ভালেখিনি ভুল ধৰা পৰিছে। আহোমৰাজত্বৰ কালত ৰচনা কৰা কাব্যবিলাকৰ ভিতৰত শকুন্তলা কাব্য কেইবাটাও কাৰণত লেখত লবলগীয়া। কাব্যৰ কোনো ঠাইতে কবিজনাই পূৰ্ব্বসূৰিৰূপে কালিদাসৰ নাম উল্লেখ কৰা নাই। তেওঁ কেৱল লিখিছে—

আদিপৰ্ব্ব ভাৰতক কৰিয়া বিচাৰ ।
দুষ্মন্ত চৰিত্ৰ পদ কৰিলা প্ৰচাৰ ॥

আকৌ— আদিপৰ্ব্ব ভাৰতক বিবেচিয়া আতি।
দুষ্মন্ত চৰিত্ৰ পদবন্ধে নিগদতি ॥

মহাকবি কালিদাসৰ কাব্য অসমত যে প্ৰচলিত নাছিল আৰু ইয়াৰ যে পঠন-পাঠন অসমৰ ঠায়ে ঠায়ে নহৈছিল, সেইটো সম্ভৱ নহয় । কিন্তু অসমত কাব্য আদি ৰসপ্ৰধান সাহিত্যতকৈ পুৰাণ আৰু ধৰ্ম্মশাস্ত্ৰৰ চৰ্চ্চা অধিক হৈছিল যেন মনে ধৰে ! পিছে প্ৰয়োগৰত্নমালা ব্যাকৰণত কাব্যৰ উদাহৰণ অনেক আছে। আৰু সেই ব্যাকৰণ অসমৰ সংস্কৃতশিক্ষাৰ আৰু শিক্ষাৰ্থীসকলৰ উদ্দেশ্যেই ৰচিত হৈছিল আৰু আজিও অসমৰ টোলবিলাকত প্ৰয়োগৰত্নমালাৰ অধ্যাপনা হৈ আছে।

সি যি নহওক, অসমত ৰামায়ণ, মহাভাৰতৰ প্ৰচাৰ অতি প্ৰাচীন কালৰপৰাই চলি আছিল আৰু শাসনবিলাকত ৰামায়ণ, বিশেষকৈ মহাভাৰতৰ বহুত উল্লেখ পোৱা যায়। ভাৰতৰ আঞ্চলিক ভাষাবিলাকত যেনেকৈ ৰামায়ণ-মহাভাৰতৰ আখ্যানৰ নতুন নতুন ৰূপ দেখা গৈছিল, তেনেকৈ অসমতো মহাকাব্যবিলাকৰ পৰিবৰ্ত্তন আৰু সংযোজন হৈ আছিল। এইটোও হব পাৰে যে অসমত প্ৰচলিত কোনো এখন আদিপৰ্ব্ব ভাৰতত মূল ভাৰতৰ শকুন্তলা আখ্যানৰ ঠাইত কালিদাসৰ শকুন্তলা আখ্যান সাময়িক আৰু আঞ্চলিক ৰুচি অনুযায়ী পৰিবৰ্ত্তিত হৈ অসমত প্ৰচলিত আদিপৰ্ব্বৰ ভিতৰুৱা হৈ পৰিছিল ।

এই প্ৰসঙ্গত দ্বিজ অনিৰুদ্ধৰ (ৰামসৰস্বতী) ৰচিত আদিপৰ্ব্ব মহাভাৰতৰ কথা উল্লেখ কৰিব পাৰি । এই আদিপৰ্ব্বতো দুষ্মন্ত-শকুন্তলাৰ আখ্যান কোৱা হৈছে । ৰামসৰস্বতীয়ে দুষ্মন্ত জন্মৰ এটা নতুন আখ্যান ৰচনা কৰি দুষ্মন্ত নামৰ সাৰ্থকতা দেখুৱাইছে । এওঁৰ মতে দুষ্মন্ত মৃগয়াপ্ৰিয় ৰজা নহয়েই, বৰং মৃগহন্তা হিৰণ্যগৰ্ভক বধ কৰি মৃগপক্ষীবিলাকক ৰক্ষা কৰিলে । এই ৰক্ষা কাৰ্য্যত বনলৈ যাওঁতেহে তেওঁ কণ্বমুনিৰ আশ্ৰমত প্ৰবেশ কৰে । শকুন্তলাই সম্ভ্ৰান্ত বংশৰ গহীন জীয়ৰী ছোৱালীৰ উপযুক্ত সংযমৰ পৰিচয় দিছে । কণ্বই দুষ্মন্তৰ লগত শকুন্তলাক শাস্ত্ৰমতে বিয়া দিয়ে। মুনিৰ আশ্ৰমত শকুন্তলাৰ দেৱ-লক্ষণযুক্ত পুত্ৰৰ জন্ম হয় আৰু মুনিয়ে কৰ্ণবেধ, চূড়াকৰণ আদি সংস্কাৰ কৰি ভৰত নাম থয় । দুষ্মন্ত আশ্ৰমলৈ শকুন্তলাক নিবলৈ নহাত কণ্বমুনিয়ে নিজে শকুন্তলা আৰু ভৰতক লৈ ৰাজসভাত উপস্থিত হয় । ৰজাই ভৰতৰ হাতত নাৰায়ণচক্ৰ আৰু ভৰিত পদ্মচিহ্ন দেখি পুত্ৰ-ভাৰ্য্যাক গ্ৰহণ কৰে । মূল ভাৰতৰ দৰে ইয়াত কোনো দেৱবাণীৰ আৱশ্যক হোৱা নাই । ৰামসৰস্বতীৰ কাব্যত ভাগৱতৰ যি প্ৰভাৱ ধৰিব পাৰি, তেওঁৰ শকুন্তলা আখ্যানতো ভাগৱতত সংক্ষেপে বৰ্ণোৱা শকুন্তলা আখ্যানৰ দুটামান কথা বহলকৈ ওলাই পৰিছে ।

কবিৰাজ সৰস্বতীয়ে শকুন্তলা কাব্যৰ কেইঠাইতো আদিপৰ্ব্ব ভাৰত তেওঁৰ কাব্যৰ গুৰি বুলি কলেও এইটো ঠিক যে মূল মহাভাৰতৰ বা ৰামসৰস্বতীৰ শকুন্তলা আখ্যানতকৈ



কালিদাসৰ গ্ৰথিত কথাবস্তুৰ লগতহে তেওঁৰ আখ্যানৰ মিল । অনসূয়া-প্ৰিয়ংবদা, দুৰ্ব্বাসাৰ অভিশাপ, কাশ্যপৰ আশ্ৰমত ভৰতৰ জন্ম আৰু দুষ্মন্ত শকুন্তলাৰ পুনৰ্ম্মিলন আদি কালিদাসৰ উদ্ভাৱনাবোৰ কবিৰাজসৰস্বতীৰ আখ্যানতো আছে। কবিৰাজসৰস্বতীৰ উদ্ভাবিত সুনন্দা অপসৰীৰ অৱতাৰণাই আখ্যানটোৰ আকস্মিকতা (surpise) হ্ৰাস কৰি দিছে । গোটেই কাহিনীয়েই যেন মেনকাৰ পৰিকল্পিত এটা লীলা ।

অষ্টাদশ শতিকাৰ আহোম ৰাজসভাৰ আৰু সমসাময়িক ৰসিক সমাজৰ ৰুচিৰ প্ৰীতি সাধন কৰিবলৈ যাওঁতে মহাকবি কালিদাসৰ কবিত্ব আৰু গাম্ভীৰ্য্যৰ অতি অলপমানহে অসমীয়া কবিজনৰ আখ্যানত দেখিবলৈ পোৱা যায় । তথাপিও অসমীয়া কাব্যত মহাকবি কালিদাসৰ চিহ্ন বহন কৰা কাব্য হিচাবে কবিৰাজচক্ৰৱৰ্ত্তীৰ কাব্যখনেই একমাত্ৰ কাব্য পুথি । কবিয়ে নিজে ইয়াক দুষ্মন্ত চৰিত্ৰ নামহে দিছে ।

কবিৰ পূৰ্ব্বপুৰুষসকল বৈষ্ণৱ মতাৱলম্বী; কবিয়েও নিজকে বিষ্ণুৰ কিঙ্কৰ, হৰিদাস আদি আখ্যা দিছে। বৈষ্ণৱ কবিসকলৰ ৰীতি অনুসৰি প্ৰতি আধ্যাৰে আৰম্ভণীতে বিষ্ণুৰ বন্দনা আৰু শেষতো বিষ্ণুকীৰ্ত্তনৰ মহিমাৰ কথা। পুৰণি অসমীয়া কাব্যত ব্যৱহাৰ হোৱা সকলোবিলাক ছন্দৰ ওপৰত কবিৰ অধিকাৰ দেখা যায়। দুৰ্গাবৰী কাব্যৰ প্ৰভাৱো ঠায়ে ঠায়ে দেখা যায় । বৈদেশিক দৰ্শন শাস্ত্ৰত থকা উপমাৰ ব্যৱহাৰ আদিয়ে তেওঁৰ ভাৰতীয় দৰ্শনৰ লগত ঘনিষ্ঠ পৰিচয় থকা বুজায় । অসমৰ বাহিৰৰ বৈষ্ণৱ-কবিৰ কাব্যত প্ৰতিধ্বনিও শকুন্তলা কাব্যৰ ঠায়ে ঠায়ে শুনা যায় । বিৰহ-সন্তপ্ত দুষ্মন্ত ৰজাক প্ৰবোধ দিবৰ কাৰণে অৱতাৰণা কৰা সুদীৰ্ঘ চন্দ্ৰকেতু-কামকলা উপাখ্যানে সেই সময়ৰ উত্তৰ-ভাৰতত মুছলমানী প্ৰভাৱৰপৰা প্ৰচলিত হোৱা আমনিলগা ৰ'মাঞ্চ কাহিনীৰ লগতো কবিৰ পৰিচয় বুজায় । সেই উপাদানবিলাকৰ যথাযোগ্য ব্যৱহাৰো তেওঁৰ কৃতিত্বৰ নিদৰ্শন। বিৰহ-প্ৰধান আদিৰসৰ সৃষ্টিতো এই পক্ষী কাহিনীয়ে যথেষ্ট সহায় কৰিছে । কাব্যৰ মাজত বাৰমাহী গীতৰ সংস্থাপন মূল ৰসৰ পৰিপোষক হৈছে । আহোম-ৰাজসভাত লিখা এই কাব্যখনত প্ৰাচীন ভাৰতীয় সাহিত্যৰ লগত নানা আঞ্চলিক আৰু মৌলিক উপাদানৰ সমন্বয় ঘটিছে। ৰুদ্ৰসিংহ ৰজাই অসমৰ লগত যি সৰ্ব্বভাৰতীয় সম্পৰ্ক কল্পনা কৰিছিল ক্ষীণ হলেও তাৰ সাহিত্যিকৰূপ শকুন্তলা কাব্যত দেখা যায় । ৺হেমচন্দ্ৰ গোস্বামী ডাঙৰীয়াই হাতে লিখা পুথিৰ তালিকাত 'গীতৰ পুথি' বুলি এখনি গীত-সংগ্ৰহৰ এটি টোকা দিছে । তাত ৰুদ্ৰসিংহ আৰু শিৱসিংহ ৰজাই ৰচনা কৰা গীতৰ বাহিৰেও কবিৰাজচক্ৰৱৰ্ত্তী আৰু আন আন কবিৰ ৰচিত গীতো আছে। গীত-ৰচনা আৰু শঙ্খচূড় বধ প্ৰভৃতি পুথিৰ চিত্ৰই সেই সময়ৰ চাৰু কলা চৰ্চ্চাৰ আভাস দিয়ে ।

এই কবিজনাৰ কবিকৃতিৰ ভিতৰত ব্ৰহ্মবৈবৰ্ত্তপুৰাণৰ কৃষ্ণজন্মখণ্ডৰ অসমীয়া গদ্য, অনুবাদ, শঙ্খচূড় বধ, জয়দেৱৰ গীত-গোবিন্দৰ পদ্য অনুবাদ, এই কেইখনেই এতিয়ালৈকে তেওঁৰ ৰচিত বুলি কোৱা হয় । ৺ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াই তেখেতৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীত গীতগোবিন্দৰ ভাঙনি কবিৰাজচক্ৰৱৰ্ত্তীৰ ৰচিত

হ'ব পাৰেনে নোৱাৰে সেই বিষয়ে সন্দেহ কৰিছে, কিয়নো গীতগোবিন্দত কবিয়ে নিজকে দ্বিজবৰ বুলিহে উল্লেখ কৰিছে। কবিয়ে কেইবাঠাইতো কবিৰাজ বিপ্ৰ বা দ্বিজবৰ বুলি উল্লেখ কৰিছে। মাধৱ-সুলোচনাৰ আখ্যানতো কবিয়ে দ্বিজবৰ বুলি পৰিচয় দিছে। মাধৱ সুলোচনাৰ আখ্যানত শকুন্তলা কাব্যৰ দুটামান পদ হুবহু পোৱা যায় গতিকে ডঃ শৰ্ম্মাই মাধৱসুলোচনাৰ * কবিয়েই শকুন্তলা কাব্যৰ কবি হ'ব পাৰে বুলি কৰা অনুমান সমৰ্থন কৰিব পাৰি।

শকুন্তলা কাব্যৰ দৰে এই কেইখন কাব্যতো আদিৰসাত্মক বৰ্ণনাৰ প্ৰাচুৰ্য্য। ব্ৰহ্মবৈবৰ্ত্ত-পুৰাণত শ্ৰীকৃষ্ণৰ বৃন্দাবন লীলাৰ কথা বিশেষকৈ বৰ্ণনা কৰা হৈছে। ইয়াতেই ফুলেশ্বৰী কুঁৱৰীৰ এটা নাম ৰত্নকান্তি আছিল বুলি জনা যায় —

তাহান ভৈলেক জায়া অতি সুললিত কায়া
ৰত্নকান্তি নামে মহামতি,
হেন মহা নৃপতিৰ ৰত্নকান্তি মহিষীৰ
আদেশ ৰত্নক শিৰে ধৰি।
কবিৰাজ দ্বিজবৰ পদবন্দি মাধৱৰ
বিৰচিলা ভাষাবন্ধ কৰি॥

শঙ্খচূড় বধ কাব্যও ব্ৰহ্মবৈবৰ্ত্তপুৰাণৰ এটা কাহিনী অৱলম্বন কৰি লিখা। তুলসীৰ জন্ম, শঙ্খচূড়ৰ লগত বিবাহ, কৃষ্ণই শঙ্খচূড়ৰ ৰূপ ধৰি তুলসীৰ লগত কৰা কাম ক্ৰীড়া আদিৰ বৰ্ণনা ইয়াত পুৰাণৰ অনুসৰণ কৰিয়েই দিয়া হৈছে। তুলসী বিষয়ক এনে কাব্য আৰু দুই চাৰিখন পোৱা যায়। মাধৱ-সুলোচনাত গঙ্গাতীৰ্থৰ মাহাত্ম্য, শঙ্খচূড় বধত তুলসীৰ মাহাত্ম্য। দেৱ-দেৱী, তীৰ্থ, তুলসী আদিৰ মাহাত্ম্য-কীৰ্ত্তন এই দুখন সাহিত্যৰ এটা বিশিষ্টতা; কিন্তু ইয়াৰ ওপৰত এটা আদিৰসৰ আৱৰণ। কবিৰাজচক্ৰৱৰ্ত্তীক এই যুগৰ প্ৰতিনিধিত্ব কৰিব পৰা কবি বুলি কব পাৰি।

* Aspects of Assamese Literature (G. U.).

এওঁৰ পিছত ডাকচক্ৰৱৰ্ত্তীৰ ঘৰৰ কোনো সাহিত্যিক অৱদান থকাৰ কথা গম নেপাওঁ। তেওঁৰ পো-নাতি কোনোবাই ৰাজসভাত সাহিত্য আৰু শাস্ত্ৰৰ চৰ্চ্চা কৰি থাকিলেও তাৰ কোনো লিখিত বুৰঞ্জী আমাৰ হাতলৈ অহা নাই। আহোম ৰাজত্বৰ শেষ ভাগত তেওঁৰ বংশধৰসকল ৰাজধানীৰপৰা উঠি আহি ক্ৰমে অখ্যাত হৈ পৰিল। ডাকচক্ৰৱৰ্ত্তীৰ ঘৰৰ যে এজন কৃতী কবি আৰু পণ্ডিত আছিল কবিৰ বৰ্ত্তমান বংশধৰসকলৰ বহুতেই গম নাপায়। কবি আৰু তেওঁৰ পৰিয়াল সম্বন্ধে কিবা নতুন কথা জানিব পাৰো বুলি আমি এবাৰ কবিৰ বংশধৰসকলৰ বাসভূমি ৰংদৈ গাঁৱলৈ গৈছিলো। তাত কেৱল এজন মাত্ৰ তেওঁৰ বংশধৰক লগ পোৱা হল। বাকীসকল কৰ্ত্তব্যৰ আহ্বানত বেলেগ বেলেগ ঠাইলৈ উঠি গৈছে। যিজনক লগ পালো তেওঁ আমাক ক'লে "আমাৰ পিতামহৰপৰা শুনিছিলোঁ, ৰজাই দিয়া এটা সোণখটোৱা পেৰা আৰু এখন তামৰ ফলি আমাৰ ঘৰত আছিল। সোণৰ আশাত চোৰে বাকচটো আৰু লগতে তামৰ-ফলি চুৰ কৰি নিলে। পোন্ধৰ বছৰমানৰ পাছত পিতনিৰ বোকাত পচা বাকচটো পোৱা গ'ল, তামৰ ফলিৰো আখৰ নিঃচিহ্ন হৈ গ'ল।" তেওঁৰ উপৰিপুৰুষৰ



এজন যে ইমান ডাঙৰ কবি আৰু পণ্ডিত আছিল সেই কথাত তেওঁ অতিশয় গৌৰৱ অনুভৱ কৰিলে; কিন্তু সেইজনৰ জীৱনী আৰু কাৰ্য্যৰ সম্বন্ধে কিবা সমল আমাক যোগাব নোৱাৰিবৰ বেজাৰ পালে।

এনেকৈয়ে বহুত কবি-সাহিত্যিকলোকৰ কৃতি-চিহ্ন অসম দেশৰ বুকুৰপৰা লোপ পাইছে। *

---

# মধ্যযুগৰ শিক্ষা-ব্যৱস্থা (৩)

॥ ডঃ শ্ৰীসৰ্ব্বেশ্বৰ ৰাজগুৰু ॥

৭। পৰীক্ষা :—

মধ্য যুগৰ শিক্ষা ব্যৱস্থাত পৰীক্ষাৰ ব্যৱস্থা কেনেকুৱা আছিল, সেই বিষয়ে সমলৰ অভাৱত কোনো কথা সঠিকভাবে ক'ব পৰা নাযায়। সম্ভবতঃ ছাত্ৰই যি বিষয়ত অধ্যয়ন কৰিছিল সেই বিষয়ত পাৰদৰ্শিতা বা পৰিপক্কতা লাভ কৰিছেনে নাই তাক জানিবলৈ বৰ্ত্তমান যুগত থকাৰ দৰে পৰীক্ষা পদ্ধতি নাছিল। অধ্যয়ন কৰা বিষয়ত এজন ছাত্ৰই পাৰদৰ্শিতা বা নিপুণতা লাভ কৰাটো সম্ভৱতঃ অধ্যয়নৰ অন্তত পণ্ডিত আৰু অধ্যাপক সকলৰ—বিশেষকৈ ৰাজসভাৰ পণ্ডিত সকলৰ স্বীকৃতি লাভৰ দ্বাৰাহে স্থিৰ হৈছিল। সাধাৰণতে অধ্যয়ন বিষয়ৰ পাঠ্যক্ৰম অধ্যয়নৰ অন্তত যিসকল ছাত্ৰই পাৰদৰ্শিতা লাভ কৰি অধ্যাপকক সন্তুষ্ট কৰিব পাৰিছিল তেনে ছাত্ৰকহে অধ্যাপকে সমাবৰ্ত্তন উৎসৱ পাতি স্বীকৃতি দি গাৰ্হস্থ্যাশ্ৰমত প্ৰৱেশ কৰিবলৈ অনুমতি দিছিল। ইয়াৰ পাচতো এনে ছাত্ৰই পণ্ডিত সমাজৰ মাজত বা ৰাজসভাৰ পণ্ডিত সমাজৰ মাজত তৰ্কবাদ বা শাস্ত্ৰ চৰ্চ্চাত প্ৰবৃত্ত হৈ নিজৰ পাৰদৰ্শিতা প্ৰতিপন্ন কৰিব লাগিছিল। ছাত্ৰৰ পক্ষে এনে পণ্ডিত সমাজৰ মাজত নিজৰ পাণ্ডিত্য প্ৰমাণ কৰাটো স্বাভাৱিকতেই এটা কঠোৰ পৰীক্ষা আছিল। কিন্তু যিজন ছাত্ৰই বা পণ্ডিতে এনেদৰে নিজৰ পাণ্ডিত্য প্ৰমাণ কৰি দেখুৱাব পাৰিছিল তেওঁলোকৰ খিয়াতিও যথেষ্ট বিয়পি পৰিছিল। এনে পাণ্ডিত্য প্ৰমাণৰ পাচত কোনো কোনো ছাত্ৰই ৰজাৰ সমাদৰ লাভ কৰি ৰাজসভাতো নিয়োজিত হয়। সেই কালত ছাত্ৰই অধ্যাপকৰ পৰা স্বীকৃতি লাভ কৰি সমাবৰ্ত্তন উৎসৱ আৰু গুৰুদক্ষিণা

* কবিৰ বংশাৱলীৰ সম্পৰ্কে ভালেমান তথ্য আমাক স্নেহাস্পদ শ্ৰীৰমা বৰঠাকুৰ বি-টি বোপাই সংগ্ৰহ কৰি দিছে।

আদিৰ পাচতহে গাৰ্হস্থ্যাশ্ৰমত প্ৰবেশ লাভ কৰিব পাৰিছিল। গুৰুদক্ষিণা সংগ্ৰহৰ কাৰণে সেই কালত প্ৰায় ছাত্ৰই ৰাজসভালৈ গৈ ৰজাৰ পৰা অৰ্থ সংগ্ৰহ কৰিছিল। ৰজাৰ কাৰণেও গুৰুদক্ষিণাৰ অৰ্থ-প্ৰাৰ্থীক অৰ্থ সাহায্য দান কৰাটো এটা পৱিত্ৰ কৰ্ত্তব্য আছিল। কিন্তু প্ৰাৰ্থীয়ে গুৰুৰ কাৰণে এনেদৰে অৰ্থ সংগ্ৰহ কৰিবলৈ যাওঁতে ৰাজসভাত নিজৰ যোগ্যতাৰো, অৰ্থাৎ পাণ্ডিত্যৰো পৰিচয় দিব লাগিছিল।

অধ্যাপকসকলে ছাত্ৰসকলক মাজে সময়ে কোনো কোনো বিষয়ত পৰীক্ষা কৰি চাইছিল। উদাহৰণস্বৰূপে শঙ্কৰদেৱৰ অধ্যাপক মহেন্দ্ৰ কন্দলিয়ে এবাৰ তেওঁৰ ছাত্ৰসকলক এটা কবিতা ৰচনা কৰিবলৈ কৈছিল। চৰিত-পুথিত আছে যে শঙ্কৰদেৱৰ বাহিৰে কোনো-য়েই কন্দলিক কবিতা ৰচনা কৰি সন্তুষ্ট কৰিব নোৱাৰিলে। ৩৯। সেই কালত মুখে মুখে শ্লোক বা ছন্দযুক্ত কবিতাৰ চৰণ ৰচনা কৰি দেখুৱাটো এটা খেলৰ নিচিনাই আছিল। এইদৰে মুখে মুখে শ্লোক বা কবিতা ৰচনা কৰিবলৈ যথেষ্ট বুদ্ধি আৰু প্ৰতিভাৰ প্ৰয়োজন আছিল। ৪০। ইয়াৰ বাহিৰেও সেই যুগত প্ৰখ্যাত পণ্ডিত বুলি পৰিগণিত হবলৈ নিজ বিষয়ৰ প্ৰতিদ্বন্দী পণ্ডিত বিচাৰি ৰাজসভা বা পণ্ডিত সমাজৰ মাজত তৰ্কবাদ বা আলো-চনাত পৰাস্ত কৰিব লগাটো একপ্ৰকাৰ প্ৰথাই আছিল। এনেদৰে জয়লাভ কৰিব পৰা পণ্ডিতৰ যশস্যা আৰু প্ৰতিপত্তি বৃদ্ধি হৈছিল।

৮। পাঠ্যক্ৰম :—

প্ৰাচীন ভাৰতবৰ্ষত ছাত্ৰৰ অধ্যয়নৰ পাঠ্য-ক্ৰমৰ ভিতৰত বহুতো বিষয়েই অন্তৰ্ভুক্ত থকাৰ কথা জনা যায়। বিষয়বোৰ হ'ল : বেদ, বেদাঙ্গ, উপবেদ, সৰ্পবিদ্যা, পিশাচ-বিদ্যা ৰক্ষবিদ্যা, অসুৰবিদ্যা, ইতিহাস, পুৰাণ ইত্যাদি। শিক্ষা, ছন্দ, ব্যাকৰণ, নিৰুক্ত, জ্যোতিষ, কলা আৰু আত্ম আৰু ঈশ্বৰ বিষয়ৰ অধ্যয়ন বৈদিক শিক্ষাৰ অন্তভুৰ্ক্ত আছিল। ৪১। প্ৰাচীন কামৰূপৰ ৰজাসকলৰ যিবিলাক তামৰ শাসন পোৱা গৈছে তাতো বিদ্যা আৰু কলাৰ অধ্য-য়নৰ উল্লেখ আছে। কলাৰ আকৌ ৬৪টা শাখা আছে। বিদ্যাৰ অন্তৰ্গত চাৰিখন বেদ; আয়ুৰ্ব্বেদ, ধনুৰ্ব্বেদ, গন্ধৰ্ব্ববেদ আৰু তন্ত্ৰৰ সৈতে চাৰিখন উপবেদ; ছখন বেদাঙ্গ; ইতি-হাস, পুৰাণ, স্মৃতি, অৰ্থশাস্ত্ৰ, কামশাস্ত্ৰ, শিল্পশাস্ত্ৰ, অলঙ্কাৰ, কাব্য ইত্যাদি। প্ৰাচীন যুগৰ শাসনৰ পৰা আমি জানিব পাৰো যে প্ৰাচীন কামৰূপৰ কিছুমান ব্ৰাহ্মণ আৰু ৰজাই ওপৰত উল্লেখ কৰা জ্ঞানৰ বিভিন্ন শাখাত শিক্ষা বা পাৰদৰ্শিতা লাভ কৰিছিল। ৪২।

৩৯। কথা গুৰু চৰিত — ১৯৫০ — পৃষ্ঠা — ২৭।
৪০। আসাম বন্ধু — গুণাভিৰাম বৰুৱা সম্পাদিত — খণ্ড ০, সংখ্যা ৫ আৰু ৬।
৪১। History of the Civilization of the people of Assam—ড: প্ৰতাপ চন্দ্ৰ চৌধুৰী, পৃ: ৪৪৬।
৪২। History of the Civilization of the people of Assam—ড: প্ৰতাপ চন্দ্ৰ চৌধুৰী, পৃ: ৪৪৯।



আমাৰ আলোচ্য মধ্য যুগতো শিক্ষাৰ বিষয় প্ৰাচীন যুগৰ দৰেই বিস্তৃত আৰু ব্যাপক আছিল। দৰং ৰাজবংশাৱলীত উল্লেখ আছে যে কোচ ৰজাসকলৰ পুৰোহিত সাৰ্ব্বভৌম ভট্টাচাৰ্য্য এজন প্ৰখ্যাত পণ্ডিত আছিল। এওঁৰ অধ্যয়নৰ পৰিসৰৰ বিষয়ে দৰং ৰাজ-বংশাৱলীত আছে :—

সাৰ্ব্বভৌম নামে ভৈলা ৰাজপুৰোহিত।
চাৰি বেদ চৈধ্য শাস্ত্ৰ সবাতে পণ্ডিত ॥
শ্ৰুতি স্মৃতি বেদ বেদাঙ্গৰ তত্ত্ব জানে।
জানয় বিশেষ চতুষষ্টি কলা মানে ॥
বাৰকন্ধ ভাগৱত পুৰাণ যতেক।
সপ্ত কাণ্ড ৰামায়ণ ভাৰন্ত প্ৰত্যেক ॥
অঠৰয় (ওঠৰ) তন্ত্ৰ কাব্য গণ যত যত।
গীত বাদ্য আদি কৰি সবাতে পাৰ্গত ॥
বাঁহ কাঠ আদি কৰি আনো যত কাম।
সবাকে জানয় এতে সাৰ্ব্বভৌম নাম ॥
ধ্যান মন্ত্ৰে তুষিলেক পাৰ্ব্বতী গোসাঁনী।
যেহি বোলে সেহি হুৱে বাক্য নহে হানি ॥
পৰম গহন ধৰ্ম্ম শাস্ত্ৰত পাৰ্গত।
নৃপতিক ধৰ্ম্ম শিক্ষা দেন্ত নানা মত ॥ ৪৩

প্ৰাচীন যুগৰ শেষৰফালে কামৰূপ ৰাজ্য তান্ত্ৰিক চৰ্চ্চাৰ প্ৰধান কেন্দ্ৰ হৈ উঠিছিল। গতিকে মধ্যযুগতো তন্ত্ৰ শিক্ষাৰ বিষয় হোৱাটো স্বাভা-ৱিক কথা। প্ৰাচীন যুগত তন্ত্ৰৰ অধ্যয়ন ব্যাপকভাৱে হৈছিল। ইন্দ্ৰপালৰ গুৱাহাটী শাসনৰ পৰা জনা যায় যে তন্ত্ৰ সেই সময়ত শিক্ষাৰ এটা প্ৰধান বিষয় আছিল আৰু ইন্দ্ৰপাল নিজেই তন্ত্ৰত এজন সু-পণ্ডিত আছিল। ৪৪। আহোম যুগৰ ৰচনা বুলি পৰিগণিত হোৱা যোগিনী তন্ত্ৰ, গুপ্তমণি, গুপ্তসাৰ আদি গ্ৰন্থই মধ্য যুগতো তন্ত্ৰৰ চৰ্চ্চাৰ প্ৰচলন থকাৰ কথাকেই সমৰ্থন কৰে। ৪৫। অসমত তন্ত্ৰৰ চৰ্চ্চাৰ ফলতেই তন্ত্ৰ-মন্ত্ৰ আৰু যাদু বিদ্যাৰ চৰ্চ্চাই ব্যাপকভাৱে প্ৰসাৰ লাভ কৰিছিল। মধ্য যুগৰ সংস্কৃত টোল বা চতুষ্পাঠীবোৰত প্ৰাচীন কালৰ দৰেই বহুত বিষয়ৰ শিক্ষা দিয়া হৈছিল বুলি বিভিন্ন তথ্যৰ পৰা জনা যায়। কথাগুৰুচৰিতৰ পৰা জনা যায় যে মহেন্দ্ৰ কন্দলিৰ টোলত শঙ্কৰদেৱে বহুতো বিষয়ৰ অধ্যয়ন কৰিছিল। শঙ্কৰদেৱে অধ্যয়ন কৰাৰ ভিতৰত চাৰিবেদ, চৈধ্য শাস্ত্ৰ, ওঁঠৰ পুৰাণ, মহাভাৰত, চৈধ্যখন ব্যাকৰণ, ওঁঠৰখন তন্ত্ৰ, ওঁঠৰখন কাব্য, ওঁঠৰখন কোষ ইত্যাদি। ৪৬।

মধ্য যুগত অসমৰ বিভিন্ন অঞ্চলত বহুতো প্ৰখ্যাত সংস্কৃতজ্ঞ পণ্ডিত থকাৰ কথা জনা যায়। এই বিষয়ে আগতে উল্লেখ কৰি অহা হৈছে। এই পণ্ডিতসকলে বিভিন্ন বিষয়ৰ চৰ্চ্চা কৰিছিল আৰু গ্ৰন্থাদি প্ৰণয়ন কৰিছিল। এই কথা এই কাৰণেই উল্লেখ কৰা হৈছে যে মধ্য যুগতো শিক্ষা ব্যৱস্থা প্ৰধানতঃ চৰ্চ্চা-মূলকহে আছিল। সত্ৰ, বিভিন্ন অঞ্চলৰ টোল

৪৩। দৰং ৰাজবংশাৱলী — পদ সংখ্যা ১৭৩—১৭৬।
৪৪। History of the Civilization of the people of Assam পৃষ্ঠা ৪০৭।
৪৫। অসমীয়া সাহিত্যৰ ইতিবৃত্ত— ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মা, ১৯৮১— পৃষ্ঠা ১৫৪
৪৬। কথাগুৰুচৰিত, ১৯৫২— পৃষ্ঠা ২৮।

আৰু ৰাজসভাত সংস্কৃতজ্ঞ পণ্ডিত আৰু সাহিত্যিক সকলৰ উপৰিও বৈষ্ণৱ ধৰ্ম্মৰ প্ৰৱৰ্ত্তক আৰু প্ৰচাৰক সকলৰ ভিতৰতো বহুত উল্লেখ যোগ্য সংস্কৃতজ্ঞ ডাঙৰ পণ্ডিত আৰু সাহিত্যিক আছিল। শঙ্কৰদেৱ, দামোদৰদেৱ, মাধৱদেৱ, হৰিদেৱ, ভট্টদেৱ, অনন্তকন্দলি, ৰামসৰস্বতী আদি এই যুগৰ ডাঙৰ পণ্ডিত আছিল। বৈকুণ্ঠনাথ ভট্টদেৱ মধ্য যুগৰ এজন প্ৰধান সংস্কৃতজ্ঞ পণ্ডিত আছিল। সংস্কৃতৰ পৰা এওঁ ভাগৱত আৰু শ্ৰীমদ্ভাগৱত গীতা তান্ত্ৰিক ব্যাখ্যা সহ সৰল অসমীয়া গদ্যলৈ অনুবাদ কৰিছিল আৰু আন কেইবাখনো গ্ৰন্থ সৰল সংস্কৃত ভাষাত ৰচনা কৰিছিল। ভাগৱতৰ দশম স্কন্ধৰ অসমীয়ালৈ অনুবাদ কৰোঁতে অনন্ত কন্দলিয়ে প্ৰকাশ কৰিছে যে তেওঁ সংস্কৃততো শ্লোক ৰচনা কৰিব পাৰে, কিন্তু স্ত্ৰী আৰু শূদ্ৰৰ কাৰণেহে তেওঁ সংস্কৃত ভাষাত ৰচনা নকৰি অসমীয়া ভাষাত ৰচনা কৰিছে। ৪৭। কোচ ৰজা নৰনাৰায়ণ আৰু তেওঁৰ ভায়েক চিলাৰায়ে ছাত্ৰ অৱস্থাত ব্যাকৰণ, পুৰাণ; স্মৃতি, মীমাংসা, অথৰ্ব্ববেদ, তৰ্কশাস্ত্ৰ, জ্যোতিষ আৰু নীতিশাস্ত্ৰ আদি অধ্যয়ন কৰাৰ কথা দৰং ৰাজবংশাৱলীত আছে। তদুপৰি ৰজা নৰনাৰায়ণ আৰু তেওঁৰ পত্নীয়ে ৰাজ্যৰ সকলো শ্ৰেণীৰ মানুহে যাতে সহজে সংস্কৃত শিক্ষা লাভ কৰিব পাৰে তাৰ কাৰণে ৰাজসভাৰ পণ্ডিত পুৰুষোত্তম ভট্টাচাৰ্য্যক সৰল প্ৰণালীৰে এখন ব্যাকৰণ ৰচনা কৰিবলৈ অনুৰোধ কৰিছিল। এই অনুৰোধৰ কাৰণেই পুৰুষোত্তম ভট্টাচাৰ্য্যই প্ৰয়োগৰত্নমালা নামৰ ব্যাকৰণখন ৰচনা কৰিছিল। এই ব্যাকৰণখন আজিকালিও অসম আৰু বঙ্গদেশৰ টোল বিলাকত চলি আছে। নৰনাৰায়ণৰ ৰাজসভাৰ আন এজন প্ৰখ্যাত পণ্ডিত হৈছে পীতাম্বৰ সিদ্ধান্ত বাগীশ। এওঁ কৌমুদী নামৰ ওঠৰখন স্মৃতি গ্ৰন্থ ৰচনা কৰিছিল। ৪৮। চৰিত পুথিৰ পৰা জনা যায় যে মহাৰাজ নৰনাৰায়ণে তেওঁৰ ৰাজসভাৰ সৰু-ডাঙৰ বিষয়াসকলক সংস্কৃত ভাষাৰ মাধ্যমেদি ৰাজকাৰ্য্য পৰিচালনা কৰিবলৈ নিৰ্দ্দেশ দিছিল। মহাৰাজ নৰনাৰায়ণৰ আমোলত সৰ্ব্বসাধাৰণ লোকেও যে সংস্কৃত ভাষা ভালকৈ জানিছিল তাৰ এটা আমোদজনক কাহিনী চৰিত পুথিত আছে। এবাৰ ভাটীৰ ফালৰ কবিচন্দ্ৰ নামৰ এজন সংস্কৃতজ্ঞ পণ্ডিত তৰ্ক কৰিবলৈ প্ৰতিবাদী পণ্ডিত বিচাৰি কোচবিহাৰলৈ আহিল। কবিচন্দ্ৰ আৰু তেওঁৰ শিষ্যসকলে শঙ্কৰদেৱক বিচাৰি নগৰত ঘূৰি ফুৰোঁতে যি বাটৰুৱাকে কথা সুধিছিল তেৱেঁই সুন্দৰ সংস্কৃত ভাষাত উত্তৰ দিয়া শুনি কবিচন্দ্ৰই শিষ্যসকলক কৈছিল বোলে "এইখন পণ্ডিতৰেই দেশ।" ৪৯।

৯। শিক্ষাৰ বিস্তাৰ :—

মধ্যযুগত অসমত ব্যাপকভাৱে শিক্ষাৰ অনুষ্ঠান নাছিল যদিও নব-বৈষ্ণৱ আন্দোলন

৪৭। অসমীয়া সাহিত্যৰ ইতিবৃত্ত — ডক্তৰ সত্যেন্দ্ৰনাথ শৰ্ম্মা, ১৯৬১—পৃষ্ঠা ১০০।
৪৮। দৰং ৰাজবংশাৱলী — পদ সংখ্যা — ২৬৬-২৬৮, ৫০৪-৫০৬, ১৭৭৩-১৭৭০।
৪৯। কথাগুৰুচৰিত, ১৯৫২—পৃষ্ঠা ১৯২-১৯৩।



আৰু ৰজাসকলৰ পৃষ্ঠপোষকতাত সৰ্ব্বসাধাৰণৰ সাংস্কৃতিক মানদণ্ড উন্নত হৈছিল। লিখা-পঢ়া নাজানিলেও, ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাৰ ভাষাত এওঁলোকক অনক্ষৰী শিক্ষিত (Illiterate literacy) বুলি ক'ব পাৰি। নৃত্য, গীত, বাদ্য, অভিনয়, বিভিন্ন শিল্পকলাৰ চৰ্চ্চামূলক শিক্ষা বৈষ্ণৱ আন্দোলন আৰু ৰজাঘৰৰ পৃষ্ঠপোষকতাত অসমত সেই যুগত ব্যাপকভাৱে হৈছিল। বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱত বহুতো বয়সীয়া লোকেও এই বিলাক শিল্পকলাৰ বাহিৰেও লিখা-পঢ়া কৰিবলৈও আগবাঢ়ি আহিছিল। (এনে উদাহৰণ আগৰ আলোচনাত উল্লেখ কৰি অহা হৈছে)। আহোমসকলৰ আমোলত প্ৰায় সকলো অসমীয়া ভদ্ৰলোকৰ কাৰণে বুৰঞ্জীৰ জ্ঞান অপৰিহাৰ্য্য আছিল। ৰাজধানীৰপৰা আঁতৰত থকা সহস্ৰসংখ্যক গাঁৱলীয়া লোকেও ৰাজধানী "গড়গাঁৱৰ বাতৰি"ৰ পৰা, অৰ্থাৎ ৰাজধানী গড়গাঁৱৰ পৰা অহা ৰাজনৈতিক বাতৰিৰ পৰা ৰাজনীতিৰ জ্ঞান আহৰণ কৰিছিল। ইয়াৰ ফলত সৰ্ব্বসাধাৰণলোকো ৰাজনৈতিক ভাৱে সচেতন হৈছিল। ৰাজ্যত যেতিয়াই যি কোনো ধৰণৰ ৰাজনৈতিক অৱস্থাৰ সৃষ্টি নহওক লাগে, সৰ্ব্বসাধাৰণলোকে সেই অৱস্থাৰ লগত নিজকে খাপ-খুৱাই লব পাৰিছিল। আহোমৰ আমোলত যে ভাস্কৰ্য্য, স্থাপত্য, বিভিন্ন শিল্প-ব্যৱসায়, বিভিন্ন পশু-পক্ষীৰ শিক্ষা আৰু চিকিৎসা, ঔষধ, জ্যোতিষ আদিৰ চৰ্চ্চা আৰু শিক্ষা নিয়মিত ভাৱে হৈছিল তাক ৰাজ্যত এই বিষয়বোৰত হোৱা উন্নতিৰ তথ্য আৰু এই বিষয়বোৰত ৰচিত হোৱা গ্ৰন্থই প্ৰমাণ কৰিছে। ৰাজকোঁৱৰসকলক ৰাজনীতিৰ শিক্ষা আৰু বিষয়া সকলক প্ৰশাসনীয় শিক্ষা দিবলৈও আহোমৰ আমোলত গ্ৰন্থ ৰচনা হৈছিল। ৫০। আহোম ৰাজসভাৰ সম্ভ্ৰান্ত ডাঙৰীয়া আৰু আন বিষয়াসকল যে হিন্দু নীতি-শাস্ত্ৰত অভিজ্ঞ লোক আছিল তাক আহোম ৰাজসভাৰপৰা আন আন ৰাজ্যলৈ বিভিন্ন সময়ত পঠোৱা কূটনৈতিক পত্ৰ আৰু বিভিন্ন ৰাজনৈতিক ব্যক্তিয়ে দেশৰ বিভিন্ন সময়ত দিয়া অভিমতবোৰৰ পৰা জানিব পৰা যায়। আহোম ৰাজত্বৰ শেষৰ ফালে স্বৰ্গদেও কমলেশ্বৰসিংহৰ পৃষ্ঠপোষকতাত বাগীশ দ্বিজ নামৰ এজন পণ্ডিতে ৰচনা কৰা 'নীতি-লতাঙ্কুৰ' নামৰ নীতি-শাস্ত্ৰৰ গ্ৰন্থয়ো এই কথাৰ প্ৰত্যক্ষ প্ৰমাণ দাঙি ধৰিছে। ৫১। ৰাজসভাৰ উচ্চ পৰ্য্যায়ৰ বিষয়াসকলৰ চিত্ৰ-বিদ্যা, পদ ৰচনা আৰু কাম-শাস্ত্ৰ আদিৰ চৰ্চ্চাৰ প্ৰতি ৰাপ আছিল। কোনো কোনো বিষয়াই এইবোৰৰ নিজে চৰ্চ্চা কৰিছিল আৰু কোনো কোনোৱে এই বিষয়বোৰত ৰাপ থকালোকক পৃষ্ঠপোষকতা কৰি এইবোৰৰ চৰ্চ্চা কৰোৱাইছিল। ৫২।

নব-বৈষ্ণৱ আন্দোলনে সৰ্ব্বসাধাৰণলোকক কাব্য, পুৰাণ, ধৰ্ম্মশাস্ত্ৰ আদিৰ বিষয় বস্তুৰ লগত পৰিচয় কৰি দিয়াৰ উপৰিও সাংস্কৃতিক কাৰ্য্যৰ যোগেদি নৃত্য, গীত, বাদ্য, অভিনয় আৰু বিভিন্ন প্ৰকাৰ হস্ত-শিল্পত নিপুণ কৰি তুলিছিল।

৫০। Studies in the literature of Assam ১৯৫৬—পৃষ্ঠা ১৩
৫১। নীতি লতাঙ্কুৰ, শ্ৰীশৰৎচন্দ্ৰ গোস্বামী সম্পাদিত—১৯৪১—আগকথা VII-VIII.
৫২। Studies in the literature of Assam—১৯৫৬—পৃষ্ঠা ১৩

# অসম সাহিত্য সভাৰ কথা

## (ক) অসম সাহিত্য সভা অষ্টাত্ৰিংশ মুকলি অধিবেশন — মাকুম, ১৯৭১ চন।

॥ শ্ৰীভিদ্বেশ্বৰ শৰ্ম্মা
—সহকাৰী সম্পাদক ॥

অসম সাহিত্য সভাৰ অষ্টাত্ৰিংশ মুকলি অধিবেশন চাহ বাগিছাৰে পৰিবেষ্টিত আৰু বুৰঞ্জীৰ গৌৰৱেৰে গৌৰৱান্বিত উজনিৰ সৰু চহৰ মাকুমত চাৰি দিনীয়া কাৰ্য্য-সূচীৰে অত্যন্ত উলহ-মালহৰ মাজত অনুষ্ঠিত হয়। ২২ এপ্ৰিল বৃহস্পতিবাৰে পুৱাবেলাৰ পৰা অসমৰ বিভিন্ন ঠাইৰ পৰা অহা প্ৰতিনিধিৰ সোঁত ববলৈ ধৰে। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সদস্য সকল আৰু নৱ-নিৰ্ব্বাচিত সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাও সেই দিনাই মাকুম পোৱাত মাকুম চহৰ জনসমাগমেৰে মুখৰিত হৈ পৰে ॥

২২ এপ্ৰিলৰ গধূলি ৫-৯ বজালৈ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অধিবেশন উপ-সভাপতি শ্ৰীপৰাগ চলিহাৰ সভাপতিত্বত বহে। সমিতিয়ে ২৩খন নতুন শাখা সভা আৰু ৪৮জন নতুন আজীৱন সভ্যক স্বীকৃতি দিয়ে। গত বছৰটোত ৪১ খন শাখা সভা বৃদ্ধি হোৱাত আৰু ১০৬ জন নতুন আজীৱন সভ্য হোৱাত সমিতিয়ে সন্তোষ প্ৰকাশ কৰে। প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে দাঙি ধৰা সম্পাদকীয় প্ৰতিবেদন আৰু হিচাব (হিচাব পৰীক্ষকৰ মন্তব্য সহ) সমিতিয়ে গ্ৰহণ কৰে।

২৩ এপ্ৰিল শুকুৰবাৰে পুৱা ৮ বজাত চিপ্‌চিপীয়া বৰষুণৰ মাজতে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাই অসম সাহিত্য সভা পতাকা উত্তোলন কৰি সাহিত্য সভাৰ অতীত গৌৰৱ সোঁৱৰে আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰে।

পুৱা ৮-৩০ বজাত প্ৰাক্তন সভাপতি বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে প্ৰদৰ্শনী উদ্বোধন কৰি অফুৰন্ত কৰ্ম্মশক্তিৰ সদ্ব্যৱহাৰ কৰি দেশক সমৃদ্ধ কৰি তুলিবলৈ যুৱক-যুৱতীসকলক উদাৰ আহ্বান জনায়।

পুৱাবেলা ৯-১২ বজালৈ বিষয় বাছনি সভা নৱ-নিৰ্ব্বাচিত সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাৰ সভাপতিত্বত বহে। প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে প্ৰতিবেদনত কয় যে গত বছৰটোত অসম সাহিত্য সভাই ৪৫ হেজাৰ টকাতকৈও অধিক ঋণ পৰিশোধ কৰিছে যদিও আৰু সিমানখিনি ঋণ এতিয়াও পৰিশোধ কৰিবলৈ



আছে। গত বছৰত সাহিত্য সভাৰ গ্ৰন্থ বিক্ৰী সম্পৰ্কত হোৱা সাফল্যৰ কথা তেখেতে উল্লেখ কৰে আৰু পদ্মনাথ গোহাঞিবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ জন্ম শতবাৰ্ষিকীৰ আয়োজনৰ কথা তেখেতে কয়। সম্পাদকীয় প্ৰতিবেদন আৰু হিচাব গ্ৰহণ কৰা হয়।

আবেলি ১-৩০ ৰ পৰা ৫ বজালৈ বহা বিষয় বাচনি সভাত সভাপতিত্ব কৰে উপ-সভাপতি শ্ৰীপৰাগ চলিহাই। সভাই ৬ টা প্ৰস্তাৱ গ্ৰহণ কৰে। সভাৰ সংগঠন সম্পৰ্কীয় আৱশ্যকীয় সাল-সলনিৰ বাবে কেবাটাও প্ৰস্তাৱ অহাত সভাই চলিত বছৰৰ জুলাই মাহত নিয়মাৱলী সংশোধনৰ প্ৰস্তাৱ শাখা সভা সমূহৰ পৰা আহ্বান কৰি আগৰ বছৰৰ বিষয়-বাছনি সভাত নিয়মাৱলী সংশোধনৰ প্ৰস্তাৱ দাঙি ধৰিবলৈ পৰামৰ্শ দিয়ে। অভিধান, শব্দকোষ, বাগানৰ বনুৱাৰ মাজত অসমীয়া পাঠ্যপুথি, পৰ্ব্বত ভৈয়াম সম্প্ৰীতিমূলক পুথি প্ৰকাশ, শিশু-সাহিত্য সদন গঠন, লিখক শিবিৰৰ আয়োজন আদিৰ প্ৰস্তাৱখিনি কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ বিবেচনাৰ্থে সভাই স্থগিত ৰাখে।

২৩ এপ্ৰিল ৰাতি ৬-১১-৩০ বজালৈ বিষয়-বাছনি সভাৰ তৃতীয় বৈঠক শ্ৰীপৰাগ চলিহাৰ সভাপতিত্বত বহে। উপ সভাপতি নিৰ্ব্বাচনৰ ভোট গ্ৰহণৰ সময়ছোৱাত প্ৰাক্তন সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই সভাপতিত্ব কৰে। শ্ৰীপৰাগ চলিহা উপ সভাপতি, শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী প্ৰধান সম্পাদক, শ্ৰী আনন্দ ছাত্ৰৰ পত্ৰিকা সম্পাদক আৰু শ্ৰীনবীনচন্দ্ৰ বৰদলৈ ধন ভঁৰালী নিৰ্ব্বাচিত হয়। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ আন ১৬টা সভ্য পদৰ বাবে ৫৪টা নাম প্ৰস্তাৱিত হোৱাত বহু আলোচনাৰ পাছত সভাই পূৰ্ব্বৰ ৰীতিকে ৰক্ষা কৰি সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মা, প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, প্ৰাক্তন সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা আৰু প্ৰতিনিধি শ্ৰীগিৰিধৰ শৰ্ম্মাৰে গঠিত এখন সমিতিৰ ওপৰত ১৬ জন সভ্য বাছি দিবলৈ ভাৰ দিয়ে।

২৪ এপ্ৰিলত মুকলি অধিবেশনৰ প্ৰথম দিনা বতৰ সম্পূৰ্ণ পৰিষ্কাৰ থকাত চাৰিও ফালৰ পৰা অহা অগণন জনতাৰে বাটপথ ভৰি পৰে। পুৱাবেলা ৮-১১-৩০ বজালৈ প্ৰবীণ কবি শ্ৰীকমলেশ্বৰ চলিহাৰ সভাপতিত্বত কবি সন্মিলন বহে। সভাত আন বছৰৰ কবি সন্মিলনৰ তুলনাত জনসমাবেশ সন্তোষ জনক হৈছে বুলি বহু সন্মিলনত উপস্থিত থকা প্ৰাক্তন সভাপতি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাই কয়। বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে 'সোঅহম' নামে স্বৰচিত কবিতাৰ আবৃত্তিৰে সভা উদ্বোধন কৰে। ধ্বনি কবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাই 'অ ৰূপহী ! তোমাৰ কিমান দূৰত ঘৰ' নামে স্বৰচিত কবিতা আবৃত্তি কৰি কয় যে এই কবিতাৰ সুৰ তেখেতৰ আনবিলাক কবিতাৰ লগত নিমিলিলেও কবিতাটি কিন্তু তেখেতৰ নিজৰ ৰচনা। একেজন কবিয়ে সদায় যে একেধৰণৰ কবিতাকে লিখিব লাগে তাৰ নিশ্চয় কোনো অৰ্থ নাই। কাব্যযোগী শ্ৰীআনন্দ চন্দ্ৰ বৰুৱাই দুটি স্বৰচিত কবিতা 'কবিতা যেতিয়া আহে' আৰু 'এটি চাহ-ছোৱালী'

আবৃত্তি কৰে। দ্বিতীয় কবিতাটিত চাহ বাগিছাৰ বনুৱাসকলৰ ঝুমুৰ গীতৰ কলি সুমুৱাই দিয়াত কবিতাটি বিশেষ আকৰ্ষণীয় হৈছিল। অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই পঠোৱা 'মাকুমৰ পণ' নামে কবিতাটিও শ্ৰীবৰুৱাদেৱে আবৃত্তি কৰে। অসমীয়া ভাষা আয়ত্ব কৰি অসমীয়াত সুন্দৰ কবিতা লিখা প্ৰতিভাশালী কবি শ্ৰীৰাজেন্দ্ৰ প্ৰতাপ কৰণক শ্ৰীবৰুৱাদেৱে পৰিচয় জ্ঞাপন কৰাৰ পিছত শ্ৰীকৰণে গণেশ গগৈৰ 'পাপৰি'ৰ একাংশ আৰু ইয়াৰ হিন্দী অনুবাদ আবেগিকভাৱে আবৃত্তি কৰি শ্ৰোতাসকলক মুগ্ধ কৰে। তদুপৰি তেওঁ 'মদাৰ' নামে এটি স্বৰচিত অসমীয়া কবিতা আবৃত্তি কৰে।

কহিমাৰ শ্ৰীহৰিপ্ৰসাদ গোৰ্খাৰায়ে 'উকণীয়া মন' আৰু 'এটি প্ৰশ্ন এটি পৰিচয়' নামে দুটি স্বৰচিত কবিতা আবৃত্তি কৰে। দ্বিতীয় কবিতাটিত পৰ্ব্বত ভৈয়ামৰ ঐক্যৰ ওপৰত আবেগিক ভাৱে আলোকপাত কৰে। অমূল্য বৰুৱাৰ অপ্ৰকাশিত কবিতা এটি আৰু আন এটি স্বৰচিত কবিতাৰ আবৃত্তি কৰে শ্ৰী প্ৰমোদকুমাৰ বৰদলৈয়ে। বয়োবৃদ্ধ কবি শ্ৰীঅম্বেশ্বৰ চেতিয়া ফুকনে মুণ্ডা লোকগীত আৰু ইয়াৰ অসমীয়া অনুবাদ পাঠ কৰাৰ উপৰিও 'অনুপমা তোমাক ভাল পাওঁ' নামে স্বৰচিত ৰোমাণ্টিক কবিতা এটি আবৃত্তি কৰে। আন এজন বয়োবৃদ্ধ কবি শ্ৰীশ্ৰীৰামচন্দ্ৰ দাসে 'হাতে লিখা কিতাপৰ বোজা' নামে এটি ৰসাল কথা কবিতা পাঠ কৰে। ইয়াৰ বাহিৰে স্বৰচিত কবিতা আবৃত্তি কৰা সকলৰ ভিতৰত আছিল শ্ৰীবীৰেণ বৰকটকী, শ্ৰীনিত্যা দত্ত, শ্ৰীমতী এলি আহমদ, শ্ৰীমতী কৃষ্ণপ্ৰিয়া হাজৰিকা, শ্ৰীযজ্ঞেশ্বৰাম গগৈ, শ্ৰীচুজাউদ্দিন আহমদ, শ্ৰীনবীনচন্দ্ৰ বৰদলৈ, শ্ৰীললিত শৰ্ম্মা বৰুৱা; শ্ৰীচন্দ্ৰ চেতিয়া, শ্ৰীইৰফানুল হক, শ্ৰীমতী শশীপ্ৰভা দত্ত, শ্ৰীমতী ৰেণু শইকীয়া, শ্ৰীমতী ফাতেমা খাতুন শ্ৰীমহেন্দ্ৰ নাৰায়ন চৌধুৰী আদি।

আলোচনাত অংশ গ্ৰহণ কৰি ডঃ মহেশ্বৰ নেওগে 'ৰাতিপুৱাৰ ডায়েৰী' নামে এটি স্বৰচিত কথা কবিতা আবৃত্তি কৰে। ডঃ নেওগে প্ৰাচীনত্বৰ পৰা নতুনত্বলৈ কবিতা বিবৰ্ত্তনৰ কথা কয়। তেখেতে কয় যে বেলগাড়ী চলাৰ দৰে কবিতা আগলৈকো চলে আৰু পাছলৈকো চলে অৰ্থাৎ কবিতাই দূৰ অতীতৰ পৰা দূৰ ভবিষ্যতলৈকে প্ৰাণৰ সংস্তুদ আমাক দিয়ে। কবিতাত Magic আৰু Music অৰ্থাৎ আশ্চৰ্য্যবোধ আৰু সঙ্গীত এই দুটা বস্তু আৰু প্ৰাণৰ সস্তেদ থাকিব লাগিব। আনজন বক্তা ডঃ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীয়ে শ্ৰীৰাজেন্দ্ৰ প্ৰতাপ কৰণৰ অসমীয়া ভাষা প্ৰীতি আৰু তেওঁৰ ৰ'মাণ্টিক ধাৰাক প্ৰশংসা কৰে। ডঃ গোস্বামীয়ে কয় যে অসমীয়া সাহিত্যত ৰ'মাণ্টিক ভাবধাৰা চলি থকা উচিত। সভাপতি শ্ৰীচলিহাই তত্ব গধুৰ ছাপা ভাষণ পাঠ কৰে আৰু স্বৰচিত 'ব্ৰহ্মপুত্ৰ' কবিতা আবৃত্তি কৰে।

## মুকলি অধিবেশন

২৪ এপ্ৰিলৰ দিনৰ ১২-৩০ ৰ পৰা সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাৰ বাসভৱনৰ পৰা সভামণ্ডপ অভিমুখে সমদল যাত্ৰা কৰা হয়।



মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰমোহন চৌধুৰী প্ৰমুখ্যে মন্ত্ৰী সকলেও সমদল যাত্ৰাত যোগ দিয়ে। ৰসৰাজ লক্ষীনাথ বেজবৰুৱা, আনন্দ ৰাম ঢেকীয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম বৰুৱা, তৰুণ ৰাম ফুকন, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, পদ্মনাথ গোহাঁইবৰুৱা, ৰঘুনাথ চৌধাৰী, গোপীনাথ বৰদলৈ, ফণী শৰ্ম্মা, এই বাৰ জন বিশিষ্ট অসমীয়াৰ কাঠত অঙ্কিত পূৰ্ণ পৰ্য্যায়ৰ ছবি চকা লগোৱা গাড়ীত সমদলৰ লগতে চলাই নিয়াত সমদলৰ গাম্ভীৰ্য্য বৃদ্ধি হয়। এইটো আছিল মাকুমৰ সমদলৰ বিশেষত্ব। ১ বজাত বিৰাট সভামণ্ডপত অগণন জনতাৰে ভৰি পৰে। অভ্যৰ্থনা সমিতিৰ ফালৰ পৰা শ্ৰীগিৰীন্দ্ৰ কুমাৰ ৰাজখোৱাই সভাপতিক মাল্য দান কৰে। বিদায়ী উপ-সভাপতি শ্ৰীপৰাগ চলিহাই মঞ্চত আসন গ্ৰহণ কৰা বিশিষ্ট অতিথিসকলৰ পৰিচয় প্ৰদান কৰে।

সভা উদ্বোধন কৰি মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে অসমৰ ঐক্য আৰু সংহতিৰ বাবে আহ্বান জনায়। অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীৰমেশ চন্দ্ৰ বৰুৱা আৰু কাৰ্য্যকৰী সভাপতি শ্ৰীত্ৰিবেণীপ্ৰসাদ সিংহই দুটি ভাষণ পাঠ কৰি চাহ-বাগিছাৰে পৰিবেষ্টিত উজনিৰ এই সৰু ঐতিহ্যপূৰ্ণ চহৰ মাকুমত বহা অসম সাহিত্য সভাৰ মুকলি অধিবেশনত গুৰুত্ব আৰোপ কৰে। সভাপতি শ্ৰী তীৰ্থনাথ শৰ্ম্মাই আসন গ্ৰহণ কৰে। সভাই বিখ্যাত ৰাজনীতিজ্ঞ আৰু সাহিত্যিক সংগঠক ডঃ কানাইলাল মানিকলাল মুন্সী, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু অসম সাহিত্য সভাৰ আজীৱন সভ্য বিমলাপ্ৰসাদ চলিহা, নটসূৰ্য্য ফণী শৰ্ম্মা, নাট্যকাৰ অভিনেতা সৰ্বেশ্বৰ চক্ৰবৰ্ত্তী, শিক্ষাবিদ সাহিত্যিক ডঃ প্ৰসন্ন চন্দ্ৰ গোস্বামী, সুসাহিত্যিক নিৰ্ম্মলেশ্বৰ শৰ্ম্মা, শিক্ষাবিদ গোবিন্দ চন্দ্ৰ শৰ্ম্মা আদি ৩০ জন বিশিষ্ট লোকৰ মৃত্যুত শোক প্ৰকাশ কৰি নীৰৱ প্ৰাৰ্থনা জনায়।

সহকাৰী সম্পাদক শ্ৰী ভিম্বেশ্বৰ শৰ্ম্মাই পদ্মশ্ৰী নলিনীবালা দেৱী, অসম আৰু নগাৰাজ্যৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ শ্ৰীপাৰ্ব্বতী কুমাৰ গোস্বামী, কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীফকৰুদ্দিন আলি আহমদ, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ সত্যৰঞ্জন বৰুৱা, প্ৰবীণ সাহিত্যিক শ্ৰীদীননাথ শৰ্ম্মা আদিৰ পৰা অহা শুভেচ্ছা বাণী সমূহ পাঠ কৰে।

প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে প্ৰতিবেদন পাঠ কৰে। তেখেতে কয় যে যোৱা বছৰটোত অসম সাহিত্য সভা পত্ৰিকা নিয়মীয়াকৈ প্ৰকাশ হৈছে। মফিজুদ্দিন আহমদ হাজৰিকা শতবাৰ্ষিকী আৰু দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা দিবস পালন কৰা হয়। আহমদ হাজৰিকাৰ ৰচনাৱলী প্ৰকাশ কৰা হয়। বৰপেটা আৰু ঢিং অধিবেশনৰ দুখন স্মৃতি গ্ৰন্থ প্ৰকাশ কৰা হয়। বছৰটোত হৰিহৰ চৌধুৰী স্মৃতি-পুঁজি, বনমালী শইকীয়া স্মৃতি পুঁজি, প্ৰেমধৰ দত্ত স্মৃতি পুঁজি, গোপাল চন্দ্ৰ গোস্বামী স্মৃতি-পুঁজিৰ পৰা পুৰস্কাৰ দিয়া হয়। তেখেতে কয় যে বছৰটোত ৪৫ হেজাৰ টকাৰ ঋণ পৰিশোধ কৰা হয়। গ্ৰন্থবিক্ৰী বিষয়ত বিশেষ সফলতা লাভ কৰা হয়। ১০৬ জন আজীৱন সভ্য ভৰ্ত্তি

কৰা আৰু ৪১ খন নতুন শাখা স্থাপন বছৰটোৰ বিশেষত্ব। তেখেতে পদ্মনাথ গোহাঁই বৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী শতবাৰ্ষিকীৰ আঁচনিৰ কথা কয়।

সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাই শাৰীৰিক অসুস্থতা সত্বেও তেজস্বী ভঙ্গীৰে তেখেতৰ সুদীৰ্ঘ ভাষণ পাঠ কৰি সভাৰ গাম্ভীৰ্য্য বৃদ্ধি কৰে। সভাৰ শেষলৈকে শ্ৰোতা মণ্ডলীৰে সভাগৃহ ভৰি থকাটো এই অধিবেশনৰ বিশেষত্ব।

২৫/৪/৭১ তাৰিখে পুৱা বেলা ৮-৩০ ৰ পৰা ১১-৩০ লৈ বহা আলোচনা চক্ৰত সভাপতিত্ব কৰি ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যই অসমীয়া লোক সাহিত্যৰ ওপৰত এক সুদীৰ্ঘ তত্ত্বগধুৰ ভাষণ পাঠ কৰে। আলোচনাত অংশ গ্ৰহণ কৰি অধ্যাপক চৈয়দ আব্দুল মালিকে এটি হাস্য মধুৰ বক্তৃতাৰে অসমীয়া লোক সাহিত্যত থকা ৰসিকতাৰ মাজেদি লোকশিক্ষাৰ কথা আলোচনা কৰে। তেখেতে কয় যে এই লোকগীত বিলাকৰ মাজত জাতীয় প্ৰকৃত জীৱন লুকাই আছে। আনজন নিৰ্দ্দিষ্ট বক্তা অধ্যাপক শ্ৰীযোগেশ দাসে লোকসাহিত্যৰ বিভিন্ন দিশ ফহিয়াই দেখুৱায়। তেখেতে শঙ্কৰী যুগ, আহোম যুগ আৰু বৰ্ত্তমান যুগৰ অসমীয়া সংস্কৃতিৰ পাৰ্থক্য আৰু ঐক্যৰ কথা উদাহৰণ দি ব্যাখ্যা কৰে। অধ্যাপক শ্ৰীঅপূৰ্ব্ব বৰঠাকুৰীয়াই সাধুকথাত থকা লোক সংস্কৃতিৰ বিষয়ে কয়।

আবেলি ১ বজাৰ পৰা দ্বিতীয় দিনৰ মুকলি অধিবেশন শ্ৰীতীৰ্থনাথ শৰ্ম্মাৰ সভাপতিত্বত বহে। বিশিষ্ট অতিথি হিচাবে সভাত তিনি গৰাকী প্ৰাক্তন সভাপতি বাগ্মীবৰ শ্ৰীনীলমণি ফুকন, বুৰঞ্জীবিদ্ শ্ৰীবেণুধৰ শৰ্ম্মা আৰু ধ্বনিকবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাই ভাষণ দিয়ে। সমজুৱাৰ ফালৰ পৰা সভাত শ্ৰীজিতেন্দ্ৰ নাথ দাস, শ্ৰীলক্ষেশ্বৰ শৰ্ম্মা, শ্ৰীখনীন্দ্ৰ চন্দ্ৰ বৰুৱা, অধ্যক্ষ বায়হান চাহ, শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস, শ্ৰীদুৰ্গা বেগন আদিয়ে বক্তৃতা দিয়ে। সভাত পূৰ্ব্বে উল্লেখ কৰা বিষয়ববীয়া সকলৰ বাহিৰেও কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ বাবে তলত নাম দিয়া ১২ টা নাম ঘোষণা কৰা হয়। ১। শ্ৰীহৰিপ্ৰসাদ গোৰ্খাৰায় —কহিমা, ২। শ্ৰীনাৰায়ণ চন্দ্ৰ ঘাটোৱাৰ— চাবুৱা ৩ শ্ৰীৰাম গোস্বামী—বৰহাপজান, ৪। শ্ৰীলীলা গগৈ— ডিব্ৰুগড়, ৫। শ্ৰীবীৰেণ বৰকটকী— শিৱসাগৰ, ৬। শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা — যোৰহাট, ৭। শ্ৰীকমলেশ্বৰ শইকীয়া—গোলাঘাট, ৮। শ্ৰীচন্দ্ৰকান্ত বৰকাকতী—ঢিং নগাওঁ, ৯। শ্ৰীজীৱন সিং —দক্ষিণপাট, নগাওঁ, ১০। শ্ৰীচন্দ্ৰধৰ গোস্বামী— তেজপুৰ, ১১। শ্ৰীঅমল কুমাৰ দাস— ধুবুৰী ১২। শ্ৰীলক্ষেশ্বৰ শৰ্ম্মা—শ্বিলং। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ আন চাৰিটা নাম পাচত ঘোষণা কৰিবলৈ থোৱা হয়। সভাত শ্ৰীঅঞ্জলী বৰুৱা, শ্ৰীমতী জ্যোতি শইকীয়া আদিৰ গীত-মাত আৰু আৰম্ভণীৰ সমদল সংগীত বিশেষ আকৰ্ষণীয় হৈছিল।

মন্তব্যত সভাপতিয়ে ঐক্য আৰু সংহতিৰ বাবে সকলোলৈকে আবেগিকভাবে আহ্বান জনায়। অসমত স্থায়ীভাবে বাস কৰা অনা-অসমীয়াসকললৈ তেখেতে অসমীয়া ভাষা সংস্কৃতিৰ লগত এক হৈ মিলি যাবলৈ আহ্বান জনায়। অভ্যৰ্থনা সমিতিৰ হৈ শ্ৰীপৰমানন্দ গগৈয়ে আৰু প্ৰতিনিধিবৰ্গৰ হৈ শ্ৰী প্ৰফুল্লচন্দ্ৰ দত্তই শলাগৰ শৰাই আগ বঢ়ায়।



মুকলি সভাৰ দুয়োদিনা ৰাতি ৬-১২ বজালৈ বিপুল জনসমাবেশৰ মাজত সাংস্কৃতিক সন্মিলন অনুষ্ঠিত হয়। সাংস্কৃতিক সন্মিলনৰ সভাপতিত্ব কৰি বিশিষ্ট সাংস্কৃতিবিদ শ্ৰীকমল নাৰায়ণ চৌধুৰীয়ে সাংস্কৃতিৰ পটভূমিত অসমত বাস কৰা সকলো বাসীন্দাকে এক আৰু অবিছিন্নভাৱে থিয় হবলৈ আহ্বান জনায়। অসম সাহিত্য সভাৰ সাংস্কৃতিক সন্মিলনৰ দুগৰাকী প্ৰাক্তন সভাপতি শ্ৰীজীৱেশ্বৰ গোস্বামী আৰু শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱাও সন্মিলনত উপস্থিত আছিল।

শ্ৰীসূৰ্য্যকান্ত ফুকনৰ সম্পাদনাত মাকুম অধিবেশনৰ অভ্যৰ্থনা সমিতিয়ে তিনি খণ্ডত ৰিভক্ত এখন উন্নত পৰ্য্যায়ৰ স্মৃতি গ্ৰন্থ প্ৰকাশ কৰে। অধিবেশনৰ দিন কেইটিত অসমৰ বিভিন্ন কেন্দ্ৰত প্ৰৱেশিকা পৰীক্ষা চলি থকা স্বত্বেও আৰু মাকুম অসমৰ পূব প্ৰান্তত অৱস্থিত সৰহভাগ অনা-অসমীয়া বাসীন্দাৰ এখন সৰু চহৰ যদিও তিনিও দিনৰ প্ৰদৰ্শনীত, মূল সভাত আৰু সাংস্কৃতিক সন্মিলনত বিপুল জনসমাবেশ, চাৰিওফালৰ চাহ বাগিছাৰ বনুৱাসকলৰ যোগদান আৰু অনা-অসমীয়া স্থায়ী বাসীন্দাসকলৰ সহযোগে মাকুম অধিবেশন সৰ্ব্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰি তুলিছিল।

---

## (খ) অসম সাহিত্য সভাৰ অষ্টাত্ৰিংশ মুকলি অধিবেশন
## — মাকুম — ১৯৭১
## — গৃহীত প্ৰস্তাৱ সমূহ —

১ নং প্ৰস্তাৱ :

### ৰাজ্য-ভাষা

অসমীয়া ৰাজ্য-ভাষা হিচাবে ঘোষণা হোৱাৰ দহ বছৰ হৈ যোৱাৰ পিছতো ব্ৰহ্মপুত্ৰ উপত্যকা আৰু সচিবালয় পৰ্য্যন্ত চৰকাৰী, অৰ্দ্ধ চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠান সমূহত পূৰ্ণ-পৰ্য্যায়ত ৰাজ্য ভাষাৰ প্ৰয়োগ নোহোৱাত অসম সাহিত্য সভাৰ আজিৰ অধিবেশনে গভীৰ উদ্বেগ প্ৰকাশ কৰে আৰু এই সংক্ৰান্তত খৰতকীয়া আৰু সক্ৰিয় ব্যৱস্থা লবলৈ অসম চৰকাৰৰ ওচৰত দাবী জনায়। এই বিষয়ত অসম সাহিত্য সভাই সদৌ ৰাইজকো সতৰ্ক কৰি দিবলৈ বিচাৰে আৰু সকলোৱে সকলো বিষয়তে অসমীয়া ভাষাহে প্ৰয়োগ কৰিবলৈ অনুৰোধ জনায়। ৰাজ্যভাষা সংক্ৰান্তত সভাই তলত দিয়া পৰামৰ্শ-ৱলীৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে :—

(১) যিবোৰ কাৰ্য্যালয়ত এতিয়াও অসমীয়া নাম-ফলি দিয়া হোৱা নাই সেইবিলাকত দিয়াৰ ব্যৱস্থা কৰা।

(২) সকলো চৰকাৰী, বেচৰকাৰী আৰু অৰ্দ্ধ-চৰকাৰী অনুষ্ঠানত অসমীয়া লিখন-যন্ত্ৰ ৰখা আৰু ইয়াৰ ব্যৱহাৰৰ কাৰণে বিভিন্ন লোকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা। ইয়াৰ উপৰিও বিভিন্ন কাৰ্য্যালয়ত অসমীয়া ভাষাত প্ৰপত্ৰ, চালান, চাব-মোহৰ আদিৰ যোগান ধৰা।

(৩) বিভিন্ন কাৰ্য্যালয়ৰ যিসকল বিষয়াই ইচ্ছাকৃত ভাবে অসমীয়া ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত নিষ্ক্ৰিয়তা অৱলম্বন কৰে, সেইসকলৰ নিষ্ক্ৰিয়তা দূৰ কৰাৰ উপযুক্ত ব্যৱস্থা লোৱা আৰু প্ৰয়োজন অনুসৰি শাস্তিমূলক ব্যৱস্থা লোৱা।

(৪) আৱশ্যক অনুযায়ী অসমীয়া ভাষাত অভিজ্ঞতা নথকা কৰ্ম্মচাৰীক অসমীয়া ভাষাৰ প্ৰশিক্ষণ দিয়া।

(৫) পৰিভাষা সংশোধন, পৰিবৰ্দ্ধন আৰু পুনঃ প্ৰকাশ কৰাৰ দৰকাৰীয়া ব্যৱস্থা লোৱা।

প্ৰস্তাৱক-শ্ৰীহৰিমোহন চৰকাৰ
সমৰ্থক -শ্ৰীধৰ্ম্মকান্ত গোহাঁই

সভাপতিৰ চহী— ২৫।৪।৭১
স্বাঃ শ্ৰীতীৰ্থনাথ শৰ্ম্মা
১১ বহাগ, ১৮৯৩

২য় প্ৰস্তাৱ :— পূৰ্ব্ববঙ্গৰ হত্যাকাণ্ড

আভ্যন্তৰীণ শৃঙ্খলাৰ অজুহাত দেখুৱাই পাকিস্থান চৰকাৰে পূব বঙ্গত আজি নিষ্ঠুৰ হত্যাকাণ্ডৰে মানৱতা-বিৰোধী যি ধ্বংসলীলা চলাইছে, আজিৰ অসম সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনে তাৰ তীব্ৰ নিন্দা কৰে আৰু অতি সোনকালে এই ধ্বংসলীলা বন্ধ কৰাবলৈ পৃথিৱীৰ সকলো শক্তিকে আহ্বান জনায়।

প্ৰস্তাৱক-শ্ৰীমহেন্দ্ৰ নাৰায়ণ চৌধুৰী
সমৰ্থক -শ্ৰীনন্দ তালুকদাৰ

সভাপতিৰ চহী— ২৫।৪।৭১
স্বাঃ তীৰ্থনাথ শৰ্ম্মা

৩য় প্ৰস্তাৱ :— গৱেষণাৰ মাধ্যম

ভাৰতৰ অন্যান্য প্ৰান্তত শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা ৰূপে স্বীকৃতি হোৱাৰ পিচৰ পৰা বিশ্ববিদ্যালয়ৰ গৱেষণা-গ্ৰন্থৰ মাধ্যম ৰূপেও আঞ্চলিক ভাষাকে গ্ৰহণ কৰিছে। ইয়াৰ ফলত গৱেষণা গ্ৰন্থ সমূহৰ লগত জনসাধাৰণৰ সম্পৰ্ক স্থাপন সম্ভৱপৰ হৈছে। কিন্তু, অসমত এতিয়াও গৱেষণা গ্ৰন্থৰ মাধ্যম ইংৰাজীহে, অসমীয়া নহয়। তাৰ ফলত গৱেষণা গ্ৰন্থবোৰ জনগণৰ কামত অহা নাই। মাথোন এমুঠি পণ্ডিতলোকৰ মাজতে সীমিত হৈ আছে। গণতান্ত্ৰিক দেশত জাতীয় জীৱনৰ বিকাশৰ পথত ই প্ৰধান অন্তৰায়ৰূপে দেখা দিছে। এনে জাতীয়তাৰ পৰিপন্থী ৰীতি বৰ্জ্জনীয়।

সেয়ে অসম সাহিত্য সভাৰ এই বাৰ্ষিক অধিৱেশনে অসমৰ বিশ্ববিদ্যালয়সমূহৰ কৰ্তৃপক্ষক অনুৰোধ কৰে যাতে জাতীয় জীৱনৰ বৃহত্তৰ স্বাৰ্থলৈ লক্ষ্য ৰাখি অসমৰ আঞ্চলিক ভাষাকো গৱেষণাৰ মাধ্যমৰূপে প্ৰয়োগ কৰাৰ বিহিত ব্যৱস্থা অনতিবিলম্বে গ্ৰহণ কৰে।

প্ৰস্তাৱক-চৈয়দ আব্দুল মালিক
সমৰ্থক -মিনতী হাজৰিকা

সভাপতিৰ চহী— ২৫।৪।৭১
গৃহীত
স্বাঃ শ্ৰীতীৰ্থনাথ শৰ্ম্মা



৪ৰ্থ প্ৰস্তাৱ :— চৰকাৰী অনুদান

অসম সাহিত্য সভাৰ এই অধিৱেশনে গভীৰ দুখেৰে অসম চৰকাৰক জনায় যে অসমৰ ভাষা সাহিত্য আৰু সংস্কৃতিৰ একমাত্ৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাক এতিয়াও চৰকাৰে উপযুক্ত পৰিমাণৰ আৰ্থিক অনুদান দিয়া নাই। এখন গণতান্ত্ৰিক ৰাজ্যৰ ভাষা-সাহিত্যৰ উন্নতিৰ অৰ্থে চৰকাৰে যি আন্তৰিকতা দেখুৱাব লাগিছিল তেনে আন্তৰিকতাৰ পৰা সাহিত্য সভা আজিও বঞ্চিত হৈ আছে। যুগৰ লগত সমানে আগবাঢ়ি যাবলৈ এখন দেশৰ সাহিত্য সংস্কৃতিয়ে প্ৰেৰণা যোগাবৰ কাৰণে পৰিৱেশ সৃষ্টি কৰিবলৈ প্ৰচুৰ অৰ্থৰ প্ৰয়োজন।

গতিকে, আজিৰ সভাই অসম চৰকাৰক সাহিত্য সভাৰ কাৰণে বছৰি এক লাখ টকাৰ এটি অনুদান চলিত বছৰৰ পৰাই দিবলৈ অনুৰোধ জনায়।

প্ৰস্তাৱক-শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা
সমৰ্থক -শ্ৰীনগেন শইকীয়া
অনুমোদক-শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা

সভাপতিৰ চহী— ২৫।৪।৭১
গৃহীত
স্বাঃ শ্ৰীতীৰ্থনাথ শৰ্ম্মা

৫ম প্ৰস্তাৱ :—

গোহাঞি বৰুৱা শতবাৰ্ষিকীৰ ডাক টিকট

অসমীয়া সাহিত্যৰ অন্যতম কৰ্ণধাৰ আৰু সাহিত্য সভাৰ পোন প্ৰথম অধিৱেশনৰ সভাপতি স্বৰ্গীয় পদ্মনাথ গোহাঞি বৰুৱাৰ জন্ম শতবাৰ্ষিকীত ডাক-তাঁৰ বিভাগে এটি সোঁৱৰণী ডাক-টিকট উলিয়াবলৈ অক্ষমতা প্ৰকাশ কৰাত আজিৰ সভাই গভীৰ ক্ষোভ প্ৰকাশ কৰে আৰু এই ডাক-টিকট যাতে জন্ম-বাৰ্ষিকীত ওলায় তাৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা হাতত লবলৈ ডাক-তাঁৰ বিভাগক দাবী জনায়। এই ডাক-টিকট সময়মতে প্ৰকাশৰ কাৰণে সকলো প্ৰকাৰৰ চেষ্টা চলোৱাৰ তৎপৰতা অৱলম্বন কৰিবলৈ অসম চৰকাৰ আৰু অসমৰ সংসদী সদস্যসকলক আজিৰ সভাই টানি অনুৰোধ কৰে।

সভাপতিৰ চহী—
গৃহীত প্ৰস্তাৱক - শ্ৰীকৃষ্ণপ্ৰসাদ বৰুৱা
শ্ৰীতীৰ্থনাথ শৰ্ম্মা সমৰ্থক - খলিলুৰ ৰহমান
২৫।৪।৭১

৬ষ্ঠ প্ৰস্তাৱ :—

উদ্যোগত থলুৱা লোকৰ সুবিধাৰ দাবী

অসম চৰকাৰে Assam Industrial Employment (Standing order) Rule তলত দিয়া অনুসৰি সংশোধন কৰিবলৈ ওলাইছে—

All vacancies will be notified to the local employment Exchange and all requirements be normally made from amongst the candidates sponsored by the Employment Exchange. Other sources of recruitment may be tried only when the local Employment Exchange joins non availability certificate.

While making recruitment preference shall be given as under :-

(1) Ex-employees with good records.
(2) Near relations of Employee.
(3) People of the locality.
(4) People of the State.

প্ৰস্তাৱিত সংশোধনী মতে অসমীয়া মানুহৰ আৰু অসমৰ স্থায়ী অধিবাসীসকলৰ স্বাৰ্থ তথা অসমীয়া ভাষা আৰু সংস্কৃতিৰ স্বাৰ্থ বিশেষ ৰূপে ব্যাঘাত হব। কাৰণ, প্ৰাক্তন কৰ্ম্মীৰ (Ex-employee) নামত অৱসৰ প্ৰাপ্ত কৰ্ম্মী আৰু সাময়িক কৰ্ম্মীসকলে প্ৰথমে স্থান পাব। দ্বিতীয়তে বৰ্ত্তমানৰ প্ৰাৰ্থীৰ আত্মীয়-স্বজনৰ সুবিধাৰ্থে বৰ্ত্তমানৰ অনা-অসমীয়া কৰ্ম্মী, যাৰ সংখ্যা অসমীয়াতকৈ বহুত বেছি তেওঁলোকে সুবিধা পাব। তাৰ পিচতহে স্থানীয় লোক আৰু তাৰ পিচত অসম ৰাজ্যৰ লোকে সুবিধা পাব।

সেইকাৰণে অসমীয়াৰ আৰু অসমীয়া ভাষা সংস্কৃতিৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে অসম সাহিত্য সভাৰ আজিৰ সন্মিলনে প্ৰস্তাৱ কৰে যে চাকৰিত সুবিধা দিবৰ কাৰণে চৰকাৰে প্ৰস্তাৱ কৰা সংশোধনী তলত লিখা দৰে সংশোধন কৰা হব। প্ৰথমতে সুবিধা পাব স্থানীয়লোকে। দ্বিতীয়তে সুবিধা পাব ৰাজ্যৰ খিলঞ্জীয়া অধিবাসীয়ে। তৃতীয়তে সুবিধা পাব অসমীয়া ভাষাত জ্ঞান থকা আগৰ কৰ্ম্মচাৰীয়ে আৰু চতুৰ্থতে পাব আত্মীয়সকলে।

প্ৰস্তাৱক—শ্ৰীখনীন্দ্ৰচন্দ্ৰ বৰুৱা
সমৰ্থক—শ্ৰীকনক ডেকা

সভাপতিৰ চহী—
গৃহীত
স্বাঃ শ্ৰীতীৰ্থনাথ শৰ্ম্মা

---

## (গ) অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ প্ৰথম অধিবেশন,

### ভগৱতী প্ৰসাদ বৰুৱা ভৱন — গুৱাহাটী - ৩০।৫।৭১

উপস্থিত সদস্য সকল : সৰ্ব্বশ্ৰী তীৰ্থনাথ শৰ্ম্মা, গিৰিধৰ শৰ্ম্মা, অমল কুমাৰ দাস, লীলা গগৈ, আব্দুছ ছাত্তাৰ, মহেশ্বৰ নেওগ, চন্দ্ৰকান্ত বৰকাকতী, চন্দ্ৰধৰ গোস্বামী, জীৱন সিংহ, ৰাম গোস্বামী, নাৰায়ণ ঘাটোৱাৰ, ভবগিৰী ৰায় চৌধুৰী, হৰিপ্ৰসাদ গোৰ্খাৰায়, কমলেশ্বৰ শইকীয়া, লক্ষেশ্বৰ শৰ্ম্মা, ডিম্বেশ্বৰ শৰ্ম্মা, যতীন্দ্ৰ নাথ গোস্বামী।

বিশেষভাবে নিমন্ত্ৰিত : শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, শ্ৰীউপেন্দ্ৰ চন্দ্ৰ লেখাৰু, শ্ৰীনন্দ তালুকদাৰ, ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীমহেন্দ্ৰ নাৰায়ণ চৌধুৰী, শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মা, শ্ৰীভবেন্দ্ৰ কুমাৰ শইকীয়া।

কাৰ্য্যনিৰ্ব্বাহকৰ সদস্য শ্ৰীবীৰেণ বৰকটকী আৰু কোষাধ্যক্ষ ডঃ নবীন বৰদলৈয়ে সভাত উপস্থিত থাকিব নোৱাৰিব বুলি জনায়। স্থায়ী সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাই সভাপতিত্ব কৰে।



১। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ খালী থকা চাৰিটা সভ্যপদৰ বিষয়ে আলোচনা হয়। এই প্ৰসঙ্গত কামৰূপৰ কেইজনমান সদস্য আৰু ডঃ নেওগে দিয়া চিঠি সভাত পাঠ কৰা হয়। এই সম্পৰ্কত বিতং আলোচনা কৰা হয়। শ্ৰীচন্দ্ৰধৰ গোস্বামীয়ে বিষয়ববীয়া নিৰ্ব্বাচনৰ ক্ষেত্ৰত বিষয়-বাছনি সভাৰ কাৰ্য্যসমূহৰ এটি বিৱৰণ দাঙি ধৰে। ডঃ নেওগে কয় যে বিষয়ববীয়া নিৰ্ব্বাচন সম্পূৰ্ণ নিয়ম অনুযায়ী হৈছিল। এই বিষয়ে কোনো সন্দেহ নাই। ডঃ নেওগে আৰু কয় যে বিষয়-বাছনি সভাই যি চাৰিজন সদস্যৰ ওপৰত কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ ১৬ জন সদস্য বাছি লবলৈ অধিকাৰ দিছিল, তেওঁলোকৰ উক্ত কাৰ্য্যৰ বাবে সম্পূৰ্ণ অধিকাৰ আছিল। এই সম্পৰ্কত হোৱা দুৰ্ভাগ্যজনক পৰিস্থিতিৰ বাবে শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই আক্ষেপ কৰে।

সভাই মাকুম অধিবেশনৰ বিষয়-বাছনি সভাৰ কাৰ্য্যাৱলী প্ৰসঙ্গত বিশেষকৈ অসম সাহিত্য সভাৰ বিষয়ববীয়া নিৰ্ব্বাচন সন্দৰ্ভত খবৰ কাগজ আৰু কেইজনমান সদস্যই তোলা আপত্তি সম্পৰ্কে বিস্তৃতভাবে পৰ্য্যালোচনা কৰে। আলোচনাৰ শেহত কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে দৃঢ়মত প্ৰকাশ কৰে যে উক্ত বিষয়-বাছনি সভাৰ কাৰ্য্যাৱলী আৰু নিৰ্ব্বাচন সন্দৰ্ভত কোনো অবৈধ ৰীতি গ্ৰহণ কৰা হোৱা নাছিল। সেই কাৰ্য্যাৱলী আৰু নিৰ্ব্বাচন সম্পূৰ্ণ বৈধ হৈছে।

বিষয়-বাছনি সভাই নিয়োগ কৰা সমিতিয়ে প্ৰস্তাৱ কৰা মতে দুজন লোকে নিৰ্ব্বাচনী অবৈধ বুলি জনাই সভ্য হবলৈ অসন্মতি প্ৰকাশ কৰাত তেওঁলোকৰ ঠাইত শ্ৰীগিৰিধৰ শৰ্ম্মা আৰু শ্ৰীভগগিৰি ৰায়চৌধুৰীক কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে সদস্য নিৰ্ব্বাচন কৰে। সমিতিৰ প্ৰস্তাৱিত বাকী দুজনৰ নাম মুকলি সভাত ঘোষণা নকৰাৰ কাৰণে খালী হৈ থকা দুখন আসনত ডঃ মহেশ্বৰ নেওগ আৰু শ্ৰীসূৰ্য্যকান্ত ফুকনক কাৰ্য্যনিৰ্ব্বাহকৰ সভ্য কৰা হয়।

সদস্য সকলৰ ভিতৰৰ পৰা শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা আৰু শ্ৰীভগগিৰি ৰায়চৌধুৰীক সহকাৰী সম্পাদক নিৰ্ব্বাচন কৰা হয়।

২। সভাত উপস্থিত সকলে দুই মিনিট সময় নীৰৱ প্ৰাৰ্থনা জনাই তলৰ শোক প্ৰস্তাৱটি গ্ৰহণ কৰে :—

বিশিষ্ট অৰ্থনীতিবিদ আৰু পৰিকল্পনা আয়োগৰ উপ-সভাপতি শ্ৰীডি, আৰ, গেদগিল, প্ৰবীণ আইনজীৱি শ্ৰীবুদ্ধ হাজৰিকা, শ্ৰীমতী লাৱণ্যলতা বৰুৱা আৰু শ্ৰীমতী কুমুদেশ্বৰী ভুঞাৰ মৃত্যুত সভাই গভীৰ শোক প্ৰকাশ কৰে আৰু শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

৩। প্ৰধান সম্পাদকে কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ যোৱা অধিবেশনৰ কাৰ্য্যবিৱৰণি সভাত পাঠ কৰে আৰু সভাই গ্ৰহণ কৰে।

ডঃ মহেশ্বৰ নেওগে পৰামৰ্শ আগবঢ়ায় যে যোৱা কাৰ্য্যনিৰ্ব্বাহকে আজীৱন সভ্যৰ ভিতৰত স্বৰ্গগত সকলৰ ৰহণিখিনি সাধাৰণ পুঁজিলৈ আনিবলৈ যি প্ৰস্তাৱ লৈছিল সেই

প্ৰস্তাৱ সাময়িক ভাবেহে কাৰ্য্যত পৰিণত কৰিবলৈ আজিৰ সভাই সিদ্ধান্ত লোৱা ভাল, কাৰণ নিয়মাৱলী সংশোধন নোহোৱা পৰ্য্যন্ত এনে প্ৰস্তাৱ বিধিসঙ্গত নহয়। সভাই সেই মৰ্ম্মে সিদ্ধান্ত গ্ৰহণ কৰি উক্ত প্ৰস্তাৱ সাময়িক ভাবেহে (নিয়মাৱলী সংশোধন নোহোৱা পৰ্য্যন্ত) কাৰ্য্যকৰী কৰিবলৈ স্থিৰ কৰে।

৪। প্ৰধান সম্পাদকে অলপতে সাহিত্য সভাৰ সজাতি দলে (প্ৰধান সম্পাদক, শ্ৰীগিৰিধৰ শৰ্ম্মা আৰু শ্ৰীলক্ষেশ্বৰ শৰ্ম্মাৰে গঠিত) অসমৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাৰ কথা কয়। মুখ্য-মন্ত্ৰীয়ে বাৰ্ষিক অনুদান ১৫ হেজাৰৰ পৰা ২৫ হেজাৰলৈ বৃদ্ধি কৰিবলৈ আৰু ২।৩ বছৰৰ মূৰে মূৰে অসমীয়া শ্ৰেষ্ঠ গ্ৰন্থৰ বাবে ৫হেজাৰ টকাৰ পুৰস্কাৰ দিবলৈ সন্মত হয়। গোহাঞি বৰুৱা গ্ৰন্থাৱলী প্ৰকাশ সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে সজাতিদলক আশ্বাস দিয়ে যে অসম চৰকাৰৰ প্ৰকাশন পৰিষদৰ দ্বাৰা এই গ্ৰন্থাৱলী প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিব। শ্ৰীগিৰিধৰ শৰ্ম্মা আৰু শ্ৰীলক্ষেশ্বৰ শৰ্ম্মাই মুখ্যমন্ত্ৰীৰ লগত সজাতি দলৰ সাক্ষাতৰ একোটি বিৱৰণ দিয়ে।

চৰকাৰে প্ৰতিশ্ৰুতি দিয়া শ্ৰেষ্ঠ গ্ৰন্থৰ বাবে পুৰস্কাৰটো অসম সাহিত্য সভাৰ প্ৰথম অধিবেশনৰ সভাপতি পদ্মনাথ গোহাঞি বৰুৱাৰ স্মৃতিত দুবছৰৰ মূৰে মূৰে অসমীয়া ভাষাৰ শ্ৰেষ্ঠ গ্ৰন্থৰ বাবে দিবলৈ সভাই অসম চৰকাৰক টানি অনুৰোধ জনায়। এই বছৰত উক্ত পুৰস্কাৰ অসম সাহিত্য সভাৰ মুকলি অধি-বেশনত দিবলৈ আৰু আগলৈকো এই পুৰস্কাৰ অসম সাহিত্য সভাৰ মুকলি অধিবেশনত বিতৰণ কৰিবলৈ সভাই চৰকাৰক অনুৰোধ জনায়। এই পুৰস্কাৰ ৰবীন্দ্ৰ পুৰস্কাৰ, সাহিত্য একাডেমী পুৰস্কাৰ আদিৰ পদ্ধতিৰে বিতৰণ কৰিবলৈ সভাই চৰকাৰক পৰামৰ্শ দিয়ে। সভাই পুৰস্কাৰৰ নীতি-নিয়ম নিৰ্দ্ধাৰণ আদি বিষয়ত চৰকাৰৰ লগত সহযোগ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে।

৫। গোহাঞি বৰুৱা জন্মশতবাৰ্ষিকী ৯ আঘোনত উদ্‌যাপন কৰিবলৈ সভাই স্থিৰ কৰে। তেজপুৰত এই উৎসৱ কেন্দ্ৰীয়ভাৱে পালন কৰিবলৈ সভাই স্থিৰ কৰে। শ্ৰীহৰিপ্ৰসাদ গোৰ্খাৰায়ে গোহাঞি বৰুৱাই কহিমাত কৰা গঠনমূলক কামৰ কথা আৰু কহিমাত এটা দিন কেন্দ্ৰীয় কাৰ্য্য-সূচীৰ অন্তৰ্গত কৰিবৰ কাৰণে কয়। সভাই কহিমা সাহিত্য সভাৰ উদ্যোগত কহিমাত আৰু শিৱসাগৰ সাহিত্য সভাৰ উদ্যো-গত শিৱসাগৰত এই উৎসৱ কেন্দ্ৰীয়ভাৱে পালন কৰিবলৈ সিদ্ধান্ত কৰে। এই উৎসৱ ৯ আঘোনৰ পৰা এপষ জুৰি অসমত উদ্‌যাপন কৰা হব।

"গোহাঞি বৰুৱাৰ প্ৰতিভা" শীৰ্ষক গ্ৰন্থৰ সম্পাদক ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্যই সম্পাদনা কাৰ্য্যৰ এটি আভাস দিয়ে। উক্ত পুথি প্ৰকাশৰ বিহিত ব্যৱস্থা লবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

গোহাঞি বৰুৱাৰ সম্পূৰ্ণ গ্ৰন্থাৱলী গোহাঞি বৰুৱাৰ শতবাৰ্ষিকী বছৰতে প্ৰকাশ কৰিবলৈ সভাই অসম চৰকাৰক অনুৰোধ জনায়। শ্ৰীহেমন্ত কুমাৰ শৰ্ম্মাক গোহাঞি বৰুৱাৰ খেমেলীয়া নাট্যাৱলী সম্পাদনা কৰিবৰ কাৰণে যি ভাৰ দিছিল সভাই বৰ্ত্তমান অৱস্থাত সেই কাৰ্য্য



অনাৱশ্যক বুলি বিবেচনা কৰে। এই সম্পৰ্কত শ্ৰীশৰ্ম্মাই কিবা খৰছ কৰিছে যদি সভাই সেইখিনি বহন কৰিবলৈ স্থিৰ কৰে।

গোহাঞি বৰুৱাৰ জীৱনী (শ্ৰীহৰিপ্ৰসাদ নেওগ লিখিত) পৰীক্ষা কৰিবলৈ শ্ৰীলীলা গগৈক ভাৰ দিয়া হয়।

তলত নাম দিয়া সদস্যসকলেৰে গোহাঞি বৰুৱা শতবাৰ্ষিকী উদ্‌যাপন সমিতি গঠন কৰা হয়:— ১। সভাপতি, ২। উপ-সভাপতি, ৩। প্ৰধান সম্পাদক, ৪। সহকাৰী সম্পাদক (কেন্দ্ৰীয় কাৰ্য্যালয়), ৫। শ্ৰী আনন্দ চন্দ্ৰ বৰুৱা আৰু ৬। শ্ৰীনগেন শইকীয়া।

৬। হেমচন্দ্ৰ গোস্বামী শতবাৰ্ষিকী কেন্দ্ৰীয় ভাৱে গোলাঘাটত উদ্‌যাপন কৰিবলৈ স্থিৰ কৰা হয়। উক্ত শতবাৰ্ষিকীৰ বাবে গোলাঘাটত এখন অভ্যৰ্থনা সমিতি গঠন কৰিবৰ বাবে গোলাঘাট সাহিত্য সভাৰ সম্পাদক শ্ৰীকমলেশ্বৰ শইকীয়াৰ ওপৰত ভাৰ দিয়া হয়। প্ৰধান সম্পাদকে জনায় যে হেমচন্দ্ৰ গোস্বামীৰ আৱক্ষ মূৰ্ত্তি এটি গোলাঘাটত স্থাপন কৰিবলৈ গোলাঘাট পৌৰসভাক অনুৰোধ কৰা হৈছে।

তলত নাম দিয়া সকলেৰে হেমচন্দ্ৰ গোস্বামী শতবাৰ্ষিকী উৎসৱ সমিতি গঠন কৰা হয়:— ১। সভাপতি, ২। উপ-সভাপতি, ৩। প্ৰধান সম্পা-দক, ৪। সহকাৰী সম্পাদক (কেন্দ্ৰীয় কাৰ্য্যালয়), ৫। শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা আৰু ৬। শ্ৰীনগেন শইকীয়া।

৭। তলত নাম দিয়া সকলেৰে অসম সাহিত্য সভা পত্ৰিকা সম্পাদনা সমিতি গঠন কৰা হয়— ১) সভাপতি, ২) প্ৰধান সম্পাদক ৩) ডঃ মহেশ্বৰ নেওগ, ৪) শ্ৰীলীলা গগৈ, ৫) শ্ৰীনন্দ তালুকদাৰ, ৬) শ্ৰীবীৰেণ বৰকটকী, ৭) ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য, ৮) পত্ৰিকা সম্পাদক।

৮। অসম সাহিত্য সভাৰ নিয়মাৱলীৰ তৃতীয় ছেদ চতুৰ্থ ধাৰা অনুযায়ী তলত দিয়া শাখা সমূহক অসম সাহিত্য সভাৰ শাখাৰূপে স্বীকৃতি দিয়া হয়।

১) টিংৰাই সাহিত্য সভা - ডিগবৈ, ২) টিৰাপ সাহিত্য সভা - লেখাপানী, ৩) পুৰণী সাহিত্য সভা - গোলাঘাট, ৪) দেৱান বস্তি সাহিত্য সভা - কাছাৰ জিলা।

অসম সাহিত্য সভাৰ চতুৰ্থ ছেদ (১০ধাৰা) অনুযায়ী তলত নাম দিয়া লোকসকলক অসম সাহিত্য সভাৰ আজীৱন সভ্যৰূপে স্বীকৃতি দিয়া হয়:—

১) শ্ৰীগকুল চন্দ্ৰ দত্ত - ডিব্ৰু, ২) শ্ৰীযাদৱ নাৰায়ণ দাস - ধুবুৰী, ৩) শ্ৰীৰাম গোস্বামী - চিলং, ৪) শ্ৰীবদন চন্দ্ৰ পাঠক - ডিগবৈ।

৯। (ক) তলত নাম দিয়া লোকসকলেৰে ডিগবৈ সাহিত্য সেৱা ন্যাস সমিতি গঠন কৰা হয়:- ১। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক, ২। ডিগবৈ সাহিত্য সেৱা সমিতিৰ সম্পাদক, ৩। শ্ৰী শ্ৰীমিত্ৰদেৱ মহন্ত - সভাপতি, ৪। শ্ৰীদেৱ-প্ৰসাদ বৰুৱা - ধনভৰালী, ৫। শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা-কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ মনোনীত সদস্য।

উক্ত সমিতিয়ে ১৯৬৮ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৬৯ চনৰ ৩১ ডিচেম্বৰলৈকে ৰচিত (ছপা

বা হাতে লিখা) অসমীয়া নাটকৰ নিৰ্ব্বাচন সম্পন্ন কৰিব।

(খ) প্ৰেমধৰ দত্ত সোঁৱৰণী পুঁজিৰ ন্যাস সমিতিৰ সদস্যসকলে ১৯৭০ চনত প্ৰকাশিত শিশু সাহিত্যৰ উৎকৃষ্ট গ্ৰন্থৰ বাবে প্ৰতিযোগিতা পাতিব।

(গ) বনমালী শইকীয়া পুঁজিৰ ৰচনা প্ৰতিযোগিতা পৰিচালনাৰ বাবে তলত নাম দিয়া লোকসকলেৰে এখন উপ-সমিতি গঠন কৰা হয় :—

১। শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, ২। শ্ৰীআনন্দচন্দ্ৰ বৰুৱা ৩। শ্ৰীদেবপ্ৰসাদ বৰুৱা, ৪। শ্ৰীনগেন শইকীয়া ৫। প্ৰধান সম্পাদক।

(ঘ) হৰিহৰ চৌধুৰী পুঁজিৰ ৰচনা প্ৰতিযোগিতা পৰিচালনা কৰিবৰ বাবে তলত নাম দিয়া লোকসকলেৰে এখন উপ-সমিতি গঠন কৰা হয় :—

১। শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত ২। চৈয়দ আব্দুল মালিক ৩। শ্ৰীনগেন শইকীয়া ৪ শ্ৰীআনন্দচন্দ্ৰ বৰুৱা ৫। প্ৰধান সম্পাদক।

(ঙ) গুৱাহাটীৰ উগ্ৰতাৰা সমবায় ন্যাস পুঁজিৰ পৰা তিনি বছৰৰ মূৰে মূৰে অসমীয়া শ্ৰেষ্ঠ কবিতাৰ পুথিৰ বাবে ৰঘুনাথ চৌধুৰী বঁটা দিবলৈ সভাই স্থিৰ কৰে।

১০। বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম সম্পৰ্কত উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ৰ পৰিপ্ৰেক্ষিতত অসমৰ বিশ্ববিদ্যালয়সমূহৰ শিক্ষানীতিৰ কথা আলোচনা হয়। আলোচনাত ডঃ মহেশ্বৰ নেওগ, ডঃ ভবেন্দ্ৰ নাথ শইকীয়া, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা আদিয়ে ভাগ লয়। বিস্তৃত আলোচনাৰ পাছত তলৰ প্ৰস্তাৱটি গ্ৰহণ কৰা হয় :—

"অসমৰ উচ্চ শিক্ষাৰ মাধ্যম সম্পৰ্কে অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে বিস্তৃতভাবে আলোচনা কৰি দৃঢ় মত প্ৰকাশ কৰে যে প্ৰশাসনীয় ভাষাৰূপে অসমীয়া প্ৰযোজ্য হোৱা সমস্ত অঞ্চলতে নতুন শিক্ষা ব্যৱস্থাৰ কলেজ আৰু বিশ্ববিদ্যালয়ত (সাম্প্ৰতিক চলিত ইংৰাজীৰ বাহিৰে) অসমীয়া মাত্ৰ মাধ্যমৰূপে গৃহীত হব লাগে। শিক্ষাৰ ক্ষেত্ৰত অন্যান্য সুফলৰ বাহিৰেও আঞ্চলিক সংহতিৰ অৰ্থে আৰু আঞ্চলিক সংহতিৰ যোগেদি সৰ্ব্বভাৰতীয় সংহতিৰ পোষকতাৰ অৰ্থে এই নীতি নিতান্ত প্ৰয়োজনীয় বুলি সমিতিয়ে সম্পূৰ্ণ বিশ্বাস কৰে।"

১১। প্ৰধান সম্পাদকে অষ্টাত্ৰিংশ অধিবেশনৰ গৃহীত প্ৰস্তাৱৰ সন্দৰ্ভত কি ব্যৱস্থা লৈছে সেই বিষয়ে সমিতিক জনায়। যোৱা অধিবেশনৰ বিষয়-বাছনি সভাই কাৰ্য্যনিৰ্ব্বাহক সভাৰ কাৰণে থোৱা তেৰটা প্ৰস্তাৱৰ ভিতৰ কেইটামান সমিতিয়ে তলত দিয়া দৰে সিদ্ধান্ত কৰে :—

(১) 'লেখক শিবিৰ' পতা সম্পৰ্কে আলোচনা হয় আৰু আৰ্থিক দৃষ্টিৰ পৰা সম্ভৱ হলে কোনো শাখা সভাৰ জৰিয়তে এনে এটি শিবিৰৰ আয়োজন কৰিবলৈ সভাই প্ৰধান সম্পাদকক ভাৰ দিয়ে।

(২) অসমীয়া গ্ৰন্থসূচী এখন প্ৰকাশ সম্পৰ্কত সভাই আলোচনা কৰে। গ্ৰন্থসূচী এখন লিপিবদ্ধ



কৰিবলৈ (১৯৫৬ চনৰ পৰা ১৯৭০ চনলৈকে) সভাই শ্ৰীলীলা গগৈ আৰু ডঃ শ্ৰীকেশবানন্দ গোস্বামীক ভাৰ দিয়ে। সম্পাদনাৰ কাৰ্য্য সম্পন্ন কৰিবলে এটা পাৰিতোষিক দিবলৈ সভাই স্থিৰ কৰে।

(৩) অসমীয়া ভাষা নতুনকৈ শিকা লোকৰ অসমীয়া শিক্ষাৰ সুবিধাৰ কাৰণে এখনি গ্ৰন্থ প্ৰণয়ন কৰিবলৈ সভাই স্থিৰ কৰে। এই গ্ৰন্থ প্ৰণয়ন কৰিবলৈ তলত নাম দিয়া সকলেৰে এখনি সমিতি গঠন কৰি দিয়া হয়।
(১) সভাপতি ২। প্ৰধান সম্পাদক ৩। শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা ৪। ডঃ মহেশ্বৰ নেওগ ৫। শ্ৰীনাৰায়ণ ঘাটোৱাৰ ৬। শ্ৰীভগগিৰী ৰায়চৌধুৰী —আহ্বায়ক।

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই ন-অসমীয়া মুছলমানসকলৰ মাজত অসমীয়া ভাষা প্ৰচাৰৰ বাবে ইচলাম ধৰ্ম্মপুথি (সৰু আকাৰত) অসমীয়া ভাষাত লিখাৰ আৱশ্যকতাৰ কথা কয়। এই পৰামৰ্শ ভবিষ্যত বিবেচনাৰ বাবে ৰখা হয়।

বড়ো ভাষী সকলৰ বাবে অসমীয়া গ্ৰন্থ প্ৰণয়ন কৰিবলৈ সভাই শ্ৰীভবেন নাৰ্জাৰী আৰু ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যক দায়িত্ব দিয়ে।

(৪) শ্ৰীঅমলকুমাৰ দাস, শ্ৰীচন্দ্ৰধৰ গোস্বামীয়ে এক শ্ৰেণী অসমীয়াৰ আৰু বিশেষকৈ ধুবুৰীত প্ৰেক্ষাগৃহ সমূহত অসমীয়া কথাছবিৰ প্ৰতি বিৰাগ ভাৱৰ ওপৰত মন্তব্য কৰে। সভাই সিদ্ধান্ত কৰে যে অসমীয়া কথা-ছবি প্ৰদৰ্শন সম্পৰ্কত যি চৰকাৰী আইন কৰিছে সি প্ৰকৃত পক্ষে বলবৎ হৈছেনে নাই সেই সম্পৰ্কে যোগাযোগ কৰিবৰ কাৰণে সভাই প্ৰধান সম্পাদকক ভাৰ দিয়ে।

(৫) ৰাজ্যিক চৰকাৰৰ দৰেই অসম সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনলৈ প্ৰতিনিধিৰূপে নিৰ্ব্বাচিত কেন্দ্ৰীয় চাকৰিয়ালকো অধিবেশন উপলক্ষে বিশেষ ছুটী দিয়া সম্পৰ্কে কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

১২। অসমীয়া ভাষাত চৰকাৰী কাম কাজ পৰিচালনা কৰা সম্পৰ্কে সভাত আলোচনা হয়। সভাই এই সম্পৰ্কত কাৰ্য্যনিৰ্ব্বাহকৰ সদস্য আৰু চৰকাৰী পৰিভাষা সমিতিৰ সভাপতি শ্ৰীলক্ষেশ্বৰ শৰ্ম্মাক 'ৰাজ্য ভাষাৰ কাৰ্য্য-শিক্ষা' নামৰ এখন পুথি প্ৰণয়ন কৰিবৰ কাৰণে ভাৰ দিয়ে।

১৩। উত্তৰ লক্ষীমপুৰত বহা অসম সাহিত্য সভাৰ মুকলি অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিয়ে শ্ৰীলীলা গগৈলৈ দিয়া চিঠি সভাত পাঠ কৰা হয়। উক্ত অভ্যৰ্থনা সমিতিয়ে অসম সাহিত্য সভাক দিয়া পুঁজিৰ পৰা (সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগৰ দিনত) যি গ্ৰন্থ প্ৰকাশ কৰা হৈছিল, উক্ত গ্ৰন্থৰ পৰা উপাৰ্জ্জন হোৱা টকা আচুতীয়া পুঁজিত নাৰাখি সাধাৰণ পুঁজিৰ লগত মিহলি কৰাৰ বাবে আৰু সেই পুঁজিৰ পৰা ভৱিষ্যত কোনো নতুন গ্ৰন্থ উক্ত পুঁজিৰ নামত প্ৰকাশ হোৱাৰ বাট বন্ধ হোৱাত অভ্যৰ্থনা সমিতিয়ে যি আক্ষেপ কৰিছে তাৰ প্ৰতিক্ৰিয়া স্বৰূপে আজিৰ সভাই বৰ্ত্তমান সম্পাদকক উক্ত পুঁজি আচুতীয়া কৰাৰ ভাৰ দিয়ে আৰু পুঁজিটো আচুতীয়া কৰাটো সম্ভৱ হৈ উঠিলে তাৰ পৰাই

'গোহাঞি বৰুৱাৰ প্ৰতিভা' খন প্ৰকাশ কৰিবলৈ সভাই স্থিৰ কৰে ।

১৪। কেন্দ্ৰীয় কাৰ্য্যালয়ৰ চকিদাৰ শ্ৰীপ্ৰমোদ হাজৰিকাৰ আবেদন অনুযায়ী তেওঁৰ পত্নীৰ চিকিৎসাৰ বাবে খৰচ হোৱা এশ দুটকা তেওঁক দিবলৈ স্থিৰ কৰে ।

১৫। শ্ৰীদুৰ্গা শইকীয়াই পুথি-বিক্ৰী অভিযানৰ ( ১৯৭০-৭১ ) হিচাবৰ কাৰ্য্যত সহায় কৰা বাবে এশ টকা আৰু মাকুম অধিবেশনত পুথি বিক্ৰী কাৰ্য্যত সহায় কৰা বাবে সভাই তেওঁক পঞ্চাশ টকা দিবলৈ সিদ্ধান্ত কৰে ।

১৬। কাৰ্য্যালয় সহকাৰী সকলৰ দৰ্মহাৰ নতুন নিৰিখত তলত দিয়া দৰে স্থিৰ কৰা হয় ।

কেন্দ্ৰীয় কাৰ্য্যালয় ঃ—

১। মুখ্য-সহকাৰী তথা গাননিক ঃ
২০০-১২'৫০-২৭৫ (দঃ সীঃ) -১২'৫০-৩২৫ ।

২। কাৰ্য্যালয় সহকাৰী (প্ৰথম) :
১২৫-৪-১৪৫ (দঃ সীঃ)-৪-১৬৫(দঃ সীঃ)-৫-২০০ ।

৩। কাৰ্য্যালয় সহকাৰী (দ্বিতীয়) অস্থায়ী ঃ -ঐ-

৪। চকিদাৰ ঃ
৮০-১-৯০-২-১০০-২'৫০-১১৫-৩-১৩০

গুৱাহাটী কাৰ্য্যালয় ঃ-

১। কাৰ্য্যালয় সহকাৰী :—
১২৫-৪-১৪৫( দঃ সীঃ )-৪-১৬৫(দঃ সীঃ)-৫-২০০ ।

২। পিয়ন:—
৮০-১-৯০-২-১০০-২'৫০-১১৫-৩-১৩০ ।

কেন্দ্ৰীয় কাৰ্য্যালয়ৰ চকিদাৰ শ্ৰীপ্ৰমোদ হাজৰিকাই পুৰণি নিৰিখত দৰ্মহাৰ উৰ্দ্ধ সীমা পাই যোৱা দুবছৰৰ ( ১৯৬৯-৭০, ১৯৭০-৭১ ) বছেৰেকীয়া বৃদ্ধি নোপোৱাৰ কাৰণে তেওঁৰ দৰ্মহা নতুন নিৰিখত ১০৫ টকাত নিৰ্দ্ধাৰণ কৰা হওক ।

১৭। প্ৰধান সম্পাদকে সভাত ১৯৭১-৭২ চনৰ আয়-ব্যয়ক দাঙি ধৰে আৰু সভাই গ্ৰহণ কৰে । আয়-ব্যয়ৰ থূল মূল বিৱৰণ :—

| | |
|---|---|
| ব্যয় : | ১১,৬,৯৩৭'৮৫ |
| আয় : | ৯৭,৫১১'২৬ |
| ঘাটি : | ১৯ ৪২৬'৫৯ |
| সৰ্ব্বমুঠ ঘাটি : | ১৯৪২৬'৫৯ । |

প্ৰধান সম্পাদকে জনায় যে আধুনিক ভাৰতীয় ভাষাৰ উন্নয়ন শিতানত পূৰ্ব্বত পোৱা দুটা চৰকাৰী মঞ্জুৰীৰ টকা অন্য শিতানত খৰছ হৈ আছে আৰু এই সম্পৰ্কত বৰ্ত্তমানে উদ্ভৱ হোৱা পৰিস্থিতিৰ কথা সভাক জনায় । শ্ৰীলীলা গগৈয়ে সাহিত্য সভাৰ পুঁজিবিলাক বহুদিনৰে পৰা খেলিমেলি হৈ থকাত এজন ভিতৰুৱা হিচাপ পৰীক্ষক নিযুক্ত কৰিবলৈ পৰামৰ্শ দিয়ে । এই সম্পৰ্কত সভাই সহকাৰী সম্পাদক শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা আৰু শ্ৰীদুৰ্গা শইকীয়াক ১৯৬৬ চনৰ পৰা ১৯৬৯ চনলৈকে হিচাপ চাই এখন প্ৰতিবেদন দিবৰ কাৰণে ভাৰ দিয়ে ।

১৮। সভাৰ বিত্তীয় সঙ্কটৰ কথা আলোচনা হয়, সভাপতিয়ে ধন সংগ্ৰহৰ অভিযানৰ এখন আঁচনি দাঙি ধৰে ।

তলপীয়া নিৰিখৰ সংগ্ৰহ :- প্ৰতি শাখা সভাই সংগ্ৰহ কৰি দিব লগীয়া ধনৰ পৰিমাণ নিৰ্দ্ধাৰিত কৰি দিয়া হব । এই পৰিমাণ অন্যুন ২৫০৲।



: ৫০০০ জনসংখ্যাৰ মাজত যদি এখন শাখা সভা হব পাৰে তেনেহলে তাৰ এক পঞ্চমাংশ লোক উপাৰ্জ্জনকাৰী হব । উপাৰ্জ্জনকাৰীৰ ভিতৰৰো এক চতুৰ্থাংশ অৰ্থাৎ ২৫০ জনৰ পৰা ২৫০ টকা সংগ্ৰহ হব পাৰে । বৰ্ত্তমান ২০৫ খন শাখা সভা আছে । অধিক শাখা সংগঠন কৰিলে ২৫০ খন হবগৈ । তাৰ ভিতৰত অন্ততঃ ২০০ শাখাই নিৰ্দ্ধাৰিত ধন সংগ্ৰহ কৰি দিব পাৰিব । ২০০ × ২৫০ = ৫০,০০০৲ ।

২। বিদ্যালয় সমূহত গোহাঞি বৰুৱা আৰু হেম গোস্বামীৰ ৰঙীণ ছবি আৰু বাণী থকা ফল্ডাৰ বিক্ৰী । এই ফল্ডাৰৰ দাম হব খনে ৬০ পইছাকৈ । অসম উপত্যকাত বৰ্ড আৰু বিভগীয় স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়ৰ সংখ্যা ১২০০ খনৰ ওচৰা ওচৰি হব । তাৰ এক-তৃতীয়াংশ ৪০০ খন স্কুলত গড়ে অন্ততঃ ৫০ খনকৈ ফল্ডাৰ বেচিব পৰা হব । ৪০০ × ৫০ × ৬০ = ১২,০০০৲ ।

৩। সৰহীয়া নিৰিখৰ সংগ্ৰহ :- ১০১ টকাৰ নোট চানেকীয়া কুপনৰ দহপতীয়া বহী একোখন চৰকাৰী বিষয়া, বিধান সভাৰ সদস্য, বিশিষ্ট ৰাজহুৱা কৰ্ম্মী সকলৰ আৰু আন প্ৰভাৱশালী লোকক দিয়া হব । এজনক এখন দহপতীয়া বহী দিয়া হব । এনেকৈ গোটেই অসমত ৩০০/৩৫০ খন বহী সংগ্ৰহৰ কাৰণে দিলে তাৰ এক-তৃতীয়াংশও যদি বিক্ৰী হয় তেনেহলে এহেজাৰ এশ এটকীয়া কুপনৰ ধন সংগ্ৰহ হব । এখন বহীত ১ × ১০ × ১০০ = ১০০০ । এশখনৰ ১০০০ × ১০০ = ১,০০,০০০ ।

৪। উদ্যোগ প্ৰতিষ্ঠান, চাহ বাগিছা, ধনব্যৱসায়ীৰ পৰা সংগ্ৰহ ২০,০০০ ।

৫। অনুদান পাবলগীয়া :-

| | | |
|---|---|---|
| (ক) অসম চৰকাৰ— | ২৫,০০০ | |
| (খ) ডিব্ৰুগড় বিশ্ববিদ্যালয় - | ১,০০০ | |
| (গ) গুৱাহাটী ঐ ( দুবছৰৰ ) | -২,০০০ | |
| (ঘ) মাকুম অধিবেশনৰ অভ্যাৰ্থনা সমিতি - | ২,০০০ | ৩০,০০০ |

৬। কিতাপ বিক্ৰী :— কিতাপ বিক্ৰী অভিযান যোৱা বছৰৰ নিচিনাকৈ কমিচন ভেটিত ২০০০০ (যোৱা বছৰ ৩০,০০০)

৭। সাহিত্য সভা সাহায্য অভিনয় আৰু কথা-ছবি প্ৰদৰ্শন—নকৈ লিখা নাটকৰ অভিনয়ৰ উৎসাহ দিয়া উচিত হব । বিভিন্ন চিনেমা ঘৰ, ভ্ৰাম্যমান অভিনয়ৰ দল আৰু ৰাজহুৱা ৰঙ্গমঞ্চত সাহায্য ৰজনীৰ ব্যৱস্থাকৰণ ।

মুঠ ২,৩৭,০০০ (দুইলাখ সাতত্ৰিশ হাজাৰ) ।

ধন সংগ্ৰহৰ ব্যাপক অভিযান আৰম্ভ হব ৩ অক্তোবৰ দেওবাৰৰ পৰা আৰু শেষ কৰিব লাগিব ১২ ডিচেম্বৰ দেওবাৰে মুঠ দহ সপ্তাহ । ওপৰত দিয়া হিচাপ ন্যুনতম সংগৃহীত ধনৰ লক্ষ্য তিনি লাখ । (৩,০০,০০০) সভাই উক্ত আঁচনি গ্ৰহণ কৰে ।

সভাই বিভিন্ন জিলাৰ শাখা সভাসমূহক সঞ্জীৱৰূপ দিবলৈ বিশেষভাবে চিন্তা কৰে আৰু প্ৰতি মহকুমাত একোজন সংযোজক বা সংগঠক নিযুক্ত কৰিবলৈ স্থিৰ কৰে । সংযোজক নিয়োগ কৰাৰ ভাৰ সভাপতিক দিয়া হয় ।

১৯। শ্ৰীচন্দ্ৰকান্ত বৰকাকতী আৰু শ্ৰীজীৱন সিংহই অসমত বাস কৰা শিখসকলৰ মাজত অসমীয়া ভাষা প্ৰচাৰৰ প্ৰয়োজনীয়তাৰ কথা কয় আৰু গ্ৰন্থ চাহাবৰ অসমীয়া অনুবাদৰ কথা কয়। সভাই গুৰুদ্বাৰ প্ৰবন্ধ কমিটিৰ লগত যোগাযোগ কৰি শ্ৰীৰূপসিং বেদীৰ যোগেদি গ্ৰন্থ চাহেবৰ অসমীয়া অনুবাদ আৰু প্ৰকাশৰ সম্ভাৱনা সম্পৰ্কে যোগাযোগ কৰিবৰ বাবে প্ৰধান সম্পাদকক ভাৰ দিয়ে।

২০। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জৰীয়তে অনা-অসমীয়া লোকক অসমীয়া শিক্ষাৰ পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰাৰ কাৰণে আকাশবাণী কৰ্ত্তৃপক্ষক ধন্যবাদ জনায়। এই কাৰ্য্যসূচীৰ ম্যাদ বঢ়াই দি অন্য এজন লোকৰ জৰীয়তে ইংৰাজী মাধ্যমত অসমীয়া শিক্ষাৰ ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট কৰ্ত্তৃপক্ষক অনুৰোধ কৰে।

২১। যি তিনিখন গ্ৰন্থ প্ৰকাশৰ কাৰণে পূৰ্ব্বতে চৰকাৰী অনুদান পোৱা হৈছিল সেই কেইখন গ্ৰন্থৰ অনুবাদ সম্পৰ্কে ব্যৱস্থা গ্ৰহণৰ ভাৰ সভাপতি আৰু প্ৰধান সম্পাদকক সভাই দিয়ে।

২২। ধুবুৰীত বহিব লগা অহা মুকলি অধিবেশনৰ আয়োজনৰ বিষয়ে শ্ৰীঅমলকুমাৰ দাসে সভাক জনায়।

গৃহীত :
স্বাঃ শ্ৰীতীৰ্থনাথ শৰ্ম্মা
সভপতি
৩০। ৫। ৭১

---

# ‘আসাম বান্ধৱ’ৰ সম্পাদক তাৰানাথ চক্ৰৱৰ্ত্তী কাব্যবিনোদ

॥ শ্ৰীকামাখ্যা চৰণ ভাগৱতী ॥

[ অসমীয়া আলোচনীৰ চালুকীয়া ৰূপটি চাবলৈ হলে ‘বিশ্ববাৰ্ত্তা’, ‘আসাম বান্ধৱ’, ‘চেতনা’ প্ৰভৃতি কেইখনমান কাকতৰ পিনে চকু নিদিলে উপায় নাই। এই পত্ৰিকাৰ আগৰ এটা সংখ্যাত অধুনা লুপ্ত ‘বিশ্ববাৰ্ত্তা’ৰ পৰিচয় দি এই সংখ্যাত ‘আসাম বান্ধৱ’ আৰু তাৰ সম্পাদক ৺তাৰানাথ চক্ৰৱৰ্ত্তীৰ বিষয়ে এটি চমু আলচ আগ বঢ়োৱা হৈছে। পত্ৰিকাৰ প্ৰাক্তন সম্পাদক ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্যৰ অনুৰোধ অনুসৰি প্ৰবন্ধটি যুগুত কৰাত ৺চক্ৰৱৰ্ত্তীৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীৰেৱতীমোহন চক্ৰৱৰ্ত্তীয়ে আৱশ্যকীয় সমল-পাতি গোটাই দিয়াত মাখিবাহা হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক শ্ৰীকামাখ্যাচৰণ ভাগৱতীয়ে তাকে সজাই-পৰাই উলিওৱাৰ বাবে দুয়োগৰাকী উদ্যোগী সাহিত্য-প্ৰেমীলৈ আমাৰ শলাগ জনাইছো — ‘পত্ৰিকা’ সম্পাদক।]

উদাৰ, প্ৰতিভাশালী, কৰ্ম্মযোগী, দেশপ্ৰাণ লোক অসমবাসীৰ মাজত বিৰল। যি কেইগৰাকী আছে তেওঁলোকৰ ভিতৰত এতিয়ালৈকে কাব্যবিনোদ তাৰানাথ চক্ৰৱৰ্ত্তীৰ জীৱনৰ সম্যক আলোচনা নোহোৱাটো দুখৰ বিষয়। তেখেতে অসম বাসীৰ পৰা বহুমুখী কাৰ্য্যাৱলীৰ স্বীকৃতি নাপালেও “আসাম বান্ধৱ” সম্পাদনা কৰি বিংশ শতাব্দীৰ আদি ভাগত এচাম লেখকৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। অসমীয়া ভাষা-সাহিত্য জীয়াই থকালৈকে চক্ৰৱৰ্ত্তীদেৱৰ নাম সাহিত্য প্ৰেমীসকলৰ মাজত চিৰস্মৰণীয় হৈ থাকিব।

১৮০২ শকাব্দৰ আঘোন মাহত কামৰূপ জিলাৰ নম্বৰী অঞ্চলৰ বনগাৱঁত চক্ৰৱৰ্ত্তীদেৱৰ জন্ম হয়। তেখেতৰ উপৰি পুৰুষ গুৱাহাটীৰ কামাখ্যাত বাস কৰিছিল। তাৰ পৰা এটা ঠাল হাতীমূৰা বামুন্দীলৈ যায় আৰু সেই ঠাইত এতিয়াও চক্ৰৱৰ্ত্তী বংশৰ লোক আছে। কামাখ্যাৰ পৰা আহি বনগাৱঁত বাস কৰা চক্ৰৱৰ্ত্তীদেৱৰ উপৰি পুৰুষজন আছিল গদাপাণি। তেখেতৰ পিতৃৰ নাম গোপীনাথ চক্ৰৱৰ্ত্তী। মাতৃ চন্দ্ৰপ্ৰিয়াৰ পৰা চক্ৰৱৰ্ত্তীদেৱে সাধু আচৰণ আৰু সৎ শিক্ষা লাভ কৰাৰ সুযোগ পাইছিল শৈশৱ কালৰ পৰাই। তেখেত আছিল পিতৃ মাতৃৰ দ্বিতীয় সন্তান।

বঙলা ভাষাৰ মাধ্যমেৰে শিক্ষা লাভ কৰা চক্ৰৱৰ্ত্তীদেৱে ইংৰাজী শিক্ষা লোৱাৰ সুবিধা নাপালে। কিয়নো সেই সময়ত নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালৰ মাজত ইংৰাজী শিক্ষাৰ পৰিৱৰ্ত্তে সংস্কৃত শিক্ষাতহে ধাপ থকা দেখা গৈছিল। গাৱঁৰ প্ৰাইমাৰী স্কুলত পিতৃ গোপীনাথে চক্ৰৱৰ্ত্তীক পঢ়িবলৈ দিয়ে। তাৰ

পিচত তেখেত নিজ গাওঁৰ পৰশুৰাম শৰ্ম্মা উপাধ্যায়ৰ টোলত পঢ়ে। তাতে সংস্কৃতৰ প্ৰাথমিক শিক্ষা লাভ কৰি নিৰুদ্দেশ হয়। কিছুদিন ঘূৰি ফুৰি গৌৰীপুৰ ৰাজটোলত ৺আদ্যনাথ ন্যায়ভূষণদেৱৰ পৰা সংস্কৃত শিক্ষা লাভ কৰে। তাত বেছি দিন নাথাকি নলবাৰীৰ ওচৰৰ সন্ধা সংস্কৃত টোলত পঢ়ি প্ৰয়োগ ৰত্নমালাৰ আদ্য, মধ্য পৰীক্ষাত কৃতকাৰ্য্য হয়। তাৰ পিচত চক্ৰৱৰ্ত্তীদেৱে আয়ুৰ্ব্বেদ শিক্ষা লাভ কৰাৰ কাৰণে কলিকতালৈ যায় আৰু তাত ৺বিজয় ৰত্ন সেন কবিৰঞ্জনৰ পৰা আয়ুৰ্ব্বেদ শিক্ষা লাভ কৰি অগাধ পাণ্ডিত্য দেখুৱায়। ইংৰাজী শিক্ষা গ্ৰহণ কৰাৰ সুবিধা তাৰানাথ চক্ৰৱৰ্ত্তীয়ে স্কুল কলেজত নাপালেও উক্ত শিক্ষাৰ প্ৰতি তেখেতৰ অদমনীয় ধাউতি আছিল ; আৰু সেয়েহে তেখেতে সুন্দৰভাৱে ইংৰাজী লিখিব আৰু ক'ব পাৰিছিল। আঠগৰীয়াৰ মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্য, বৰপেটাৰ পণ্ডিত নাৰায়ণ মিশ্ৰ, নলবাৰী সত্ৰৰ সত্ৰাধিকাৰ প্ৰতাপ চন্দ্ৰ গোস্বামীৰ দৰে চক্ৰৱৰ্ত্তীদেৱৰো উপাধি ( ডিগ্ৰী ) নাছিল। তেখেত এজন উপাধিশূন্য পণ্ডিত আছিল। তেখেতৰ পাণ্ডিত্যত মুগ্ধ হৈ নৱদ্বীপ পণ্ডিত সমাজে তেখেতক কাব্যবিনোদ উপাধিৰে বিভূষিত কৰিছিল। উপাধি প্ৰদানৰ পিচৰ পৰা তেখেত কাব্যবিনোদ নামে সুধী সমাজত জনাজাত।

শিক্ষা শেষ কৰাৰ পিছত চক্ৰৱৰ্ত্তীদেৱে নিজ গাঁৱত সংস্কৃত টোল প্ৰতিষ্ঠা কৰি অধ্যাপনা কৰিছিল ; কিন্তু অধ্যাপনা কাৰ্য্যত বেছি দিন ৰত নাছিল। তাৰ পিচত তেখেতে মঙ্গলদৈ, নগাওঁ আদি চৰকাৰী হাইস্কুলত সংস্কৃত শিক্ষক হিচাবে কেইবছৰমান শিক্ষকতা কৰে। চৰকাৰী চাকৰিত মনোনিবেশ কৰিব নোৱাৰি স্বাধীন ব্যৱসায় কৰিবলৈ মন মেলে ; আৰু সেই উদ্দেশ্য সাৰোগত কৰি ডিব্ৰুগড়লৈ যায়। তাত আয়ুৰ্ব্বেদ ঔষধালয় এখন স্থাপন কৰে আৰু লগতে সাহিত্য সেৱাত মন দিয়ে।

## সাংবাদিক তাৰানাথ চক্ৰৱৰ্ত্তী :—

চক্ৰৱৰ্ত্তীয়ে 'আসাম বান্ধব' মাহেকীয়া আলোচনী খনৰ সম্পাদক হৈ এচাম লেখকৰ সৃষ্টি কৰে। এই মাহেকীয়া আলোচনীখন ১৯১০ খৃঃৰ পৰা প্ৰকাশ হয় ডিব্ৰুগড়ৰ পৰা। ঠিক সেই সময়তে "বাঁহী" (মাহেকীয়া) খৃ. ১৯০৯ চনৰ পৰা কলিকতাত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত হয়।

'আসাম বান্ধব' আলোচনী খন পোৱাটো এতিয়া টান হৈ পৰিছে। তথাপি ১৯১৪ চন, ৫ ম বছৰ ১০ ম সংখ্যাটো পোৱা গৈছে। এই সংখ্যা আলোচনীত সম্পাদক চক্ৰৱৰ্ত্তীদেৱে "ক্ষমা" আৰু "শান্তি" শীৰ্ষক দুটি দুটি প্ৰবন্ধৰ জৰীয়তে জনসাধাৰণলৈ সদুপদেশ আগ বঢ়াইছে। ক্ষমা প্ৰবন্ধত পোৱা যায় :— দীৰ্ঘশোক কোশল ৰাজ্যৰ এজন নৃপতি আছিল। তেওঁ সুখে-শান্তিৰে ৰাজ্য চলালেও ব্ৰহ্মদত্ত নামে এজন পৰাক্ৰমী ৰজাই তেওঁৰ ৰাজ্য জয় কৰি শাসন কৰিছিল। ইয়াত দীৰ্ঘশোক ধৈৰ্য্যচ্যুত নহৈ পুতেক দীৰ্ঘায়ুক সদুপদেশ দি জীৱন কটাবলৈ আদেশ দিলে আৰু ক্ষমা যে স্বৰ্গীয় বস্তু তাকো ভালদৰে বুজাই দিলে। কালক্ৰমত দীৰ্ঘায়ুৱে ব্ৰহ্মদত্তৰ ৰাজ্যত চাকৰি কৰে। এদিনাখন দীৰ্ঘায়ুৰ লগত ৰজা চিকাৰ কৰিবলৈ ওলাই গ'ল। সেই সময়ত দীৰ্ঘায়ুৰ অন্তৰত প্ৰতিশোধৰ ভাৱ জাগি উঠিছিল আৰু ৰজাৰ টোপনি অহাত তৰোৱালেৰে তিনিবাৰ কাটিবলৈ উদ্যত হৈছিল। কিন্তু পিতৃৰ উপদেশে তেওঁক সেই কাম কৰাব নোৱাৰিলে। পিচত ৰজাই এই কথাৰ গম পাই উপযুক্ত পিতৃৰ উপযুক্ত সন্তান বুলি স্বীকাৰ কৰি অনুতাপত দগ্ধ হৈ এইদৰে কলে,— "হে মহান পিতাৰ মহান পুত্ৰ, তোমাৰ পিতা মৰিও অমৰ, পৰাজিত হৈও অসীম সাম্ৰাজ্যৰ সম্ৰাট। আজি মই তেওঁৰ কৃপাতে নতুন জীৱন পালো। তোমাৰ পিতাৰ স্বৰ্গ স্থিত আত্মাৰ ওচৰত আৰু তোমাক মোৰ অপৰাধৰ কাৰণে সবিনয়ে ক্ষমা খুজিছোঁ"। এই খিনিয়ে ক্ষমা প্ৰবন্ধৰ তাৎপৰ্য্য। "শান্তি" প্ৰবন্ধত চক্ৰৱৰ্ত্তীয়ে এইদৰে কয়,— "শান্তি জগতৰ অমূল্য ৰত্ন। মহা মহা বিপদত পৰা, অন্ন কষ্টত শৰীৰ জৰাজীৰ্ণ হওক, ধনৰ অভাৱত দুৱাৰে দুৱাৰে ভিক্ষা মাগি ফুৰক, যদি স্বৰ্গীয় সম্পদ শান্তি হৃদয়ত নিহিত থাকে, তেনেহলে সেইজনেই জগতত প্ৰকৃত সুখী" এই প্ৰবন্ধৰ জৰীয়তে তেখেতে আত্মা আৰু জীৱাত্মাৰ সম্যক বিচাৰো কৰিছে — "শান্তিৰ নিকেতন আত্মা। শৰীৰ মাত্ৰ উপলক্ষ্য, শান্তি-অশান্তিৰ ফলভোক্তা জীৱাত্মা। কিন্তু আত্মা অচল অটল, আত্মাৰ ব্যাপাৰ নাই। জড়, মৰ, চল শৰীৰতো অক্ষয় আত্মা অধিকাৰী, অচল, অটল।" আৰু শান্তি শীৰ্ষক প্ৰবন্ধত পোৱা যায়,— "মানসিক অৱস্থাৰ পৰিৱৰ্ত্তনেই জ্ঞানৰ মূল ভিত্তি আৰু সৎ উপদেশ বা শিক্ষাই জ্ঞানৰ অঙ্কুৰ। জ্ঞানৰ দ্বাৰা মন ধৈৰ্য্যশীল হয়, ধৈৰ্য্যশীলতাই শান্তি সুখৰ মূল উপাদান। এই জ্ঞানজন্য ধৈৰ্য্য যাৰ হৃদয়ত নাই স্বৰ্গৰ অধিপতি হলেও তেওঁৰ কপালত শান্তি নঘটে। আৰু ধৈৰ্য্যশীল পুৰুষ মগনীয়া হলেও তেওঁ শান্তি সুখে পৰমানন্দে জীৱন অতিবাহিত কৰে।" আৰু উক্ত সংখ্যা 'আসাম বান্ধৱ'ত ৺সীতাৰাম ৰাবাৰ চমু জীৱনটোও চক্ৰৱৰ্ত্তীদেৱে দাঙি ধৰিছে যাতে জন সাধাৰণে সৎ জীৱন-যাপন কৰাৰ প্ৰেৰণা পায় এনেকুৱা মহান ব্যক্তিক অনুসৰণ কৰি। ১৯১৮ চনৰ ৯ ম বছৰ জুলাই সংখ্যাত চক্ৰৱৰ্ত্তীদেৱৰ "অমৰ ধামৰ যাত্ৰী" শীৰ্ষক এটি দাৰ্শনিক প্ৰবন্ধ প্ৰকাশ পায়। চৰাই এটাক উদ্দেশ্য কৰি এই প্ৰবন্ধটো লিখা হৈছিল।

## 'বাঁহী' আৰু 'আসাম বান্ধৱ'ত শব্দৰ ব্যৱহাৰ লৈ অৰিয়া অৰি :—

'বাঁহী' আৰু 'উষা' সমসাময়িক আলোচনী। 'আসাম বান্ধব'ৰ কামৰূপী শব্দ আৰু ভাষা প্ৰচলন কৰা যদিও অন্যতম প্ৰধান লক্ষ্য আছিল, বিভিন্ন গল্প, কবিতা আৰু বিশেষকৈ গধুৰ প্ৰবন্ধৰ দ্বাৰা ভাষা জননীক সেৱা কৰিবলৈও সমৰ্থ হৈছিল। বেজ বৰুৱাই 'বাঁহী'ৰ সম্পাদক হৈ অসমীয়া ভাষাটো উজনীয়া ধৰুৱা ভাষাত পৰিণত কৰিবলৈ সদায় চেষ্টা কৰি আছিল। বোধহয় তেওঁ ৰবীন্দ্ৰ নাথ ঠাকুৰৰ বঙালী ভাষা চলোৱা ৰীতিকে অৱলম্বন কৰিছিল। সেই সময়ত নামনি অসমৰ ছাত্ৰসকলে উজনীয়া কথিত ভাষাটো

বৰ ভাল নেপাই তাৰানাথ চক্ৰৱৰ্ত্তীদেৱৰ সম্পাদনাত ওলোৱা 'আসাম বান্ধৱ' মাহেকীয়া কাকত খনলৈ দান বৰঙণি আগবঢ়াইছিল। চক্ৰৱৰ্ত্তী সম্পাদিত আলোচনীখনৰ পৃষ্ঠপোষক আছিল কালিৰাম মেধি, ডঃ হৰেকৃষ্ণ দাস, হাকিম ভৰত চন্দ্ৰ দাস আৰু শৰৎ চন্দ্ৰ গোস্বামী প্ৰভৃতি। এই উজনি আৰু নামনি অসমৰ ভাষা যুদ্ধৰ ফল বৰং ভালেই হৈছিল। উভয় পক্ষই পৰস্পৰৰ শব্দ আৰু ৰীতি ভালদৰে গ্ৰহণ কৰিছিল। ঠিক সেই সময়ত শ্ৰীকালিৰাম বৰ্দ্ধনৰ সম্পাদনাত 'বিশ্ববাৰ্ত্তা' নামৰ এখন বাতৰি কাকত ওলায়। লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী' আৰু তাৰানাথ চক্ৰৱৰ্ত্তী কাব্যবিনোদৰ 'আসাম বান্ধৱ'ৰ মাজত উজনি আৰু নামনি অসমৰ ভাষালৈ বাদানুবাদ চলাত যোৰহাটৰ চন্দ্ৰধৰ বৰুৱাই 'বিশ্ববাৰ্ত্তা'ৰ সম্পাদক বৰ্দ্ধনলৈ গুৰুত্ব পঠিয়াই চিঠিৰে পৰামৰ্শ দিছিল যে উভয় পক্ষৰ সহজ আৰু সৰ্ব্বজন বিদিত প্ৰচলিত শব্দবোৰক 'বিশ্ববাৰ্ত্তা'ত যাতে ঠাই দিয়া হয়। বৰুৱাৰ উপদেশ বিশ্ববাৰ্ত্তাৰ সম্পাদকে পালন কৰাত আৰু গৰ্ডন চাহাবৰ অনুমোদত উভয় পক্ষৰ এটা মধ্যম পন্থা লোৱাত সকলোৱে ভাল পালে। এই ঘটনাৰ পৰা বুজা যায় তাৰানাথ চক্ৰৱৰ্ত্তী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ লগতো ভাষা যুদ্ধত প্ৰবৃত্ত হৈছিল।

তাৰানাথ চক্ৰৱৰ্ত্তীদেৱৰ প্ৰকাশিত কিতাপ হ'ল 'বেউলা' আৰু 'ৰাজবল্লভ'। অপ্ৰকাশিত গ্ৰন্থ কেইখনো তেখেতৰ দ্বাৰা ৰচিত হৈছিল। সেইবোৰ হ'ল—অসমীয়া সাধু কথা (৭টা সাধু) চণ্ডীৰ ব্যাখ্যা (সংস্কৃতত), হস্তী চিকিৎসা, লাচিত বিজয় নাট, দেৱদেৱীৰ পদ আৰু পদ্ম পুৰাণৰ পদ ৰচনা, মহাস্থানৰ পদ ৰচনা ইত্যাদি। কৰ্পূৰাদি স্তৱৰ ব্যাখ্যা আৰু দশমহাবিদ্যাৰ পদো তেখেতৰ কাপৰ পৰা ওলাইছিল। কিন্তু এতিয়া অপ্ৰকাশিত গ্ৰন্থবোৰ সংৰক্ষণৰ অভাৱত নষ্ট হৈ গৈছে।

'বেউলা'খন চক্ৰৱৰ্ত্তীৰ আখ্যানমূলক ৰচনা। প্ৰকাশিত গ্ৰন্থ হলেও ইয়াক ভালদৰে আলোচনা কৰাৰ সুবিধা নহ'ল। কাৰণ ইয়াৰ কেইটামান পাত হে পোৱা গৈছে। পদ্মপুৰাণৰ পৰা ইয়াৰ আখ্যানভাগ লোৱা হৈছে। পুৰণি অসমীয়া সাহিত্যত বেউলাৰ বিষয়ে কবি মনকৰ, দুৰ্গাবৰ আৰু সুকবি নাৰায়ণদেৱে আলোচনা কৰি গৈছে। চক্ৰৱৰ্ত্তীদেৱে বৰ্ত্তমান গদ্য-সাহিত্যৰ মাজেৰে বেউলাৰ সম্যক পৰিচয় সৰ্ব্বসাধাৰণৰ আগত দাঙি ধৰিছে। চক্ৰৱৰ্ত্তীৰ বেউলাত কেইবাটাও অধ্যায় পোৱা যায় যেনে,— কৈলাশ বৰ্ণনা, পদ্মাৱতীৰ মন্ত্ৰণা, বেউলা লখিন্দাৰ কথাবাৰ্ত্তা, কাল প্ৰভাত, উজানি, লখিন্দাৰৰ জীৱন দান ইত্যাদি। ইয়াত সংস্কৃত গন্ধী শব্দৰ প্ৰয়োগ বেছিকৈ পোৱা যায়।

'ৰাজবল্লভ' ১৯৩৩ চনত অনূদিত আৰু প্ৰকাশিত হয়। চক্ৰৱৰ্ত্তীৰ এইখন মৌলিক গ্ৰন্থ নহয়। অনূদিত গ্ৰন্থহে। কামৰূপৰ কবিৰাজ নাৰায়ণ দাসে এইখন গ্ৰন্থ সংস্কৃত ভাষাত ৰাজবল্লভ নাম দিছিল। কিন্তু ইয়াৰ পাণ্ডুলিপিটো দোঁৱাচাঙৰ পৰা উলিয়াই চক্ৰৱৰ্ত্তীদেৱে অনুবাদ কৰি প্ৰকাশ কৰে।



'ৰাজবল্লভ' সাধাৰণ স্বাস্থ্য সম্বন্ধীয়া এখন পুথি। আয়ুৰ্ব্বেদ শাস্ত্ৰৰ মতানুযায়ী বিভিন্ন খাদ্যৰ গুণাগুণ বিষয়ে ইয়াত বহলভাৱে আলোচনা কৰা হৈছে। এই অনূদিত পুথিখনৰ পৰা কামৰূপত আয়ুৰ্ব্বেদ শাস্ত্ৰৰ কিমান চৰ্চ্চা আছিল তাৰ এটা সুন্দৰ আভাস পোৱা যায়। পুৰণি কালত কামৰূপীয় কবিৰাজ সকলে সম্পূৰ্ণ বিজ্ঞান সম্মত ভাৱে যে তেওঁলোকৰ ব্যৱসায়ৰ অনুশীলন কৰিছিল ই তাৰ চিনাকি দিয়ে। মূল আয়ুৰ্ব্বেদ সংহিতা গ্ৰন্থবিলাকৰ পৰা প্ৰমাণ সংগ্ৰহ কৰি সৰ্ব্বসাধাৰণ পাঠকৰ সুবিধাৰ কাৰণে প্ৰভাতকৃত্য, পূৰ্ব্বাহ্নকৃত্য, মধ্যাহ্নকৃত্য অপৰাহ্নকৃত্য, ৰজনীকৃত্য, এই পাঁচ পৰিচ্ছেদ আৰু পৰিশিষ্টত ঋতুচৰ্য্যা ঔষধীবৰ্ণনা নামে পৰিচ্ছেদ যোগ কৰা অনুবাদিত এই ৰাজবল্লভ পুস্তকখনি। অগ্নি, বায়ু, ধূম, হিম, পানী আদি সৰ্ব্বসাধাৰণ মানৱৰ উপভোগ্য প্ৰাকৃতিক উপদানবিলাকৰ বৰ্ণনা অন্ন, শাক, দধি-দুগ্ধ, ঘৃত-নৱনীত, মাছ-মাংস আদি মানৱৰ খাদ্য বোৰৰ বৰ্ণনা পিঠা, পৰমান্ন, ব্যঞ্জন আদি কৃত্ৰিম, খাদ্য সমূহৰ বৰ্ণনা ইয়াত পোৱা যায়। ৰাজবল্লভ অনূদিত গ্ৰন্থ হলেও ইয়াত চৰক, সুশ্ৰুত, হাৰীত, বাগ্‌ভট, ভাব প্ৰকাশ, ৰাজনিৰ্ঘণ্ট, দ্ৰব্যগুণাভিধান, শব্দস্তোম, মহানিধি, শব্দকল্পদ্ৰুম আদি গ্ৰন্থ বিচাৰ কৰি যথাসম্ভৱ বচন বিলাকৰ মৌলিক অনুসন্ধান কৰা হৈছে আৰু ফুট নোটত সপক্ষ-বিপক্ষ প্ৰমাণবিলাক সংগ্ৰহ কৰি দিছে। খাদ্যৰ লগত যে শৰীৰ আৰু স্বাস্থ্য বিজ্ঞানৰ অবিচ্ছেদ্য সম্বন্ধ তাক আজিকালিৰ সকলো চিকিৎসকেই স্বীকাৰ কৰিব। খাদ্য তত্ত্বৰ বিষয়ে যে বহল চৰ্চ্চা হব লাগে তাক আজিকালি সকলোৱে অনুভৱ কৰিছে। খাদ্যতত্বৰ বিষয়ে নতুন গৱেষণা সকলো উন্নত দেশত চলিব ধৰিছে। শৰীৰ সবল, সুস্থ আৰু নিৰোগী ৰাখিবলৈ কেনে ধৰণৰ খাদ্য আমাৰ আৱশ্যকীয় সেই বিষয়ে বিষদ আলোচনা চলি আছে। সেই ফালৰ পৰা বিচাৰ কৰিলে দেখা যায় 'ৰাজবল্লভ' এখন অমূল্য গ্ৰন্থ।

চক্ৰৱৰ্ত্তী দেৱৰ ৰচিত অপ্ৰকাশিত 'হস্তী-চিকিৎসা' এখন অমূল্য গ্ৰন্থ আছিল। তেখেতে নিজ ঘৰত হাতী-ঘোঁৰা ৰাখিছিল আৰু এই জন্তু চিকিৎসা সম্পৰ্কে গৱেষণাও কৰিছিল। তেখেতৰ ৰচিত 'হস্তী চিকিৎসা'ৰ পাণ্ডুলিপিটো কাৰোবাৰ হাতত পৰি পুনৰ ঘূৰি নাহিল। গতিকে অদূৰ ভৱিষ্যতে প্ৰকাশ কৰাৰ সম্ভাৱনা নাই। অসমীয়া সাহিত্যত হাতীৰ বিষয়ে লিখা এইখন দ্বিতীয় গ্ৰন্থ বুলি কব পাৰি। আমাৰ দেশত বনৰীয়া হাতী ধৰি তাক ঘৰচীয়া কৰা প্ৰণালী আৰু তাক ৰাজ্যৰ নানা কামত লগোৱা দস্তুৰ, আকৌ কি হাতীৰ কি লক্ষণ, হাতীৰ কি ৰোগ হলে কি চিকিৎসা কৰিব লাগে ইত্যাদি বিষয়ৰ নানা পুথি লিখি আমাৰ পূৰ্ব্ব-পুৰুষবিলাকে আমাৰ সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। এই হস্তী বিদ্যা অসম দেশৰ এটা অনুপম সম্পদ। 'হস্তী-বিদ্যাৰ্ণৱ' নামৰ এনে এখন পুথি হাতীৰ ছবিৰে সুকুমাৰ বৰকাথে লিখিছিল। এই পুথিখন দেখি ৰবীন্দ্ৰনাথ ঠাকুৰৰ নিচিনা কবি আৰু চাৰ প্ৰফুল্লচন্দ্ৰ ৰায়ৰ নিচিনা বৈজ্ঞানিকো মোহিত হৈছিল। তাৰানাথ

চক্ৰৱৰ্ত্তীৰ 'হস্তী চিকিৎসা'ত হাতীৰ ছবি নাথাকিলেও, হাতীৰ ৰোগ আৰু চিকিৎসা সম্পৰ্কে বিস্তৃত বিৱৰণ আছিল।

তদুপৰি তলত উনুকিওৱা বিলাকৰ দৰে তাৰানাথ চক্ৰৱৰ্ত্তীদেৱৰ জীৱনৰ ভালেখিনি উল্লেখযোগ্য ঘটনা আৰু কাৰ্য্যাৱলী আছে; আমি তাৰ গোটাচেৰেকহে উল্লেখ কৰিলো :—

(ক) তাৰানাথ চক্ৰৱৰ্ত্তী স্বদেশ-প্ৰেমী আৰু সমাজ-কৰ্ম্মী আছিল। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰিছিল যদিও ফাটেক খোৱা নাছিল। বৃটিচ চৰকাৰে তেখেতৰ পাণ্ডিত্যত মুগ্ধ হৈ তেখেতক কাৰাৰুদ্ধ কৰা নাছিল।

(খ) স্বাধীনতাৰ আগতে নিজ গাৱঁত মহাকালী বিদ্যালয়খন স্থাপন কৰিছিল। এই বিদ্যালয়ক কেন্দ্ৰ কৰিয়েই চৰকাৰৰ পৰা অনুদান লৈ মহাকালী মন্দিৰ আৰু মহাকালী কুঁৱা নিৰ্ম্মাণ কৰিছিল।

(গ) চক্ৰৱৰ্ত্তীদেৱে অসমৰ পণ্ডিতসমাজৰ প্ৰতিনিধি হৈ সৰ্ব্ব-ভাৰতীয় হিন্দু মহাসভা কেবাখনত যোগদান কৰিছিল। অসমৰ এজন বিশিষ্ট পণ্ডিত বুলি বক্তাৰে পৰিচয় দি সুখ্যাতি অৰ্জ্জন কৰিছিল।

(ঘ) নবদ্বীপত অনুষ্ঠিত সৰ্ব্বভাৰতীয় হিন্দু-মহাসভাত বক্তৃতা দি কাব্যবিনোদ উপাধি লাভ কৰাৰ উপৰিও অসমৰ এজন প্ৰখ্যাত সংস্কৃত পণ্ডিত বুলি ভাৰতৰ পণ্ডিতসমাজৰপৰা ভূয়সী প্ৰশংসা পাইছিল। কাশীত বহা ভাৰতীয় হিন্দু-মহাসভাতো তেখেতে যোগদান কৰিছিল। সেই মহাসভাত তেখেতক বক্তৃতা দিয়াৰ কাৰণে প্ৰথমে পাঁচ মিনিট সময় দিয়া হৈছিল। কিন্তু চক্ৰৱৰ্ত্তীদেৱৰ বক্তৃতাৰ উপস্থাপনত মোহিত হৈ সভাপতিদেৱে দুদিনত ৬ঘণ্টা বক্তৃতা দিয়াৰ অনুমতি দিছিল।

(ঙ) নলবাৰী গৰ্ডন হাইস্কুলৰ গঙ্গাৰাম হল স্থাপনৰ গুৰিতে আছিল তাৰানাথ চক্ৰৱৰ্ত্তীদেৱ। তেখেত ডিব্ৰুগড়ত সাংবাদিক হৈ থাকোতে এই দান ৺গঙ্গাৰাম চৌধুৰীৰ পৰা আনিছিল; আৰু তেওঁৰ দানৰ দ্বাৰা স্কুলৰ এটি ঘৰ নিৰ্ম্মাণ হোৱা কাৰণে স্কুল কমিটীয়ে সেই ঘৰটোৰ নাম 'গঙ্গাৰাম হল' ৰাখিছিল। আজিও সেই ঘৰৰ সৌন্দৰ্য্য ম্লান হৈ যোৱা নাই।

(চ) আনুমানিক ১৯২১ চন মানত নলবাৰীৰ অন্তৰ্গত বৰনৰ্দ্দীত মহাবিষ্ণু যজ্ঞ অনুষ্ঠিত হৈ আজিলৈকে এই যজ্ঞ পূৰ্ণপয়োভৰেৰে চলি আছে। এই মহাবিষ্ণু যজ্ঞৰ কথা স্মৰণ কৰিলে আমাৰ তিনি গৰাকী মহান ব্যক্তিলৈ মনত পৰে, তাৰানাথ চক্ৰৱৰ্ত্তী কাব্যবিনোদ, নলবাৰী সত্ৰৰ সত্ৰাধিকাৰ প্ৰতাপ চন্দ্ৰ গোস্বামী আৰু বৰনৰ্দ্দীৰ পুষ্পকান্ত শাস্ত্ৰী। নানা কামৰ মাজত থাকি চক্ৰৱৰ্ত্তীদেৱে যজ্ঞগৃহ নিৰ্ম্মাণত আগভাগ লৈছিল।

(ছ) অসম সাহিত্য সভাৰ প্ৰথম বছৰৰ ১৯১৭-১৮ চনৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অন্যতম সদস্য আছিল তাৰানাথ চক্ৰৱৰ্ত্তী। তেখেতে চালুকীয়া অসম সাহিত্য সভাখনলৈ কিছু পৰামৰ্শ আগবঢ়োৱাৰ উপৰিও প্ৰধান সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীৰ সহযোগত সভাৰ কলেবৰ বৃদ্ধি কৰাত মন দিছিল।



(জ) অসম আয়ুৰ্ব্বেদ মহাসভাৰ বাৰ্ষিক অধিবেশন এবাৰ চক্ৰৱৰ্ত্তীদেৱৰ আহ্বান ক্ৰমে বাইহাটা পুথিমাৰীত বহিছিল। এই অধিবেশন সুচাৰুৰূপে পূৰ্ণহোৱাৰ গুৰিতে আছিল চক্ৰৱৰ্ত্তী। তেখেত অভ্যৰ্থনা সমিতিৰ সভাপতিও আছিল।

(ঝ) ১৯৪৮ চনত মহাত্মা গান্ধীৰ অস্থি নিক্ষেপনৰ কাৰণে হোৱা অনুষ্ঠিত সভাত গোৱালপাৰা জিলা কংগ্ৰেছ সদনৰ আহ্বান ক্ৰমে তাৰানাথ চক্ৰৱৰ্ত্তীয়ে সভাপতি হিচাবে যোগদান কৰিছিল। সেই সময়ত অভিভাষণ দি অস্থি নিক্ষেপনৰ কাৰণে ব্ৰহ্মপুত্ৰলৈ যাত্ৰা কৰোতে মটৰ দুৰ্ঘটনাত পৰে আৰু তাতে তেখেতে শৰীৰত আঘাত পায়। পিচত গুৱাহাটী আৰু খিলঙৰ ৰবাৰ্ট হস্পিতালত থাকি আৰোগ্য লাভ কৰে।

(ঞ) ১৯৪৮ চনৰ জুলাই মাহত দৰং জিলাৰ চতিয়াত এখন হিন্দু সমাজ বহে। তাত বিশেষকৈ হিন্দু শাস্ত্ৰলৈ দুটা দলৰ মতভেদ হয়। এটা দলৰ নায়ক আছিল গোপিকা বল্লভ শাস্ত্ৰী। তেওঁ হিন্দু শাস্ত্ৰত থকা শ্ৰাদ্ধ, বিবাহ আদিলৈ সমাজত বিভেদ আনে। তেতিয়া আনটো দলে ৺চক্ৰৱৰ্ত্তী দেৱক আমন্ত্ৰণ কৰি নিয়ে। তেখেতে হিন্দু-শাস্ত্ৰত থকা বিবাহ, শ্ৰাদ্ধ আদিৰ বিষয়ে প্ৰমাণ দৰ্শাই এটি বক্তৃতা দি সুখ্যাতি অৰ্জ্জন কৰাৰ উপৰিও মানুহৰ মনত পেলোৱা শাস্ত্ৰৰ প্ৰতি থকা বিৰূপ ভাব গুচায়।

চিকিৎসক চক্ৰৱৰ্ত্তী :—

আয়ুৰ্ব্বেদ শাস্ত্ৰৰ চিকিৎসক হিচাবে চক্ৰৱৰ্ত্তীদেৱে সুখ্যাতি অৰ্জ্জন কৰিছিল আৰু অসমৰ নানা ঠাইৰ লোকে তেখেতৰ পৰা চিকিৎসা লৈছিল। প্ৰথমতে তেখেত নিজ ঘৰত থাকি কবিৰাজী কৰে। তাত ভালদৰে মন নবহাত নলবাৰী অঞ্চলৰ কেবা গৰাকী কবিৰাজৰ সহযোগত নিজ গাৱঁত কামৰূপ আয়ুৰ্ব্বেদ আশ্ৰম নামৰ এখন ঔষধালয় স্থাপন কৰে। এই আয়ুৰ্ব্বেদ আশ্ৰমখনৰ কেই বছৰমান গুৰি ধৰি থাকি পিচত গুৱাহাটীৰ উজান বজাৰত চক্ৰৱৰ্ত্তী আয়ুৰ্ব্বেদালয় স্থাপন কৰে। ইয়াত চিকিৎসক হৈ থাকোতে তেখেতৰ মনত প্ৰথমে ভুমুকি মাৰিছিল জাতীয় চৰকাৰী আয়ুৰ্ব্বেদ কলেজ নিৰ্ম্মাণৰ ছবি। গুৱাহাটী আয়ুৰ্ব্বেদ কলেজ স্থাপনৰ তেওঁক অন্যতম উদ্যোক্তা বুলিও কব পাৰি।

এজন অভিজ্ঞ চিকিৎসক হিচাবে কেবা গৰাকী পণ্ডিতে চক্ৰৱৰ্ত্তীদেৱলৈ অভিমত প্ৰদান কৰিছে তলত দিয়া দৰে —

আইন কলেজৰ অধ্যক্ষ জে. বৰুৱাৰ অভিমত : (১৪। ১১। ৩৩)

I have known pandit Taranath Chakrabarty Kabyabinod for nearly twenty years. In addition to his literary gift he is an Ayurvedic Physician of note. He is learned in our Hindu System of medicine and is a popular Kaviraj in Kamrup. I use his medicines and recommend them to friends. They are quite pure and good. I wish his business every success.

আসামভেলি স্কুল বিভাগৰ পৰিদৰ্শক ৺শৰৎ চন্দ্ৰ গোস্বামীদেৱে লিখিছিল : (১৬।৭।৩২)

Kabiraj Taranath Chakrabarty Kabyabinod has been my family Kabiraj for nearly two decades. He cured my wife twice of long chronic illness. He is a very sound Physician, and knows a very large number of country medicines which give marvellous results.

I can confidently recommend him to any one who wants a learned and sound physician practising the Kaviraji system of medicine.

মিষ্টভাষী, অমায়িক, নম্ৰ অহঙ্কাৰশূন্য অথচ দৃঢ় প্ৰতিজ্ঞ আৰু কৰ্ত্তব্যপৰায়ণ এজন লোক, এইজনেই তাৰানাথ চক্ৰৱৰ্ত্তী কাব্য-বিনোদ — এজন দায়িত্বপূৰ্ণ ব্যক্তি। নিজৰ দায়িত্ব সম্পূৰ্ণভাৱে পালন কৰিছিল। ৰাজহুৱা কামৰ আহ্বান চক্ৰৱৰ্ত্তীদেৱে, কোনো দিনে উপেক্ষা কৰা নাছিল গতিকে তেওঁৰ জীৱন এক আদৰ্শ জীৱন—অনুকৰণীয় জীৱন।

সভা-সমিতিৰ প্ৰতি তেখেতৰ ৰাপ আছিল অপৰিসীম। অগত্যা নোৱাৰিলেহে তেখেত সভা-সমিতিত অনুপস্থিত আছিল। বিনাকামে কেতিয়াও বহি থাকিব নোৱাৰিছিল। নিজ ব্যৱসায় আৰু ৰাজহুৱা কামৰ উপৰিও সময় পালেই তেখেতে নিজ হাতে বাগিচাত কাম কৰিছিল।

১৮৭৫ শকৰ পুহ মাহৰ ১৯ তাৰিখে ৭৩ বছৰ বয়সত নলবাৰী বনগাওঁৰ নিজ ঘৰত পত্নী, তিনিজন পুত্ৰ আৰু এজনী কন্যা এৰি থৈ তাৰানাথ চক্ৰৱৰ্ত্তী স্বৰ্গী হয়।

---

# সচিত্ৰ অসমীয়া অধ্যাত্ম ৰামায়ণ

। কেশদা মহন্ত ।

সংস্কৃত ভাষাত ৰচিত অধ্যাত্ম ৰামায়ণৰ ৰচয়িতা আৰু ৰচনা কাল সম্পৰ্কে নিশ্চিতভাৱে একো কৰ পৰা নাযায় যদিও ইয়াৰ সম্ভাব্য ৰচনাকাল ১৪ আৰু ১৫ শতিকাৰ ভিতৰতে বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰে। ৰামানন্দৰ ৰামাৱত সম্প্ৰদায়ত এই ৰামায়ণে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। কোনো কোনোৱে ৰামানন্দকে এই ৰামায়ণৰ ৰচয়িতা বুলি কব খোজে। সংস্কৃত আনন্দ ৰামায়ণ, গোস্বামী তুলসীদাসৰ ৰামচৰিতমানস আৰু একনাথৰ মাৰাঠী ৰামায়ণৰ ওপৰত অধ্যাত্ম ৰামায়ণৰ প্ৰভূত প্ৰভাৱ পৰিলক্ষিত হয়। এই ৰামায়ণখনি শিৱ-পাৰ্ব্বতীৰ সংবাদ ৰূপত উপস্থাপন কৰা হৈছে। বাল্মীকিয় ৰামায়ণৰ দৰে ইয়াতো সাতোটা কাণ্ড আছে যদিও অনেক ঠাইত অবাল্মীকিয় কাহিনী পোৱা যায়। ৰামৰ জীৱন-চৰিতত কৃষ্ণ লীলাৰ অনুৰূপে লীলা সংযোজনা কৰাটো অধ্যাত্ম ৰামায়ণৰ অন্যতম বিশেষত্ব।

আমাৰ অসমতো এই ৰামায়ণৰ অনুবাদ প্ৰস্তুত কৰিছিল, চলিহা বাৰেঘৰ সত্ৰৰ প্ৰখ্যাত শ্ৰীৰাম আতাই। নগাৰ নৰোত্তমক মহাপুৰুষীয়া ধৰ্মত দীক্ষিত কৰা কৃতিত্ব অৰ্জ্জন কৰিছিল এইজনা শ্ৰীৰাম আতায়েই। এওঁ সাত্বত তন্ত্ৰ শাস্ত্ৰ-শতক, ভক্তি বিবেক প্ৰভৃতি অনুবাদ গ্ৰন্থ প্ৰকাশ পোৱা সাহিত্যিক বৈশিষ্ট্যৰ আলোচনাৰ কাৰণে বেলেগ প্ৰবন্ধৰ আৱশ্যক হব। মুঠতে তেওঁৰ অনূদিত অধ্যাত্ম ৰামায়ণৰ, অসমীয়া সাহিত্যৰ ইতিহাসত বৈশিষ্ট্যপূৰ্ণ স্থান হব যে সি নিশ্চিত কথা।

শ্ৰীৰাম আতাই অনুবাদ কৰা সম্পূৰ্ণ অধ্যাত্মৰামায়ণখনি বিচাৰি উলিয়াবলৈ আমি অনেক চেষ্টা কৰিও ব্যৰ্থ হৈছো। শ্ৰীৰাম আতাৰ বংশধৰসকলৰ ভিতৰত কাৰোবাৰ ঘৰত এই অমূল্য সম্পদটি সংৰক্ষিত আছে, নিশ্চয়। এই অধ্যাত্ম ৰামায়ণৰ সুন্দৰ কাণ্ডটি সচিত্ৰ কৰি লিখিছিল, শ্ৰীৰাম আতাৰ নাতিয়েক পূৰ্ণকামদেৱে। এই পুথিখনিৰ বৰ্ত্তমান সংৰক্ষক শ্ৰীযুত মিহিৰ চন্দ্ৰ মহন্তদেৱে (নাজিৰা বাৰেঘৰ সত্ৰ) অনুগ্ৰহ কৰি তেখেতৰ ঘৰতে এদিনৰ কাৰণে এই লেখিকাক পুথিখন চাবলৈ দিছিল। সেই দেখাৰ ভিত্তিতে 'সচিত্ৰ অধ্যাত্ম ৰামায়ণ সুন্দৰকাণ্ড'ৰ ওপৰত এই আলোচনাটি আগবঢ়োৱা হৈছে।

চলিহা বাৰেঘৰ সত্ৰৰ মৌখিক পৰম্পৰা মতে অধ্যাত্মৰামায়ণৰ সুন্দৰ কাণ্ডৰ চিত্ৰৰূপ প্ৰণেতা পূৰ্ণকামদেৱ; কিন্তু পুথিখনিত ক'তো প্ৰণেতাৰ নামৰ উল্লেখ পোৱা নাযায়। পুথিখনৰ কেইবাটিও পাত ইতিমধ্যে পোকে কুটি

নষ্ট কৰিছে যদিও সেই অংশবোৰ প্ৰণেতাৰ নাম থকাৰ সম্ভাৱনা স্থূল মুঠেই নহয়। পুথিখনিৰ অন্তত এই বুলি কোৱা হৈছে —

সমাপ্তোহয়ং সুন্দৰকাণ্ডঃ যথা দৃষ্টন্তথা লিখিতং লেখকে নাস্তি দূষণং ভীমস্যাপি ৰণে ভঙ্গো মুনেৰপি মতিভ্ৰমঃ। চৈত্ৰ মাসে শাকে ১৬৮৮ অধ্যাত্ম ৰামায়ণ (ং) লিখিতং।

পূৰ্ণকামদেৱ আছিল শ্ৰীৰাম আতাৰ পুত্ৰ দেৱগোৱিন্দৰ দ্বিতীয় পুত্ৰ। শ্ৰীৰাম আতাৰ জন্মৰ সময়, তেওঁৰ সমসাময়িক ৰামদেৱ দ্বিজৰ ৰচনা 'শ্ৰীৰাম আতাৰ চৰিত'ত এই বুলি পোৱা যায় —

মুনি বসু বাণ চন্দ্ৰ শক সিবেলাত।
বাৰেঘৰীয়াত জন্ম শ্ৰীৰাম সাক্ষাত॥ ১৪

অৰ্থাৎ শ্ৰীৰামৰ জন্ম শক ১৫৮১ শক। সেই কালৰ পৰা চালে শ্ৰীৰামৰ নাতিয়েক পূৰ্ণকামে ১৮৮৮ শকত চিত্ৰ-ৰামায়ণ প্ৰণয়ন কৰাটো যুক্তিযুক্ত কথা হয়। গতিকে পুথিত চিত্ৰকৰৰ নাম নাথাকিলেও পৰম্পৰামতে চলি অহা পূৰ্ণকামদেৱেই বাৰেঘৰ সত্ৰৰ চিত্ৰ-ৰামায়ণ অৰ্থাৎ শ্ৰীৰাম আতাৰ ৰচনা অধ্যাত্ম ৰামায়ণৰ সুন্দৰকাণ্ডৰ চিত্ৰকৰ হোৱাটো অসম্ভৱ নহয়।

তুলাপাতৰ ওপৰত চিত্ৰ সহ পদ লিখা এই পুথিখনিৰ দীঘ প্ৰায় ১৬", পুতল ৬২ ইঞ্চি, পত্ৰ ৫০ খিলামান হব। মূল পত্ৰ বোৰৰ লগতে পাছত অনুকৰণ কৰি আঁকা পাত কেইটিমানো পুথিখনৰ মাজত সোমাই থকাৰ কাৰণে সঠিক সংখ্যাটো ললাপৰিকৈ চাই কোৱা টান।

পুথিখনিত পদ আৰু চিত্ৰ একে পৃষ্ঠাতে অংকন কৰা হৈছে। কেতিয়াবা দুয়ো কাষে চিত্ৰ আৰু মাজত পদ, কেতিয়াবা ওপৰত পদ, তলত চিত্ৰ, কেতিয়াবা কেইশাৰীমান পদ আৰু পৃষ্ঠাটোৰ অধিকাংশতে এটা বা ততোধিক দৃশ্য অংকন কৰা হৈছে। পৃষ্ঠা-বোৰৰ চাৰিও ফালে ফুল-পাত লতা আদি চিত্ৰিত কৰা আছে। চিত্ৰবোৰত মৌলিক আৰু মিশ্ৰিত ভিন্ ভিন্ ৰঙৰ সমাবেশ ঘটোৱা হৈছে। ডঃ মহেশ্বৰ নেওগে 'লৱকুশৰ যুদ্ধ' (অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত, নবদেৱ গ্ৰন্থাৱলী ৫) নামৰ পুথিৰ 'ভূমিকা'ত উল্লেখ কৰা অসমীয়া চিত্ৰৰ লক্ষণসমূহৰ ভিতৰত তলত দিয়া লক্ষণ কেইটি এই পুথিত বিশেষভাবে পৰিলক্ষিত হয় — ১। বাস্তৱতকৈ প্ৰতীকৰ ওচৰা-ওচৰি গছ ২। ৰাজস্থানী সম্প্ৰদায়ৰ (চিত্ৰ-শৈলী) লগত মিলা চকু ৩। ১৪।১৬ শতিকাৰ জৈন সম্প্ৰদায়ৰ দৰে শিৰস্ত্ৰাণ ৪। মুখৰ আৰু শৰীৰৰ পাৰ্শ্বদৃষ্টি ৫। জীৱন্ত জীৱ-জন্তু ৬। পৰিপ্ৰেক্ষিৰ অভাৱ ৭। ৰঙৰ সৰ্বসমতা।

শ্ৰীৰাম আতাৰ ৰচিত অধ্যাত্ম ৰামায়ণৰ এই সচিত্ৰ সুন্দৰ কাণ্ডত দুশ সাতসত্তৰটি পদ আৰু পাঁচোটি অধ্যায় আছে। গ্ৰন্থকাৰে নিজৰ ভণিতা সহ গ্ৰন্থৰ নাম উল্লেখ এই বুলি কৰা পোৱা গৈছে —

সুন্দৰকাণ্ডৰ ইটো কথা কচিকৰ।
পাঞ্চসৰ্গে পাৰ্বতীত কহিলন্ত হৰ॥ ৩
[প্ৰথম পত্ৰ]

* * * *



শুনা সভাসদ অধি-আত্মৰামায়ণ।
ৰামৰ চৰিত্ৰ ইটো পৰম শোভন॥

* * * *

যাক শুনি ভণি সৰে সাধা নিজ কাম।
শ্ৰীৰামে ৰচিলা ডাকি বোলা ৰাম ৰাম॥
[৬ষ্ঠ পত্ৰৰ দ্বিতীয়াৰ্দ্ধ]

সংস্কৃত অধ্যাত্ম ৰামায়ণৰ কথাবস্তু ঘটনা-ক্ৰমৰ কোনো সাল-সলনি নকৰাকৈয়ে শ্ৰীৰামে গ্ৰহণ কৰিছে। অনুবাদো মূলৰ সম্পূৰ্ণ অনুগত বুলিব পাৰি। গ্ৰন্থৰ বিষয়বস্তু হৈছে — ৰাৱণে সীতাক হৰণ কৰি অশোকবনত থোৱাৰ কালত, শ্ৰীৰামৰ আদেশমতে বানৰসকলে সীতাক বিচাৰি যোৱাৰ পৰা হনুমন্তই সমুদ্ৰ লঙ্ঘন কৰি সীতাক অশোকবনত সাক্ষাৎ কৰা, ৰাৱণৰ অশোকবন ধ্বংস কৰা, লংকা দহন কৰি ৰামক আহি কিষ্কিন্ধ্যাত সমস্ত সংবাদ জনোৱালৈকে। গ্ৰন্থৰ আৰম্ভণিত পদকাৰে বন্দনা লিখিছে—

জয় নন্দসুত গোপবেশ নাৰায়ণ।
নমো কৃষ্ণ দশ অৱতাৰৰ কাৰণ॥
নাহি পৰিমিত যাৰ শিৰ বাহু নাম।
হেন ঈশ্বৰক কৰোঁ সহস্ৰ প্ৰণাম॥১
নমো ৰাম ৰঘুকুল তিলক কেশৰ।
লক্ষ্মণপূৰ্বজ নমো জানকী বান্ধৱ॥
নমো ভক্ত হনুমন্ত মহিমা অনন্ত।
সাগৰ তৰিয়া লংকা দহিলন্ত॥২
জানকীক দেখি ৰাঘৱত কহিলন্ত।
ৰামে আলিঙ্গিয়া যাক প্ৰশংসি আছন্ত॥

ইয়াত মহাপুৰুষীয়া পৰম্পৰা অনুসৰি ৰামক 'কেশৱ'ৰে অভিন্ন বুলি বৰ্ণনা কৰিছে আৰু "বিষ্ণু বৈষ্ণৱৰ কিঞ্চিতেকো নাহি ভেদ" বুলি মহাপুৰুষ গুৰুজনাই দেখুৱাই যোৱা আদৰ্শৰেই ভক্ত হনুমন্তক প্ৰণতি জনোৱা হৈছে।

চিত্ৰসমূহৰ বৰ্ণনীয় বিষয় — প্ৰথম পত্ৰৰ প্ৰথম পৃষ্ঠাত মাজত যুৱৰাজ অঙ্গদক লৈ দুয়ো-ফালে নীল, সুষেণ, গৱাক্ষ, নল আৰু জাম্বৱন্ত, হনুমন্ত, গৱয়, গোলাংগুলক অংকিত কৰিছে। এই বানৰ সভাতে আলোচনা কৰি হনুমন্তই লংকালৈ যাবলৈ সমুদ্ৰ লংঘন কৰাৰ দৃশ্য দ্বিতীয় পৃষ্ঠাত আঁকা হৈছে। এই চিত্ৰৰ ওপৰ ভাগত দেৱ-সভা অংকন কৰা আছে। দ্বিতীয় পত্ৰৰ (ক) পৃষ্ঠাত ৰাক্ষসীৰ আকৃতিত আঁকা "নাগমাতা সুৰসা"ই দেৱতাসকলৰ আদেশমতে হনুমন্তৰ পথৰোধ কৰিছে। (খ) পৃষ্ঠাত সুৰসাৰ মুখত সোমাবলৈ হনুমন্তই নিজৰ শৰীৰ এক যোজনলৈ বৃদ্ধি কৰিছে। তৃতীয় পত্ৰৰ (ক) পৃষ্ঠাত দুখন চিত্ৰ আছে— (১) সুৰসাই আগতকৈও মুখ বহল কৰি মেলাত হনুমন্তই ইতিমধ্যে পঞ্চাছ যোজ-নলৈ বৃদ্ধি কৰা শৰীৰ সংকুচিত কৰি অংগুষ্ঠ-প্ৰমাণ হৈ সুৰসাৰ মুখত সোমাইছে, (২) সুৰসাৰ সুবিশাল মুখৰ পৰা হনুমন্ত ওলাই আহিছে। তৃতীয় পত্ৰৰ (খ) পৃষ্ঠাত মৈনাক পৰ্বত আৰু আকাশী পথেৰে লংকালৈ গৈ থকা হনুমন্তৰ চিত্ৰ, চতুৰ্থ পত্ৰৰ (ক) পৃষ্ঠাত হনুমন্তৰ দ্বাৰা ছায়াগ্ৰাহী বধ; (খ) পৃষ্ঠাৰ একালে জল-জন্তুৰে ভৰা সমুদ্ৰৰ ওপৰেদি গৈ থকা হনুমন্ত; আনফালে ত্ৰিকূটস্থ লংকা নগৰী।

পঞ্চম পত্ৰৰ (ক) পৃষ্ঠাৰ বাওঁফালে লংকাৰ সিংহদুৱাৰ, মাজ ভাগতে হনুমন্ত আৰু লংকাদেৱী আৰু সোঁফাললৈ সোণৰ গড়, গড়খাৱৈ, দুৱাৰ-

বক্ষক, ভিতৰত আট্টালিকা থকাৰ ইঙ্গিত। (খ) পৃষ্ঠাত হনুমন্ত আৰু লংকাদেৱীৰ যুদ্ধ। ইয়াৰ পাছৰ পাতবোৰত ক্ৰমান্বয়ে হনুমন্তৰ লগত পৰাজিতা লংকাদেৱীৰ কথোপকথন, লংকাত মন্দোদৰী প্ৰভৃতি মাইকে সৈতে নিদ্ৰিত ৰাৱণ, অশোকবন আৰু বন্দিনী সীতা, ৰাৱণৰ ৰাজসভা, ৰাৱণে গৈ সীতাক তেওঁত আত্মসমৰ্পণ কৰিবলৈ কোৱা, সীতাক মাৰিবলৈ উদ্যত হোৱা, ৰাৱণৰ আদেশমতে ৰাক্ষসীবিলাকে সীতাৰ ভীতি-উৎপাদন কৰা, সিংখপাৰ গছত উঠি থকা হনুমন্ত, ৰাক্ষসীবোৰ শুই থকা অৱস্থাত সীতা হনুমন্তৰ কথোপকথন, হনুমন্তৰ দ্বাৰা ৰাৱণৰ মধুবন ধ্বংস, ৰাৱণসভাত সেই সংবাদ প্ৰাপ্তি, হনুমন্ত আৰু ইন্দ্ৰজিতৰ যুদ্ধ, হনুমন্তক বন্ধনযুক্ত অৱস্থাত ৰাজসভাত উপস্থিত কৰা, হনুমন্তক ৰাৱণে বধ কৰিবলৈ আদেশ দিওঁতে বিভীষণে বাধা দিয়া, হনুমন্তৰ নেজত অগ্নি সংযোগ, বান্দৰসমূহৰ দ্বাৰা সুগ্ৰীৱৰ মধুবন ধ্বংস আৰু অৱশেষত হনুমন্তই ৰামক সকলো সংবাদ জনোৱাৰ দৃশ্য অংকন কৰা হৈছে।

ওপৰত উল্লেখ কৰি অহা ছায়াগ্ৰাহীৰ বৰ্ণনা শ্ৰীৰামে এইদৰে দিছে —

ভয়ানক কপী তাই সিংহিকা নামত।
সৰ্বদায়ে বাস কৰে জলৰ মধ্যত ॥
আকাশত চলে ছায়া তাহাক ধৰয়।
আজুৰিয়া নিয়া তাই জলত খাৱয় ॥

এই বৰ্ণনা মূল সংস্কৃত অধ্যাত্ম ৰামায়ণৰ একেবাৰে আক্ষৰিক অনুবাদ বুলি কলেও বঢ়াই কোৱা নহয় —

সিংহিকা নাম সা ঘোৰা জলমধ্যে স্থিতা সদা।
আকাশগামিনাং ছায়ামাক্ৰম্যাকৃষ্য ভক্ষয়েৎ ॥
[সুন্দৰ, ১৩

মূলত "তত্ৰ লংকাপুৰী সাক্ষাদ্ৰাক্ষসীৰূপধাৰিণী" বুলি বৰ্ণোৱা লংকাদেৱীৰ বৰ্ণনাতো শ্ৰীৰামে মূলৰ অনুগমন কৰিছে। হনুমন্তই লংকাৰ সিংহদ্বাৰ পাৰ হৈয়ে লংকাদেৱীক লগ পাইছে —

তৈতে আছে লংকাপুৰী ৰাক্ষসী আকাৰে।
প্ৰৱেশিয়া হনুমন্তে দেখিলা দুৱাৰে ॥
অনেক তৰ্জিয়া তাই বুলিলা বচন।
বানৰৰ ৰূপে তই আইলি কোনজন ॥ ৩৬
লংকা অধিষ্ঠাত্ৰী মঞি মোক অনাদৰি।
চোৰ যেন নিশাকালে পশিলি নগৰী ॥

এইদৰে সমুদায় গ্ৰন্থতে মূলৰ অনুগমন কৰা শ্ৰীৰামে সীতাক মূলত থকাৰ দৰেই বিষ্ণু যোগমায়া তথা মহামায়া বুলি স্বীকাৰ কৰিছে—

....জন্মিবন্ত বিষ্ণু দশৰথৰ ঘৰত ॥৪০
প্ৰসিদ্ধ হৈবেক নাম শ্ৰীৰামসুন্দৰ।
যোগমায়া সীতা হৈব জনকৰ ঘৰ ॥

* * *

মহামায়া সীতা তৈতে ৰাৱণে হৰিবা।

আমি দেখিবলৈ পোৱা শ্ৰীৰামৰ ৰচিত অধ্যাত্ম ৰামায়ণৰ সচিত্ৰ সুন্দৰ কাণ্ডৰ পৰিচয় মাত্ৰ ইয়াত সুধীসমাজলৈ আগবঢ়োৱা হ'ল। শ্ৰীৰামৰ সম্পূৰ্ণ অধ্যাত্ম ৰামায়ণখনিৰ স্থান অসমীয়া সাহিত্যৰ ইতিহাসত নিশ্চিতভাৱেই বৈশিষ্ট্যপূৰ্ণ। আনহাতে অসমীয়া চিত্ৰকলাৰ গৱেষকসকলৰ কাৰণেও বাৰেঘৰ সত্ৰৰ পূৰ্ণকামদেৱৰ সচিত্ৰ ৰূপায়ণটিও অপূৰণীয় সম্পদ।



গতিকে এই দুটি সম্পদ বিনষ্ট হবলৈ নিদি অসমীয়া জাতিৰ ৰাজহুৱা প্ৰচেষ্টাৰে সংৰক্ষণ তথা প্ৰকাশনৰ দিহা হোৱাটো বাঞ্ছনীয়। আমাৰ বোধেৰে শ্ৰীৰামৰ সম্পূৰ্ণ অধ্যাত্ম ৰামায়ণখনি, পূৰ্ণকামৰ চিত্ৰ কেইখনমানিৰে সৈতে প্ৰকাশ কৰিব পাৰিলেও বিশেষ কামত আহিব।

---

# মুঠা শাস্ত্ৰৰ মুঠ কথা

॥ অধ্যাপক শ্ৰীপ্ৰসন্ন কুমাৰ ডেকা॥

আজি প্ৰায় ১০/১২ বছৰ আগতে শ্ৰীশ্ৰী শঙ্কৰদেৱৰ নামত প্ৰচলিত 'মুঠা' বা 'মুঠাভাগ' নামৰ এখানিমান পুথি এখন পঢ়াৰ সুযোগ আমাৰ মিলিছিল। পুথিখন শ্ৰীশ্ৰীশঙ্কৰদেৱৰ ৰচনা যেন নালাগিল আৰু তেৰাৰ প্ৰচলিত ধৰ্মৰ সমৰ্থক যেনো নাপাই আমি বিশেষ গুৰুত্ব নিদিলোঁ। এখন পুৰণি অসমীয়া সাহিত্য হিচাবে মাথোন আমি তাৰ এটা সংক্ষিপ্ত টোকা কৰি ৰাখিছিলোঁ। তাকেই অনুসন্ধিৎসু পাঠক সকলৰ ওচৰত দাঙি ধৰা হ'ল।

আৰম্ভণ— শ্ৰীকৃষ্ণায় নমঃ। শঙ্কৰ মাধৱে কথা। মাধৱে সোধন্ত হে পূৰ্ণস্বামী গঙ্গা, গয়া, কাশী বৃন্দাৱন প্ৰয়াগ গোকুল মথুৰা জগন্নাথ ইসব তত্ব শুনিবাক ইচ্ছা কৰোঁ।

শঙ্কৰে বোলন্ত — জানা মাধৱ পাৰৰ ভিতৰ খিয় ভাগে গঙ্গা, বৃদ্ধ আঙ্গুলীৰ তলে পৰে তথা। বাহিৰ দাতিয়ে কাশী। আঙুলীৰ গুৰিয়ে প্ৰয়াগ, মধ্যখানে বৃন্দাৱন। উত্তৰ দক্ষিণ ভৰি তলে জগন্নাথ। মধ্য আঙুলীৰ মধ্যখানে গোকুল। পুণ মধ্য আঙুলীৰ তলে জগন্নাথ। গৰুৰা তলে মথুৰা।

অন্নযোনীৰ বিচাৰ —

অন্নৰ পৰিচয় — শঙ্কৰে বোলন্ত শুনা মাধৱ। আদি নিৰঞ্জনৰ বিন্দুজলৰ পৰা অন্ন হ'ল। ৰাধাৰ বীজে তুঁহ, অশুদ্ধজীৱে পতান। বিষ্টুৱে চাউল, গাজে ব্ৰহ্মা, পত্ৰ প্ৰকৃতি, ডালিত ইন্দ্ৰ, জীৱয়ে শিক্ষা, ফুলে অশ্বিনীকুমাৰ। এতেকে জানা মাধৱ অন্ন যোনীয়ে আগ বুলি শাস্ত্ৰে কয়। আমাত ভকত হলে অন্নত ভেদাভেদ কৰিব।

নাম — আপুনাৰ শৰণীয়া গুৰুকে, কৃষ্ণকে, ভকতকে একেমূৰ্ত্তি বুলি হৃদয়ত থিত কৰি এই নাম জপিব। ৰাম কৃষ্ণ হৰি গোবিন্দ অনন্ত অঘাৰি দৈত্যাৰি কংসাৰি শ্যামতনু, নাৰায়ণ, হৃষিকেশ, গুপীভঞ্জা, গুপুবেশ জানা মাধৱ এই বাৰ নাম। জপ অৱসানে বাৰজন বৈষ্ণৱক চিন্তিবো।

বত্ৰিশ অলঙ্কাৰৰ তত্ব ব্যাখ্যাত 'কেৱল ভকত'ৰ উল্লেখ ………… কেৱল ভকতে পদ্ম, একান্তিক ভকতৰ অনুৰাগে ৰঙা চৰণ, পাৰিষদে পাৰৰ আঙুঠি, কেৱল ভকতৰ ৰসভাগে নখচন্দ্ৰ, শুকৰ (?) ৰস ভাগে উৰাটি, বেদশিৰ ৰসভাগে নেপুৰ। কেৱল ভকতৰ প্ৰেমভাগে চাৰি পীত

ৰত্ন। ত্ৰিপিত্তি ভাগে ঝিলিমিলি, পেচন্দাৰ ভাগে, সুবাসনাএ কঙ্কালৰ কিঙ্কিণী, ব্ৰহ্মা বিষ্টু মহেশে তিনি ৰেখা, কেৱল ভকতৰ আত্মায়ে শ্ৰীবৎস। ........ ঈশ্বৰৰ পদৰেণু আশে কেৱল ভকতৰ ৰস। ✻

সং — পুনু মাধৱে সোধন্ত হে পূৰ্ণস্বামী সং কেইখানি মোহোৰ আগত প্ৰস্তুত কৰি কহা। শঙ্কৰে কহন্ত জানা মাধৱ — পূৰ্ণকৃষ্ণ সং, কাল-কৃষ্ণ সং, কদ্ৰকৃষ্ণ সং, শ্ৰীৰামৰ সং, ৰাম দামু-দৰৰ সং, চৈতন্য কৃষ্ণৰ সং, পূৰ্ণ কৃষ্ণ যোগমায়া, কালকৃষ্ণ ভক্তি মাতৃ, আত্মাকৃষ্ণ লক্ষ্মী সৰস্বতী, কদ্ৰকৃষ্ণ পাৰ্বতী, শ্ৰীৰামৰ ভক্তি মাতৃ, শ্ৰীকৃষ্ণৰ ৰাধা, দামুদৰৰ সীতা, চৈতন্য কৃষ্ণ ৰুক্মিণী।

সামৰণি — চন্দ্ৰ সূৰ্য্য বায়ু বহ্নি বসুমতী আদি দেৱ, দাই নধৰিবা কেউ। ৰৰাহে আনিলে মাতি, মই পাপী আনিলো কাতি আদি নিৰঞ্জন উৎপতি জল। অনাদি নামে গুৰুৰ আজ্ঞায়ে শিৰে ধাৰণ, গুৰু শিক্ষায়ে জানা জীৱ তৰণ। মই পাপী লৈলু চৈধ্যজন সাক্ষী, নামৰ গুৰু। শঙ্কৰ মাধৱে কথা সমাপত।

এয়ে মুঠা শাস্ত্ৰৰ মুঠ কথা। ভাষাৰো চানেকী এয়ে। আমি পঢ়া পুথিখন সাঁচিপতীয়া নহয়। সাঁচিপতীয়া পুথিৰ আৰ্হিত কাকত পাতত শিলিখাৰ চিয়াহীৰে লিখা। আখৰ সমূহো পুৰণি অসমীয়া (কাইথেলী আদি কোনো বিধৰে) নহয়। কেই খিলা পাত আছিল মনত নাই— ৮/১০ খিলাৰ ওপৰ নহব লাগে। পাতৰ দৈৰ্ঘ্য অনুমান ৮″×৩″ ইঞ্চিমান হব। যত্তি চিন, বানান আদি যি ভাগে আছিল আমি ওপ-ৰত সেইভাগেই উদ্ধৃত কৰিছোঁ। পুথিৰ শেহত '১৩২৬ তাং ১২ মাঘত নকল কৰা হয়, শ্ৰীকমলা কান্ত ডেকা শালাকাঠিয়া যেৰ ছপা' বুলি লিখা আছে। অৰ্থাৎ সৰ্থেবাৰী শালাকাঠিয়া যে ছপা নিবাসী স্বৰ্গীয় কমলাকান্ত ডেকাই উক্ত চনত এই পুথিখন উজনিৰ পৰা নকল কৰি আনিছিল। সম্প্ৰতি এই পুথিখন সৰ্থেবাৰীৰ শ্ৰীযুত বিষয়া বৰ্মাৰ হাতত আছে। শ্ৰীযুত বৰ্মা এজন বয়সস্থ সাধুলোক। এনেকুৱা অনেক ভকতীয়া কথাৰ ভু তেখেতে পায়।

আমি পঢ়া 'মুঠা ভাগত' প্ৰকৃত লিখকৰ নাম নাই। মাথোন 'শঙ্কৰ-মাধৱে কথা' বুলিহে উল্লেখ আছে। আন হাতে 'মুঠা' নামৰো কোনো ব্যাখ্যা পুথিখনিত নাই। শ্ৰীযুত বৰ্মাৰ মতে হাতৰ মুঠিটোতে (মুঠিতে লুকোৱা অকণমান পুথিখনতে) চৈধ্য ব্ৰহ্মাণ্ডৰ সমস্ত তত্ত্ব কথা লুকাই আছে কাৰণেই এই শাস্ত্ৰৰ নাম মুঠা বা মুঠা-ভাগ। ভাগ মানে সম্ভৱতঃ শ্ৰেণী বা পৰম্পৰা। পুথিখন বৰ গোপনীয়। আমাকো বৰ বিশ্বাসতে পঢ়িবলৈ দিছিল। এতিয়া কথাখিনি মুকলি কৰি দিয়াত জানোচা দোষেই হ'ল। পঢ়ুৱৈ সমাজে দোষৰ ভাগ লৈ আমাক দোষমুক্ত নকৰিব জানো ?*

✻ 'কেৱল ভকত'ৰ উল্লেখৰ পৰা এই পুথিখন যে 'কেৱল' সম্প্ৰদায়ৰ এই কথা অনুমান কৰিব পাৰি। — লেখক

* ভাৰতী অধ্যয়ন চক্ৰত (সৰ্থেবাৰী সাহিত্য সভা) পঠিত। — লেখক

# অসমীয়া সাংস্কৃতিক জীৱনত প্ৰবাদ-প্ৰবচন আদি

[ আৰবী-ফাৰ্চীৰ পৰা অহা প্ৰবচন, জতুৱা ঠাচ আৰু খণ্ডবাক্য আদি ]

॥ আব্দুছ ছাত্তাৰ ॥

অসমীয়া ভাষাত যে কেৱল কিছুমান আৰবী-ফাৰ্চী শব্দহে সোমাল এনে নহয়, ভালে-খিনি অসমীয়া জতুৱা ঠাচ, খণ্ডবাক্য আৰু প্ৰবচনো আৰবী-ফাৰ্চী শব্দৰে গঢ়িও উঠিল। এইবোৰ অসমীয়া সাংস্কৃতিক জীৱনত অতি মূল্যবান সম্পদ। উজনি আৰু নামনি অসমৰ, প্ৰায়ে সমানে, আমাৰ মানুহে এইবোৰ ব্যৱহাৰ কৰে। ৺বেণুধৰ ৰাজখোৱাৰ 'খণ্ডবাক্য-কোষ' শ্ৰীপ্ৰফুল্ল বৰুৱাৰ "অসমীয়া প্ৰবচন" আৰু শ্ৰীহৰেণ শৰ্ম্মাৰ 'অসমীয়া বচন ভঙ্গী'ত তলত দিয়া বহুতো খণ্ডবাক্য আৰু প্ৰবচন আদি সন্নিবিষ্ট হোৱা পোৱা যায়—পটন্তৰ আৰু যোজোনাৰো অভাৱ নাই। অসমীয়া জনজীৱনত এই খণ্ডবাক্যবোৰৰ ব্যৱহাৰ একেবাৰে স্বভাৱসুলভ হৈ পৰিছে। কিছুমান প্ৰবচন আৰু খণ্ডবাক্য ইমানকৈ প্ৰচ-লিত আছে যে সেইবোৰ বাদ দিলে আমাৰ কথা কোৱাৰ ভালেমান ঢং-ধৰণেই নোহোৱা হ'ব। সৰ্ব্বসাধাৰণ অসমীয়া মানুহে ভাবিবই নোৱাৰে যে এইবোৰ কেনেকৈ বিদেশী ভাষাৰ যোগেদি আমাৰ ভাষাত সোমাল। বাহিৰৰ পৰা যে আহিল সেয়াও তেওঁলোকৰ কাৰণে ভাবিব নোৱাৰা কথা।

'জোৰ যাৰ মুলুক তাৰ।' ইয়াৰ জোৰ শব্দ ফাৰ্চী আৰু মুলুক শব্দ আৰবীৰ পৰা অহা [মুলুকৰ মূল আৰবী শব্দ —মুল্‌ক।]

"চবুৰে মেওৱা ফলে।" ইয়াৰ অৰ্থ— ধৈৰ্য্য ধৰিলে ফল পোৱা যায়। এই পটন্তৰত ব্যৱহাৰ কৰা 'চবুৰ' শব্দটো আৰবীৰ পৰা অহা আৰু 'মেওৱা' শব্দটো ফাৰ্চীৰ পৰা অহা। [ শ্ৰীপ্ৰফুল্ল বৰুৱাৰ 'অসমীয়া প্ৰবচন'ৰ ৭৯ পৃষ্ঠাত।] তাত তেখেতে ব্যাখ্যা দিছে—Everything comes to the man in time who knows how to wait. আমাৰ সাধাৰণতে ব্যৱহাৰ হৈ থকা আন এটা প্ৰবচন হ'ল —

হাকিম লৰিলেও হুকুম নলৰে। ইয়াৰ হাকিম আৰু হুকুম দুয়োটাই আৰবী শব্দ। এটা ফকৰা আছে —

"তিনি মোল্লা আছিল চাই
খোদাই ওলাল ভোৰোকাই ॥"

ইয়াৰ দেশী-বিদেশী শব্দৰ সংমিশ্ৰণ মন কৰিব-লগীয়া। সেই তেনেকৈ আন এটা প্ৰখ্যাত ফকৰা বা পটন্তৰ আছে —

"মোল্লাৰ দৌৰ মছ্‌জিদ পৰ্য্যন্ত।
বা
মোল্লাৰ দৌৰ মছ্‌জিদলৈকে।"

মুছলমান মানুহে ৰোজামাহত ৰোজা খোলোতে (ইফ্‌তাৰ কৰোতে) আদা এচকল-দুচকল লৈ নিমখ অকণমানেৰেই ৰোজা ভাঙে। 'বিছমিল্লাহ' বুলিহে সেই আদা চকল মুখত দিয়ে। ওচৰত মুছলমান নথকা লোকৰ মুখেদি ওলোৱা —'বিছমিলাই কৰিবলৈ এদা এচকল নাই' বোলা কথাষাৰ অতি অভিব্যঞ্জনামূলক। এই সম্বন্ধে ৰাজখোৱাদেৱৰ 'খণ্ডবাক্য কোষ'ৰ ভূমিকাত ডঃ মহেশ্বৰ নেওগ ডাঙৰীয়াই উল্লেখ কৰিছে—"অসমত মুছলমান বসতিৰ ফলত সেইদৰে লোকোক্তিয়ে অলপ পৰিমাণে হলেও জীপ্ পাইছিল।"

মুছলমানৰ 'মোল্লা' (মৌলবী) সাধাৰণতে বৰ সৰল। এই সহজ-সৰল মানুহ বুজাবৰ কাৰণে অসমীয়াৰ মাজত প্ৰচলিত প্ৰবাদ আছে — 'হোলাৰ ভাই মোলা'।
ইয়াৰ 'মোলা' শব্দটো 'মোল্লা' শব্দৰ অপভ্ৰংশৰূপে ব্যৱহাৰ হৈছে।

তলত অসমীয়া জীৱনত হাড়ে-হিমজুৰে সোমাই থকা কিছুমান খণ্ডবাক্য আৰু জতুৱা ঠাচৰ নিদৰ্শন দিয়া হ'ল। ইয়াৰে কিছুমান উজনিত আৰু কিছুমান নামনিত আৰু কিছুমান দুয়োটা খণ্ডতে সৰ্ব্বসাধাৰণ মানুহে ব্যৱহাৰ কৰে। এইবোৰত মন কৰিবলগীয়া কথা এয়েই যে কিছুমান শব্দ শুদ্ধ আৰু সম্পূৰ্ণকৈ আৰবী-ফাৰ্চীৰ পৰা অহা আৰু কিছুমান অসমীয়া শব্দৰ লগত অপভ্ৰংশৰূপে লগ হৈ একোটা খণ্ডবাক্য সৃষ্টি হোৱা। উদাহৰণ স্বৰূপে ক'ব পাৰি আব্ৰু আৰু হুৰমত দুয়োটা ফাৰ্চী শব্দ। তাৰ পৰাই অসমীয়াত ব্যৱহাৰ আবুৰ-হুৰমত। সেইদৰে দেখা যায়—আদব-কায়দা, জোৰ-জুলুম এই দুয়োটা খণ্ডবাক্যৰ আটাইকেইটা শব্দই বিদেশী শব্দ। কিন্তু 'চুবুত' শব্দটো অসমীয়াত 'চাবুদ' হৈ তাৰ আগত আমাৰ সাখী লগ লাগি-- সাখীয়ে চাবুদে হৈ [সাক্ষীয়ে প্ৰমাণে] অসমীয়াত এটা নতুন খণ্ডবাক্যৰ সৃষ্টি হ'ল।

তলত এখন তালিকা দিয়া হ'ল —

লয়-লস্কৰ
লাগাম ধৰ (হাত ধৰ)
সাখীয়ে-চাবুদে
আবুৰ-হুৰমত (লাজ-চৰম)
ওগাইৰহ হোৱা (প্ৰচুৰ অৰ্থত)
ৰগ চিনা
ৰগত ধৰা
খানা-তালাচ কৰা
কয়েদ কৰা
এক তৰপীয়া }
এক তৰ্কা }
আগ চামিলে (মুখামুখিকৈ)
কলিজা খোৱা
কলিজাত ধৰাকৈ কোৱা
কলিজাত ধৰাকৈ খোৱা
গা আল্‌গা দিয়া
তৌবা তৌবা কৰা } ত্ৰাহি ত্ৰাহি দেখা বা কৰা
তৌবা তৌবা দেখা } অৰ্থত ব্যৱহাৰ হয়।



কাই-কাৰবাৰ
কজি-ৰোজকাৰ (ৰোজগাৰ)
নৰম-গৰম
খতম হোৱা
খতম কৰা
কাবু কৰা
মফচল কৰা
কিস্তি খিলাপ হোৱা
কিস্তি বন্দী কৰা [ঋণ আদি কিস্তি কিস্তিকৈ দিবলৈ সিদ্ধান্ত কৰা।]
স্বৰ্গে-মৰ্ত্তে ফাৰাক (ইয়াকে মুছলমানবিলাকে কয় আস্মান-জমীন তাফাত বুলি, অৰ্থাৎ আকাশ-পাতাল পাৰ্থক্য)
বৰ্বাদ হোৱা
বৰ্বাদ কৰা
গড় আবাদ (পতিত মাটিত ব্যৱহাৰ হয়।)
গড় হাজিৰ
গুমৰ ফাঁক হোৱা (ৰহস্য উদঘাটন হোৱা)
খালাচ হোৱা
গা খালাচ হোৱা (প্ৰসৱ হোৱা)
তহ্‌কিত (তহ্‌কিক) কৰা (বিবেচনা কৰা অৰ্থত)
চাকিন নোহোৱা (স্থিৰতা বা ঘৰ-বাৰী নথকা)
চিন-মোকাম নোহোৱা বা নথকা।
দফা-ৰফা কৰা }
ৰফা-দফা কৰা } অন্ত পেলোৱা অৰ্থত।
ৰফা-চফা কৰা }
দফে-দফে
বাদ-বাকী
নাম খাৰিজ কৰা
নাম জাৰি কৰা
আইন জাৰি কৰা
ফটোৱা জাৰি কৰা
হুকুম জাৰি কৰা
দইন পৰা (ঘাটি পৰা)
নজৰ বন্দী
নজৰ লগা
নজৰ পৰা
নজিৰ দিয়া
খবৰা-খবৰি কৰা
ৰুজি মৰা (জীৱিকা নোহোৱা কৰা)
দাক কৰা (আহুদি কৰা)
কবুল কৰা
তহিকত কৰা
বাহ্‌না (বাহানা) কৰা (ভাও জোৰা)
টাল বাহানা লগোৱা (মিছা কাৰণ দৰ্শোৱা)
চফৰ্ ফুৰা
চফৰ কৰা
চহৰ ফুৰা
চহৰৰ চদকা
চহী-মোহৰা (চৰকাৰী মোহৰ আৰু চহীৰ সৈতে ৰেজিষ্ট্ৰাৰী হোৱা অৰ্থত ব্যৱহাৰ হয়)
জবান-বন্দী
জবান চোৰ
জবাবদিহি
আজব চহৰ
হাৰামৰ নেগুৰ
হাৰামৰ হদ্দ (হদ)
জোৰ - জুলুম
জুলুম বাজ
জালিম যেন হ (জালিম = অত্যাচাৰী)

হক-হালাল
নিমথ হাৰাম কৰা
কোবাই মৰা জবাই কৰা (অতি নিষ্ঠুৰ প্ৰকৃতিৰ লোক)।
তাইজপ হোৱা (বিস্ময় হোৱা অৰ্থত ব্যৱহাৰ হয়। তাআজ্জুব শব্দৰ পৰা অসমীয়া চলন্তি ৰূপ হৈছে— তাইজপ)
লেবেজান হোৱা
মদত কৰা বা মদদ কৰা (সাহায্য কৰা)
মদত খানা (কানিয়াৰ খোলাকো বুজায়)
কিয়ামত হোৱা (ধ্বংস হোৱা)
কেৰামতালি কৰা (বাহাদুৰি কৰা)
নিচান চহী
কুচ-কাৱাজ
কাহিল হোৱা
ডিল দৰিয়া
ডিল বাহাৰা, ডিল বাহাৰ

আজিকালি 'তামাম' শব্দটো খণ্ডবাক্যৰ দৰে ব্যৱহাৰ হয় — তামাম কৰা, তামাম খোৱা, তামাম দেখা আদিও ব্যৱহাৰ হয়। তামাম অৰ্থই সম্পূৰ্ণ বা শেষ কৰা বুজায়।

ইলাহী কাৰবাৰ (বিৰাট আয়োজন অৰ্থত)
কাইদা কৰা
চোভা কৰা
আদব-কাইদা
থাৰিজ কৰা
খাম খেয়ালী
হেস্ত-নেস্ত কৰা (ফাঃ- হস্ত = হয়, নেস্ত = নহয়) হয় নহয় অৰ্থত, কেৱল যেনে তেনে থকা।
আকল দাঁত গজা (আকল দাঁত) wisdom tooth
আকলৰ দুখীয়া
আকল গোম হোৱা
শাহী খানা
বাদচাহী খানা
বাদচাহী মিজাজ বা মেজাজ
শাহী মেজাজ
ৰেহা লগাই বা ৰাহ লগাই কৰা
চিজিল কৰা
চিজিল লগাই কৰা বা খোৱা
মজলিচ পতা
মজলিচ কৰা
বদনাম গোৱা
বদনাম কৰা, বদনামী হোৱা
মচগুল হোৱা
গুলজাৰ কৰা
আখেজ কৰা, আখেজ থকা, আখেজ পূৰোৱা

তলত দিয়াবোৰ একোটা আৰবী-ফাৰ্চী শব্দৰ লগত একোটা অসমীয়া শব্দ ব্যৱহাৰ হৈ আমাৰ ভাষাত অনুৰূপ শব্দৰ দৰে ব্যৱহাৰ হয়।

যেনে :— কাজিয়া-পেচাল, ধন-দৌলত, বিচনা-পাটী, চাক-চিকুণ, চিন-মোকাম, চেহেৰা-পানী, চেহেৰা-পাতি, তৰি-তৰকাৰী, গৰীব-দুখীয়া, লাভ-লোকচান, মাল-বস্তু, ওজৰ-আপত্তি, সদনাম-বদনাম, আকল-জ্ঞান, মান-ইজ্জত ইত্যাদি।

এইবোৰলৈ লক্ষ্য কৰিলে দেখা যায় অসমীয়া সাংস্কৃতিক জীৱনত এই ধৰণে নানা প্ৰবাদ, প্ৰবচন আৰু খণ্ডবাক্যই বিশেষ স্থান অধিকাৰ কৰি আছে। এই গোটেইবোৰ লৈছে অসমীয়া ভাষাৰ শ্ৰীবৃদ্ধি হৈছে।

---

# ॥ সম্পাদকীয় ॥

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসমৰ এগৰাকী প্ৰবীণ লব্ধ-প্ৰতিষ্ঠ কবি-সাহিত্যিক, নাট্যকাৰ, অভিনেতা, সমাজকৰ্মী আৰু শিক্ষাবিদ পদ্মধৰ চলিহাৰ মৃত্যুত অসমৰ সাহিত্য-সংস্কৃতি জগতৰ আৰু সমাজ জীৱনৰ এখন বিশিষ্ট আসন খালী হৈ পৰিল আৰু সমগ্ৰ অসমীয়া জাতিৰ অপূৰণীয় ক্ষতি সাধন যে হ'ল সি অনস্বীকাৰ্য্য। এনে এগৰাকী বিশিষ্ট ব্যক্তিৰ কাৰণে অসম 'সাহিত্য সভা পত্ৰিকা'ৰ কেতিয়াবাই এটা সোঁৱৰণী সংখ্যা ওলাবলগা আছিল। কাৰণ, ১৯৬৯ চনতে চলিহাই ইহসংসাৰ ত্যাগ কৰে। 'পত্ৰিকা'ৰ প্ৰাক্তন সম্পাদক ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য ডাঙৰীয়াৰ কাল ছোৱাতে সম্পাদনা হৈ ওলোৱাৰো সিদ্ধান্ত হৈছিল কিন্তু অপৰিহাৰ্য্য কাৰণ বশতঃ প্ৰবন্ধ-পাতি সংগ্ৰহ হোৱা সত্ত্বেও সেই সোঁৱৰণী সংখ্যা উলিয়াব পৰা নহ'ল। গতিকে এইবাৰৰ আমাৰ সম্পাদনাৰ প্ৰথমখন পত্ৰিকাকে পদ্মধৰ চলিহা সোঁৱৰণী সংখ্যাৰূপে প্ৰকাশ কৰা হ'ল। থূপতে স্বৰ্গীয় চলিহা ডাঙৰীয়াৰ বিষয়ে পাব পৰা প্ৰায় সকলো কথা এই পত্ৰিকাত সন্নিবিষ্ট কৰিব পৰাত আমি সন্তোষ পাইছো।

স্বৰ্গীয় চলিহাদেৱৰ বহুমুখী প্ৰতিভাৰ আভা এই পত্ৰিকাৰ যোগেদি সামান্যভাৱে প্ৰকাশ হলেও দেশবাসী নিশ্চয় উপকৃত হ'ব বুলি আমাৰ দৃঢ় বিশ্বাস। মানৱ জীৱন ক্ষণস্থায়ী—সাহিত্য-কলা যে স্থায়ী তাৰে প্ৰমাণ সূচায়—স্বৰ্গীয় চলিহাদেৱৰ কাৰ্য্যাৱলীয়ে আৰু সাহিত্যিক সৃষ্টিয়ে। মৃত্যুৱে তেওঁক মহান কৰিলে—পদ্মধৰ চলিহা অমৰ হওক!

**সাহিত্য সভাৰ কথা —** আঠৈকুৰি বছৰৰ ওপৰ হোৱা অসম সাহিত্য সভাৰ সম্প্ৰতি ১৭১ খনহে সক্ৰিয় শাখা সভা থকাটো বৰ আচৰিত কথা। কাৰণ, দুশৰ ওপৰ (শাখা সভা) হোৱা সভাখন সম্প্ৰতি এইটো অৱস্থাত পৰাটো দুখ লগা কথা হৈছে। তাতোকৈ আৰু আচৰিত কথা যে সভ্য সংখ্যাও তেৰ হেজাৰৰ ভিতৰতহে আছে। অসমীয়া সাহিত্য-সংস্কৃতিৰ একমাত্ৰ জাতীয় অনুষ্ঠান হিচাবে এই সভ্য সংখ্যা অতি নগণ্য। এই সম্পৰ্কে অসমীয়া সাহিত্য-সংস্কৃতি প্ৰেমী ব্যক্তি সজাগ নহ'লে নহ'ব। অসমীয়া ভাষা-সাহিত্যৰ স্বকীয়তা ৰকাৰ কাৰণে এই সভাখনৰ শাখা সভা আৰু সভ্য সংখ্যাৰ বৃদ্ধি যে বহু পৰিমাণে হ'ব লাগে

তাক সকলেও হ'ব । গতিকে প্ৰতিখন শাখা সভাৰ যোগেদি ওচৰৰ যি অংশত সভা পাতিব পৰা সম্ভাৱনা আছে তাৰ কাৰণে নিকটবৰ্ত্তী শাখা সভাই প্ৰচেষ্টা চলোৱাটো আমি উচিত বুলি বিবেচনা কৰো। ইতিমধ্যে সভাপতি ডাঙৰীয়াই প্ৰধান সম্পাদকেৰে সৈতে গৈ বিভিন্ন অঞ্চলত নতুনকৈ শাখা সভা সংগঠন কৰাটো বৰ গৌৰৱজনক কথা হৈছে আৰু প্ৰতি মহকুমাতে একোজনকৈ সংগঠক দিয়াৰ সূচনা বৰ তাৎপৰ্য্যপূৰ্ণ হ'ব । এই বছৰটো হৈছে পদ্মনাথ গোহাঞিবৰুৱা জন্ম শতবাৰ্ষিকী বছৰ। তেখেতেই আছিল অসম সাহিত্য সভাৰ প্ৰথমজনা সভাপতি । গতিকে এই গৰাকী প্ৰথিতযশা প্ৰবীণ সাহিত্যিকৰ নামতে যেন নতুনকৈ ভালেখিনি শাখা সভাৰ জন্ম হয় আৰু সভ্য সংখ্যা বৃদ্ধি পায় । শাখা সভা সমূহৰ সক্ৰিয়তাতে অসম সাহিত্য সভাৰ শ্ৰীবৃদ্ধি হয় । 'সাহিত্য-সংস্কৃতি প্ৰেমী' ৰাইজ সচেষ্ট হৈ আগবাঢ়িলে আমাৰ সাহিত্য সভাৰ অৱস্থা নিশ্চয় টনকিয়াল হ'ব ।

**অসমীয়া গ্ৰন্থপঞ্জী :—** অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহকৰ সিদ্ধান্তক্ৰমে ১৯৫৬ চনৰ জানুৱাৰীৰ পৰা ১৯৭০চনৰ ডিচেম্বৰলৈকে হোৱা সকলো অসমীয়া পুথি আৰু ইংৰাজী ভাষাত লিখা অসমীয়া সাহিত্য-সংস্কৃতি বিষয়ক পুথিৰ গ্ৰন্থ-পঞ্জী এখন শ্ৰীলীলা গগৈ আৰু ড: কেশবানন্দ গোস্বামীৰ সম্পাদনাত উলিয়াবলৈ ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে বাতৰি কাকতৰ যোগে দুই এজনে জনাইছে যে ১৯৫৬ চনৰ পৰা নকৰি অসমীয়া ছপা পুথি প্ৰকাশ হোৱাৰে পৰা গ্ৰন্থপঞ্জী তৈয়াৰ কৰাটোহে সমীচীন। কিন্তু সাহিত্য সভাই ১৯৫৬ চনৰ পৰা প্ৰকাশ হোৱা পুথিৰ গ্ৰন্থপঞ্জী প্ৰস্তুত কৰিবলৈ লোৱাৰ সিদ্ধান্ত এই কাৰণেই কৰিছে যে তাৰ আগৰ ছোৱাৰ গ্ৰন্থপঞ্জী সাহিত্য একাডেমিয়ে প্ৰস্তুত কৰিলে ।

বৰ্ত্তমান সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাদেৱৰ সূচনি অনুযায়ী মাকুম অধিবেশনৰ আগে আগে প্ৰাগজ্যোতিষ কলেজৰ অধ্যাপক শ্ৰীভগবান মৰলে ১৯৬৯ আৰু ১৯৭০ চনৰ গ্ৰন্থপঞ্জী এখন প্ৰস্তুত কৰাত এই সংখ্যাত তাৰ কিছু অংশ প্ৰকাশ কৰি এটি শুভ কাৰ্য্যৰ আৰম্ভণি কৰা হৈছে। অহা সংখ্যাত সম্পূৰ্ণ কৰা হ'ব । লগতে এইটোও সিদ্ধান্ত কৰা হৈছে যে ইয়াৰ পিচত প্ৰতি বছৰৰ গ্ৰন্থপঞ্জী ( ১৯৭২ চনৰ পৰা ) ধাৰাবাহিকভাৱে পত্ৰিকাত প্ৰকাশ পাব। পৰৱৰ্ত্তী সম্পাদকসকলে ইয়াৰ উপযুক্ত ব্যৱস্থা ললে অন্তত: এই শুভকাৰ্য্যটি পত্ৰিকাৰ যোগে বৰ্ত্তি থাকিব আৰু ভবিষ্যতৰ এটা জাতীয় অভাৱ পূৰাই ৰখাত সহায়ক হ'ব ।

# অসমীয়া গ্ৰন্থ-পঞ্জী

## [ ১৯৬৯ আৰু ১৯৭০ ]

## ASSAMESE BIBLIOGRAPHY 1969 & 1970.

[ ৩০।৫।৭১ তাৰিখৰ অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহকৰ প্ৰথম বৈঠকৰ সিদ্ধান্তমতে ১৯৬৯ আৰু ১৯৭০ চনৰ গ্ৰন্থ-পঞ্জীখনৰ একাংশ এই সংখ্যাত প্ৰকাশ কৰা হ'ল। অসম সাহিত্য সভাৰ সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাদেৱৰ সূচনি অনুযায়ী প্ৰাগজ্যোতিষপুৰ কলেজৰ অধ্যাপক শ্ৰীভগবান মৰলে এই গ্ৰন্থ-সূচীখন মাকুম অধিবেশনৰ আগে আগে যুগুত কৰে। আমি "পত্ৰিকা"ৰ এই সংখ্যাতে এই প্ৰয়োজনীয় নতুন শিতানটো আৰম্ভ কৰিবলৈ পাই অতি সুখী হৈছো । সভাপতি শ্ৰীশৰ্ম্মাদেৱে বিশেষ আগ্ৰহ দেখুওৱাত আমি বৰ উৎসাহিত হৈছো । এই গ্ৰন্থ-পঞ্জীখন কেৱল গ্ৰন্থৰ এখন তালিকা বুলিলে ভুল কৰা হ'ব । সংগ্ৰাহকে প্ৰতিখন গ্ৰন্থৰ বিষয়-বস্তুৰ আভাস দিয়াত এই গ্ৰন্থ-সূচীখন মূল্যবান সংকলন হৈছে বুলি আমি একেআষাৰতে ক'ব পৰা হৈছো । ঠাইৰ অভাৱত সম্পূৰ্ণ সূচী একেবাৰতে দিব পৰা নহল যদিও এবাৰ এনে এটা কাম আৰম্ভ কৰা হ'ল যেতিয়া সি নিশ্চয় গতিশীল হৈ থাকিব বুলি আমাৰ দৃঢ় বিশ্বাস ।— **সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা ।** ]

## সংগ্ৰাহকৰ দুআষাৰ

অসমীয়া ভাষাত জাতীয় গ্ৰন্থ-পঞ্জী ( National Bibliography ) এখনিৰ অভাব অনুভৱ কৰি থকা অৱস্থাত অসম সাহিত্য সভাৰ মাকুম অধিবেশনৰ সভাপতি অধ্যক্ষ শ্ৰীতীৰ্থনাথ শৰ্ম্মাৰ উপদেশ ক্ৰমে গত দুবছৰত অৰ্থাৎ ১৯৬৯ আৰু ১৯৭০ চনত অসমীয়া ভাষাত প্ৰকাশিত পুথিৰ তালিকাখনি সৰ্ব্বাঙ্গ-সুন্দৰকৈ প্ৰস্তুত কৰিবলৈ হাতত লোৱা হয় । তালিকাখনি প্ৰস্তুত কৰোতে কিতাপৰ দাম, পৃষ্ঠা, আকাৰ, কেঁচা বা পকাবন্ধা, সংস্কৰণ, প্ৰকাশৰ চন, তাৰিখ, প্ৰকাশকৰ ঠিকনা দিয়াৰ উপৰিও পাঠকৰ ৰুচিভেদে আকৰ্ষণীয় ৰূপত কিতাপৰ বৈশিষ্ট্যখিনিৰ সামান্য আভাস দিবলৈ চেষ্টা কৰা হৈছে ।

বাতৰি কাকতত বহুবাৰ জাননী দিয়া সত্বেও প্ৰকাশক বা লিখকৰ পৰা উপযুক্ত সহাৰি নাপালেও প্ৰতিষ্ঠান সমূহৰ দোকানে দোকানে ঘূৰি তালিকাখনি প্ৰস্তুত কৰাত দুই চাৰিখন বাদ পৰি যাব পাৰে বুলি ভয় কৰিছো । যিবোৰ কিতাপ হাতত পৰিছে, চকু ফুৰাই চাব পাৰিছো, সেইবোৰৰ বৈশিষ্টসমূহ উল্লেখ কৰিছো ; চকু ফুৰাব নোপোৱা অৰ্থাৎ নাম জনা কিতাপসমূহৰ নামোল্লেখহে কৰিবলৈ বাধ্য হৈছো । আকৌ যিবোৰ কিতাপ গুৱাহাটীৰ প্ৰকাশন প্ৰতিষ্ঠান সমূহত বিক্ৰীৰ বাবে হলেও জমা নাই, চকু ফুৰাবৰ বাবে হাতত পৰা নাই গুৱাহাটীৰ বাহিৰত প্ৰকাশিত তেনে গ্ৰন্থৰ নাম সন্নিবেশ কৰিব নোৱাৰাটো অসম্ভৱ নহয়। এনে ক্ৰটিৰ বাবে ক্ষমা বিচাৰিছো ।

বৰ্ত্তমান সাহিত্য-প্ৰেমী, পঢ়ুৱৈ সমাজৰ ৰুচিবোধ কোন ফালে ঢাল খাইছে প্ৰকাশিত পুথিৰ তালিকাৰ পৰাই সহজে অনুমান কৰিব পাৰি। সকলোতকৈ বেছি সংখ্যক প্ৰকাশ পোৱা গ্ৰন্থৰ ভিতৰত যৌন আবেদনশীল উপন্যাসেই প্ৰথম (৭৪খন); দ্বিতীয়তে গল্প সংকলন (২৩খন)। তাৰপিচত ৰহস্যোপন্যাস- (১৬ খন), বিভিন্ন শিশু সাহিত্য মুঠ ৩৬ খন, কবিতা-গীত ১০ খন, জীৱনী ১৩ খন, সাহিত্য-সংস্কৃতি ১২ খন, বিবিধ আলোচনামূলক প্ৰবন্ধৰ সংকলন ১০ খন, ভাষাতত্ত্ব ৩ খন, ভ্ৰমণ বৃত্তান্ত ২খন, যৌন বিজ্ঞান ৪ খন, ধৰ্ম্মমূলক ৫খন, নাটক কেৱল ৩খন, একাঙ্কিকা এখনিও প্ৰকাশ হোৱা নাই, আধুনিক কাব্য বিচাৰিলেও পাবলৈ নাই; বিজ্ঞান বিষয়ক উৎকৃষ্ট গ্ৰন্থ অসমীয়া ভাষাত অত্যাৱশ্যক। ৰাজনীতি, দৰ্শন সমাজ বিজ্ঞান মনোবিজ্ঞান আদি বিষয়ে গৱেষণামূলক মৌলিক গ্ৰন্থৰ অভাৱ ৰাককৈয়ে অনুভৱ কৰা হৈছে। আশা কৰো ভবিষ্যতে এনেবোৰ বিষয়ৰ উৎকৃষ্ট পুথি ৰচিত আৰু প্ৰকাশিত হৈ অসমীয়া সাহিত্য-কানন জাতিস্মাৰ কৰি তুলিব।

সামৰণিত সম্পাদকৰ একক প্ৰচেষ্টাৰ প্ৰতি ৰাইজে সহানুভূতিৰ দৃষ্টিৰে চালে নথৈ আনন্দিত হম।

ইতি —

অধ্যাপক ভগবান মৰল
গুৱাহাটী - ৯

১। **B. Landheer** **পুথি ভঁৰালৰ সামাজিক ভূমিকা** **অনুবাদক — চক্ৰেশ্বৰ ভট্টাচাৰ্য্য**

**প্ৰথম প্ৰকাশ — জানুৱাৰী, ১৯৭০।**

প্ৰথিভঁৰাল সম্পৰ্কে আদ্যোপান্ত আলোচনা কৰি প্ৰণয়ন কৰা B. Landheer'ৰ 'Social Functions of Libraries, নামৰ বিখ্যাত গ্ৰন্থৰ অসমীয়া অনুবাদ।

অসম প্ৰকাশন পৰিষদ, গুৱাহাটী-৩ — পকাবন্ধা, দিমাই — পৃষ্ঠা ৩১৪, মূল্য ৭্ টকা

২। হেমচন্দ্ৰ দত্ত — **গান্ধী-নেহৰু দৰ্শনৰ দৃষ্টিভঙ্গী** দ্বিতীয় সংস্কৰণ, ১৯৬৯।

ভাৰতীয় আদৰ্শৰ লগত খাপ খোৱাকৈ বিশ্বৰ দৰ্শন চালি জাৰি চাই ভাৰতীয় জাতীয় নেতা দুগৰাকীয়ে প্ৰবৰ্ত্তন কৰিব খোজা দাৰ্শনিক দৃষ্টিভঙ্গীৰ সৰল সমীক্ষা।

গ্ৰন্থকাৰ, ন-আলি, যোৰহাট—৫। — পৃষ্ঠা—৩৮ : মূল্য—১'৫০ পইচা

৩। কৃষ্ণকান্ত ভট্টাচাৰ্য্য — **সচিত্ৰ ৰতি-শাস্ত্ৰ** **প্ৰথম প্ৰকাশ, ১৯৭০।**

যৌন বিষয়ত অনভিজ্ঞ ডেকা গাভৰুৰ স্বচ্ছন্দময় জীৱনৰ পথ-প্ৰদৰ্শক, বহু চিত্ৰ সম্বলিত এই গ্ৰন্থখনি পৌৰাণিক আৰু আধুনিক বিভিন্ন মতৰ সংমিশ্ৰণত সহজ সৰল ভাষাৰে ৰচনা কৰা বিজ্ঞান সন্মত আলোচনাৰ পুথি।

কামাখ্যা বুক ষ্টল, কলেজ হোষ্টেল ৰোড,
গুৱাহাটী — ১ — পৃষ্ঠা ১১২ : মূল্য ৪্ টকা।



৪। গুণাৰাম নাথ **জীৱন-যৌৱন** **দ্বিতীয় প্ৰকাশ- ১৯জুন, ১৯৬৯**

আধুনিক সামাজিক উচ্ছৃংখলাৰে ভৰা মানৱ জীৱনৰ বাবে যৌন বিষয়ক অজ্ঞতা নাশৰ উত্তম আশ্ৰয় হৈছে নাথৰ জীৱন-যৌৱন; আধুনিক ডেকা-ডেকেৰীৰ অত্যাৱশ্যকীয় গ্ৰন্থ, ফুল-শয্যা ৰাতিৰ সহচৰ, প্ৰয়োজনীয় পুষ্পহাৰ।

শ্ৰীখনীন্দ্ৰ চন্দ্ৰ দাস
১৯ এ, বালকদত্ত লেন, কলিকতা - ৭

দিমাই, পকাবন্ধা, পৃষ্ঠা ১৪৩
মূল্য - ৫্ টকা

৫। মৃণালিনী দেৱী **যৌন জীৱনৰ অদ্ভুত ৰহস্য** **প্ৰথম প্ৰকাশ — ১৯৭০**

কুৰি শতিকাৰ বিজ্ঞানৰ বিস্ময়াবহ আৱিষ্কাৰেৰে মানৱ-সভ্যতা এখোপ আগবঢ়াই নিয়া কালত যৌন বিষয়ক জ্ঞান লাভ কৰিবলৈ ৰচনা কৰা বিজ্ঞান সন্মত যৌন-বিজ্ঞান অশ্লিল বুলি ভবাটো কেইবা শতিকা পিছুৱাই যোৱাৰ দৰে কথা —, লিখিকাই দেশ-বিদেশৰ বিভিন্ন ৰহস্যঘন কাহিনীৰ উল্লেখ কৰি আকৰ্ষণীয় ৰূপত যৌন জীৱনৰ জটিল ৰহস্য বিশ্লেষণ কৰি দেখুৱাইছে।

অথৰ্চ বুক ষ্টল
বশিষ্ঠ ৰোড, গুৱাহাটী - ৩

দিমাই, পকাবন্ধা
পৃষ্ঠা - ১৩৪, মূল্য ৬্ টকা

৬। সুৰেন্দ্ৰ কুমাৰ দাস **বিবাহ আৰু বৈবাহিক জীৱন** **প্ৰথম প্ৰকাশ — ১৯৭০**

যিসকলে বিবাহৰ কাৰণে সাজু হৈছে, যিসকলৰ বিবাহলৈ মাথোন কেইদিনমানহে বাকী আৰু যিসকলে বিবাহ কৰোৱাৰ মাত্ৰ দুই চাৰিদিন হৈছে, সেইসকলৰ জীৱন-বাস্তৱক স্বচ্ছন্দময় কৰি তোলাৰ উদ্দেশ্যে যুগুত কৰা বহুচিত্ৰ সম্বলিত অত্যাৱশ্যকীয় প্ৰীতি-উপহাৰ।

কামাখ্যা বুক ষ্টল,
গুৱাহাটী - ১

দিমাই, পকাবন্ধ
মূল্য ৩'৫০ পইচা

৭। গুণেন্দ্ৰনাথ পণ্ডিত **শৈৱদৰ্শন আৰু সাহিত্যৰ পটভূমি** **প্ৰথম প্ৰকাশ,—নৱেম্বৰ, ১৯৭০**

**( প্ৰথম খণ্ড )**

শৈৱসকলৰ বৰ ব্যাপক পন্থ বুলি পৰিচিত 'নাথ পন্থ' সম্বন্ধে প্ৰথম খণ্ডত বিস্তৃত ভাৱে আলচ কৰাৰ ফলত নাথ-সম্প্ৰদায়ৰ গৌৰৱময় অতীতৰ বহু তথ্য পোহৰলৈ আহিছে। প্ৰাচীন সাহিত্যৰ মাজত শৈৱ দৰ্শনৰ জাঁত বিচৰা একমাত্ৰ অসমীয়া পুথি।

স্বপ্না প্ৰেচ, নগাওঁ — পকা, পৃষ্ঠা ২১৬, মূল্য ৫্ টকা

৮। দেবেন্দ্ৰনাথ বৰুৱা **গীতা ৰহস্য বা বৈদিক ধৰ্ম্মসাৰ** প্ৰথম প্ৰকাশ—আগষ্ট, ১৯৬৯

পুৰণি পদ-পুথিৰ অনুৰূপ : বিভিন্ন ছন্দত ৰচনা কৰা গীতাৰ সাৰতত্ত্বৰ সুখ-পাঠ্য বিশ্লেষণ। ভাৰতীয় সংস্কৃতিৰ অমূল্য সম্পদ, গৌৰবময় ঐতিহ্যৰ প্ৰতীক স্বৰূপ, সমগ্ৰ বিশ্বৰ মানবীয় চিন্তাৰ আদৰৰ ধন সংস্কৃত। গীতাশাস্ত্ৰৰ গভীৰ ৰহস্য উদ্ঘাটন কৰিবলৈ কৰা বৰুৱাৰ সফল প্ৰয়াস ছন্দে ছন্দে প্ৰতীয়মান।

প্ৰয়োজনীয় পুথি প্ৰকাশন প্ৰতিষ্ঠান
গুৱাহাটী – ৯
দিমাই, পকাবন্ধা, পৃষ্ঠা ৩৫২
মূল্য - ৬্টকা

৯। ৰাজবালা দাস — **ৰামায়ণৰ কথা** প্ৰথম প্ৰকাশ—১৯৭০।

আধুনিক সমাজৰ উঠি অহা চামে আদি মহাকাব্য ৰামায়ণৰ মৰ্ম কথা সহজে বুজিব পৰাকৈ সহজ সৰল ভাষাৰে সংক্ষেপকৈ প্ৰকাশ কৰা এখনি উৎকৃষ্ট গ্ৰন্থ। লিখিকাৰ প্ৰকাশ ভঙ্গিমাই সমগ্ৰ কাহিনী ভাগকেই আকৰ্ষণীয় ৰূপত সজাই পৰাই তোলা বাবে ছাত্ৰ-ছাত্ৰী, সৰ্ব্বসাধাৰণৰ অৱশ্য পঠনীয় পুথিত পৰিণত হৈছে। সমগ্ৰ ৰামায়ণৰ বিষয়ে জানিব পৰা সংক্ষিপ্ত উৎকৃষ্ট একমাত্ৰ গ্ৰন্থ।

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী—১ পৃষ্ঠা—১৭৮, মূল্য ৭·০০টকা

১০। ৰাজবালা দাস — **মহাভাৰতৰ কথা** প্ৰথম প্ৰকাশ—১৯৬৯

বিৰাট আকাৰৰ মহাকাব্য 'মহাভাৰত' অধ্যয়ন কৰাৰ সুবিধা বা সময় পোৱা আজিৰ ব্যস্ত জীৱনত সৰ্ব্বসাধাৰণৰ বাবে বৰ জটিল। লিখিকাই মহাভাৰতৰ সুউচ্চ আদৰ্শ, বীৰত্বৰ বিচিত্ৰ কাহিনী, আদৰণীয় আখ্যান-উপাখ্যান সহজ সৰল ভাষাৰে সংক্ষেপকৈ আকৰ্ষণীয় গল্পৰূপত বৰ্ণনা কৰাত অতি উপাদেয় গ্ৰন্থত পৰিণত হৈছে। নৈতিক চৰিত্ৰ গঠনত এই গ্ৰন্থৰ দৰে লিখিকাৰ অন্য এখনি পুথি 'গীতা-বচন' অৱশ্য পঠনীয় গ্ৰন্থ।

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী - ১ পৃষ্ঠা ২২৫ দাম ৯·০০ টকা

১১। শান্তিৰাম লহকৰ — **পঞ্চ-পাণ্ডৱ** প্ৰথম প্ৰকাশ— জুন, ১৯৬৯।

বৰ্ত্তমান কৰ্ম্ম ব্যস্ততাৰ যুগত প্ৰাচীন কাব্য মহাকাব্য পঢ়িবলৈ সময়ৰ অভাৱ বাবেই লিখকে মূল কাহিনী ভাগক গল্পৰ আকাৰত সজাই পৰাই মহাভাৰতৰ প্ৰদৰ্শিত শাশ্বত আদৰ্শকেই প্ৰচাৰৰ দিহা কৰিছে।

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী - ১ পৃষ্ঠা - ২৬২ মূল্য ৫·০০ টকা



১২। ডঃ উপেন্দ্ৰ নাথ গোস্বামী এম, এ, ডি ফিল **ভাষা বিজ্ঞান** ২য় পৰিবৰ্দ্ধিত সংস্কৰণ,১৯৭০

'যিজনে ভাষা কি বস্তু আৰু ই কেনেকৈ ৰূপ লয়ে নাজানে তেওঁ নিজকে শিক্ষিত বুলি কোৱা উচিত নহয়' বুলি মেক্সমুলাৰে কৰা উক্তিয়ে ভাষাতত্ত্ব জনাৰ আৱশ্যকতা সমন্ধে সঁহাৰি জনায়।

গোস্বামীৰ 'ভাষা বিজ্ঞান'ত ভাষাৰ জন্ম, ক্ৰমবিকাশ, শ্ৰেণীবিভাগ আৰু সাধাৰণ ভাষাতত্ত্ব মূল মূল আভাস থকাৰ উপৰিও অসমীয়া ভাষা-উপভাষা, বাগৰ্থ সমন্ধে সুন্দৰ আলোচনা দাঙি ধৰা হৈছে। সৰ্ব্বসাধাৰণ পঢ়ুৱৈ, ছাত্ৰ, ভাষাতত্ত্বৰ গৱেষকসকলৰ বাবে অসমীয়া ভাষাত General Linguistics সমন্ধে একমাত্ৰ পুথি। দিমাই, পকাবন্ধা — পৃষ্ঠা ২৫০, মূল্য - ৭·৫০ নিউ বুক ষ্টল, গুৱাহাটী—১।

১৩। ডঃ গোলোক চন্দ্ৰ গোস্বামী এম,এ, ; ডি ফিল **অসমীয়া বৰ্ণ-প্ৰকাশ** প্ৰথম প্ৰকাশ, ১৯৬৯।

অসমীয়া ধ্বনিতত্ত্বৰ পুঙ্খানুপুঙ্খ বিশ্লেষণাত্মক অধ্যয়নৰ প্ৰথম পুথি। ইয়াত অসমীয়া ভাষাৰ বিশেষকৈ সাধু ভাষাটোৰ ধ্বনিগত আৰু বৰ্ণগত বৈশিষ্ট্যৰ যথা সম্ভৱ বিতং আলোচনা কৰা হৈছে; আধুনিক ভাষা বিজ্ঞানৰ পদ্ধতি খটুৱাই বৰ্ণবোৰৰ ধ্বনিগুণ নিৰ্ণয় কৰি বৰ্ণাত্মক বৈশিষ্ট্যবোৰৰ এফেৰা আভাস দিবলৈ চেষ্টা কৰা হৈছে। ইয়াত আলোচিত লয়-বৰ্ণৰ ( Prosadic features ) বিশ্লেষণ অসমীয়া ভাষাত এয়ে প্ৰথম। জগতৰ বিভিন্ন জ্ঞান বিজ্ঞানৰ আলোচনাৰ কাৰণে অসমীয়া ভাষা যে সক্ষম, ইয়াৰ প্ৰকাশিকা শক্তিও যে অসীম তাৰেই প্ৰমাণ এই পুথি। অসমীয়া ভাষাৰ বৰ্ণতত্ত্বৰ প্ৰকৃত স্বৰূপ বুজিলেহে ভাষাটোৰ লিপিৰ সংশোধন সম্ভৱ হব আৰু বৰ্ত্তমানে দেখা দিয়া বানানৰ বিভ্ৰাট গুচাব পৰা যাব। এই ক্ষেত্ৰত এই পুথি পথ-নিৰ্দ্দেশক। দিমাই, পকাবন্ধা—পৃষ্ঠা ২৪৬, মূল্য - ৮·০০ নিউ বুক ষ্টল, গুৱাহাটী—১।

১৪। নবীন চন্দ্ৰ শৰ্ম্মা (অধ্যাপক) **অসমীয়া ভাষা আৰু সাহিত্যৰ ৰূপ-ৰেখা** প্ৰথম প্ৰকাশ, ১৯৭০

ধ্বনি পৰিবৰ্ত্তনৰ ৰীতি, সাদৃশ্যকৰণ, লোক-ব্যুৎপত্তি, মাগধীপ্ৰাকৃত আৰু অসমীয়া ভাষা, অসমীয়া ভাষাৰ জন্মকথা আৰু প্ৰধান বিশেষত্ব, আদি ভাষা সম্বন্ধীয় বিষয়ৰ আলোচনাৰ উপৰিও দশমৰ বিশেষত্ব ৰাসক্ৰীড়া, মাধৱদেৱৰ নাট্য-ৰীতিৰ বৈশিষ্ট্য, ৰঘুনাথ মহন্তৰ শত্ৰুঞ্জয় আৰু অদ্ভুত ৰামায়ণ, প্ৰাচীন অসমীয়া সাহিত্যত দুৰ্গাদেৱী, কমলা কুঁৱৰীৰ সাধু আদিৰ বিষয়ে সম্যকভাৱে আলোচনা কৰা পুথি। দিমাই, পকাবন্ধা—পৃষ্ঠা ১৪৪, মূল্য - ৪ টকা বাণী প্ৰকাশ মন্দিৰ, গুৱাহাটী—১।

১৫। ত্ৰৈলোক্যনাথ গোস্বামী **ইংৰাজী সমালোচনাৰ ধাৰা আৰু অসমীয়া সাহিত্যত ইয়াৰ প্ৰভাৱ** প্ৰথম প্ৰকাশ, ১৯৭০।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত বিশেষ বক্তৃতা মালাৰ প্ৰথম বিষয় সাহিত্য সমালোচনাৰ ওপৰত সুসাহিত্যিক শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীয়ে দিয়া ৩টি সাৰগৰ্ভ বক্তৃতাৰ সমাৱেশ। আধুনিক সমালোচনা ৰীতিৰ এখনি উৎকৃষ্ট গ্ৰন্থ। পৃষ্ঠা ৬৯, মূল্য - ৩·৫০ পইচা। অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

১৬। মনোৰঞ্জন শাস্ত্ৰী **সাহিত্য দৰ্শন** দ্বিতীয় প্ৰকাশ, ১৯৭০ ।

সংস্কৃত ভাষাৰ প্ৰধান অঙ্গ অলঙ্কাৰ শাস্ত্ৰৰ বিচাৰ ধাৰাৰ লগত পৰিচয় হলেহে সংস্কৃত সাহিত্যৰ অৰ্থ অনুভৱ সহজ হয়, তেনেকৈ অসমীয়া সাহিত্য বিশেষকৈ প্ৰাচীন সাহিত্য-সমূহ সংস্কৃত সাহিত্যৰ উপৰত গঢ়ি উঠিছে কাৰণেই অসমীয়া সাহিত্যৰ পঠন-পাঠনতো সংস্কৃত অলঙ্কাৰ শাস্ত্ৰ আৰু কাব্য ধাৰাৰ জ্ঞান অপৰিহাৰ্য্য । সংস্কৃত আৰু অসমীয়া দুয়োবিধ সাহিত্যৰ লগত শাস্ত্ৰীৰ অন্তৰঙ্গ পৰিচয়ৰ ফলত সংস্কৃত অলঙ্কাৰ শাস্ত্ৰ আৰু কাব্য বিচাৰ বিশ্লেষণৰ গ্ৰন্থ 'সাহিত্য-দৰ্শন' এখনি মূল্যবান আৰু ছাত্ৰ সমাজৰ উপযোগী পুথি । গ্ৰন্থকাৰ - নলবাৰী, অসম । দিমাই, পকাবন্ধা ; পৃষ্ঠা - ৩৫০ ; মূল্য - ১০ টকা ।

১৭। ডঃ পদ্মেশ্বৰ গগৈ । **গণতান্ত্ৰিক সমাজবাদ** প্ৰথম প্ৰকাশ, ১৯৭০

গণতান্ত্ৰিক সমাজবাদৰ বিভিন্ন পথ প্ৰদৰ্শকসকলৰ চিন্তাধাৰাৰ ওপৰত ভিত্তি কৰি গণতান্ত্ৰিক সমাজবাদৰ- ( Democratic Socialism ) বিভিন্ন দিশ সম্বন্ধে আলোচনা কৰা সৰ্বমুঠ বাৰটি প্ৰবন্ধৰ সুখ পাঠ্য সংকলন । ওৰিয়েণ্টেল বুক কোং, গুৱাহাটী - ১ পৃষ্ঠা ১৫১ দাম - ৪'০০টকা

১৮। তিলক চন্দ্ৰ মজুমদাৰ ( অধ্যাপক ) **প্ৰাচীন অসমীয়া গদ্য সাহিত্য** প্ৰথম প্ৰকাশ ১৯৭০

অসমীয়া গদ্য সাহিত্যৰ উৎপত্তি ক্ৰমবিকাশ সম্পৰ্কে এখনি সমুজ্জ্বল ছবি দাঙি ধৰাৰ উপৰিও ষোড়শ শতিকাৰ পৰা উন'বংশ শতিকাৰ আগভাগলৈ এই চোঁৱা সময়ৰ অসমীয়া গদ্য সাহিত্যৰ ধাৰাবাহিক আলোচনাৰে সমৃদ্ধ। বিশেষকৈ গদ্য সাহিত্যৰ জন্ম, ভাৰতীয় গদ্য সাহিত্যৰ ইতিহাস, প্ৰাচীন আৰু মধ্য ভাৰতীয় আৰ্য্য ভাষাৰ স্থান নিৰ্ণয়, অসমীয়া গদ্যৰ গৌৰৱোজ্জ্বল অধ্যায়, ধৰ্ম পুথিৰ নিমজ অৰু প্ৰাঞ্জল গদ্যৰূপ, স্বতন্ত্ৰ সত্বযুক্ত স্বচ্ছন্দ গতিৰ গদ্য আৰু সাহিত্য সম্পৰ্কে বিজ্ঞান সম্মত আলোচনা আছে। (ভবেশচন্দ্ৰ মজুমদাৰ পো, আ, ৰামদিয়া কামৰূপ, মূল্য ২ ্টকা)

১৯। নন্দ তালুকদাৰ ( অধ্যাপক ) **কবি আৰু কবিতা** প্ৰথম প্ৰকাশ, এপ্ৰিল ১৯৬৯

সাহিত্যৰ ছাত্ৰ হিচাপে ৰস গ্ৰহণ কৰিবলৈ চেষ্টা কৰি অসমীয়া কবিসকলৰ প্ৰতিভা আৰু কাব্য-জীৱনৰ যিরূপ ৰসাস্বাদন কৰিছে তাকেই কবিতা আৰু কবি শিতানত দুভাগ কৰি পঢ়ুৱৈ সমাজৰ আগত দাঙি ধৰা সৰ্বসাধাৰণৰ সুখ পাঠ্য পুথি।
দত্ত বৰুৱা এণ্ড কোম্পানী গুৱাহাটী— ১ দিমাই, পকাবন্ধ ; পৃষ্ঠা ২৬০ ; মূল্য ৫ ০০টকা

২০। নবীন চন্দ্ৰ শৰ্ম্মা (অধ্যাপক) **অসমীয়া সাহিত্যৰ আলোক ৰেখা** প্ৰথম প্ৰকাশ, ১৯৬৯।

পুৰণি অসমীয়া সাহিত্যত 'ৰাধা' পাচালি সাহিত্য, অসমীয়া ভাগৱত, গীতিকবিতা আৰু বড়গীত, শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাট্য-ৰীতিৰ পাৰ্থক্য, নাঙেলী গীত আদিৰ বিষয়ে সুচিন্তিত আলোচনা দাঙি ধৰিছে । ইয়াত সন্নিবিষ্ট নাঙেলী গীত, পুৰণি অসমীয়া সাহিত্যত ৰাধা, মনসা দেৱীৰ বিভিন্ন অভিব্যক্তি আদিৰ বিষয় বস্তু অনাঘ্ৰাত । অসমীয়া সাহিত্যৰ ছাত্ৰ-ছাত্ৰীৰ অত্যাৱশ্যকীয় গ্ৰন্থ । দিমাই, পকাবন্ধা, পৃষ্ঠা ২২৪, মূল্য - ৬'০০ টকা নিউ বুক ষ্টল, গুৱাহাটী—১ ।



২১। পৰাগধৰ চলিহা সম্পাদিত — **বেজবৰুৱা শতবাৰ্ষিকী স্মৃতি গ্ৰন্থ** প্ৰথম প্ৰকাশ, ১৯৭০।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ফালৰ পৰা অসমৰ প্ৰখ্যাত লিখক বেণুধৰ শৰ্ম্মা, নলিনীবালা দেৱী, মিত্ৰদেৱ মহন্ত আদিয়ে লিখা বেজবৰুৱাৰ ব্যক্তিত্ব আৰু সাহিত্য বিষয়ক দহোটা প্ৰবন্ধৰ আটকধুনীয়া সঙ্কলন । পৃষ্ঠা ৯৩- মূল্য - ৩'০০ টকা
অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয় ।

২২। বীৰেণ বৰকটকী **অসমীয়া সাহিত্য-সংস্কৃতিৰ দুটি এটি** প্ৰথম প্ৰকাশ, অক্টোবৰ, ১৯৭০

সন্নিবিষ্ট প্ৰবন্ধবোৰৰ ভিতৰত দহটি সাহিত্য সম্পৰ্কীয় আৰু পাঁচটি সাংস্কৃতি বিষয়ক । প্ৰত্যেকটি প্ৰবন্ধ অধ্যয়ন পুষ্ট মনৰ পৰিচায়ক । সাহিত্য-সংস্কৃতিৰ অধ্যয়নৰত ছাত্ৰসকলৰ উপযোগী কিতাপ । পৃষ্ঠা ১৫৫, মূল্য - ৪'৫০ পইচা ডেকা এজেন্সী, অৰুণোদয় পথ, শিৱসাগৰ ।

২৩। ৺ভবানন্দ দত্ত **অসমীয়া কবিতাৰ কাহিনী** প্ৰথম প্ৰকাশ, ১৯৬৯

অসমীয়া কাব্য সাহিত্যৰ ওপৰত আলোকপাত কৰি ৰচনা কৰা ৺দত্তৰ কেইটিমান মৌলিক দৃষ্টিভঙ্গী প্ৰসূত প্ৰবন্ধ সংকলন । এই আলোচনাই আধুনিক কবিতাৰ, কাব্য-সাহিত্যৰ নতুন দিশৰ প্ৰতি আলোকপাত কৰিছে । উচ্চ খাপৰ কবিতাসম্বন্ধীয় আলোচনা পুথি ।
দিমাই, পকাবন্ধা, পৃষ্ঠা ৯০, দাম ৩'০০ লয়াৰ্চ বুক ষ্টল, গুৱাহাটী — ১

২৪। ডঃ মহেশ্বৰ নেওগ **অসমীয়া সাহিত্যৰ ৰূপৰেখা** তৃতীয় তাঙৰণ ডিচেম্বৰ, ১৯৭০

অসমীয়া ভাষাৰ উৎপত্তি কালৰে পৰা আধুনিক কাললৈ সাহিত্যৰ বিজ্ঞান সম্মত ইতিবৃত্ত দাঙি ধৰাৰ উপৰিও অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ চমু ইতিহাসো দাঙি ধৰিছে । অসমীয়া সাহিত্য বুৰঞ্জীৰ অন্যতম প্ৰামান্য গ্ৰন্থ । পৃষ্ঠা ৩৯৪, বেচ ৮্ টকা, দিমাই পকাবন্ধা,

২৫। বঙ্কিং পাঠক, বিজন লাল চৌধুৰী, জয়কৃষ্ণ দাস সম্পাদিত **সাহিত্য আৰু সংস্কৃতি**
প্ৰথম প্ৰকাশ জানুৱাৰী ১৯৬৯

অসম সাহিত্য সভাৰ ষষ্ঠত্ৰিংশতম বৰপেটা অধিবেশনৰ স্মৃতি গ্ৰন্থ । সাহিত্য সম্পৰ্কীয় নটি আৰু সংস্কৃতি সম্পৰ্কীয় নটি মুঠ ওঠৰটি উচ্চ খাপৰ প্ৰবন্ধৰ সংকলন । অসম সাহিত্য সভাৰ বৰপেটা অধিবেশনৰ অভ্যৰ্থনা সমিতি, বৰপেটা । পৃষ্ঠা ২০৪, দাম ৪'০০ টকা

২৬। শশী শৰ্ম্মা (অধ্যাপক) **সাহিত্য সৃষ্টি** প্ৰথম প্ৰকাশ, আগষ্ট ১৯৬৯

সাহিত্যৰ কেইটামান দিশৰ বিষয়ে লিখকে উপলব্ধি কৰা মতে সাতোটা আলোচনা যুগুতাই

সাহিত্যামোদী আৰু ছাত্ৰ-ছাত্ৰীৰ অভাব দূৰীকৰণাৰ্থে প্ৰকাশ কৰা - সাহিত্য বিষয়ক প্ৰবন্ধৰ সংগ্ৰহ।
দিমাই, পকাবন্ধা, পৃষ্ঠা ১৭৯, দাম ৪·০০ টকা — দত্ত বৰুৱা এণ্ড কোং, গুৱাহাটী - ১

২৭। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা — **অসমীয়া কাহিনী-কাব্যৰ প্ৰবাহ** — প্ৰথম প্ৰকাশ, ১৯৭০

চতুৰ্দ্দশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈকে অসমীয়া কাহিনী-কাব্যৰ ধাৰা উপধাৰা, তাৰ প্ৰভাৱ আৰু বৈশিষ্ট্য সম্বন্ধে নিৰপেক্ষ বিচাৰ দাঙি ধৰা অসমীয়া ভাষাত একমাত্ৰ গ্ৰন্থ।

কাব্যসমূহৰ উৎপত্তি, ক্ৰম-বিকাশ, শ্ৰেণী বিভাগ, কাব্যিক মূল্য, আৰু সৌন্দৰ্য্য বিচাৰ, সামাজিক আদৰ্শ আৰু প্ৰভাৱ — আদি সম্বন্ধে পাণ্ডিত্যপূৰ্ণ আলোচনা কৰা সাহিত্য-প্ৰেমী সকলৰ অৱশ্য পঠনীয় আটক-ধুনীয়া পুথি।

পৃষ্ঠা ২৭৩, দাম ১২৲ টকা — বাণীপ্ৰকাশ, পানবজাৰ গুৱাহাটী - ১

২৮। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা — **পৰম্পৰাগত প্ৰাচ্য নাট্যাভিনয়** — প্ৰথম প্ৰকাশ, ১৯৭০

পবিত্ৰ ভাৰত ভূমিৰ পৰা আৰম্ভ কৰি সুদূৰ জাপানলৈকে প্ৰাচীন নাট্যানুষ্ঠান আৰু অভিনয় পৰম্পৰাৰ কিছু সমধৰ্মিতা লক্ষ্য কৰি সাংস্কৃতিক সংযোগৰ সামান্য আভাস সূচনা কৰিবলৈ চেষ্টা কৰিছে আৰু সংস্কৃত নাট্যাভিনয়ৰ অৱনতি আৰু বিলুপ্তিৰ পাচত জন-সাধাৰণৰ মাজত কেনে ধৰণৰ নাট্য-বিনোদ গঢ়ি উঠিছিল আৰু সেইবোৰৰ লগত সংস্কৃত নাট্য-কলাৰ কি সম্পৰ্ক আছিল — সেইবোৰ বিষয়েও অধ্যয়ন পুষ্ট আলোচনা দাঙি ধৰিছে।

দিমাই, পকাবন্ধা, পৃষ্ঠা ১৯৪, দাম ৭·০০ — নিউ বুক ষ্টল, গুৱাহাটী - ১

২৯। ডঃ হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য্য — **অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি** — দ্বিতীয় প্ৰকাশ, ১৯৭০

ডঃ ভট্টাচাৰ্য্যৰ 'Origin and Development of the Assamese Drama and the stage.' নামৰ গৱেষণামূলক ইংৰাজী কিতাপখনিৰ বাবে ডি-ফিল উপাধি লাভ কৰাৰ পিচত তাকেই স্বকীয়া গঢ়ত অসমীয়া ভাষাত প্ৰকাশ কৰাৰ ফলত এই গ্ৰন্থৰ সৃষ্টি। ইয়াত গুৰিৰ পৰা ১৯৬৭ চনলৈকে ৰচিত হোৱা প্ৰায় সকলো নাট আৰু বিখ্যাত নাট্য মঞ্চৰ পৰ্য্যালোচনা দাঙি ধৰা হৈছে। অসমীয়া নাট আৰু অভিনয় ৰঙ্গমঞ্চ সম্বন্ধে জানিব লগীয়া এক মাত্ৰ পুথি।

ৰয়েল চাইজ, পৃষ্ঠা ৫০৮, দাম ১০৲ টকা — সেৱা কুটীৰ, শুক্ৰেশ্বৰ, গুৱাহাটী - ১

৩০। অশ্বঘোষ — অনুবাদক— মনোৰঞ্জন শাস্ত্ৰী — **বুদ্ধ চৰিত** — প্ৰথম প্ৰকাশ, জানুৱাৰী ১৯৭০

মহাকবি অশ্বঘোষ বিৰচিত বিখ্যাত গ্ৰন্থ 'বুদ্ধ চৰিত' মহাকাব্যৰ অসমীয়া অনুবাদ।

পৃষ্ঠা - ১৯৭, দাম ৫৲ টকা। — অসম প্ৰকাশন পৰিষদ, গুৱাহাটী - ৩



৩১। নিশিপদ চৌধুৰী — **হিউৱেন চাং** — প্ৰথম প্ৰকাশ, ১৯৭০

এচিয়াৰ সাংস্কৃতিক সংহতিৰ প্ৰতীক স্বৰূপ চীন পৰিব্ৰাজকৰ বিস্তৃত ভ্ৰমণ কাহিনী আৰু সেই সময়ৰ ৰাজনৈতিক, ধাৰ্মিক, সাংস্কৃতিক জীৱনৰ পৰিচয় থকা এখনি অদ্বিতীয় কিতাপ।

বাণী প্ৰকাশ, পানবজাৰ, গুৱাহাটী - ১ — মূল্য ৫·০০ টকা, পৃষ্ঠা ১১৮

৩২। ৰাপ চন্দ্ৰ মহন্ত আৰু কেশদা মহন্ত — **গোস্বামী তুলসীদাস আৰু ৰামচৰিত মানস (১ম/২য় খণ্ড)**

প্ৰথম প্ৰকাশ, চেপ্তেম্বৰ, ১৯৭০ — কিতাপখনিৰ ১ম খণ্ডৰ লিখক ৰাপ চন্দ্ৰ মহন্তই তুলসী দাসৰ ঐতিহাসিক পৃষ্ঠভূমি, জীৱনী, ধৰ্ম আৰু সামাজিক দৃষ্টিভঙ্গী, ভাষা-সাহিত্য, ছন্দ আদিৰ বিষয়ে বিষদ আলোচনা কৰিছে। দ্বিতীয় খণ্ডৰ লিখিকা অধ্যাপিকা কেশদা মহন্তই 'ৰাম চৰিত মানস'ৰ কাহিনীৰ বৈশিষ্ট্য, শক্তিৰ স্থান, সতীৰ কাহিনী, ৰামসীতাৰ পূৰ্ব্বৰাগ — আদিৰ বিষয়ে আলোচনা দাঙি ধৰাৰ উপৰিও অৱধী ভাষাৰ লগত অসমীয়া ভাষাৰ তুলনাত্মক আলোচনা কৰিছে। উত্তৰ ভাৰতত সাংস্কৃতিক তথা ধৰ্মীয় জীৱনত গভীৰ আৰু ব্যাপক প্ৰভাৱ পেলোৱা, 'ৰামচৰিত মানস'ৰ উপৰিও 'বিনয় পত্ৰিকা' 'কবিতাৱলী' 'গীতাৱলী' 'পাৰ্ব্বতীমঙ্গল' 'জানকীমঙ্গল' আদি বিভিন্ন কাব্য ৰচনা কৰোতা মহাপুৰুষজনাৰ বিষয়ে অসমীয়া ভাষাত এইখনেই একমাত্ৰ পুথি।

বৰকটকী কোম্পানী, যোৰহাট - ১ — পৃষ্ঠা - ১১২ ; মূল্য কেচাবন্ধা - ২·৫০, পকাবন্ধা - ৩·৫০

৩৩। মুনীন্দ্ৰ নাথ শৰ্ম্মা (পাঠশালা) — **গুৰুভক্ত মাধৱদেৱ** — প্ৰথম প্ৰকাশ, ১০ চেপ্তেম্বৰ, ১৯৭০

মহাপুৰুষ মাধৱদেৱৰ গুৰু-সেৱাৰ মহান আদৰ্শৰ যোগেদি লৌকিক গুৰু-সেৱাই আধ্যাত্মিক স্তৰত কিদৰে উপনীত হব পাৰে তাৰেই উজ্জল চানেকী হিচাবে দাঙি ধৰি লিখকে উঠি অহা নতুন পুৰুষে প্ৰেৰণা পাব পৰাকৈ মহাপুৰুষ গুৰু দুজনাৰ চৰিত কাহিনী বিশ্লেষণ কৰিছে, লগতে ভক্তি ধৰ্ম্ম বা নাম ধৰ্ম্মৰ আভাস দিবলৈ চেষ্টা কৰিছে। এই বিষয়ৰ অন্যতম উপাদেয় গ্ৰন্থ।

উমাকান্ত কাকতী, বৰপেটা ৰোড, কামৰূপ — মূল্য - ১·২৫ পইচা

৩৪। ৰামমল ঠাকুৰীয়া (অধ্যাপক) — **শ্ৰীমন্ত শঙ্কৰ লীলামনোহৰ** — প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ১৯৭০

সাহিত্য আলোচক, গল্পকাৰ ঠাকুৰীয়াৰ গুৰুজনাৰ প্ৰতি ভক্তিঅঞ্জলি। ২২০টা ফুলড়ি ছন্দত ৰচিত গুৰুজনাৰ জীৱন-লীলা কীৰ্ত্তন। থাউকতে গুৰুজনাৰ জীৱন লীলা জানিবলৈ একমাত্ৰ উৎকৃষ্ট পকেট বুক।

শ্ৰীমন্ত শঙ্কৰ কলা পৰিষদ, বেলবাৰী, সক ক্ষেত্ৰি। — পকেট বুক, পৃষ্ঠা ৭৮ ; মূল্য - ১ টকা

৩৫। বাঞ্চা শইকীয়া **দিহিঙে দিপাঙে** প্ৰথম প্ৰকাশ, জুন ১৯৬৯

শিক্ষামূলক ভ্ৰমনৰ বাবে দক্ষিণ পূৱ এচিয়াৰ ফিলিপাইন, মালয়েচিয়া দেশত কিছুদিন কটাওতে লাভ কৰা বৈচিত্ৰপূৰ্ণ অভিজ্ঞতাৰ মনোমুগ্ধকৰ বৰ্ণনা। পোঃ ছগ্ৰীজান, অসম

দিমাই পকাবন্ধা, বেচ ৩্ টকা পৰিবেশক— মিত্ৰ এজেঞ্চি এণ্ড কোং, তিনিচুকীয়া

৩৬। সুৰেন্দ্ৰ মোহন দাস **টলষ্টয়ৰ দেশত** ১ম প্ৰকাশ, ডিচেম্বৰ, ১৯৬৯

'চোভিয়েট দেশ নেহৰু বঁটা' সন্দৰ্ভত দ্বিতীয় বছৰত অৰ্থাৎ ১৯৬৬ চনত 'নেহৰু বঁটা' লাভ কৰোতা হিচাবে চোভিয়েট দেশ ভ্ৰমন কৰিবলৈ যোৱা দাস ডাঙৰীয়াই টলষ্টয়, লেনিন আদি মহা-মানবৰ প্ৰগতিবাদী শান্তিকামী দিশত আলোকপাত কৰি নিজস্ব অভিজ্ঞতা বৰ্ণনা কৰিছে। বৰ্ণনাত গল্পৰ মাদকতা আছে, অনুসন্ধিৎসু মনৰ পৰিচয় আছে।

দিমাই পকাবন্ধা, পৃষ্ঠা ৮৪, বেচ ৩·৫০ অসীম দাস, চি, কে আগৰৱালা ৰোড, গুৱাহাটী-১

৩৭। অতুল চন্দ্ৰ হাজৰিকা (অধ্যাপক) **সচিত্ৰ উছৱৰ ভোগজৰা** ২য় প্ৰকাশ, ১৯৬৯

চাৰিটা ভাগত বিভক্ত, বিভিন্ন কৃতী লিখকৰ দ্বাৰা ৰচিত হিন্দু, মুছলমান, খৃষ্টান আদিৰ বিভিন্ন উছৱ-পাৰ্বনৰ ইতিবৃত্ত আৰু তাৎপৰ্য্যৰ ব্যাখ্যাসহ বিবৰণী থকা অসমীয়া ভাষাত একমাত্ৰ সংকলন।

পৃষ্ঠা ১৮৫, বেচ ৪·০০ — নিউ বুক ষ্টল, গুৱাহাটী-১

৩৮। অসম প্ৰকাশন পৰিষদ প্ৰকাশিত **অসমত মহাত্মা** প্ৰথম প্ৰকাশ, ১৯৬৯

প্ৰায় ত্ৰিশখন হাফটোন চিত্ৰ সম্বলিত, মহাত্মাৰ চাৰিবাৰ অসম ভ্ৰমনৰ নিখুঁত বৰ্ণনাৰে প্ৰামাণ্য গ্ৰন্থ। গান্ধী শতবাৰ্ষিকী উপলক্ষে প্ৰকাশ পোৱা আকৰ্ষণীয় পুথি।

অসম প্ৰকাশন পৰিষদ, গুৱাহাটী - ৩ ৰয়েল চাইজ, পৃষ্ঠা ১৮৮ ; মূল্য - ১২্ টকা

৩৯। **গান্ধীজীৰ সোঁৱৰণত** প্ৰথম প্ৰকাশ, ২ অক্টোবৰ, ১৯৬৯

গান্ধীজীৰ আদৰ্শৰ দ্বাৰা বিশেষভাবে প্ৰভাৱান্বিত হোৱা আৰু গান্ধীজীৰ সান্নিধ্য পোৱা ৪১ গৰাকী অসমৰ বিশিষ্ট ব্যক্তিৰ মহাত্মা সম্বন্ধে লিখা বহুতো আপুৰুগীয়া কথাৰে ভৰপূৰ প্ৰবন্ধৰ অনবদ্য সংকলন।

অসম প্ৰকাশন পৰিষদ, গুৱাহাটী - ৩ ৰয়েল চাইজ, পৃষ্ঠা ৪৫০ ; মূল্য - ১২ টকা

৪০। আব্দুছ ছাত্তাৰ **অসমীয়া সাহিত্যত বিবিধ আলোচনা** প্ৰথম প্ৰকাশ, ১৯৭০

সাহিত্য সংস্কৃতিমূলক তৈধ্যটি গধুৰ প্ৰবন্ধৰ সংগ্ৰহ॥ অসমীয়া জাতীয়তাৰ প্ৰতি আকৰ্ষণ



চিন্তাশীল লিখকজনৰ প্ৰত্যেক প্ৰবন্ধৰ মাজত পৰিলক্ষিত।

মিত্ৰ এজেঞ্চি এণ্ড কোং, তিনিচুকীয়া পৃষ্ঠা ৯১ ; মূল্য - ৩·৫০ পইচা

৪১। ইক্ৰামুল হুছেইন **জন-বিস্ফোৰণ** প্ৰথম প্ৰকাশ ১৯৭০

পৰিয়াল পৰিকল্পনা সম্বন্ধে বিজ্ঞান সন্মত তথ্যপাতিৰে লিখা আৰু নানা চিত্ৰেৰে চিত্ৰাঙ্কিত কৰি বুজোৱা সৰ্বাধুনিক গ্ৰন্থ।

মিত্ৰ এজেঞ্চি এণ্ড কোং তিনিচুকীয়া মূল্য - ৩·৫০ পইচা

৪২। তীৰ্থনাথ শৰ্ম্মা (অধ্যক্ষ) **গান্ধী শিক্ষা সাৰ** প্ৰথম প্ৰকাশ অক্টোবৰ ১৯৬৯

ভাৰতত কাণ্ট, হেগেলৰ দৰ্শন, মাৰ্ক্সৰ সমাজবাদ বা আন আন পাশ্চাত্য দৰ্শন গ্ৰন্থ শিকোৱা বা পঢ়াৰ সুব্যৱস্থা থকাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় মনীষাৰ প্ৰতীক গান্ধীজীৰ যুগান্তকাৰী তত্ত্ববোৰৰ পঠন-পাঠন আৰু প্ৰচাৰৰ অত্যাৱশ্যক। গান্ধীজীৰ জীৱন-দৰ্শনৰ মূলসূত্ৰ কথাখিনি ধাউকতে পাব পৰাকৈ গান্ধীজীয়ে নিজে লিখা গ্ৰন্থ আৰু প্ৰবন্ধ অনুবাদ কৰি সজাই তোলা 'গান্ধী শিক্ষা সাৰ' চেমিনিয়াৰ অৱশ্য পঠনীয়। ২২টা প্ৰবন্ধৰ আটকধুনীয়া সংকলন।

পৃষ্ঠা ৫৫, মূল্য ১.২৫ — নিউ বুক ষ্টল, গুৱাহাটী - ১

৪৩। নন্দগোপাল সেনগুপ্ত **সমাজ সমীক্ষা : অপৰাধ আৰু অনাচাৰ** প্ৰথম প্ৰকাশ, অক্টোবৰ, ১৯৭০

অনুবাদক—ডঃ হৰনাথ শৰ্ম্মা বৰদলৈ

আধুনিক সমাজ জীৱন বিষাক্ত কৰা নানা তৰহৰ ব্যভিচাৰ, কুনীতি, ভণ্ডামিৰ আৰত, লৈনাৰ যেৰ পাকত, গণিকালয়ৰ বাস্তৱ সত্যতাত; সামাজিক, অৰ্থনৈতিক অনাচাৰত যৌনিক দিশটো উদঘাটন কৰি সাহসিকতাৰে প্ৰকাশ কৰা অতি উচ্চ খাপৰ সাহিত্য; সম্ভৱতঃ এনেদৰে সমাজৰ বিভিন্ন চুকে কোণে যৌন আবেদন, যৌন ব্যভিচাৰ চলি থকা টুকুৰা টুকুৰ ছবিবোৰ হুবহুকৈ দাঙি ধৰা এইখনেই প্ৰথম গ্ৰন্থ। নানা তৰহৰ কুসংস্কাৰ, দুৰ্নীতি, ব্যভিচাৰ—যৌনাচাৰেৰে ভৰা সমাজৰ আন্ধাৰ দিশটোৰ ওপৰত কৰা সংস্কাৰ কামী সমাজ-সমীক্ষা।

মিত্ৰ এজেঞ্চি এণ্ড কোং, তিনিচুকীয়া দিমাই, পকাবন্ধা পৃষ্ঠা ২৫২; মূল্য - ৭ টকা

৪৪। পূৰ্ণ চন্দ্ৰ শইকীয়া **শঙ্কৰদেৱৰ যুগধৰ্ম্ম** প্ৰথম প্ৰকাশ, ১৯৭০

মহাপুৰুষ দুজনাৰ কীৰ্ত্তন, দশম, ঘোষা, বৰগীতৰ পৰা গুৰুবাণী উদ্ধৃত কৰি যুগধৰ্মৰ অনুকূলে আলোচনাৰ বাট পোনাই দিয়া মহাপুৰুষৰ মূল তত্ত্ব অনুসন্ধান কৰোঁতাৰ অৱশ্য পঠনীয় পুথি।

মনোৰমা প্ৰকাশ, যোৰহাট - ২ দিমাই, পকাবন্ধা, পৃষ্ঠা ৮৮ ; মূল্য - ৩·৫০ পইচা

৪৫। প্ৰভূদানন্দ দাস **ফল আৰু শাক পাচলিৰ সংৰক্ষণ** প্ৰথম প্ৰকাশ, জানুৱাৰী, ১৯৭০
( কুটীৰ উদ্যোগ )

বৰ্ত্তমান খাদ্য অনাটনৰ যুগত খাদ্য সংৰক্ষণৰ কাৰিকৰী জ্ঞান অপৰিহাৰ্য্য বাবেই শ্ৰীদাসৰ এই বিষয়ৰ তথ্যপাতি দি লিখা অসমীয়া ভাষাত প্ৰথম পুথি ; সংসাৰ চলোৱা পুৰুষ-নাৰীৰ অৱশ্য পঠনীয় অত্যাৱশ্যকীয় পুথি ।

দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী - ১ দিমাই, পকাবন্ধা পৃষ্ঠা ১২৫ ; দাম - ৩ টকা

৪৬। ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য (অধ্যক্ষ) **অসমৰ লোক-উৎসৱ** প্ৰথম প্ৰকাশ, নৱেম্বৰ, ১৯৬৯

অসমৰ পৰ্বত, ভৈয়ামৰ লোক সমাজৰ মাজত প্ৰচলিত বিহু, পচতি, ভঠেলি, মহো-হো আদি বিভিন্ন লোক উৎসৱ পৰৱ-সমূহৰ বিৱৰণ আৰু ইতিবৃত্ত আলোচনা কৰা, সম্পূৰ্ণ একক প্ৰচেষ্টাৰে ৰচনা কৰা সচিত্ৰ সুখ পাঠ্য পুথি ।

—শ্ৰীমতী দেৱীপ্ৰভা ভট্টাচাৰ্য্য

সূৰ্য্যতাৰা প্ৰকাশন, নৱগিৰি, চানমাৰি, গুৱাহাটী - ৩ পৃষ্ঠা ১০৮ ; দিমাই, কেচাবন্ধা - ৩·০০ ; পকাবন্ধা - ৩·৫০

৪৭। ডঃ মহেশ্বৰ নেওগ সম্পাদিত **পবিত্ৰ অসম** দ্বিতীয় প্ৰকাশ, ১৯৬৯

অসমৰ বিভিন্ন অঞ্চলত সিচৰিত হৈ থকা ধৰ্ম্মীয় মঠ-মন্দিৰ, তীৰ্থ-পীঠ, সত্ৰ-থান, দৰগাহ, পুৰণি মছজিদ, গীৰ্জা আৰু জনজাতীয় পূজা সেৱাৰ থলী আদিৰ উৎপত্তি বিৱৰণ সম্বলিত গৌৰৱময় নিহিত আটক ধুনীয়া গ্ৰন্থ । ভাৰতীয় ভাষাতেই কিয় পৃথিৱীৰ উন্নত ভাষাবোৰৰ ভিতৰতো এনে ধৰণৰ অনন্য একমাত্ৰ পুথি ।

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী - ১ দিমাই, পকাবন্ধা, পৃষ্ঠা ৩৬২ ; মূল্য - ১৫ টকা

৪৮। মহাত্মা গান্ধী **নাৰী আৰু সামাজিক বিচাৰ** প্ৰথম প্ৰকাশ, ১৯৬৯, দ্বিতীয় প্ৰকাশ, ১৯৭০
অনুবাদিকা—শ্ৰীমতী কল্পিতা চুৰবা

মহাত্মা গান্ধীৰ 'Women and Social Injustice' নামৰ বিখ্যাত গ্ৰন্থৰ সৰল অসমীয়া অনুবাদ । সামাজিক বন্ধন, কুসংস্কাৰ আদিৰ পৰা মুক্তি দি নাৰীক আত্মপ্ৰতিষ্ঠাৰ সুবিধা দানৰ কাৰণে মহাত্মাৰ অমোঘ বাণীসমূহৰ সংকলন ।

অসম প্ৰকাশন পৰিষদ, গুৱাহাটী - ৩ দিমাই, পকাবন্ধা, পৃষ্ঠা ৩১০ ; মূল্য - ৫ টকা

৪৯। মহাত্মা গান্ধী **ছাত্ৰৰ প্ৰতি** অনুবাদক—ৰাজকুমাৰ সুৰেশ্বৰ গোহাঁই
প্ৰথম প্ৰকাশ, অক্টোবৰ ১৯৬৯, দ্বিতীয় প্ৰকাশ, আগষ্ট, ১৯৭০

দেশৰ ভৱিষ্যৎ গঢ়োতা ছাত্ৰসকলৰ উদ্দেশ্যে গান্ধীজীৰ লিখিত প্ৰবন্ধ আৰু ভাষণসমূহৰ সংকলন বিখ্যাত পুথি 'To the Students' ৰ সৰল অসমীয়া অনুবাদ ।

অসম প্ৰকাশন পৰিষদ, গুৱাহাটী - ৩ দিমাই, পকাবন্ধা, পৃষ্ঠা ২৬১ ; দাম - ৫·০০ টকা



৫০। যোগেশ্বৰ শৰ্ম্মা **কালিদাস আৰু তপস্যা** ১ম প্ৰকাশ, ১৯৬৯

ভাৰতৰ মনীষাৰ অপূৰ্ব সৃষ্টি কালিদাস ভাৰতীয় সংস্কৃতিৰ স্বয়ং এক গভীৰ অৰ্থবাহী ঐতিহ্য । এনে [illegible]িয়-কালিদাসক এৰি ভাৰতীয় জীৱনৰ সম্যক পৰিচয় নাই । এনেজন মহাকবিৰ চিন্তা, সৌন্দৰ্য্যবোধ আৰু [illegible]ীত চেতনাৰ মনোৰম পৰিচয় দিবলৈ প্ৰয়াস কৰা গ্ৰন্থ ।

— গ্ৰন্থকাৰ, গুৱাহাটী বিশ্ববিদ্যালয়

দিমাই পকাবন্ধা, পৃষ্ঠা ২১৪, মূল্য ৬·০০ টকা

৫১। হেমচন্দ্ৰ দত্ত **যুগধৰ্মৰ দৃষ্টিভঙ্গী** প্ৰথম প্ৰকাশ, ১৯৭০

মানুহ ভগবানৰ সৃষ্টি নে মানুহৰ সৃষ্টি ভগবান ? আধুনিক ভাব ধাৰাৰ লগত থোজ মিলাই পাপ-পুণ্য সৎ-অসৎ, ধৰ্ম্ম-অধৰ্ম, অন্ধবিশ্বাস আদি লিখকে বিশ্লেষণ কৰি আজিৰ যুগধৰ্মৰ দৃষ্টিত মানুহ মাত্ৰেই এক-ধৰ্ম আৰু সমাজ বন্ধন মিছা বুলি প্ৰতিপন্ন কৰা — প্ৰগতিমুখী গ্ৰন্থ ।

গ্ৰন্থকাৰ, ন আলি যোৰহাট - ২

পকেট বুক চাইজ, পৃষ্ঠা ২৪, মূল্য ·৬০ পইচা

৫২। ডঃ হীৰেণ গোহাঁই **সাহিত্যৰ সত্য** প্ৰথম প্ৰকাশ, আগষ্ট ১৯৭০

সাহিত্যৰ কল্পলোকে (.vision ) বিবৰ্ত্তনশীল মানৱ-জীৱনৰ সত্যলৈহে আঙুলিয়াই বাবেই গোহাঁইৰ সমালোচনা পদ্ধতিত সুশৃঙ্খল চিন্তা আৰু গৱেষণাৰ লগতে মানবীয় জীৱন-বোধৰ পৰিচয় পৰিচয় পোৱা যায় । বিভিন্ন সময়ত লিখা সৰ্বমুঠ ২২ টা প্ৰবন্ধৰ মাজেদি কেইবা গৰাকী কবি-সাহিত্যিকৰ কবি-জীৱন, সমাজ ব্যৱস্থা আৰু কাব্য-সাহিত্যৰ নতুন মূল্যাঙ্কণ কৰিবলৈ প্ৰচেষ্টা চলোৱা ওখ থাপৰ সমালোচনা গ্ৰন্থ । দিমাই পকাবন্ধা, পৃষ্ঠা ২৯০, বেচ ৭·০০ বৰুৱা এজেঞ্চি, গুৱাহাটী - ১

৫৩। হেম বৰুৱা **স্মৃতিৰ পাপৰি** প্ৰথম প্ৰকাশ, মাৰ্চ ১৯৭০

প্ৰথিতযশা সাহিত্যিক, ৰাজনীতিক হেমবৰুৱাৰ বিভিন্ন আলোচনীত ইতিমধ্যে প্ৰকাশ পোৱা ২৩ টা বিভিন্ন বিষয়ক চিন্তা-মধুৰ পাপৰিৰ থুপেই মনোমোহা সংকলন — স্মৃতিৰ পাপৰি । প্ৰত্যেক পাপৰিৰ মাজত চিন্তা সৌৰভৰ মুক্ত প্ৰকাশ বিৰাজমান ।

গুৱাহাটী বুক ষ্টল, শিলপুখুৰী, গুৱাহাটী—৩ দিমাই, পকাবন্ধা, পৃষ্ঠা ২০৮, মূল্য ৫·০০

৫৪। হেম বৰুৱা **কন্নকী** ৩য় প্ৰকাশ, আগষ্ট ১৯৭০

স্বামীৰ মঙ্গলৰ বাবে জীৱনৰ সকলো সুখ-বাসনা জলাঞ্জলী দিব পৰা তামিল দেশৰ কন্নকী ত্যাগৰ মহিমাৰে গৰীয়সী, ভাৰতীয় আদৰ্শ-নাৰীৰ প্ৰতীক । আকৰ্ষণীয় আখ্যান আৰু বলিষ্ঠ তুলিকাত প্ৰকাশ পোৱাত কন্নকী সৰ্বজন সমাদৃত পুথি ।

লয়াৰ্চ বুক ষ্টল, গুৱাহাটী—১

দিমাই, পকাবন্ধা, পৃষ্ঠা ৭৫, মূল্য ২·৫০

৫৫। হোমেন বৰগোহাঞি **ধূসৰ দিগন্ত** ১ম প্ৰকাশ, জুলাই ১৯৭০

'অসমীয়া' নামৰ আলোচনীত ইতিমধ্যে প্ৰকাশ পোৱা বিভিন্ন বিষয়ৰ দহটা প্ৰবন্ধৰ আটক-ধুনীয়া সংকলন । দিমাই পকাবন্ধা, পৃষ্ঠা ৮৮, বেচ ৩·০০ ফেঞ্চি বুক হাউচ, ঢেকিয়াজুলি, দৰং

৫৬। আব্দুছ ছাত্তাৰ **গান্ধীজীৰ জীৱন-কথা** ১ম প্ৰকাশ, ১৯৬৯

গান্ধী শতবাৰ্ষিকী উপলক্ষে অসমীয়া জন সমাজত গান্ধীজীৰ জীৱন ইতিবৃত্তৰ আভাস দিবলৈ শ্ৰীছাত্তাৰে এখনটাতে পঢ়ি যাতে দুঘণ্টা বা ঘণ্টা ঘণ্টা ধৰি চিন্তা কৰিব পাৰে, মহাত্মাৰ বাণীৰ সোৱাদ লব পাৰে, সেই উদ্দেশ্যেই ৰচনা কৰাৰ প্ৰয়াস সাৰ্থক হৈছে।

গ্ৰন্থকাৰ—অধ্যক্ষ, বুনিয়াদী প্ৰশিক্ষন কেন্দ্ৰ, খোৱাং। পৃষ্ঠা ৪৫ ; দাম - ১'৫০ ; দিমাই, পকাবন্ধা

৫৭। আৰ্ল মেজো আৰু ষ্টিফেন হেচ্ **প্ৰেচিডেণ্ট নিক্‌সন্** ১ম প্ৰকাশ, ১৯৭০

অনুবাদক—ৰাম গোস্বামী

মাৰ্কিন প্ৰেচিডেণ্ট ৰিচাৰ্ড নিক্সনৰ বৈচিত্ৰময় চিন্তাধাৰাত প্ৰভাব বিস্তাৰ কৰা ঘটনা, ব্যক্তিগত জীৱনৰ আতি গুৰি, ৰাজনৈতিক জীৱনৰ বিস্ময়পূৰ্ণ ঘটনাৱলী সন্নিৱিষ্ট এখন সহজ, দায়িত্বপূৰ্ণ উদ্দেশ্য-ধৰ্মী আৰু নিৰ্ভৰযোগ্য জীৱন চৰিত।

দত্ত বৰুৱা এণ্ড কোং, গুৱাহাটী - ১ দিমাই, পকাবন্ধা, পৃষ্ঠা ২৬৮ ; মূল্য - ৩'৫০

৫৮। গোপীনাথ বৰদলৈ (লোকপ্ৰিয়) **গান্ধীজী** ১ম প্ৰকাশ, অক্টোবৰ, ১৯৬৯

( ৯২৩'২৮৫৪ )

১৯৪২ চনত জেলত থাকোতে লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে লিখা সুচিন্তিত ব্যাখ্যাসহ মহাত্মা গান্ধীৰ জীৱনী।

অসম প্ৰকাশন পৰিষদ, গুৱাহাটী ৰয়েল চাইজ, পৃষ্ঠা ১৪১ ; মূল্য - ৬ টকা

৫৯। দুৰ্গেশ্বৰ শৰ্ম্মা **জীৱনী-চয়ন ( ১ম খণ্ড )** ১ম প্ৰকাশ, অক্টোবৰ. ১৯৭০

আধুনিক অসমীয়া জাতীয়তাৰ পথ প্ৰদৰ্শক, ওজা সাহিত্যিক, প্ৰথিতযশা ভাষাবিদ মুধাফুটা কৃতী সন্তান ষোলজনৰ জীৱন-কথাৰ বৰ্ণনাৰে ভৰা এই গ্ৰন্থ।

নিউ বুক ষ্টল, গুৱাহাটী - ১ দিমাই, পকাবন্ধা, পৃষ্ঠা ১৩৩ ; মূল্য - ৩'৫০

৬০। নন্দ তালুকদাৰ **বনফুলৰ কবি দুৱৰা** ১ম প্ৰকাশ. অক্টোবৰ, ১৯৭০

খ্যায়ামী কবি চিৰকুমাৰ ৺যতীন্দ্ৰনাথ দুৱৰাদেৱৰ জীৱন আলোচনা আৰু সাহিত্য প্ৰতিভাৰ পৰ্য্যালোচনা কৰা গ্ৰন্থৰ অভাব দূৰ কৰিবলৈ ছবছৰে কষ্ট কৰি ৰচনা কৰা দুৱৰাৰ জীৱনী সম্বলিত আলোচনা গ্ৰন্থ অসমীয়া ভাষাত অনন্য।

গুৱাহাটী বুক ষ্টল, শিলপুখুৰী, গুৱাহাটী - ৩ দিমাই পকাবন্ধা, পৃষ্ঠা ১৬৬ : মূল্য - ৪ টকা



৬১। ৺পদ্মনাথ গোহাঞিবৰুৱা **জীৱনী সংগ্ৰহ** ১ম প্ৰকাশ, ১৯৬৯

৺গোহাঞিবৰুৱাৰ দ্বাৰা ১৯২৫ চনতে সম্পাদনা কৰা 'জীৱনী-সংগ্ৰহ' বৰ্ত্তমান পৰিবৰ্ধিত ৰূপত আমাৰ প্ৰথিতযশা কবি সাহিত্যিক, ৰাজনীতিক, সমাজসেৱী, কলাকাৰ সাধনা—মহাপ্ৰাণ ৩৮ গৰাকীৰ অনবদ্য জীৱনী সংকলন।

অসম প্ৰকাশন পৰিষদ, গুৱাহাটী দিমাই, পকাবন্ধা, পৃষ্ঠা ৩৩৪ ; মূল্য - ৫ টকা

৬২। পবনাথ শৰ্ম্মা **আমাৰ ৰাষ্ট্ৰপতি** ১ম প্ৰকাশ, ১৯৭০

প্ৰথম ভাৰতীয় বৰলাট ৰাজাগোপালচাৰী আৰু ভাৰতৰ ৰাষ্ট্ৰপতি চাৰিজনাৰ সহজ সৰল ভাষাৰ জীৱন আলেখ্য।

বাণীপ্ৰকাশ, পানবজাৰ গুৱাহাটী - ১ পৃষ্ঠা ৫০ ; দাম - ১'২৫ পইচা

৬৩। প্ৰফুল্ল দত্ত গোস্বামী **মাণিকচন্দ্ৰ বৰুৱা আৰু তেওঁৰ যুগ** ১ম প্ৰকাশ, অক্টোবৰ, ১৯৭০

তিনিজন কলেজীয়া ছাত্ৰ ৺কুমুদেশ্বৰ বৰঠাকুৰ ৺মহীচন্দ্ৰ বৰা আৰু সোনাপতি দেৱশৰ্ম্মাই লগলাগি ৰচনা কৰি ১৯১৭ চন ২৫ ডিচেম্বৰ তাৰিখে প্ৰকাশ কৰা 'মাণিক' নামৰ জীৱনীখনিৰ ওপৰত ভেজা দি গোস্বামীয়ে বিভিন্ন সামাজিক কাহিনীৰে সজাই পৰাই লিখা সুন্দৰ জীৱনী।

বৰুৱা এজেন্সি, দীঘলী পুখুৰী পাৰ গুৱাহাটী - ১ পৃষ্ঠা ৮৪ ; মূল্য - ২'৫০

৬৪। বিশ্বনাৰায়ণ শাস্ত্ৰী **সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱা** ১ম প্ৰকাশ, ১৯৭০

সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাৰ বিভিন্ন ৰচনাৰ ওপৰত আলোচনা, পৰ্য্যালোচনা কৰি বেজবৰুৱাৰ জীৱন আলেখ্য বৰ্ণনা কৰা সুখ পাঠ্য পুথি।

অৰিয়েণ্টেল বুক কোম্পানী, গুৱাহাটী - ১ দিমাই, পকাবন্ধা, পৃষ্ঠা ২৮৪ ; মূল্য - ৬ টকা

৬৫। ৰাজেন্দ্ৰনাথ শৰ্ম্মা, ৰমণীপ্ৰসাদ শৰ্ম্মা, ডঃ ভুবনেশ্বৰ বৰ্মন সম্পাদিত **এখনি জীৱনালেখ্য**

১ম প্ৰকাশ, চেপ্তেম্বৰ, ১৯৭০

পাটাচাৰকুচি বিদ্যাপীঠৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, অধ্যক্ষ শ্ৰীহৰেন্দ্ৰনাথ শৰ্ম্মাদেৱৰ শিক্ষকতা জীৱনৰ অৱসৰ বিদায় সম্বৰ্দ্ধনা দিৱসত তেখেতৰ প্ৰভূত ব্যক্তিত্বসম্পন্ন জীৱন-নাটৰ কথাকেই পুস্তিকাকাৰে প্ৰকাশ কৰি সম্বৰ্দ্ধনা জনোৱা —সুখ পাঠ্য জীৱন আলেখ্য।

নৰকান্ত দাস, শ্ৰীহৰেন্দ্ৰনাথ শৰ্ম্মা সম্বৰ্দ্ধনা সমিতি, বজালী, প্ৰগতিভৱন, পাঠশালা।

পৃষ্ঠা ১১১ ; মূল্য - ২'৫০ পইচা

৬৬। লক্ষ্মীনাথ ফুকন — মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ — ১ম প্ৰকাশ, ১৯৬৯

নিজ জীৱনত সান্নিধ্য লাভ কৰা অবিস্মৃত মুহূৰ্ত্তৰ উল্লেখ কৰি জাতিৰ জনক মহাত্মা গান্ধী আৰু পণ্ডিত নেহৰুৰ লগতে স্বনামধন্য পোন্ধৰ অসমীয়া বীৰ, কবি সাহিত্যিকক শ্ৰদ্ধা নিবেদন কৰিবলৈ আত্ম-জীৱনীমূলক ভঙ্গীৰে ৰচনাকৰা সোতৰটি প্ৰবন্ধৰ আটক ধুনীয়া সচিত্ৰ গ্ৰন্থ।

নলিনী প্ৰকাশ, ৯১/২২ টালীগঞ্জ ৰোড, কলিকতা—৩৩

বেচ ৯৲টকা

৬৭। হেমচন্দ্ৰ দত্ত — মহাত্মা গান্ধী — দ্বিতীয় প্ৰকাশ, ১৯৬৯

গান্ধী শতবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলী জনাবলৈ প্ৰকাশ কৰা বিশ্ব-বৰেণ্য মহাত্মা গান্ধীৰ পূৰ্ণাঙ্গ জীৱন চৰিত। দিমাই পকাবন্ধা, পৃষ্ঠা ২৮৪, বেচ ৬৲ টকা

গ্ৰন্থকাৰ, নআলি যোৰহাট—২

৬৮। শশীকান্ত শৰ্ম্মা — লোকমান্য তিলক — ১ম প্ৰকাশ, ১৯৬৯

ভাৰতৰ স্বৰাজ আন্দোলনৰ পথ প্ৰদৰ্শক, স্বনামধন্য ৰাজনীতিবিদ লোকমান্য তিলকৰ— জীৱন বৃত্তান্ত বৰ্ণোৱা অসমীয়া ভাষাত একমাত্ৰ পুথি।

লিখক, নগাওঁ, অসম

দিমাই পকাবন্ধা, পৃষ্ঠা ৩২০, বেচ ৬৲ টকা

৬৯। আব্দুছ ছাত্তাৰ সম্পাদিত — শতবাৰ্ষিকী স্মৃতি-গ্ৰন্থ (মফিজুদ্দিন আহমদ হাজৰিকা ৰচনাৱলী) — ১ম প্ৰকাশ, ১৯৭০

কবি মফিজুদ্দিন আহমদৰ জ্ঞান মালিনী, তত্ত্ব-পাৰিজাত, সানমিহলি (কবিতা) আৰু অসম সাহিত্য সভাৰ অভিভাষণ সহ হাজৰিকাৰ ৰচনাৱলী। লগতে সম্পাদকে কবিৰ জীৱন-পৰিচিতিও দাঙি ধৰিছে। পৃষ্ঠা ১৫০, মূল্য - ৪৲টকা

প্ৰকাশক— অসম সাহিত্য সভা

৭০। আব্দুছ ছাত্তাৰ — সম্প্ৰীতিৰ চানেকী — ১ম প্ৰকাশ, ১৯৭০

অসমীয়া সাহিত্যত সম্প্ৰীতি আৰু সংহতিৰ চানেকী থকা মহা মানবীয় দৃষ্টি-ভঙ্গীৰ নিদৰ্শনৰ এখন মূল্যবান গ্ৰন্থ।

প্ৰকাশক :— মিচেচ. মচহুদা ছাত্তাৰ, খোৱাং—অসম

পৃষ্ঠা ৬০, মূল্য ২·৫০ টকা

— আগলৈ —

# অসম সাহিত্য সভাৰ প্ৰকাশনসমূহ

| | নাম | মূল্য |
|---|---|---|
| ১। | বিংশ শতাব্দীৰ অসমীয়া সাহিত্য | ৮'০০ |
| ২। | মফিজুদ্দিন আহমদ হাজৰিকাৰ ৰচনাৱলী | ৫'০০ |
| ৩। | অৰুণোদইৰ ধলফাট | ২'৫০ |
| ৪। | আনন্দৰাম ঢেকিয়ালফুকনৰ অসমীয়া ভাষা | ১'০০ |
| ৫। | ৰজনীকান্ত বৰদলৈ ৰচনামালা | ৮'০০ |
| ৬। | বেজবৰুৱাৰ 'প্ৰবন্ধ বাছনি' | ৭'০০ |
| ৭। | বেজবৰুৱাৰ ৰিলিজিয়ন অব লভ এণ্ড ডিভচন | ৩'০০ |
| ৮। | বেজবৰুৱাৰ পত্ৰলেখা | ৭'০০ |
| ৯। | বেজবৰুৱাৰ দিনলেখা | ৪'০০ |
| ১০। | বেজবৰুৱাৰ চিত্ৰলেখা | ৬'০০ |
| ১১। | বেজবৰুৱাৰ বাণী | '৫০ |
| ১২। | প্ৰমথনাথ চক্ৰবৰ্ত্তী | ১'০০ |
| ১৩। | বিশ্বনাথ ৰাজবংশী | ১'০০ |
| ১৪। | ৰঘুনাথ চৌধুৰী স্মৃতিগ্ৰন্থ | ৪'০০ |
| ১৫। | নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪ ০০ |
| ১৬। | সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ৭'০০ |
| ১৭। | আমাৰ লক্ষ্মীনাথ ( শিশু জীৱনী ) | ১'৫০ |
| ১৮। | লক্ষ্মীনাথ বেজবৰুৱা ( হিন্দী ) | '৫০ |
| ১৯। | সাহিত্যৰথী বেজবৰুৱা ( ইংৰাজী ) | '৫০ |
| ২০। | সাহিত্যৰথী বেজবৰুৱা ( ইংৰাজী ) | '৫০ |
| ২১। | বেজবৰুৱা প্ৰতিভা | ৫'০০ |
| ২২। | চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিভা | ৬'০০ |
| ২৩। | ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৫'০০ |
| ২৪। | সীমান্তৰ সন্তেদ | ৩'০। |
| ২৫। | দি আউট লুক অন নেফা | ৪'০০ |
| ২৬। | আচামিজ লেংগুৱেজ কুৱেচন | ১'০০ |
| ২৭। | অসমৰ জনজাতি | ১০'০০ |
| ২৮। | চাহবাগিছাৰ অসমীয়া | ১'০০ |
| ২৯। | বিশাখদত্তৰ মুদ্ৰাৰাক্ষস | ৩'০০ |
| ৩০। | ৰাজশেখৰৰ কৰ্পূৰমঞ্জৰী | ৩'০০ |
| ৩১। | বিশ্বনাথৰ সাহিত্য দৰ্পণ | ১২'০০ |
| ৩২। | শূদ্ৰকৰ মৃচ্ছকটিকা | ৫'০০ |

| | নাম | মূল্য |
|---|---|---|
| ৩৩। | আচামিজ ফৰ অল ( স্বয়ং শিক্ষক ) | ২'০০ |
| ৩৪। | আপকি অসমীয়া ( স্বয়ং শিক্ষক ) | ২'০০ |
| ৩৫। | আনটাঙ্গাৰী অচমীয়াক' কিয়ানী | ২'০০ |
| ৩৬। | অসমীয়া লা-বাবো-লেন (স্বয়ং শিক্ষক) | ২'০০ |
| | অসমীয়া হিকাই-হি ( স্বয়ং শিক্ষক ) | ২'০০ |
| ৩৭। | নীলাচল পাঠ (আও নগা ভাষা শিক্ষা) | ১'০[illegible] |
| ৩৮। | অসমৰ জনজাতীয় সাধু | ৬'০[illegible] |
| ৩৯। | অসম সাহিত্য সভাৰ ভাষণাৱলী ( ৩য় ভাগ ) | ৭'০[illegible] |
| ৪০। | অসম সাহিত্য সভা বাৰ্ষিকী ২৯ শ গোৱালপাৰা সন্মিলন | [illegible] |
| ৪১ | অসম সাহিত্য সভা বাৰ্ষিকী ৩০ শ নাজিৰা সন্মিলন | [illegible] |
| ৪২। | অসম সাহিত্য সভা বাৰ্ষিকী ৩১ শ ডিগবৈ সন্মিলন | [illegible] |
| ৪৩। | অসম সাহিত্য সভা বাৰ্ষিকী ৩২ শ নলবাৰী সন্মিলন | [illegible] |
| ৪৪। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৩ শ উত্তৰ লক্ষীমপুৰ সন্মিলন | [illegible] |
| ৪৫। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৪ শ ডিব্ৰুগড় সন্মিলন | [illegible] |
| ৪৬। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৫ শ তেজপুৰ সন্মিলন | [illegible] |
| ৪৭। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৬ শ বৰপেটা সন্মিলন | [illegible] |
| ৪৮। | অসম সাহিত্য সভা বাৰ্ষিকী ৩৭ শ ধিং সন্মিলন | [illegible] |
| ৪৯। | অসম সাহিত্য সভাৰ পঞ্চাচ বছৰ | [illegible] |
| ৫০। | অসম সাহিত্য সভা পৰিচিতি | [illegible] |
| ৫১। | হেমচন্দ্ৰ গোস্বামী সম্পাদিত— কথা-গীতা | [illegible] |
| ৫২। | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | [illegible] |
| ৫৩। | পবিত্ৰ অসম | [illegible] |

প্ৰাপ্তিস্থান : ১। অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-১

২। অসম সাহিত্য সভা
ভগৱতী প্ৰসাদ বৰুৱা ভৱন,
গুৱাহাটী-১

বেটুপাত ছপা : জনমভূমি প্ৰেছ, যোৰহাট—১